# LAKHIMPUR TELAHI KAMALABARIA COLLEGE

লক্ষীমপুৰ তেলাহী কমলাবাৰীয়া মহাবিদ্যালয়ৰ আলোচনী

## MAGAZINE

2004-05

Editor : Upen Deka

Lakhimpur Telahi Kamalabaria College Magazine
BILINGUAL ISSUE
2004-05

# লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ আলোচনী

## মহাবিদ্যালয়ৰ মুখপত্ৰ

২০০৪-০৫ শিক্ষা বৰ্ষ

সম্পাদক ঃ উপেন ডেকা

# শ্ৰদ্ধাঞ্জলি

নাট্যকাৰ মুনিন ভূঞা।
অৰ্থনীতিবিদ ভূবন বৰুৱা।
নাট্যকাৰ তথা পৰিচালক পদুম বৰুৱা।
কুমুদ শৰ্মা, প্ৰতিষ্ঠাপক সম্পাদক, পৰিচালনা সমিতি।
প্ৰতিষ্ঠাপক উপ-সভাপতি তীৰ্থ নাথ দত্ত।
পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক যুটীয়া সম্পাদক নিৰ্মল বৰা।
চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী থানুৰাম বৰা।

শেহতীয়াকৈ আমাৰ মাজৰ পৰা হেৰাইযোৱা মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী ˚ চিৰঞ্জিতা দত্তক আমি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

ইজৰাইলী আক্ৰমনত নিহত হোৱা সমূহ জনসাধাৰণ আৰু আকস্মিক ভাৱে অজানিতে মৃত্যুক আঁকোৱালী ল'ব লগা হোৱা শত-সহস্ৰজনলৈ লগতে জ্ঞাত-অজ্ঞাত ভাৱে সোঁৱৰণিলৈ নহা সমূহ ব্যক্তিলৈ আমাৰ অন্তৰৰ পৰা যাঁছিলো অশেষ শ্ৰদ্ধাঞ্জলি।

-সম্পাদনা সমিতি

# আমি যাৰ ওচৰত চিৰ ঋণী

☞ সম্পাদনা সমিতিৰ সমূহ উপদেষ্টা মণ্ডলী আৰু সদস্য-সদস্যা বৃন্দ।

☞ বন্ধু : যুগ্ম, ঋতু, দিপজ্যোতি (মেক), সমীৰণ, পংকজ, ভবানন্দ, ৰাজু, দিগন্ত, দেৱজিৎ, দীপাঙ্কৰ, ৰবিন, প্ৰণৱ .........

☞ বান্ধৱী : বিনী, মামু, ৰিজু, মিতালী, দিপাঞ্জলী.........

☞ ৰাজনীতি বিজ্ঞান বিভাগৰ সমূহ অগ্ৰজ-অনুজ আৰু সহপাঠী বন্ধু-বান্ধৱী সকল, মোৰ সকলো কামতে চকু দিয়া শ্ৰদ্ধাৰ আলোচনী বিভাগৰ উপদেষ্টা ৰমেশ কাকতি চাৰ, উপাধ্যক্ষ ড° হামিদুৰ ৰহমান চাৰ, পদ্মাৱতী বাইদেউ, সম্পূৰ্ণা চলিহা বাইদেউ, ৰুমী দত্ত বাইদেউ, বিজু সোণোৱাল চাৰ .....।

☞ বেটুপাত আৰু পৃষ্ঠপটৰ শিল্পী দুলুমনি মহন্ত।

☞ এই সংখ্যাৰ আলোচনীখনিলৈ লেখা দি সম্পাদনা কৰাত সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, অগ্ৰজ-অনুজ আৰু বন্ধু-বান্ধৱী সকল

☞ এপিটমৰ স্বত্বাধিকাৰী দুল দা আৰু বাবলু দা (চিত্তৰঞ্জন) আৰু সমূহ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

☞ জ্ঞাত-অজ্ঞাত ভাৱে থাকি যোৱা বহুজনৰ ওচৰত............

-সম্পাদক

# উৎসৰ্গা

যি সকল
দেৱ পুৰুষৰ ত্যাগৰ বিনিময়ত
মহাবিদ্যালয় খনিয়ে আজিৰ অৱস্থা পাইছেহি,
সেই সকল
দেৱ পুৰুষৰ হাতত
এই সংখ্যাৰ আলোচনীখনি
উৎসৰ্গা কৰিলো।

-সম্পাদক

# শুভেচ্ছা বাণী

DR. K. PATHAK
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH - 786004, ASSAM
Phone : 0373-2370239 (O)
0373-2370323
e-mail : kulendupathak@yahoo.com

No. DU/VC/067/05/179 Date : 27.09.2005

## MESSAGE

Dear Sri Deka,

I am glad to learn that you are going to bring out your annual college magazine for the year 2004-05 very soon. College magazines are the chronicle of the academic as well as extra curricular activities of an educational institution.

I wish, the magazine should act as a platform for the students, teachers and other members of your college community for expressing and exchanging their views and ideas on various issues having cultural, scientific, social and economic relevance.

I convey my best wishes to all of you.

Yours sincerely

(K. Pathak)

Sri Upen Deka
Magazine Secretary
L.T.K. College.
North Lakhimpur.

সূচীপত্ৰ


| | | |
|---|---|---|
| বন্যপ্ৰাণী সংৰক্ষন কৰো আহক | বদন কলিতা | ০৯ |
| জ্যোতিপ্ৰসাদৰ নাটকঃ এটি অৱলোকন | ৰীমা বৰা | ১২ |
| শংকৰদেৱৰ অসম পৰিকল্পনা | মৃদুল নাথ | ১৪ |
| অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনীয়তা | বিনি মহন্ত | ১৭ |
| এক বিংশ শতিকাত নাৰীৰ সামাজিক প্ৰস্থিতি | মামু বৰা | ১৯ |
| সমাজৰ মৰাত্মক ৰোগঃ ৰাজহুৱা জীৱনত..... | মিতালী বৰা | ২১ |
| ব্যক্তিত্ব গঠনত গান্ধীৰ বাণী | দিপাঞ্জলী গগৈ | ২৩ |
| বিয়ানামৰ সাঙ্গীতিক মূল্যায়ন | অঞ্জলিকা ৰাজখোৱা | ২৫ |
| সেউজীয়া পাহাৰৰ বৰ্ণাঢ্য উৎসৱ | পদ্মাৱতী গোঁহাই | ২৭ |
| সাম্প্ৰতিক পৰিস্থিতিত শিক্ষা গুৰুত্ব | সম্পূৰ্ণা চলিহা | ৩০ |
| আধুনিক সমাজৰ ব্যাধি | ৰানুমনি নাথ | ৩৩ |
| অসমৰ অৰ্থনীতিত বেংকৰ ভূমিকা | যুগ্মজ্যোতি দত্ত | ৩৫ |
| নাৰী শিক্ষা আৰু সমাজ | সোনেশ্বৰী শইকীয়া | ৩৬ |
| শান্তি বিছাৰি | সমীৰণ বৰুৱা | ৩৮ |
| অৰ্ন্তদ্বন্দ্ব | ৰমেশ কাকতী | ৪৪ |
| ভূত | ৰূপামনি বুঢ়াগোঁহাই গগৈ | ৪৭ |
| এনেকৈয়ে...নভৰাকৈয়ে... | বলীন কুমাৰ দাস | ৪৮ |
| পৰাজিত নায়ক | ৰিজুমনি বৰা | ৫১ |
| সন্ত্ৰাস | দিগন্ত বৰা | ৫৩ |
| সেই দেওবাৰটো | ৰাজু শইকীয়া | ৫৫ |
| এখন নিলিখা চিঠি | বসন্ত কুমাৰ নাথ | ৫৭ |
| গোপন অশ্ৰু | ৰঞ্জু দাস | ৫৯ |
| মামনি ৰয়চম গোস্বামীৰ সৈতে.... | | ৬১ |
| কবিতা | | ৬৬-৭৭ |
| মোৰ মানসপটত......... | | |
| মোৰ কথাৰে তোমালৈ একাঁজলী | বিনিতা দত্ত | ৮১ |
| সঠিক কল্পনাই সাফল্য আনে | অমৃত শইকীয়া | ৮৩ |
| আন এক অনুভৱ | বৰ্ণালী মহন্ত | ৮৫ |
| মহান বিজ্ঞানীৰ ৰসাল কাহিনী | অৰুন গগৈ | ৮৭ |
| আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয় | নিজুমনি বড়া | ৮৮ |
| Opportunities for self employment | লুকুমণি দত্ত বৰা | ৮৯ |
| Faminism- a Liberal Critic | Dr. Hamidur Rahman | 90 |
| Air Pollution........ | Mukul Nath | 92 |
| Global Warming | Biju Kr. Sonowal | 94 |
| | Dipjyoti Changmai | 100 |

# সম্পাদকৰ চিন্তাৰে ........

# নিউ গ্লোবেল অৰ্ডাৰ



সমগ্ৰ বিশ্ব এতিয়া নতুন দিশেৰে ধাৱমান হৈছে। 'নিউ গ্লোবেল অৰ্ডাৰ'ত একবিংশ শতিকাৰ বিশ্বখন তোলপাৰ লাগিছে। অথচ সেইখন বিশ্বৰে এচাম বুভুক্ষ জনতাই জীৱনৰ মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত হাঁহাকাৰ কৰি আছে। কোনো জীৱনবোধ নোহোৱাকৈ জীয়াই থকা অনামী তাৰণাত এচাম লোক কেৱল জীয়াই আছে।

বিশ্ব পৰিধিৰ আওতাত আমাৰ ভাৰত তথা অসমৰ অনাহুত, অৱহেলিত, নিষ্পষিত লোকৰ সকৰুণ গাঁথা। অথচ, ৰাজনৈতিক অগ্ৰগতিৰ বেগুপাৰ্টি বজোৱা নেতাসকলে কোনো কালে নাও বুৰি তলি পালেও নামি যোৱা নাই। বনুৱাই কাম কৰে, শ্ৰমিকে শ্ৰম কৰে, দৰিদ্ৰই দ্ৰৱিদ্ৰ মোচনৰ বাবে আহুপুৰুষাৰ্থ কৰে, কিন্তু প্ৰতাৰিত ৰাষ্ট্ৰনেতাৰ প্ৰৰোচনাই সকলো ওলট-পালট কৰি পেলায়। শ্ৰমিকে শ্ৰম কৰে, শ্ৰমৰ বিনিময়ত কাংক্ষিত মজুৰি আৰু সুবিধা নাপায়। শ্ৰমিকৰ হৃদয় মোচৰ খাই উঠে, মগজু উথলি উঠে। লক্ষ্যনীয় ভাৱে আমাৰ ভাৰত তথা অসমত গ্লোবেল অৰ্ডাৰত কেৱল ধনী শ্ৰেণীৰ স্বচ্ছলতাৰ দিশটোহে প্ৰতিফলিত কৰা যেন লাগে। বাদ পৰি থাকে তৃনমূল পৰ্যায়ৰ লোক সকল, খাটি খোৱা বনুৱা সকলৰ অগ্ৰগতি বা অধোন্নতিৰ প্ৰতিফলন হোৱা ইয়াত দেখিবলৈ পোৱা নাযায়। আমাৰ চৰকাৰ বিলাকে আঁতৰৰ বৌ-বৰালিত হাত দিয়ে, ওচৰৰ পুঠি -খলিহনাত মন নাই। নহলেনো চৰকাৰৰ "মহান ভাৰত উদয়" ত পোঙ্কৰ হাজাৰ ভিক্ষাৰী একেলগ হ'ব পাৰেনে? চাৰি হাজাৰ নিযুতৰ অধিক টকা ব্যয় কৰি প্ৰচাৰ চলায় দৰিদ্ৰহীন ভাৰতবৰ্ষ বুলি জয়ঢোল কোবোৱা চৰকাৰৰ মিথ্যাবাদিকতাক কুঠাৰঘাট কৰি ধনীৰ জন্ম দিনত বিলোৱা পঞ্চাশ টকীয়া শাৰী লাভ কৰিবলৈ গৈ পদপিষ্ট হৈ তেইশগৰাকী মহিলা আৰু দুটা শিশুৱে মৃত্যুক সাৱতি ল'ব লাগেনে? 'অসমৰ বেলিকা, ৰাষ্ট্ৰীয় মানৱ উন্নয়ন সমীক্ষা ২০০১', পৰিকল্পনা আয়োগৰ মতে প্ৰতিলাখত অসমত দৰিদ্ৰ লোকৰ সংখ্যা ৯৪.৫৫ জন আৰু শতাংশ হাৰত ৩৬.০৯ জন। বাহিৰৰ কথা নকৈ অসমতে দৰিদ্ৰ সীমাৰ তলৰ হাজাৰ হাজাৰ শিশু শ্ৰমিকে ৰেলৰ চুইপাৰ, কাৰখানাৰ বনুৱা, হোটেল বয়, ঘৰুৱা বন কৰা ল'ৰা বা ছোৱালী হৈ এক বিভিযিকাময় জীৱন কটাইছে। চৰকাৰৰ পৰিকল্পনাবোৰ টেবুলত, ড্ৰইংৰূমত আৰু বিষয়া সকলৰ জেপত হোৱা বাবে শিক্ষিত নিৱনুৱাই অসমক চানি পেলাইছে অথচ চতুৰ্থ শ্ৰেণীৰ চাকৰি এটাৰ বাবেও থলুৱা নিযুক্তিক অগ্ৰাধিকাৰ নিদি সাম্প্ৰদায়িকতাৰে ৰাজনৈতিক হিচাপ নিকাচ কৰাত চৰকাৰ ব্যস্ত।

আচল কথা হ'ল, চৰকাৰেই হওক বা ৰাজনৈতিক অনুষ্ঠান-প্ৰতিষ্ঠানেই হওক, সকলোৱেই সাময়িক ভাৱে কিবা এটা চতিয়াই দি নিজৰ স্থিতি শক্তিশলি কৰাৰ বাদে অন্য একো নকৰে। অৰ্থনৈতিক স্বাধীনতাৰ অবিহনে সামাজিক সমতা তেতিয়াও নাহে। অৰ্থনৈতিক স্বাৱলম্বিতাৰ বাবে সকলো লোক শিক্ষিত হ'বই লাগিব। তথাকথিত শিক্ষা ব্যৱস্থাৰ চাকৰিমুখী মানসিকতা পৰিহাৰ কৰি কেৱল জ্ঞান অৰ্জন আৰু কাম কৰাৰ লক্ষৰে শিক্ষিত হ'ব লাগিব। মানসিক উত্তৰণত পৰনিৰ্ভৰশীল জীৱনৰ সংশয় আৰু জীৱনৰ ওপৰত সন্দেহ নোহোৱা হ'ব। এনেদৰে আহৰণ কৰা জ্ঞানে সকলো লোককেই শ্ৰমিক হ'বলৈ শিকাব ও শ্ৰম কৰাত ব্ৰতী হ'বলৈ মানসিক ভাৱে প্ৰস্তুত কৰিব। আমি ভাবো তেতিয়াহে, "নিউ গ্লোবেল অৰ্ডাৰ" সম্ভৱ হ'ব।

এলটিকিয়ানলৈ ঃ-

প্ৰতিজন এলটিকিয়ানে নিজকে একোজন কবি, গল্পকাৰ, নিবন্ধকাৰ, নাট্যকাৰ, বৈজ্ঞানিক আৰু ইয়াৰ জৰিয়তে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ লগতে অসম তথা ভাৰতৰ বাবে একো একোজন সু-নাগৰিক হৈ ভৱিষ্যতে প্ৰতিষ্ঠা লাভ কৰক। এয়াই মোৰ কামনা। ছাত্ৰ-ছাত্ৰী সকলৰ এই আশাক বাস্তৱায়িত কৰাৰ মহান উদ্দেশ্যৰেই আলোচনীখনৰ জন্ম। আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ এই সৃজনীশীলতা প্ৰতিনিধিত্ব কৰি এলটিকিয়ানৰ কবি, সাহিত্যিকে অসম তথা ভাৰতৰ প্ৰতিনিধিত্ব কৰক। মহাবিদ্যালয় খনৰ এই মহান আলোচনীখনীৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব মোৰ হাতত অৰ্পণ কৰি অভাজনৰ ওপৰত দেখুওৱা আস্থাৰ বাবে প্ৰতিগৰ কী এলটিকিয়ানলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শ্ৰদ্ধাঞ্জলি ঃ

স্বদেশ আৰু স্ব-জাতিৰ বাবে প্ৰাণ আহুতি দিয়া মহান ছহিদ সকললৈ এই সুযোগতে স-শ্ৰদ্ধ অঞ্জলি যাঁছিলো। শেহতীয়াকৈ মৃত্যুক

আঁকোৱালী লোৱা শ্ৰদ্ধাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি কে. আৰ. নাৰায়ণন, সাহিত্যচাৰ্য যতীন্দ্ৰ নাথ গোস্বামী আৰু অৰ্থনীতিবিদ ভূবন বৰুৱা ছাৰৰ বিদেহী আত্মাৰ সদ্‌গতিৰ অৰ্থে অদৃশ্যজনৰ ওচৰত প্ৰাৰ্থনা জনালো।

কৃতজ্ঞতা ঃ


পোনতে শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপণ কৰিছো আলোচনীখনিৰ প্ৰকাশ কৰাত বিভিন্ন ধৰনে দিহা পৰামৰ্শ তথা শাৰিৰিক ও মানসিক শ্ৰমেৰে সহায় কৰা তত্বাৱধায়ক শ্ৰীযুত ৰমেশ কাকতি ছাৰক। মহাবিদ্যালয়ৰ সমস্ত কামৰ মাজতে সুৰুঙা উলিয়াই অভাজনৰ বাবে যথেষ্ট সময় খৰচ কৰাৰ লগতে সু-দিহা-পৰামৰ্শৰে আমাক সহায় কৰা শ্ৰদ্ধাৰ উপাধ্যক্ষ ড° হামিদুৰ ৰহমন ছাৰলৈ মোৰ হিঁয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনীখন প্ৰকাশত সময়ে সময়ে সহায় আগবঢ়োৱা সম্পাদনা সমিতিৰ সমূহ সদস্য আৰু মহাবিদ্যালয়ৰ সমূহ অধ্যাপক - অধ্যাপিকাৰ ওচৰত মই চিৰ ঋণী হৈ ৰ'ম। যুগ্ম, ঋতু, দীপ, সমীৰণ, ভৱানন্দ, চবিন, দেৱ, মামু, ৰিজু, বিনি, মিতালী, দীপাঞ্জলি আৰু লগতে প্ৰত্যেক জন এলটিকিয়ানৰ প্ৰতি চিৰ কৃতজ্ঞ হৈ ৰ'ম। যিয়ে মোৰ এই গুৰু দায়িত্বভাৰ কিছু পৰিমাণে হলেও লাঘৱ কৰাত সহায় কৰিলে।

শেষত সদৌটিলৈ আন্তৰিক অভিনন্দেৰে -

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয ছাত্ৰ একতা সভা
জয় আই অসম

- উপেন ডেকা
সম্পাদক

# বন্য প্ৰাণী সংৰক্ষণ কৰো আহক



বদন কলিতা
প্ৰবক্তা

বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় বন তথা উদ্যান অসম তথা ভাৰতবাসীৰে নহয় সমগ্ৰ বিশ্ববাসীৰ বাবে প্ৰকৃতিৰ আইনৰ অনবদ্য উপহাৰ। মাত্ৰ ১২ টা এশিঙীয়া গঁড়েৰে সংৰক্ষণৰ কাম আৰম্ভ কৰা ৰাষ্ট্ৰীয় উদ্যান আজি ডেৰ সহস্ৰাধিক গঁড়েৰে দেশী-বিদেশী পৰ্যটকৰ ৰম্যভূমিলৈ ৰূপান্তৰ হৈছে। ৪৩১ বৰ্গ কি. মি. মাটি কালিৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ লগত পৰৱৰ্তী সময়ত ষষ্ঠ সংযোজনত ব্ৰহ্মপুত্ৰৰ একাংশ চৰ-চাপৰি তথা অন্যান্য কেইবাখনো গাওঁ, অঞ্চল অন্তৰ্ভুক্ত কৰাৰ ফলত ইয়াৰ মাটিৰ বৰ্ত্তমান পৰিসৰ প্ৰায় দ্বিগুণলৈ বৃদ্ধি হোৱাত বন্যপ্ৰাণী সমূহৰ আবাস সম্প্ৰসাৰিত হৈছে, যিটোৱে বন্য প্ৰাণী সমূহৰ নিৰাপত্তা ইতিমধ্যে বৃদ্ধি কৰিছে।

মূখ্যতঃ এটা খড়্গ যুক্ত গড় সংৰক্ষণৰ বাবেই কাজিৰঙাৰ জন্ম যদিও এচীয় হাতী, বনৰীয়া ম'হ, মেথোন, দলহৰিণ, শহা পহু, বান্দৰ, কেইবা প্ৰজাতিৰ বাঘ, বিভিন্ন কীত-পতঙ্গ, পখিলা, স্থানীয় তথা পৰিভ্ৰমী চৰাই, সৰীসৃপ নানান প্ৰজাতিৰ উভচৰ প্ৰাণী আদি কাকোকেই কাজিৰঙাই মাহী আইৰ চকুৰে চোৱা নাই।

কিন্তু বাৰিষা অহাৰ লগে লগে প্ৰতিবছৰে হোৱা প্ৰলয়ংকাৰী লুইতৰ বানপানী আৰু গৰাখহনীয়াই সমগ্ৰ কাজিৰঙা আৰু সমগ্ৰ প্ৰাণীকুলৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে। প্ৰলয়ংকৰী বানৰ কবলত বহুসংখ্যক বন্য পাণী নিৰাপত্তা তথা আশ্ৰয় বিচাৰি কাৰ্বি পাহাৰীয়া অঞ্চললৈ যায়গৈ আৰু অন্যান্য একাংশই দিক বিদিক হেৰুৱাই বানপানীত কক্ বকাই উঠি ভাঁহি আহি ব্ৰহ্মপুত্ৰৰ উত্তৰাঞ্চল শোণিতপুৰ জিলাৰ গমিৰী, বটিয়ামাৰী, ৰাংচালী, বাঁহবাৰী, মোনাবাৰী, বিশ্বনাথ ঘাটকে ধৰি পানপুৰ পৰ্যন্ত ঠাই আশ্ৰয় হিচাবে লয়হি তাৰোপৰি লক্ষীমপুৰ জিলাৰ সোৱনশিৰি আৰু ডিক্ৰং নদীৰ কাষৰ চৰ-চাপৰি সৰুবৰ জংঘলত এই বন্য প্ৰাণী আহি ঘূৰি-ফুৰি থকা অৱস্থাত জন্তুৰ অকাল মৃত্যু হোৱা পৰিলক্ষিত হৈছে।

লুইতৰ বানপানীয়ে খেদি পঠিওৱা বন্য জন্তু সমূহক নিৰাপত্তা বিচাৰি যোৱাৰ পথত বহুতো বাধা বিঘিনি আহি পৰাতো স্বাভাৱিক হৈ পৰিছে। কাজিৰঙাৰ সোঁ মাজেৰে পাৰ হৈ যোৱা ৩১ আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথেদি জন্তুবে পাৰ হবলৈ লওঁতে দ্ৰুতগামী যান বাহনৰ প্ৰচণ্ড খুণ্ডাত মৃত্যুক সাৱতি ল'ব লগা হোৱাতো এক স্বাভাৱিক ঘটনালৈ ৰূপান্তৰ হৈছে। বন্য জন্তুৰ এনে অস্বাভাৱিক কৰুণ মৃত্যু অসমীয়া সমাজৰ বাবে এক বেদনাদায়ক ঘটনা আৰু বিৰাট ক্ষতি।

বাঘে-ছাগে, ম'হ-পহু অন্যান্য তৃনভোজী জন্তুৱে একেটা দ্বীপতে থকা অৱস্থাত, পানী খোৱাৰ সময়ত আঁতুৰত পৰা হৰিণা আৰু অন্যান্য জীৱ-জন্তুবোৰে সজল নয়ণে মানুহৰ মুখলৈ চায় এধানি মৰম বিচাৰে। কিন্তু হ'ব কি! এনে পৰিস্থিতিতে সভ্য মানুহে ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে জীৱৰ ওপৰত তাণ্ডৱলীলা চলায়। সঁচাকৈয়ে'ই কি হৃদয় বিদাৰক ঘটনা নহয়নে? সাধাৰণতে হৰিণা বোৰকে ধৰি আৰু বহু জীৱজন্তুক নিৰ্ম্মম ভাৱে হত্যা কৰে। পহু মাংসৰ মুকলিকৈ বহু ঠাইত বেহা চলে। এনে ঘটনাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ লগতে সমগ্ৰ ৰাইজ জগৰীয়া নহয় নে?

ভাৰতবৰ্ষৰ বন্যপ্ৰাণী আইন সুৰক্ষাৰ বাবে আৱাহমান কালৰে পৰা সংৰক্ষণ সংক্ৰান্তীয় প্ৰচেষ্টা চলি আহিছে। বিশেষকৈ অসমত আধুনিক সংৰক্ষণৰ পদ্ধতিৰ জন্ম হয় ১শতিকাৰ আগৰে পৰা অসমত "অসম গঁড় সংৰক্ষণ আইন" ১৯৫৪ চনৰ পৰা বলবৎ হয়। তাৰপাছতে ১৯৬৮ চনত অসমৰ জাতীয় উদ্যান আইন, সৌসিদিনা ১৯৭২ চনত গ্ৰহণ কৰা ভাৰতীয় বন্যপ্ৰাণী সুৰক্ষা আইন খনে আমাৰ জীৱজন্তু আৰু বিপদগ্ৰস্থ প্ৰজাতিসমূহক আইনৰ সুৰক্ষা প্ৰদান কৰিছে আৰু অতীজৰ সংৰক্ষণ প্ৰচেষ্টাক সবলীকৰণ কৰি তুলিছে।

১৯৯১ চনৰ অক্টোবৰ মাহত কৰা আইন সংশোধনৰ দ্বাৰা বন্যপ্ৰাণী সুৰক্ষা ব্যৱস্থাক অধিক কট্ কটীয়া কৰা হয় আৰু আইন ভংগকাৰীক আদালতে পোনে পোনে শাস্তি প্ৰদানৰ কঠোৰ বিধান দিয়া হৈছে আৰু এই ক্ষেত্ৰত বন আৰু পৰিবেশ বিভাগ, আৰক্ষী বিভাগক যথেষ্ট ক্ষমতা প্ৰদান কৰা হৈছে।

অৱশ্যে জনসাধাৰণ সজাগ নহ'লে আইনৰ যোগে যিকোনো সম্পদ সংৰক্ষণ কৰাটো টান। জনসাধাৰণে বন্যপ্ৰাণীৰ প্ৰতি থকা দায়বদ্ধতা উপলব্ধি নকৰিলে আইন যোগে কেৱল আঁতুৰত পৰা অমূল্য প্ৰাণী সম্পদবোৰক সুৰক্ষা প্ৰদান দিয়াতো সম্ভৱপৰ নহ'ব। এই ক্ষেত্ৰত বিশেষভাৱে বন গাওঁ সমূহ আৰু ব্ৰহ্মপুত্ৰৰ কাষৰ অঞ্চলবোৰৰ অতি গুৰুত্বপূৰ্ণ। বিপদগ্ৰস্ত বন্য প্ৰাণী, পশু-পক্ষী, সৰীসৃপ আদিক সুৰক্ষাৰে সংৰক্ষণ কৰাতো এক মানৱীয় কৰ্ত্তব্য হিচাবে বিবেচনাধীন হ'ব লাগিব। নহ'লে বিপদত পৰা জন্তুবোৰ উদ্ধাৰ কৰাতো সম্ভৱপৰ নহ'ব। সামাজিক সংঘৰদ্বাৰা, সজাগতাৰ মাধ্যমেৰে বন্যপ্ৰাণী সুৰক্ষাৰ দিশতো অধিক সবল কৰি তুলিব লাগিব। কিছু সংখ্যক বন্য প্ৰাণী চিকাৰী আৰু দুস্কৃতিকাৰীক স্থানীয়ভাৱে ৰাইজে বুজাই বঢ়াই এনে কাৰ্য যে অপৰাধ, এই অপৰাধৰ বাবে আইনৰ আগত ব্যক্তি দণ্ডনীয়, তাক পৰিস্কাৰ কৈ জনাই তেনে ব্যক্তিবোৰক সংশোধন কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। বন্যপ্ৰাণী বোৰক নিৰাপত্তা প্ৰদান কৰাতো প্ৰতিজন নাগৰিকৰে এৰাব নোৱাৰ কৰ্ত্তব্য হিচাবে উপলব্ধি কৰাব লাগিব।

সেয়েহে শ্ৰীমন্ত শংকৰদেৱে বন্যপ্ৰাণীৰ প্ৰতি প্ৰীতি প্ৰকাশ কৰি লিখি থৈ গৈছে -

"য'ত জীৱ জংগম কীত পতঙ্গম
অগনগ জগ তেৰী কায়া
সব কহো মাৰি পুৰত ওহি উদৰ
নাহি কৰত ভূত দায়া"

বিপন্ন, বিপদগ্ৰস্ত বা লুপ্তপ্ৰায় সকলো জীৱই আজিৰ সভ্য সমাজৰ হাতত মৃত্যুৰ ক্ষণ গণিছে আৰু পৈশাবিক অত্যাচাৰ সহ্য কৰি পৃথিৱীৰ বুকুত জীয়াই থাকিব লগা হৈছে। উল্লেখযোগ্য যে পৃথীৱিত জীয়াই থকাৰ অধিকাৰ সকলো প্ৰাণীৰেই আছে। ভগৱানৰ সুন্দৰতম, সৃষ্টিৰ বিলুপ্তি ঘটাই মানৱ জাতিৰ ওপৰত প্ৰদূষণ নকৰিব। "এই পৃথিৱীৰ পৰা জীৱ জন্তুক হত্যাৰে নিচিহ্ন কৰি আপুৰুগীয়া প্ৰাণীৰ বিলুপ্তি সংঘটিত নকৰিব"; এনে উক্তিৰ প্ৰতি প্ৰতিজন নাগৰিকে সদায় সৰ্বদা সজাগ দৃষ্টিকোনেৰে বিবেচনা কৰাৰ প্ৰয়োজন হৈ পৰিছে।

সেয়েহে সমাজৰ সকলো শ্ৰেণী, প্ৰত্যেক ব্যক্তি, সমাজ সচেতক নৰ-নাৰী, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী, গাওঁ পঞ্চায়তৰ সদস্য, নিৰ্বাচিত প্ৰতিনিধি, গাওঁৰক্ষী বাহিনী আদি সকলো সদস্যই বন্য প্ৰাণী সংৰক্ষণৰ প্ৰতি সহযোগ আগবঢ়াওক। আমাৰ নিবেদন এয়া হোৱা উচিত যে বন্য প্ৰাণী সমূহক দুস্কৃতিকাৰীৰ হাতৰ পৰা ৰক্ষা কৰি নিৰাপত্তা দিয়ক। গাওঁবোৰত যাতে কোনো বন্য প্ৰাণী বধ নকৰে তাৰ প্ৰতি চকু দিয়ক।

সচেতন ব্যক্তিয়ে প্ৰয়োজনবোধে আৰক্ষী আৰু বন বিভাগ তথা স্থানীয় প্ৰকৃতিপ্ৰেমী সংগঠন (এন.জি.অ') ৰ সৈতে যোগাযোগ কৰি বনসংৰক্ষণৰ লগতে জীৱজন্তুৰ নিৰাপত্তা সুনিশ্চিত কৰক। সমাজত বন্যপ্ৰাণী সংৰক্ষণৰ বাণী প্ৰচাৰ কৰাত প্ৰতিজন ব্যক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা লোৱা উচিত।

মানুহৰ নিজৰ জীৱন ধাৰণৰ বাবেও বন্যপ্ৰাণীৰ প্ৰয়োজন অপৰিহাৰ্য । বৰ্ত্তমান সজাগ সচেতনতাই আমাক ভৱিষ্যত প্ৰজন্মৰ বাবেও ভৱিষ্যত বিপদৰ পৰা ৰক্ষা কৰিব পাৰে। প্ৰত্যেকে আমি সকলোৰে একেলগে আঁতুৰত পৰা বন্যপ্ৰাণী জীৱ-জন্তু, সকলোকে কাজিৰঙাৰ আৰু অন্য বনৰ পৰা ওলাই অহা পশু পক্ষীবোৰক নিৰাপত্তা দি প্ৰকৃতিৰ মহিমাময়ী সৃষ্টি ধ্বজা বহন কৰোঁ আহক।

এই ক্ষেত্ৰত তলত দিয়া আৱশ্যকীয় দিশসমূহৰ প্ৰতি আবেদন —

(১) প্ৰকৃতিৰ সৃষ্টি প্ৰতিটো জীৱৰেই পৃথিৱীত জীয়াই থকাৰ সমান অধিকাৰ আছে। গতিকে নিজেও বাচক আৰু লগতে প্ৰতিটো জীৱকেই নিজৰ মতে জীয়াই থাকিবলৈ দিয়ক।

(২) প্ৰতিটো জীৱই পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল, এটাৰ অবিহনে আনটো অস্তিত্বহীন। সেয়েহে বন্য প্ৰাণী সংৰক্ষণৰ ওপৰত জনমত গঢ়িবলৈ ওলাই আহক।

(৩) লুপ্ত পায় অমূল্য সম্পদ সংৰক্ষণ কৰি জাতীয় ঐতিহ্য ৰক্ষা কৰক। জন্তুৰ মাংস, অন্য অংশ নিজেও ব্যৱহাৰৰ পৰা বিৰত থাকক আৰু আনকো এনে কাৰ্য্যৰপৰা বিৰত থাকিবলৈ পৰামৰ্শ দিয়ক।

(৪) বন্য প্ৰাণীৰ চোৰাং ব্যৱসায় বন্ধ কৰাত আপোনাৰ সক্ৰিয় সহযোগিতা আগবঢ়াওক। চোৰাং চিকাৰী চিনাক্ত কৰি বিভাগীয় কতৃপক্ষক চমজাই দিয়ক।

(৫) বানপানীত উটি অহা বন্য প্ৰাণীক সুৰক্ষা দিয়ক। অসহায় - অৱস্থাত পৰা প্ৰাণীক হত্যা কৰি নৃশংসতাৰ পৰিচয় নিদিব। ক্ষুদ্ৰ স্বাৰ্থ বিসৰ্জন দি বৃহৎ স্বাৰ্থ ৰক্ষা কৰক।

(৬) চোৰাং চিকাৰী নাইবা দুষ্কৃতিক াৰীৰ কবলৰ পৰা বন্য প্ৰাণীক ৰক্ষা কৰাতো মনুষ্যৰ মানৱীয় কৰ্ত্তব্য। বিভাগীয় কতৃপক্ষৰ সৈতে আপোনাৰ সহায়ৰ হাত আগবঢ়াওক।

(৭) কাজিৰঙা উদ্যানৰ সোঁ মাজেৰে পাৰ হৈ যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ স্থানান্তৰিত কৰি জীৱকুল সুৰক্ষা নিশ্চত কৰক।

(৮) আহত বন্যপ্ৰাণী যদি আপোনাৰ দৃষ্টি গোচৰ হয়, তৎক্ষণাত বিভাগীয় কতৃপক্ষক, প্ৰকৃতি প্ৰেমী সংগঠনক খবৰ দি উদ্ধাৰ কৰাত উদাৰতা প্ৰকাশ কৰক।

(৯) বন্যপ্ৰাণী সংৰক্ষণ কৰিবলৈ আগবাঢ়ি অহা বে-চৰকাৰী অনুষ্ঠান, সংগঠন আদিক জাতীয় আপুৰুগীয়া বন্যপ্ৰাণী ৰক্ষাৰ কামত ব্ৰতী হবলৈ প্ৰেৰণা যোগাওক।

শেষত কব পাৰি যে দেশৰ বন্যপ্ৰাণী তথা ৰাষ্টীয় উদ্যান সমূহ সংৰক্ষণৰ দায় দায়িত্ব পৰে, বিশেষকৈ বন মন্ত্ৰনালয়ৰ ওপৰত। তেওঁলোকৰ নিৰপেক্ষ ভূমিকাৰ ওপৰত সমগ্ৰ দেশৰ বন্যপ্ৰাণী তথা বন বিভাগ ভৱিষ্যত উত্তৰণ হোৱাৰ সম্ভাৱনা থাকে। এতেকে মন্ত্ৰনালয়ৰ অধীন আমোলা বিষয়া, বনসংৰচনা উপদেষ্টা কমিটি, পদেন বিষয়াবৰ্গ, কৰ্ম্মচাৰী, চৰকাৰৰ প্ৰতিনিধি, নিৰীক্ষক সকলোৰে সহযোগিতা আৰু নিষ্ঠাৰে কাৰ্য্য কৰাতো নিৰ্ভৰ কৰিব মন্ত্ৰনালয়ৰ মন্ত্ৰী বিষয়াৰ স্বচ্ছতা আদিৰ দিশত থকা জাতীয় প্ৰেম। এতেকে সকলো কৰ্ম্মচাৰী বিষয়াৰ ঐকান্তিক মনোবৃত্তিৰে বন তথা বন্য প্ৰাণী সংৰক্ষণৰ দিশত নিৰপেক্ষ ভূমিকা পালন কৰি সততা অটুত ৰাখি দেশৰ প্ৰগতি কামনা কৰাতো মানৱীয় মূল্যবোধ হিচাপেও বিবেচনা কৰিব পাৰি। এনে ক্ষেত্ৰ সমূহত যদি প্ৰগতিৰ বাট খৰতকীয়া কৰিব পৰা দৃঢ় ব্যৱস্থা অব্যাহত ৰাখিব পৰা যায় তেন্তে উত্তৰ পূৰাঞ্চলত পৰ্যটন উদ্যোগ গঢ় লৈ উঠিব ; যাৰ বাবে নিবনুৱা সকলৰ সংস্থাপনৰ বাট উন্মোক্ত কৰণ হোৱাতো নিশ্চিত।



# জ্যোতি প্ৰসাদৰ নাটক ঃ এটি অৱলোকন



- ৰীমা বৰা
প্ৰবক্তা, অসমীয়া বিভাগ

জ্যোতি প্ৰসাদ অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীৰ এটি উজ্জ্বল নাম। জীৱনৰ বহুকাল অভিনয়ৰ শিক্ষা আহৰণ কৰি অসমীয়া নাটকৰ ক্ষেত্ৰত নতুন দিশ উন্মোচন কৰিছে। শিল্প নৈপুণ্যৰ সকলো দিশ তেওঁৰ নাটকত বিদ্যমান। মঞ্চ নিৰ্দেশনাৰ লগতে অভিনয়ৰ বাবে লাগতিয়াল প্ৰকাশভঙ্গী তেওঁৰ প্ৰতিখন নাটকত সুপুষ্ট। পশ্চিমীয়া আৰ্হি গ্ৰহণ কৰিও অসমীয়া থলুৱা বৈশিষ্ট প্ৰকাশ তেওঁৰ নাটকত প্ৰতিভাত হৈছে। তেওঁৰ নাটকসমূহ হ'ল - শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা, নিমাতী কইনা ৰা ৰূপকোঁৱৰ, আৰু খনিকৰ। তদুপৰি সোন পখিলী, কনকলতা, সুন্দৰ কোঁৱৰ নামৰ তিনিখন নাটক ৰচনা কৰিবলৈ লৈছিল যদিও সম্পূৰ্ণ কৰিব নোৱাৰিলে। তলত তেওঁৰ নাটকৰ বিষয়ে এটি সাধাৰণ অৱলোকন দাঙি ধৰা হৈছে তেওঁৰ প্ৰথম নাটক শোণিত কুঁৱৰীৰ মাজেদি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰা দেখা যায়। এইখন নাটকতে প্ৰথমে আমি জ্যোতিপ্ৰসাদ ক কবি আৰু নাট্যকাৰ হিচাপে পাওঁ। শোণিত কুঁৱৰীৰ কাহিনীভাগ সকলোৰে জনাজাত এক পৌৰাণিক আখ্যানৰ ওপৰত আধাৰিত। কাহিনীৰ ক্ষেত্ৰত দেখা যায় যে উষা-অনিৰুদ্ধৰ প্ৰেম আৰু তেওঁলোকৰ মিলনৰ ক্ষেত্ৰত হোৱা সংঘাত। এই নাটকখনত গীত, চৰিত্ৰ আৰু সংলাপৰ ক্ষেত্ৰত এক নতুনত্ব ফুটি উঠা দেখা যায়। গীতৰ ক্ষেত্ৰত দেখা যায় যে অসমীয়া বনগীত, বিয়ানাম, আইনাম আৰু বিহুগীতৰ সুৰৰ সংমিশ্ৰনে লোক গীতৰ মাত্ৰা প্ৰদান কৰিছে। এই গীতবোৰৰ ক্ষেত্ৰত থলুৱা গীত-মাতৰ সুন্দৰ প্ৰয়োগ শোণিত কুঁৱৰী নাটকৰ এক বৈশিষ্ট। চৰিত্ৰৰ ক্ষেত্ৰত চাবলৈ গ'লে দেখা যায় যে নাৰী চৰিত্ৰ সমূহ যেন পুৰুষ চৰিত্ৰতকৈ অধিক শক্তিশালী। চিত্ৰলেখা চৰিত্ৰটো অতি আকৰ্ষনীয় ৰূপত সজাই তোলা হৈছে। চিত্ৰলেখাৰ চৰিত্ৰত দেখা যায় চিত্ৰশিল্পী, সৌন্দৰ্য পিপাসী, বুদ্ধীদীপ্তা তথা সসীম মনোবাঞ্চাপূৰ্ণ কৰিব পৰা এগৰাকী সখী হিচাপে উষা অনিৰুদ্ধৰ মিলন ঘটাবৰ কাৰণে তেওঁ সকলো ধৰণৰ বাধা অতিক্ৰম কৰিবলৈ আগবাঢ়ি গৈছে। অসমীয়া নাৰীৰো যে এক উচ্চকাংক্ষী শৈল্পীক মন আছে সেই কথা চিত্ৰলেখা চৰিত্ৰৰ মাজেদি নাট্যকাৰে সুন্দৰ ৰূপত ফুটাই তুলিছে।

জ্যোতিপ্ৰসাদৰ দ্বিতীয় নাটক হ'ল "কাৰেঙৰ লিগিৰী"। এই নাটকৰ মাজেদি নাৰী বিপ্লৱী চেতনা প্ৰকাশ পোৱা দেখা যায়। জ্যোতিপ্ৰসাদ যিহেতু নিজেও এজন

স্বাধীনতা সংগ্ৰামী আছিল। জ্যোতিপ্ৰসাদৰ সমগ্ৰ নাটকৰ ভিতৰত কাৰেঙৰ লিগিৰি নাটকক শ্ৰেষ্ঠ নাটক বুলি ক'ব পাৰি। বিষয়বস্তু, ভাৱবস্তু, কাৰিকৰী কৌশল আদি দিশত নাটকখন যথেষ্ট উন্নত মানৰ।

কাৰেঙৰ লিগিৰী নাটকৰ অন্যতম সৌন্দৰ্য হৈছে ইয়াৰ কাহিনীৰ দ্বন্দৰ তীব্ৰতা আৰু গভীৰতা। সুন্দৰ কোঁৱৰ আৰু ৰাজমাওৰ মাজত দ্বন্দ, সুন্দৰ কোঁৱৰ আৰু শেৱালীৰ মাজত ব্যক্তিৰ সৈতে ব্যক্তিৰ দ্বন্দ। ইয়াত সুন্দৰ কোঁৱৰক দেখুওৱা হৈছে আধুনিক বিপ্লৱী মনৰ প্ৰতিনিধি হিচাপে আৰু ৰাজমাওক দেখুওৱা হৈছে ৰক্ষণশীলতা আৰু অভিজাত সমাজৰ প্ৰতিনিধি হিচাপে। এই নাটকখনৰ মাজেদি নাট্যকাৰে দেখুৱাইছে যে সমাজত অতীজৰ পৰা চলি অহা পুৰণি নীতি নিয়ম বিলাকে কেনেকৈ মানুহৰ স্বাধীনতা খৰ্ব কৰি জীৱন কেনেদৰে বিষময় কৰি তোলে তাক দাঙি ধৰিছে। ঠিক সেইদৰে কাঞ্চনমতীৰ চৰিত্ৰত ৰোমান্টিকতা দেখুওৱা হৈছে যদিও এই চৰিত্ৰটোকো বিপ্লৱী ভাৱনাৰে সমৃদ্ধ কৰি তোলা হৈছে। কাঞ্চনমতীৰ চৰিত্ৰৰ মাজেদি কোঁৱৰৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি চৰিত্ৰটোৰ বিপ্লৱীভাৱনাৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে। নাৰীৰ প্ৰতি সুন্দৰ কোঁৱৰৰ যি উপলুঙা দৃষ্টি ভংগী সি দুই এক সংলাপৰ মাজেদি দাঙি ধৰিছিল সেইকথাটো নাট্যকাৰে নাইকীয়া কৰিবলৈ চেষ্টা কৰিছে শেৱালীৰ আত্মবিসৰ্জনৰ দ্বাৰাই। মুঠতে কাৰেঙৰ লিগিৰি জ্যোতিপ্ৰসাদৰ বিষয়বস্তু, ভাৱবস্তু সকলো ফালৰে পৰা শ্ৰষ্ঠ নাটক।

"ৰূপালীম" জ্যোতিপ্ৰসাদৰ আন এক উল্লেখযোগ্য নাটক। এই নাটকখনত বেলজিয়াম নাট্যকাৰ মেটাৰবিংকৰ "মোন্না-ভান্না"ৰ নাটৰ প্ৰভাৱ পৰা বুলি তেওঁ ৰূপালীম নাটকৰ পাতনিত উল্লেখ কৰিছে। এই নাটকখনত জ্যোতিপ্ৰসাদৰ মানৱিক চেতনা অত্যন্ত গভীৰ হৈ উঠিছে। সামন্ত শ্ৰেণীটোৰ হৃদয়হীনতাই যিদৰে সাধাৰণ মানুহৰ জীৱনৰ স্বপ্ন ভাঙি চূড়মাৰ কৰে তাৰ উজ্বল চিত্ৰ এখন নাটকখনত ধাঙি ধৰা হৈছে। মণিমুগ্ধৰ দৰে শাসক শ্ৰেণীটোৰ পশুত্বসুলভ মানসিকতাৰ স্বৰূপ উদঙাই দিয়া হৈছে। নাটকখনত সেইদৰে শাসকীয় শ্ৰেণীটোত মানসিক পৰিৱৰ্ত্তন ঘটাই সাধাৰণ মানুহৰ মন আৰু মানসিকতাৰ মহত্ব ঘোষণা কৰা হৈছে।

"লভিতা" নাটকত জ্যোতিপ্ৰসাদে গভীৰতা আৰু বিপ্লৱী ভাৱনাৰ বিকাশ অতি স্পষ্ট কৰি দাঙি ধৰিছে। সমাজৰ আওপুৰণি কুসংস্কাৰৰ বিৰুদ্ধে গাঁৱৰ এজনী সাধাৰণ ছোৱালীয়ে কেনেদৰে সাহসেৰে, আত্মবিশ্বাসেৰে গাঁৱৰ শোষক শ্ৰেণীটোৰ বিৰুদ্ধে বিপ্লৱ কৰি জীৱন বলিদান দিছিল তাৰ পটভূমিত লভিতা নাটক ৰচিত হৈছিল। লভিতাৰ চৰিত্ৰৰ মাজেদি মানৱতাৰ ওপৰত কোনোবাই আঘাট সানিছে তাকেই বিপ্লৱৰ যোগেদি মানৱতাক ৰক্ষা কৰিবলৈ যত্ন কৰিছে। লগতে ভাৰতৰ স্বাধীনতা যুঁজৰ প্ৰতিচ্ছৱি এটি দাঙি ধৰি নাট্যকাৰে নাৰীৰ মৰ্যদা প্ৰতিপন্ন কৰিছে।

"নিমাতী কন্যা" জ্যোতিপ্ৰসাদৰ মৃত্যুৰ পিছত অৰ্থাৎ ১৯৬৪ চনতহে প্ৰকাশ হয়। এই নাটকত তেওঁৰ প্ৰতিভাৰ অভিনৱ প্ৰকাশ ঘটিছে। স্বাৰ্থসেৱী, ক্ষমতা সেৱী, ৰাজনীতিকে আৰু পৃথীৱিলৈ শান্তি আনিব নোৱাৰে, পৃথীৱিৰ ব্যক্তিগত, শ্ৰেণীগত আৰু আন্তজাৰ্তিক কন্দল কেতিয়াও অন্ত কৰিব নোৱাৰে এনে এটা মাথোন কেন্দ্ৰীয়ভাৱক নানান ৰূপময় প্ৰতীক আদিৰ মাজেদি নিমাতী কইনাক নাটকীয় ৰূপ দিয়া হৈছে। কাব্যিক অভিব্যঞ্জনা আৰু কাব্যময় অনুভূতিক আবেদনৰ মাজেদি উচ্চতৰ জীৱনাদৰ্শ প্ৰদৰ্শনৰ দিশত জ্যোতিপ্ৰসাদৰ "নিমাতী কন্যা" অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত একক আৰু অনন্য সৃষ্টি।


জ্যোতিপ্ৰসাদৰ আন এখন নাটক হ'ল "খনিকৰ"। নাটকখনৰ কেন্দ্ৰীয় চৰিত্ৰ নবীন ফুকন ভাস্কৰ্য শিল্পী। ভাস্কৰ্য শিল্প চৰ্চাৰ প্ৰতি থকা দুৰ্বাৰ আকাঙ্খাৰ বাবেই ৰক্ষণশীল ঘৰখনৰ বাধা নেওচি সুদূৰ পেৰিচত কলাচৰ্চা কৰিছেগৈ। পেৰিচ চহৰৰ এটা সৰু কোঠাত অতি সাধাৰণভাৱে তেওঁ আছে আৰু ভাস্কৰ্য শিল্প চৰ্চা কৰিছে। এখন কঠিন বিচনাৰ ওপৰত শয়ন কৰে আৰু একেখন ৰুটিকে দিনটোৰ ভিতৰত খাই জীৱন যাপন কৰা নবীন ফুকনে সাধনাত সিদ্ধি লাভ কৰিছে আৰু বিশ্ববৰেণ্য পণ্ডিত সকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছে। এই নাটকৰ মাজেদি নবীনৰ ভাস্কৰ্যৰ প্ৰতি আকৰ্ষণ, সাধনাৰ বাবে প্ৰয়োজনীয় ত্যাগ আৰু সাধনাৰ সফলতা সুন্দৰ ৰূপত দাঙি ধৰিছে। এই নাটকত তেওঁ আনকেইখন নাটকৰ চৰিত্ৰৰ ক্ৰিয়াশীলতা, দ্বন্দৰ তীব্ৰতা, ঘটনাৰ জটিলতা দেখা নাযায়।

"সোনপখিলী" নামৰ কাব্য নাটকখন জ্যোতিপ্ৰসাদৰ এখন অসম্পূৰ্ণ নাটক। নাটক খনৰ মাজেদি ফুটি উঠিছে সুকুমাৰ কলা সাধনাৰ যোগেদি লাভ কৰা চৰম সুখ আৰু আনন্দ। নাটকখন অসম্পুৰ্ণ যদিও উপস্থাপন অতি সুন্দৰ ৰূপত ফুটি উঠা দেখা যায়।

"সুন্দৰ কোঁৱৰ" নাটকৰ মাজেদি নাট্যকাৰে দাঙি ধৰিছে যে বোধিসত্বই শত্ৰুৰ ৰাজধানী আক্ৰমণত অহিংসা নীতি অৱলম্বন কৰে।

জ্যোতিপ্ৰসাদৰ অন্য এখন অসম্পূৰ্ণ নাটক হ'ল "কনকলতা"। এই নাটকৰ যোগেদি স্বদেশ প্ৰেমৰ ভাৱনা সুন্দৰ ৰূপত দাঙি ধৰিছে। আৰম্ভণিৰ মাজতে নাটকখনত ভৱিষ্যতৰ ইংগিত লক্ষনীয়।

এই চমু প্ৰৱন্ধত থুলমুলকৈ জ্যোতিপ্ৰসাদৰ নাটকৰ এটি অৱলোকন দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। জ্যোতিপ্ৰসাদে তেওঁৰ নাটকৰ মাজেদি প্ৰাচ্য আৰু পাশচাত্যৰ ভাৱদৰ্শৰ এক সুন্দৰ ছৱি দাঙি ধৰিছে। পশ্চিমীয়া বিশেষকৈ ইউৰোপৰ নাট্যকাৰ সকলৰ সমল সমূহকো অসমীয়া জন জীৱনৰ লগত খাপ খোৱাকৈ সৃষ্টি কৰি এক অভিনৱত্ব প্ৰদান কৰিছে।



# শংকৰদেৱৰ অসম পৰিকল্পনা আৰু বৰ্ত্তমান পৰিস্থিতিত ইয়াৰ বাস্তৱিকতা

মৃদুল নাথ
স্নাতক তৃতীয় বাৰ্ষিক

জয় গুৰু শংকৰ
সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণক
ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।

মহাপুৰুষ শংকৰদেৱৰ গুণৰ অন্ত নাই। অসমীয়া জাতিক ঐশ্বৰ্যৰ বিপুল সম্ভাৱেৰে ধৰ্ম, শিক্ষা, সাহিত্য, সংস্কৃতিৰ বিশাল ক্ষেত্ৰত বহু প্ৰতিভাধৰ শংকৰদেৱে মহিমামণ্ডিত কৰিলে। একতাৰ এনাজৰী, কু-সংস্কাৰ, অন্ধবিশ্বাস পৰিপূৰ্ণ জীৱনলৈ ছন্দ আনি দিলে। মহানুভৱতা আৰু প্ৰেমৰ পবিত্ৰতাৰে অসমীয়া মহাজাতীয় জীৱনলৈ আগমণ ঘটালে পোহৰৰ।

পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো চৰম সামাজিক সংকটে দেখা দিছিল। ধৰ্মৰ নামত নানা পৈশাচিক কাৰবাৰ চলিছিল। ধৰ্মই দয়া, প্ৰেম, অহিংসাৰ বিপৰীতে হিংসা দ্বেষ ক্ৰোধৰ পোষকতা কৰিছিল। তাৰেই সাক্ষ্য নৰবলি, পশু বলিৰ দৰে জঘন্য ঐতিহাসিক সত্য ঘটনা। হিন্দু ধৰ্মই ৰাজ ধৰ্মৰ স্থান অধিকাৰ কৰাৰ লগে লগে পুৰোহিত জাতীয় বুদ্ধিজীৱি চামে নিজ বৰ্ণ আৰু ৰজাক অতিমানৱ অথবা স্বৰ্গ প্ৰেৰিত ৰূপত সজাই পৰিকল্পিত ভাৱে আন বৰ্ণ গোষ্ঠীক লৈই-লৈই, চেই চেই কৰি প্ৰগতিৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰিছিল। বিভিন্ন অসামাজিক পৈশাচিক কুপ্ৰথাৰ বলি কৰিছিল এই নিৰীহ জনতাক। মন্দিৰত বলি দিবলৈ নিয়া জন কোনো ৰাজ পৰিয়াল অথবা পুৰোহিত পৰিয়ালৰ নাছিল। কুমাৰী পূজাৰ দৰে জঘন্য অনুষ্ঠানতো

উচ্চবৰ্ণৰ কোনো যুৱতীক লাঞ্চিত কৰা হোৱা নাছিল। সতীত্ব হৰণ কৰা হোৱা নাছিল। অৰ্থাৎ বৰ্ণহিন্দু অথবা ৰাজপৰিয়ালৰ জঘন্য লালসাৰ বলি হৈছিল সদায় নিম্ন বৰ্ণৰ সকল। জাতিগত উৎপীড়নৰ এনে সংকটকালীন অৱস্থাতেই বোধহয় সংগোপনে জনগণৰ মনত থিতাপী লৈছিল পৰিৱৰ্তনৰ প্ৰতি প্ৰৱল স্পৃহাই। স্পৃহাৰ সহাঁৰিতেই উদয় হৈছিল হতাশাৰ মলিন আকাশত আশাৰ দীপ্তিমান সূৰ্যৰ - তেৱেঁই শংকৰদেৱ।

**জাতি গঠনত শংকৰদেৱ ঃ**

ৰাজতন্ত্ৰ আৰু পুৰোহিততন্ত্ৰ ৰ দুমুখীয়া শোষণ উৎপীড়নত উৰ্ৱলি যাব ধৰা সমাজখনক ন-ৰূপত সজাই জনতাৰ দুখ দুৰ্গতিৰ ওৰ পেলাবলৈ আহিছিল শংকৰদেৱ। অসাধাৰণ ব্যক্তিত্ব, অবিচলিত ধৈৰ্য আৰু সহিষ্ণুতাৰ অধিকাৰী শংকৰদেৱে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ জনতাৰ ক্ষোভ আৰু ক্ৰোধক সংগঠিত কৰি ৰাজঘৰীয়া অবিচাৰ আৰু প্ৰচলিত ধৰ্মীয় ব্যভিচাৰৰ বিপক্ষে থিয় দিবলৈ মানসিক অৰিহণা যোগাইছিল। ভৰ বয়সত ভাৰতৰ বিচিত্ৰ সংস্কৃতিৰ পথাৰত দুবাৰকৈ মুকলি বিচৰণৰ প্ৰভাৱ পৰিছিল, শংকৰদেৱৰ ভাৱাদৰ্শত। সাম্য-মৈত্ৰী বিশ্বজনীন ভাতৃত্ববোধেই শংকৰদেৱৰ আন্দোলন জনমূখী হৈ জনহৃদয়ত ঠাই পাইছিল তাৰোপৰি খ্ৰীষ্টিয় চতুৰ্দশ শতিকাৰ পৰা ভাৰতৰ বিভিন্ন প্ৰান্তত কঁপনি তোলা নৱবৈষ্ণৱ আন্দোলনেও অসমৰ এই জাগৰণক প্ৰভাৱিত কৰিছিল। শংকৰদেৱে সৰ্বভাৰতীয় এই প্ৰভাৱৰ প্ৰবাহত সততে সংযোগ স্থাপন কৰিছিল। "কুকুৰ, শৃগাল গদৰ্ভতো আত্মাৰাম"ৰ ছায়াত জাতি, বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে সকলো মানুহৰ সমঅধিকাৰত গুৰুত্ব আৰোপ কৰিছিল। বৰদোৱাৰ কীৰ্ত্তন ঘৰৰ দ্বাৰ বড়ো, কছাৰী, লালুং, ধৱন, নগা, মিৰি, মিচিমি, অকা, ডফলা সকলোৰে বাবে উন্মুক্ত আছিল।

"এক দেৱ এক সেৱ
এক বিনে নাহি কেৱ।"

দেহ আৰু মনৰ পৱিত্ৰতা ৰক্ষা কৰি মুক্তি লাভ প্ৰশস্ত কৰিব পাৰি। "কৃষ্ণাস্তু ভগৱান স্বয়ং সৰ্বব্যাপক।" তেওঁ সকলো জীৱতে বিৰাজমান। সেয়ে শংকৰদেৱৰ ধৰ্মত জাতি বিদ্বেষৰ স্থান নাই। মানৱীয়তাৰ মহামন্ত্ৰৰে একেশ্বৰবাদৰ বুনিয়াদ ৰচনা কৰিলে।

"ব্ৰাহ্মণৰ, চণ্ডালৰ নিবিচাৰি কুল,
দাতাত, চোৰত যেন দৃষ্টি সমতোল।"

এনে সংহতিৰ জৰিয়তে শংকৰে পূৰ্ব কালত যি সকলক নীচ বুলি সমাজত স্থান দিয়া নহৈছিল সেই সকলৰ অন্তৰ স্পৰ্শ কৰিছিল, আত্ম বিশ্বাসৰ সঞ্চাৰ কৰিছিল। অস্পৃশ্যতাৰ মহা অভিশাপ খণ্ডন কৰি বৰ অসমৰ বুনিয়াদ প্ৰতিষ্ঠা কৰিছিল। শংকদেৱে জাতি গঠনৰ মহাৰ্ঘ্যৰূপে ধৰ্মক বাছি লৈছিল। এইবাবেই যে অসমৰ সহজ সৰল হোজা জনগোষ্ঠীক ধৰ্মৰ নিচিনা স্পৰ্শকাতৰ দিশে সহজে স্পৰ্শ কৰিবলৈ সক্ষম আৰু মানৱীয় অনুভূতিক নিয়ন্ত্ৰীত কৰিব পাৰিছিল। গুৰুজনাৰ উদাৰ দৃষ্টিভঙ্গী আৰু বিশ্ব প্ৰেমিক ৰূপে অসমৰ পৰ্বতে ভৈয়ামে সিঁচৰিত হৈ থকা জনগোষ্ঠী সমূহ ঐক্য সংহতিৰ অদৃশ্য এনাজৰীত কটকটীয়াকৈ বান্ধি বৃহত্তৰ অসমীয়া জাতীয়তাবাদৰ সূচনা কৰিলে। ড° বাণীকান্ত কাকতিদেৱে পুৰণি অসমীয়া সাহিত্য নামৰ গ্ৰন্থত কৈছে "ধৰ্মৰ বিভিষীকা আৰু শ্ৰেণীভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰাই সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে। হৰি নামৰ ক্ষেত্ৰত জাতি কুলৰ বিচাৰ নাই। সকলো জাতৰ মানুহেই একেলগে বহি হৰিনাম লোৱাতো বাধা নাই।" শংকৰদেৱে ৰজাক বিচৰা নাছিল। বহুজন ৰজাৰ সান্নিধ্যতো তেওঁ প্ৰজাৰ হকেহে কাম কৰিছিল। "শান্তিজান" বন্ধ কামত মাছমৰীয়া বোৱাৰী বাধিকাক অগ্ৰাধিকাৰ দিছিল। "বৰদোৱা" নামঘৰৰ ঘাই খুটা পোটাইছিল চান্দামা দৰ্জীৰ হতুৱাই। নগাৰ নৰোত্তম, ভোৰ্চৰ জয়ানন্দ, জয়ন্তীয়াৰ মাধৱ কুমাৰ, ব্ৰাহ্মণৰ দামোদৰ দেৱ, কছাৰীৰ ৰমাই, কাৰ্বিৰ ভোলাই শংকৰদেৱৰ প্ৰধান ভক্ত সকলৰ ভিতৰত পৰে। কিৰাট, কছাৰী খাচী, গাৰো, মিৰি ঘৱন, কংক, গোৱাল, অসম মুলুক, ৰজক তুৰুক, কুৱাচ লেচ, চণ্ডাল আছিল, শংকৰদেৱৰ বৃহৎ অসমীয়া জাতি সংগঠনৰ উপাদান। উপাদান সমূহৰ ভেটিতে ৰচনা কৰিলে বৰ অসমৰ বুনিয়াদ বৰ্ণ সংকৰ জাতি। সভ্যতা আৰু সংস্কৃতিৰ, সাম্যবাদ আৰু সমাজবাদৰ ভিত্তিত গঢ়া বৃহত্তৰ অসমীয়া সমাজখন আজি বিলুপ্তিৰ পথত। আজিৰ অসমীয়াই সহনশীলতা, ভাতৃত্ববোধ, পাৰস্পৰিক বুজাপৰা, ন্যায়ৰ সংজ্ঞা পাহৰি গৈছে। অসমৰ জাতি জনগোষ্ঠীৰ মাজত বিভেদ আৰু বিচিন্নতা বোধৰ বীজ ৰোপন হৈছে। সমাজত, সভ্যতাত অৰ্থনৈতিক আচাৰ অধঃ পতনৰ অংকুৰণ হৈছে। বিশ্ব বৰেণ্য ঐক্য সংহতিৰ বিচিত্ৰ প্ৰতীক অসমীয়া সংস্কৃতি আজি অপ-সংস্কৃতিৰ গৰাহত ৰুগ্নপ্ৰায়। বৃহত্তৰ অসমীয়া জাতিকে ৰাজনৈতিক স্বাৰ্থত ভাগ ভাগ কৰা হৈছে।

জনগণৰ আবেগক সংগঠিত কৰি স্পৰ্শকাতৰ সমস্যাৰাজিক অস্ত্ৰৰূপে লৈ সুকীয়া সুকীয়াভাৱে পাৰস্পৰিক বুজা বুজিৰ ঠাইত সন্দেহ শংকাত সংক্ৰমিত কৰা হৈছে। বড়ো আহোম, মিচিং, কাৰ্বি, ৰাভা, চুতীয়া সকলোৱেই সুকীয়া অস্তিত্বৰ প্ৰতি অধিক অগ্ৰাহন্বিত হৈছে। আনকি বড়ো সকলৰ কিছু অংশই অসমক দ্বিখণ্ডিত কৰাৰ স্বপ্ন দেখিছে। শংকৰদেৱৰ বৰ অসম তাহানি নগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মণিপুৰ, অৰুনাচল, মেঘালয়, অসম টুকুৰা টুকুৰ হোৱাৰ পাছতো আজিৰ ক্ষুদ্ৰ অসমত পুনৰ বড়োলেণ্ড, উদয়াচল, নীলাচল, স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ দাবী উঠিছে। ধৰ্মীয় সংকীৰ্ণতা, সাম্প্ৰদায়িক সংঘৰ্ষই আজিৰ অসমৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।


শংকৰদেৱৰ জাতিগঠন প্ৰক্ৰিয়াৰ বিশ্লেষণ কৰিলে দেখা যায় প্ৰকৃতপক্ষে অসমীয়া মহাজাতি কোনো এটা জাতি বা গোষ্ঠীৰ একচেতীয়া সম্পদ নহয়। নানা জাতি-উপজাতি, গোষ্ঠী, সম্প্ৰদায় শ্ৰেণী, ধৰ্ম আৰু ভাষাৰ লোক সকলৰ হাজাৰ হাজাৰ বছৰ জোৰা সাধনা পাৰস্পৰিক, বিশ্বাস, সহনশীলতা, ভক্তি, সন্মান মধুৰ সংমিশ্ৰনেই অসমীয়া জাতি। বিভিন্ন গোষ্ঠীৰ একতা দৃঢ় কৰিবলৈ গুৰুজনাই সকলোকে এক শৰণ নাম ধৰ্মত দীক্ষিত কৰিছিল। পৰ্বত ভৈয়ামৰ সম্প্ৰীতি ৰক্ষা কৰিছিল। সাম্যবাদ আৰু সমাজবাদৰ ভেটিতে নামঘৰ, সত্ৰ আদিৰ সৃষ্টি কৰিছিল। সমাজৰ পৰা ধৰ্মীয় শোষণ, সামাজিক অন্যায় নোহোৱা কৰিছিল।

শংকৰদেৱৰ অৱদান আৰু নীতিক আজিৰ পটভূমিত বিশ্লেষণৰ জৰিয়তে তেওঁৰ কৰ্মপদ্ধতিক পথ প্ৰদৰ্শক ৰূপে গ্ৰহণ কৰি বিভিন্ন জাতি-জনজাতিৰ মনৰ পৰা ভয়, শংকা, অন্ধবিশ্বাসৰ ডাৱৰ আঁতৰোৱাৰ মহাক্ষণ সমাগত। কলাগুৰু ৰাভাদেৱে কৈছিল, "আজিকালি উপজাতি আৰু জনজাতিৰ নামে এটা জাতিৰ নাম বহল ভাৱে শুনা যায়। বগা বগুলুৰা ভাষাত এওঁলোকক ট্ৰাইবেল বুলিও কোৱা হয়। এনে জনজাতিৰ মানুহ অসমতে বেছিকৈ দেখা যায়। এই ৰাজ্যৰ দিহিঙে দিপাঙে, হাবিয়ে বননিয়ে নৈৰ পাৰে পাৰে, পৰ্বতে পাহাৰে জুৰি নিজৰাৰ কাষে কাষে, দাতিয়ে দাতিয়ে এই জনজাতি সকলক দেখা যায় - এওঁলোক অসমৰ আদিম জাতি।"

আজিৰ অসমৰ লক্ষ্য হোৱা উচিত শংকৰদেৱৰ আদৰ্শৰ মূল্যায়ণ আৰু ইয়াক জীৱনৰ স্তৰে স্তৰে বিয়পাই দিয়া। এনে কৰিব পাৰিলেহে অসমৰ ঐক্য-সংহতি কটকটীয়া হ'ব। কলাগুৰু বিষ্ণুৰাভাদেৱে আকৌ কৈছিল "অসমীয়া সমাজক একগোট কৰি গোটাব পাৰিলেহে অসমৰ আৰ্থিক, ভাষা-সংস্কৃতি আদিৰ উন্নতি হ'ব আৰু ইয়াক জীয়াই ৰাখিব পাৰিম। আজি শংকৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শংকৰদেৱে কি নাজানিছিল আৰু কি নিদিছিল? অসমীয়া জাতিক তেঁৱেই দি গৈছিল নগাঁৱৰ বটদ্ৰৱাৰ শিলিখা গছৰ তলত বহি লিখা অমূল্য ৰত্ন কীৰ্ত্তন পুথি। অসমীয়াৰ গীত বাদ্য, নৃত্য, সাহিত্য, ভাওনা, নাম কীৰ্ত্তন, বৰগীত, নামঘোষা, মৃদংগ, তাল-খোল, দৌল যাত্ৰা, ধনপুঁজি সমাজ, ধৰ্ম বিচাৰ, নীতি আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ ভোগ, বৈৰাগ্য সকলো শংকৰদেৱে অসমীয়াক দি গৈছে। কেৱল অসমীয়াইহে সেইবোৰ আয়ত্ব কৰিব পৰা নাই। মাৰ্ক্সৰ সাম্যবাদ আৰু গান্ধীৰ গান্ধীবাদৰ আগেয়েই শংকৰদেৱে সেই নীতিক অসমত প্ৰতিষ্ঠা কৰিছিল। শংকৰদেৱৰ সুললিত বাণী আৰু ধ্বনিত মোহিত হৈ সুদূৰ বাগদাদৰ পৰা আহি আজান ফকীৰে অসমীয়া সংস্কৃতিৰ কালজয়ী সমন্বয় জিকিৰ গীত ৰচনা কৰিছিল।"

অসমৰ সংস্কৃতিত শংকৰদেৱৰ স্থান অদ্বিতীয়, অপৰিমেয়। মহাপুৰুষ শংকৰদেৱে অসমীয়া সংস্কৃতিৰ মণিকুটত সোমাই জাতি গঠনত, আধ্যাত্মিক দানত, মানৱ সেৱা, সমাজ সংস্কৃতি গঠনত, সংস্কৃতি কলা শিল্পৰ নৱজাগৰণত, অসমীয়া নাৰী-পুৰুষৰ চৰিত্ৰ গঠনত সমন্বয় সংহতিৰ আধাৰত লোক ৰঞ্জনৰ দাৰ্শনিক সত্য উদ্‌ঘাটনত, জাতিৰ চেতনা প্ৰবাহত যি প্ৰেৰণা যোগাই থৈ গ'ল তাৰ ওপৰত নিৰ্ভৰ কৰিহে আজি আমি অসমীয়া জাতি হিচাবে পৰিচয় দিব পাৰিছোঁগৈ। সেই পৃথিৱীৰ বিৰল নিদৰ্শন গৰাকীজনক অসমীয়া জাতিয়ে জগত গুৰুৰ আখ্যা দিছে। সেইজনাৰ আদৰ্শেৰে অনুপ্ৰাণিত হোৱা প্ৰতি অসমীয়াৰ কৰ্ত্তব্য হোৱা বাঞ্চনীয়।

আজিৰ অসমীয়া সমাজৰ প্ৰাণ আৰু আত্মা সেই শংকৰদেৱৰ প্ৰাণৰ ৰূপান্তৰ মাত্ৰ। সেই শংকৰদেৱক নমস্কাৰ, শংকৰদেৱৰ প্ৰাণ স্বৰূপ অসমীয়া মহাজাতিৰ জয় হওঁক।



# অসমত পৰ্যটন উদ্যোগৰ সম্ভাৱনা

বিনি মহন্ত

স্নাতক তৃতীয় বৰ্ষ

সুজলা, সুফলা, শস্য-শ্যামলা আমাৰ অসম খনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিনন্দীয়া ৰূপ বৰ্ণাই শেষ কৰিব নোৱাৰি। কিন্তু মুক্ত বাণিজ্যৰ এই যুগত অসমৰ এই দৃষ্টি নন্দন প্ৰাকৃতিক সৌন্দৰ্যক কেৱল আমি অসমীয়া সকলেই চাই মুগ্ধ হৈ থকাটো চূড়ান্ত অনা অৰ্থনৈতিক কাৰ্যৰ বাদে একো নহয়। কেৰেলা, ৰাজস্থান আদি ৰাজ্যই পৰ্যটনৰ সম্ভাৱনাক সম্পূৰ্ণভাৱে সদ্ব্যৱহাৰ কৰি পৰ্যটনৰ জৰিয়তে অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত এখোপ আগুৱাই যাব পাৰিছে। পৰ্যটন খণ্ডৰ পৰা সংগ্ৰহ হোৱা ৰাজহৰ পৰাই উৰিষ্যাৰ ৰাজকোষলৈ এক বুজন পৰিমাণৰ অৰ্থ আহে। উত্তৰাঞ্চল ৰাজ্যখনৰো অৰ্থনৈতিক স্বপ্নৰ আধাৰ হ'ল পৰ্যটন। কেৰেলা, ৰাজস্থান, তামিলনাড়ু, উত্তৰাঞ্চল, উৰিষ্যা আদি ভাৰতৰ অন্যান্য ৰাজ্যবোৰত পৰ্যটন উদ্যোগে যিদৰে উন্নতি কৰিছে অসমে কিন্তু উন্নতি কৰিব পৰা নাই। অসমৰ সাধাৰণ নাগৰিকৰ অজ্ঞতা আৰু সংশ্লিষ্ট মহলৰ প্ৰয়োজনীয় তৎপৰতাৰ অভাৱৰ বাবেই প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও অসমত পৰ্যটন উদ্যোগে ভালকৈ খোপনি পুতিব পৰা নাই।

বৰ্তমান বিশ্ব অৰ্থনীতিত সেৱাখণ্ডৰ গুৰুত্ব আৰু ভূমিকা প্ৰচুৰ। এই সেৱাখণ্ডৰ মুঠ আৰ্ন্তজাতিক বাণিজ্যৰ প্ৰায় চল্লিশ শতাংশই কিবা নহয় কিবা প্ৰকাৰে পৰ্যটন উদ্যোগৰ সৈতে সাঙোৰ খাই আছে। বিশ্বৰ মুঠ পৰ্যটনৰ বজাৰত ভাৰতৰ দৰে বৈচিত্ৰপূৰ্ণ দেশখনৰ অংশই অতি কম। ভাৰতীয় পৰ্যটন বজাৰত আকৌ অসম তথা উত্তৰ পূৰ্বাঞ্চল অংশ অতি পুতৌ লগা। ফঁহিয়াই চালে দেখা

যায় যে অসম বা উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ ক্ষেত্ৰতে ইয়াৰ কাৰণ সমূহো প্ৰায় একে। উগ্ৰপন্থী গোটবোৰৰ কাৰ্যকলাপৰ বাবে আইন শৃংখলাৰ পৰিস্থিতিৰ অস্থিৰতা, আন্তঃগাঁথনিৰ অভাৱ, পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ বিজ্ঞাপণৰ অভাৱ, সুস্থ পৰ্যটন নীতিৰ অভাৱ আৰু লগতে প্ৰচাৰ মাধ্যম সমূহে প্ৰতিফলিত কৰা অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ এক প্ৰতিকূল প্ৰতিচ্ছবি, এই কাৰক কেইটাই পৰ্যটনৰ প্ৰধান অন্তৰায় হিচাপে দেখা দিয়ে। এই অন্তৰায়বোৰ আঁতৰাবৰ বাবে প্ৰথম আৰু প্ৰধান পদক্ষেপ হিচাপে অসমৰ বাহিৰত অসম বা উত্তৰ পূৰ্বাঞ্চল সৰ্ম্পকীয় বিৰূপ ভাৱমূৰ্ত্তি নোহোৱা কৰিবৰ বাবে সংশ্লিষ্ট সকলো মহলে উদ্যোগ ল'ব লাগিব। বিশেষকৈ প্ৰচাৰ আৰু সংবাদ মাধ্যমৰ লগত জড়িত সকলে অসমৰ বাহিৰত অসমৰ ভাৱমূৰ্ত্তি পৰ্যটক মহলৰ বাবে আকৰ্ষণীয় কৰি তুলিবৰ বাবে যত্ন কৰিব লাগিব। অসমৰ বিনন্দীয়া প্ৰাকৃতিক ৰূপ, অসমৰ লোক সংস্কৃতি, অসমৰ সহজ সৰল জীৱনযাত্ৰা, অসমৰ মনোমোহা জলবায়ু, খাদ্যভাস আদিৰ বিষয়ে বিতংভাৱে পৰ্যটকসকলক জনাব লাগিব। পৰ্যটনৰ আন্তঃগাঁথনি সবল কৰি তুলিবৰ বাবে হোটেল আৰু পৰিবহন ব্যৱস্থাৰ উন্নয়ণৰ বাবে ৰাজ্য চৰকাৰে ব্যক্তিগত উদ্যোগীসকলক অংশগ্ৰহণ কৰিবলৈ উদ্‌গনি দিব লাগিব। আন্তঃগাঁথনি সবল কৰিবৰ বাবে সংশ্লিষ্ট সকলো কতৃপক্ষই নিষ্ঠাৰে দায়িত্ব পালন কৰাৰ লগতে অসমৰ সকলো নাগৰিককে এই বিষয়ে সজাগ কৰিব লাগিব।

ৰাজ্যৰ বিভিন্ন ঐতিহাসিক মঠ-মন্দিৰ বা চিহ্নবোৰ ভালদৰে সংৰক্ষণ কৰি সেইবোৰক পৰ্যটনৰ থলী হিচাপে সজাই উলিওৱাত চৰকাৰে মনোযোগ দিব লাগিব। শিৱসাগৰ, তেজপুৰ, নগাঁও, বৰপেটা, গুৱাহাটী আদিক কেন্দ্ৰ কৰি মাজুলীৰ দৰে 'হেৰিটেজ টুৰিজিম'ৰ পেকেজ প্ৰস্তুত কৰি উলিয়াব পাৰি। আমেৰিকাৰ 'ৰেড ইণ্ডিয়ান ভিলেজ'ৰ আৰ্হিত অসমত বাস কৰা বিভিন্ন জাতি বা জনজাতি গোষ্ঠীৰ সুকীয়া পৰিচয়ৰ স্থায়ী প্ৰদৰ্শনীৰ ব্যৱস্থাৰে এক সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰিব পৰা যায়। ব্ৰহ্মপুত্ৰ, জীয়াভৰালী আদি নদীক 'এডভেঞ্চাৰ টুৰিজিম'ৰ ক্ষেত্ৰ হিচাপে (ৰেফটিং, মাছ ধৰা আদি) গঢ়ি তুলিব পাৰি। অসমৰ আটাইকেইখন অভয়াৰণ্য আৰু সংৰক্ষিত বনাঞ্চলসমূহক ভগাই লৈ 'অৰণ্য পৰ্যটন' পেকেজ আৰম্ভ কৰিব পৰা যায়। ব্ৰহ্মপুত্ৰ নদীৰ মাজত থকা অসংখ্য চৰ-চাপৰিৰ কেইটামান আৰু লগতে ভিতৰুৱা গাওঁ দুই-এখনকো 'প্ৰাকৃতিক পৰ্যটন'ৰ ক্ষেত্ৰ হিচাপে 'পৰ্যটন গাওঁ' কৰি গঢ়ি তুলিব পৰা যায়। কালচাৰেল টুৰিজিম, হিষ্ট্ৰিকেল টুৰিজিম, এডভেঞ্চাৰ টুৰিজিম আৰু সৰ্বোপৰি প্ৰাকৃতিক পৰ্যটনৰ সামৰি অসমত এক বিশাল ক্ষেত্ৰ আছে। অসমৰ নিসৰ্গৰ মাজত ব্যাপী থকা জৈৱ বৈচিত্ৰ অধ্যয়নো ইয়াৰ এক অংশ হ'ব পাৰে। অসমত থকা প্ৰায় ৮৫০ খন বৃহৎ চাহ বাগিচা আৰু ৭০,০০০ খন ক্ষুদ্ৰ চাহ বাগিচাক জড়িত কৰি 'চাহ পৰ্যটনৰো' এক বিশাল ক্ষেত্ৰ গঢ়ি তুলিব পৰা যায়।

পৰ্যটন উদ্যোগৰ ইমানবোৰ সম্ভাৱনা থকা এখন ৰাজ্যত পৰ্যটনৰ উন্নতিৰ বাবে বিপনন, বিজ্ঞাপন আৰু প্ৰচাৰ পেছাদাৰী ক্ষিপ্ৰতাৰে কৰিব পাৰিব লাগিব। এইবোৰৰ ক্ষেত্ৰত আধুনিক নীতি আৰু দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। পৰ্যটন সঞ্চালকালয়, পৰ্যটন নিগম আদিয়ে নতুন আৰু ফলপ্ৰসু কৰি তুলিব পৰা আঁচনি গ্ৰহণ কৰিব লাগিব। প্ৰয়োজন সাপেক্ষে ব্যক্তিগত খণ্ডৰ পেছাদাৰী লোকসকলক এইক্ষেত্ৰত জড়িত কৰিব লাগিব। উত্তৰ পূবাঞ্চলৰ সকলো ৰাজ্যই উমৈহতীয়া প্ৰচেষ্টাৰে অসম তথা পূৰ্বাঞ্চলক আৰ্ন্তজাতিক পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আঁচনি গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজনীয় সকলো বাস্তৱসন্মত পদক্ষেপ ক্ষিপ্ৰতাৰে গ্ৰহণ কৰিব লাগিব। ভাৰতৰ যিবোৰ পৰ্যটকৰ ব্যাপক আগমন হয়, তেনেবোৰ স্থানত অসমৰ তথ্য কেন্দ্ৰ স্থাপন কৰি সেইবোৰ অধিক সক্ৰিয় কৰি তুলিব লাগিব। পৰ্যটনৰ বিপুল অৰ্থনৈতিক সম্ভাৱনাৰ লগতে ৰাজ্যখনৰ নিবনুৱা সমস্যা দূৰ কৰিবৰ বাবে ই ল'ব পৰা বলিষ্ঠ ভূমিকাৰ বিষয়ে ৰাজ্যৰ জনসাধাৰণক সজাগ কৰি তুলিবৰ বাবে ব্যাপক প্ৰচাৰ অভিযানৰ প্ৰয়োজন।

(সহায়লৈ)



# একবিংশ শতিকাত নাৰীৰ সামাজিক প্ৰস্থিতি

মামু বৰা

স্নাতক তৃতীয় বৰ্ষ

"নতুন যুগৰ সংস্কৃতি গঢ়োতে পুৰুষৰ লগতে নাৰীয়েও প্ৰগতিৰ পথেৰে অগ্ৰসৰ হ'ব লাগিব। এগছি অখণ্ড প্ৰদীপৰ দৰে নাৰী শক্তি আধুনিক যুগৰ এক উজ্জ্বল বন্তি"

- জ্যোতি প্ৰসাদ আগৰৱালা

নাৰী এক মহান শক্তি যাক আদ্যা শক্তি বোলা হয়। সমাজ গঠনত নাৰী সকলে গুৰুত্বপুৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিন্তু সেই নাৰীয়েই যুগে যুগে লাঞ্চিতা, বঞ্চিতা আৰু নিৰ্যাতিতা হৈ আহিছে। বৈদিক যুগত পুৰুষৰ স'তে ভাৰতীয় নাৰীয়ে সম অধিকাৰ লাভ কৰাৰ উপৰিও সমাজৰ সকলো কামতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কিন্তু সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে নাৰীৰ উচ্চ মৰ্যদা ক্ৰমান্বয়ে অৱনমিত হৈ অহা পৰিলক্ষিত হয়। নাৰী সকলে প্ৰতি পদক্ষেপতে নিজৰ প্ৰাপ্য অধিকাৰ আৰু সন্মানৰ পৰা বঞ্চিতা, লাঞ্চিতা। পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থাই মহিলা সকলক স্বাধীনতাৰ পোহৰৰ পৰা বঞ্চিত কৰি আহিছে।

আমাৰ সংবিধানত নাৰীৰ অধিকাৰৰ ওপৰত বহুতো আইন প্ৰণয়ন কৰা হৈছে যদিও বৰ্তমানেও সেই আইন সমূহ ফলৱতী হৈ উঠিব পৰা নাই। মহিলাৰ কল্যাণৰ কাৰণে বিভিন্ন আঁচনি চৰকাৰে লোৱাৰ স্বত্বেও তেওঁলোকে বৰ্বৰ আৰু জঘন্য ব্যৱহাৰৰ বলি হ'বলগীয়া হৈছে। সেইবোৰৰ ভিতৰত কন্যা শিশুৰ ভ্ৰূণ হত্যা, শিশু শ্ৰমিক, বাল্য বিবাহ, যৌতুক প্ৰথা, ধৰ্ষণ, যৌন অত্যাচাৰ,লিংগ বৈষম্য, অশালীন ব্যৱহাৰ আদি উল্লেখনীয়। এই ঘটনা সমূহৰ দ্বাৰা মহিলা সকলৰ প্ৰাপ্য সামাজিক মৰ্যদা আৰু অধিকাৰ ভোগ কৰাত বাধাৰ সৃষ্টি হৈছে।

বৰ্তমান সময়ত যৌতুক প্ৰথাই এক ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। যৌতুকৰ বাবেই প্ৰতিবছৰে বহু হাজাৰ মহিলাক শাৰীৰিক অত্যাচাৰ, শাৰীৰিক ভাৱে পংগুকৰণ বা জীৱন্তে অগ্নিদগ্ধ কৰি মৃত্যু মুখলৈ ঠেলি দিছে। বহুতো পৰিয়ালত বিশাল পৰিমাণৰ যৌতুক দিব নোৱাৰাৰ বাবেই বহুতো বিবাহোপযুক্ত গাভৰুৱে অবিবাহিতা জীৱন যাপন কৰিবলগা হৈছে।

মহিলা সকল প্ৰায়ে পুৰুষৰ কামনাৰ বলি হ'ব লগা হৈছে। ধৰ্ষণৰ দৰে ঘৃণনীয় কাৰ্যৰ বলি হ'ব লগীয়া হৈছে বৰ্ণালী, জ্যোতিস্মিতা আদিৰ দৰে নাবালিকা কিশোৰী সকল। এনেবোৰ ঘৃণনীয় কাৰ্যৰ পৰা হাত সাৰি থাকিবলৈ মহিলা সকলে শাৰীৰিক আৰু মানসিক ভাৱে প্ৰস্তুত থাকিবলৈ গৈ নিজৰ মানসিক শান্তিকনো হেৰুৱাব লগা হৈছে। ভাৰতবৰ্ষৰ বহুতো ৰাজ্যত বৰ্ত্তমানেও বাল্য বিবাহপ্ৰথাৰ প্ৰচলন হৈ আছে। ফলস্বৰূপে কম বয়সীয়া ছোৱালী এজনীয়ে মাতৃত্বৰ বোজা বহন কৰিবলৈ গৈ অকালতে মৃত্যুক সাৱটি ল'ব লগা হৈছে।

এইখিনিতে দেখা যায় যে মহিলা সকলক ৰাজনীতিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ সুবিধা প্ৰদান কৰা হৈছে। লোকসভা আৰু বিধান সভাত ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষণ যদিও মহিলা সকলে তেওঁলোকৰ নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হ'ব লগা হৈছে।

বৰ্ত্তমান একবিংশ শতিকাত মহিলাৰ ওপৰত নানা উৎপীড়ন চলি আছে যদিও কিছু পৰিমাণে মহিলাৰ অৱস্থাৰ পৰিৱৰ্ত্তন ঘটিছে। এই ক্ষেত্ৰত বিভিন্ন মহিলা সংগঠন, প্ৰচাৰ মাধ্যম, শিক্ষাৰ প্ৰসাৰতা, উদাৰমনা অগ্ৰণী সমাজকৰ্মীৰ ভূমিকা উল্লেখযোগ্য। মহিলা সকলৰ মাজত আত্ম সচেতনতা বৃদ্ধি পোৱাৰ লগে লগে তেওঁলোকে নিজৰ ভুল সমূহ শুদ্ধৰাবলৈ সক্ষম হৈছে। সমাজৰ একাংশ মহিলাই তেওঁলোকে জীৱনৰ আৰম্ভণিৰে পৰা বিভিন্ন বাধা বিঘিনি নেওচি নিজকে সু-প্ৰতিষ্ঠিত আসনত বহুৱাবলৈ সক্ষম হৈছে। সময়ৰ প্ৰত্যাহ্বানক নেওচি নিজকে প্ৰতিষ্ঠিত কৰা মহিলা সকলৰ ভিতৰত - "লৌহ নাৰী" বুলি খ্যাত ভাৰতৰ প্ৰাক্তন সভানেত্ৰী বিজয়লক্ষ্মী পণ্ডিত, জাতীয় কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী সৰোজিনী নাইডু, প্ৰথম ভাৰতীয় পুলিচ সেৱাৰ (আই.পি.এচ) বিষয়া কিৰণ বেদী, দুবাৰকৈ মহাকাশচাৰী কল্পনা চাওলা, নৰ্মদা বচাও আন্দোলনৰ গুৰি ধৰোতা মেধা পাটকাৰ, উত্তৰ প্ৰদেশৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰী সুচেতা কৃপানিলী, সাহিত্যিক অৰুন্ধতী ৰয়, জ্ঞান পীঠ বঁটা বিজয়ী ড° মামনি ৰায়চম গোস্বামী, মাউন্ট এভাৰেষ্ট আৰোহণকাৰী বাছেন্দ্ৰী পাল, ভাৰতক 'বিউটি চুপাৰ পাৱাৰ' ৰূপে খ্যাতি আগবঢ়োৱা সুস্মিতা সেন, ঐশ্বৰ্য ৰায়, প্ৰিয়ংকা চোপ্ৰা, লাৰা দত্ত, ডায়েনা হেলেন, সংগীত জগতৰ গুৰি ধৰোতা লতা মংগেশকাৰ, এম,এছ শুভালক্ষ্মী, অলিম্পিক বঁটা বিজয়ী কৰ্ণম মালেশ্বৰী, টেনিছ তাৰকা ছানিয়া মিৰ্জা আদিৰ নাম উল্লেখনীয়।

বৰ্ত্তমান যুগ নাৰী জাগৰণৰ যুগ। আজিৰ নাৰী পাকঘৰৰ পৰা ওলাই আহি ৰাজপথত পুৰুষৰ লগত সমানে সামাজিক দায়িত্ব লবলৈ আগবাঢ়ি আহিছে। আমাৰ চাৰিওফালে ক্ৰিয়া কৰি থকা আসুৰিক শক্তি অতিক্ৰম কৰিবলৈ নাৰীসকল অধিক শক্তিশালী হোৱাৰ প্ৰয়োজন। সমাজত বাঢ়ি অহা দুৰ্নীতি-ভ্ৰষ্টাচাৰ, ব্যভিচাৰ, হত্যা, লুণ্ঠন, ধৰ্ষণ আদি সমস্যা সমূহ ৰোধ কৰিবলৈ ওলাই আহিব লাগিব নাৰীসকল। সমাজলৈ শান্তি, সমৃদ্ধি আৰু স্থিৰতা তেতিয়াহে আহিব যেতিয়া বৰ্ত্তমানৰ নাৰী সকল দৃঢ়ভাৱে প্ৰতিজ্ঞাবদ্ধ হ'ব। সমাজৰ এক বৃহৎ অংশক ৰান্ধনী ঘৰত বন্দী কৰি ৰাখি দেশ বা সমাজক উন্নতি সাধন কৰিব নোৱাৰি। ভাৰতৰ উন্নতিৰ লগত পুৰুষৰ দৰে নাৰীৰো ভৱিষ্যৎ নিহিত আছে।



# সমাজৰ মৰাত্মক ৰোগঃ "ৰাজহুৱা জীৱনত দুৰ্নীতি"

মিতালী বৰা
স্নাতক তৃতীয় বৰ্ষ

বৰ্তমান ভাৰতবৰ্ষত ভয়াৱহতা সৃষ্টি কৰা মাৰাত্মক ব্যাধিটোৱেই হৈছে দুৰ্নীতি। দুৰ্নীতিয়ে সমাজত সামাজিক অসমতা আৰু সামাজিক বঞ্চনা আদি প্ৰতিকূল পৰিস্থিতিৰ সৃষ্টি কৰে। বৰ্তমান ভাৰতবৰ্ষ দুৰ্নীতিৰে ভাৰাক্ৰান্ত। ভাৰতীয় সমাজৰ এনে এটা দিশ নাই য'ত দুৰ্নীতিয়ে অনুপ্ৰৱেশ কৰা নাই। দুৰ্নীতিৰ প্ৰকোপত ভাৰতীয়ৰ সামাজিক জীৱন এক প্ৰকাৰ পঙ্গুত্ব প্ৰাপ্ত হৈছে আৰু ভাৰতীয় জাতিৰ উন্নয়নৰ বাটত প্ৰধান অন্তৰায় হিচাপে থিয় দিছে। সেই দুৰ্নীতিৰ বিষয়ে কিমানে কিমান কথা কৈছে, কিমানে কিমান উপায় আগবঢ়াইছে ; কিন্তু সকলো সময়ত ব্যৰ্থ হৈ গৈছে আৰু দুৰ্নীতিৰ পৰিমাণ বাঢ়ি গৈছে। সেই দুৰ্নীতিৰ পিচল বাটেদিয়েই ভাৰতীয় জাতি কোনোমতে আগবাঢ়ি আছে।

সাধাৰণতে দুৰ্নীতি বুলিলে ৰাজহুৱা দায়িত্বৰ খাতিৰত কোনো ব্যক্তিয়ে নিজৰ ভূমিকা পালন কৰোঁতে ব্যক্তিগত স্বাৰ্থৰ বাবে আনৰ পৰা টকা লৈ কাম দিয়াটোকে বুজায়। বহল দৃষ্টিত কেৱল টকা লোৱাটো বা ঘোচ খোৱাটোৱেই দুৰ্নীতি নহয়। ইয়াৰোপৰি কোনো ব্যক্তিয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে যদি সংশ্লিষ্ট বিষয়াক নগদ টকা বা কিবা সামগ্ৰী উপহাৰ দিয়ে নতুবা কামৰ বিনিময়ত কাৰোবাৰ পৰা উপহাৰ লোৱা হয় তাকো দুৰ্নীতি বুলিব পাৰি।

দুৰ্নীতি সম্পৰ্কে বিভিন্ন সমাজ দাৰ্শনিকে বিভিন্ন ধৰণৰ সংজ্ঞা আগবঢ়াই থৈ গৈছে। এইবোৰ তলত উল্লেখ কৰা হ'ল -

ক) The Dictionary defines Corruption as "an inducement to wrong by bribery or other unlawful means : a departure from what is pure and correct.

খ) বিশিষ্ট সমাজ দাৰ্শনিক Bhargava এ কৈছে যে, "Act of commision or omission by a public servent for securing pecuniary or other material advantage or indirectly for himself, his family or friends,is corruption.

গ) অন্য এজন দাৰ্শনিক C.B. Mamoria ৰ মতে "We may define corruption as an improper or selfish excercise of power and influence attached to a public office or to a special position in public life."

দুৰ্নীতিত লিপ্ত হোৱা ব্যক্তি সকলে নিজৰ ব্যক্তিগত লাভালাভৰ কাৰণে অসামাজিক কামতো লিপ্ত হোৱা দেখা যায়। বিশেষকৈ ৰাজহুৱা জীৱনৰ দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি পোৱাৰ লগে লগে সম্প্ৰতি বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি হৈছে। প্ৰকৃতাৰ্থত দুৰ্নীতি হৈছে এক সামাজিক ব্যাধি যি সমাজ সংৰচনাৰ সামগ্ৰিক উন্নয়ণত বাধা জন্মায় আৰু সাম্প্ৰতিক গতিশীলতাৰ প্ৰতিবন্ধক ৰূপে থিয় দিয়ে।

ভাৰতীয় মানুহৰ দুৰ্নীতিৰ কাৰণ সম্পৰ্কে বহুতে বহুত ৰকমৰ যুক্তি আগবঢ়ায়। সকলোৱে বাবে সুবিধাৰ অভাৱ, দৰিদ্ৰতা, নৈতিকতাৰ স্খলন, শাসনযন্ত্ৰত কেৰোণ, টকা সম্পত্তি আয়ত্ব কৰাৰ মনোবৃত্তি, প্ৰকৃত শিক্ষাৰ অভাৱ, ব্যক্তিবাদ আৰু অৰ্থবাদৰ ওপৰত গুৰুত্ব আদিয়েই দুৰ্নীতিৰ মূল কাৰণ। সাম্প্ৰতিক কালত এজন ব্যক্তিৰ সামাজিক স্থান অৰ্থৰ দ্বাৰা নিৰ্ণয় কৰা হয় যদিও ব্যক্তিয়ে অসামাজিক উপায়েৰে অধিক ধন উপাৰ্জন কৰে ; তথাপিতো সমাজে তেওঁক অৰ্থবান ব্যক্তি হিচাপে এটা ভাল প্ৰস্থিতি প্ৰদান কৰে। সমাজত অৰ্থবাদৰ গুৰুত্বই ৰাজহুৱা জীৱনত দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি হোৱাত সহায় কৰিছে।

বৰ্তমান আমাৰ চৰকাৰী আৰু বে-চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান সমূহত বিভিন্ন ব্যক্তিৰ দ্বাৰা বিভিন্ন সময়ত কৰ্মচাৰী সকলক দুৰ্নীতিগ্ৰস্ত হ'বলৈ বাধ্য কৰাইছে। ইয়াৰোপৰি

ভাৰতবাসীৰ অৰ্থনৈতিক দুৰাৱস্থাও দুৰ্নীতিৰ কাৰণে দায়ী। ভাৰতীয় মানুহ সাধাৰণতে দুখীয়া। সেইকাৰণে দুৰ্নীতিৰ আশ্ৰয় লৈ হ'লেও মানুহৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাটোৱে জীৱনৰ সাধাৰণ লক্ষ্য হৈ পৰিছে। মানুহে নীতি-অনীতি বিচাৰ নকৰি কেৱল ধন সম্পদ ঘটাত লাগি গৈছে। তাৰফলত সমাজত অস্বাভাৱিক বৈষম্যৰ সৃষ্টি হৈছে। ধন সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত নীতিৰ বিচাৰ কৰা সম্ভৱ নহয়। গতিকে দুৰ্নীতিয়ে অবাধে গা কৰি উঠিছে। সমাজৰ মুষ্টিমেয় বিত্তৱান কেইজনমানে দুৰ্নীতিৰ আশ্ৰয় লৈ সৰ্বসাধাৰণক শোষণ কৰি আছে। তাৰফলতে আমাৰ সমাজত ধনী-দুখীয়াৰ পাৰ্থক্যটো ক্ৰমে বেছি হৈ গৈছে আৰু দৰিদ্ৰৰ সংখ্যাও বছৰে বছৰে বৃদ্ধি পাই গৈছে।

আমাৰ দেশত ইংৰাজসকলেই আধুনিক শিক্ষাৰ প্ৰৱৰ্তন কৰে। সেই শিক্ষাই মানুহক স্বাভাৱিকতে দুৰ্নীতি পৰায়ণ হ'বলৈ শিকায়। ভাৰতীয় শিক্ষা ব্যৱস্থাটো ত্ৰুটি মুক্ত বুলি ক'ব নোৱাৰি। আমাৰ দেশৰ শিক্ষা ব্যৱস্থাৰ এই কেৰোণৰ ফলতো ৰাজহুৱা জীৱনত দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ কেৰোণৰ বাবে প্ৰতি বছৰে হাজাৰ হাজাৰ কাৰিকৰী শিক্ষিত নিবনুৱাৰ সৃষ্টি কৰিছে। মন কৰিবলগীয়া দিশ হ'ল যে চৰকাৰী আৰু বে-চৰকাৰী শিক্ষানুষ্ঠান সমূহত অযোগ্য ব্যক্তি নিয়োগে ৰাজহুৱা জীৱনত দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি কৰিছে। বিশেষকৈ চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান সমূহত অযোগ্য বা অপৈনত ব্যক্তিয়ে নিযুক্তি পালে দুৰ্নীতিৰ পৰিমাণ বৃদ্ধি হোৱা পৰিলক্ষিত হয়।

দুৰ্নীতি গণতন্ত্ৰৰ এটা লগৰীয়া সম্পদ। আমাৰ চৰকাৰৰ যিসকল বৰমূৰীয়া, সেই সকলেই দুৰ্নীতি পৰায়ণ। গণতন্ত্ৰ দলীয় চৰকাৰৰ দ্বাৰা গঠিত হয়। ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰিবৰ নিমিত্তে দলীয় চৰকাৰৰ বৰমূৰীয়া সকলে টকাৰ খেল আৰম্ভ কৰে। চৰকাৰৰ মাজত হোৱা সেই টকাৰ প্ৰতিযোগিতাই দুৰ্নীতিৰ শীৰ্যস্তৰ। গতিকে গণতান্ত্ৰিক দেশৰ চৰকাৰেই সমাজৰ মাজত দুৰ্নীতিৰ পোহাৰ মেলিছে। গতিকে চৰকাৰ - আমোলাতন্ত্ৰৰ ওপৰৰ পৰা তললৈ স্তৰ ভেদে দুৰ্নীতিয়ে শিপাই পৰিছে।


বৰ্তমান সমাজব্যৱস্থা অধ্যাত্মিকতাবাদৰ পৰা ধনতান্ত্ৰিক সমাজলৈ ধাৱিত হৈছে। চৰকাৰী বিষয়া, উদ্যোগপতি, ৰাজনৈতিক নেতা আদি সকলোৱে অধিক অৰ্থ লাভৰ বাবে নিজৰ চিন্তা শক্তি, জ্ঞান বুদ্ধি আদি বিসৰ্জন দি নিজকে এজন উচ্চ প্ৰতিষ্ঠিত ব্যক্তি হিচাপে স্থান লাভ কৰিবলৈ চেষ্টা কৰিছে। এনেদৰে নৈতিকতা পতন হোৱাৰ ফলত বৰ্তমান দুৰ্নীতিৰ হাৰ বৃদ্ধি পাইছে।

ৰাষ্ট্ৰীয় বিভিন্ন অভিলাষী আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ নোহোৱাৰ মূল কাৰণ হ'ল বিত্তীয় দুৰ্নীতি। এহাতে ধনৰ অভাৱ বুলি দোহাই দিয়া সকলেই আঁচনিৰ বাবে আৱন্টিত ধন লুণ্ঠন কৰাৰ অলেখ উদাহৰণ আছে, যাৰ ফলত দেশৰ উন্নয়ণৰ আঁচনি সমূহৰ সফল ৰূপায়ণ অৰণ্যৰোদনত পৰিণত হৈছে। আন্তৰিকতা, সততা, ঐকান্তিকতা আৰু নিষ্ঠাৰ অভাৱ হ'লে কোনো আঁচনিয়েই সফলতা লাভ কৰিব নোৱাৰে।

স্বয়ং প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়েই মন্তব্য দিছিল "জনকল্যাণ আঁচনিবোৰৰ বাবে অনুমোদন কৰা পুঁজিৰ এটকাৰ পোন্ধৰ পইচাহে জনকল্যাণৰ কামত খৰচ হয়।" ট্ৰেন্সফাৰেঞ্চী ইন্টাৰনেশ্যনেলে এক সমীক্ষাত ভাৰতক বিশ্বৰ সৰ্বাধিক দুৰ্নীতিগ্ৰস্ত দেশ বুলি চিনাক্ত কৰিছে। বৰ্তমান দৰিদ্ৰতা নিৰ্মূলৰ নামত দায়িত্ব বহন কৰা বিষয়া সকলৰ অভুতপূৰ্ব আৰ্থিক উন্নতিয়েহে সচেতন মহলক শংকিত কৰি তুলিছে।

সদৌ শেষত দুৰ্নীতি সম্পৰ্কে ক'ব পৰা যায় যে সমাজত সাধাৰণতে যিবিলাক কাৰণত দুৰ্নীতিক মানুহে প্ৰশ্ৰয় দিয়ে সেই কাৰণ বিলাক বুজি সেই বিলাকৰ উপশম ঘটাবৰ যত্ন কৰিব লাগিব। নহ'লে ভাৰতবৰ্ষই বিশ্বৰ দৰবাৰত এখন দুৰ্নীতিগ্ৰস্থ ৰাষ্ট্ৰ হিচাপেহে পৰিচয় দাঙি ধৰিব। ভাৰতবৰ্ষৰ উন্নয়ণৰ প্ৰধান অন্তৰায় "ৰাজহুৱা জীৱনত দুৰ্নীতি" ক আঁতৰ কৰিব পাৰিলেহে আমাৰ দেশে উন্নতিৰ অভিমুখে যাত্ৰা কৰিব পাৰিব।

ÄÄÄÄ



# ব্যক্তিত্ব গঠনত গান্ধীৰ বাণী

দীপাঞ্জলি গগৈ
স্নাতক তৃতীয় বৰ্ষ

আমাৰ এই ভাৰতবৰ্ষ যি সময়ত দাসত্বৰ বান্ধোনত সোঁত মোচ খাই আছিল, মুকঃ হৈ গৈছিল নিজৰ ভাষা, চিন্তা, ব্যক্তিত্ব, তেনে সময়তে আৰ্বিভাব হৈছিল দুশবছৰীয়া পৰাধীনতাৰ পৰা মহান শক্তিৰে উদ্ধাৰকৰ্ত্তা মহামানৱ মহাত্মা গান্ধীৰ। সত্য, অহিংসাৰ পূজাৰী গান্ধীয়ে নিজৰ জীৱন সত্যৰ অন্বেষণত কটোৱাৰ লগতে স্বদেশৰ মানুহকো সত্য-অহিংসা, প্ৰেম-মৈত্ৰীৰ আমোঘ বাণীৰে দীক্ষিত কৰাইছিল। তেওঁৰ যেন নিজৰ জীৱনেই নিজৰ বাণী। গান্ধীজীয়ে নৈতিকতাপূৰ্ণ সুস্থ সমাজৰ ওপৰত "ৰামৰাজ্য" গঢ়াৰ সপোন দেখিছিল। এই সমাজৰ বাবে ব্যক্তিত্ব গঠনত বিশেষ গুৰুত্ব দিছিল। তেওঁ কৈছিল, "আত্ম শাসনেই সঁচা বা আচল স্বৰাজ। ই মোক্ষ বা মুক্তিৰ সমতুল্য।" আকৌ "জনসাধাৰণৰ স্বৰাজ মানে ব্যক্তিৰ আত্মশাসনৰ সামগ্ৰীক ৰূপ।"

গান্ধীজী ছাত্ৰ সমাজৰ ওপৰত আছিল গভীৰ আস্থাশীল সেয়ে তেওঁ ছাত্ৰসকলৰ প্ৰতি যেন জীৱনৰ আমোঘ মন্ত্ৰ প্ৰদান কৰিছিল। গান্ধীজীৰ মতে দেশৰ ভৱিষ্যত ছাত্ৰ সকলক সু-নাগৰিক কৰি গঢ়ি তুলিবলৈ এনে ধৰণৰ শিক্ষা দিব লাগিব যি শিক্ষাৰ দ্বাৰা তেওঁলোকে ভৱিষ্যতে ব্যক্তিগত জীৱনক সু প্ৰতিষ্ঠিত কৰাৰ বাবে সমল আহৰণ কৰাৰ উপৰি দেশৰ স্বাৰ্থত আত্মনিয়োগ কৰিবলৈ সমৰ্থ হয়। তেওঁ এই কথা স্বীকাৰ কৰি আহিছে যে, বহুত ছাত্ৰৰ পঢ়া কালত মহৎ প্ৰেৰণা থাকিলেও কলেজীয়া শিক্ষা সাং হোৱাৰ পিছত সি নোহোৱা হয়, যিটো পৰিতাপৰ কথা। ইয়াৰ কাৰণ স্বৰূপে বাস্তৱিক জীৱনৰ প্ৰয়োজনীয়তা আৰু শিক্ষাৰ সম্বন্ধৰ ওপৰতে সন্দেহ প্ৰকাশ কৰিছে। এই কথাটোকে আমাৰ আজিৰ সমাজখনেও যেন বাবে বাবে অনুভৱ কৰিছে।

ইয়াৰ সমাধান স্বৰূপে তেওঁ কৈছে যে ছাত্ৰ সকলে নিজৰ অন্তৰ পৰীক্ষা কৰি চাব লাগে আৰু তেওঁলোকৰ চৰিত্ৰৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। এক উল্লেখনীয়, উপযুক্ত দেশসেৱক গঢ়াৰ মনেৰে স্থাপিত এই আশ্ৰম পিছলৈ সাবৰমতী লৈ উঠাই নিয়ে। ইয়াৰ নিয়মাৱলীত প্ৰত্যেকৰে পালনীয় হিচাপে এঘাৰটা ব্ৰতৰ কথা উল্লেখ কৰিছে, যিবোৰ কেৱল আশ্ৰমবাসীৰে নহয় প্ৰকৃত মানুহ আৰু দেশসেৱক হ'ব বিচৰা প্ৰতিজন ব্যক্তিৰে নিতান্ত পালনীয়। সেই একাদশ ব্ৰত হ'ল -

অহিংসা সত্যেমস্তেয়
ব্ৰহ্মচৰ্য্য অসংগ্ৰহ
শৰীৰ শ্ৰম অস্বাদ
সৰ্বত্ৰ ভয় বৰ্জনঃ
সৱধৰ্ম সমানত্ব
স্বদেশী স্পৰ্শ ভাৱনাঃ
হী একাদশ সেৱাহী
নম্ৰতে ব্ৰত নিশ্চয়ঃ।

মহাত্মা গান্ধীয়ে যদিও সত্যাগ্ৰহশ্ৰমবাসীৰ প্ৰতি এই এঘাৰটা ব্ৰত পালনৰ বাবে নিৰ্দ্ধাৰিত কৰি দিছিল তেওঁ: প্ৰত্যেক দেশসেৱক, জাতিসেৱকে এনে অনুসৰণেৰে মানৱ কল্যাণ সাধন কৰাটো কামনা কৰিছিল। ছাত্ৰ সকলৰ উদ্দেশ্য বিভিন্ন ঠাইত এই কথা ব্যক্তিগত জীৱনৰ পবিত্ৰতাই হৈছে সহ শিক্ষাৰ ঘাই ভেটি। জীৱনৰ পবিত্ৰতা আহে আত্ম বিশ্লেষণ আৰু আত্মোপলব্ধিৰ পৰা।

ছাত্ৰ সকললৈ লক্ষ্য ৰাখি গান্ধীয়ে এই মন্তব্য কৰিছিল যে ভাৰতৰ ভালেমান ছাত্ৰ নিঃ সন্দেহে উৎসাহী আৰু দেশ প্ৰেমেৰে অনুপ্ৰাণিত, কিন্তু উপযুক্ত মানুহ হিচাপে জন্মভূমিক কেনেকৈ শ্ৰেষ্ঠ ভালপোৱা দিব পাৰি সেই কথা তেওঁলোকে নাজনে। তেওঁৰ মতে বহুত ছাত্ৰই ঈশ্বৰক ভয় নকৰি কেৱল মানুহক কৰা ভয়ৰ বাবেহে অ-ধাৰ্মিক উপায় অৱলম্বন কৰে। এনে কাৰ্যৰ ফলাফল দেশৰ বাবে সৰ্বনাশী। বিপথে পৰিচালিত যুৱক-যুৱতী সকলে বিভিন্ন অসামজিক কাম-কাজত লিপ্ত হয়। যিবোৰ বিভ্ৰান্ত উৎসাহ উদ্দীপনাৰ দ্বাৰা পৰিচালিত হৈ তেওঁলোকে এনে কাৰ্য কৰে তাৰ ফল কেতিয়াও ভাল হ'ব নোৱাৰে। প্ৰাণী হত্যা নকৰাটো পৃথিৱীৰ সকলো ধৰ্মৰে মূল নীতি। গান্ধীজীয়ে ডেকা বন্ধু সকলক নিৰ্ভীক আন্তৰিকতা আৰু ধৰ্মৰ নীতিৰে পৰিচালিত হ'বলৈ আহ্বান কৰিছিল। ডেকা সকলৰ হাতত যদি দেশৰ মঙ্গলৰ বাবে কিবা কাম কৰাৰ আঁচনি থাকে তেন্তে তাক জনসাধাৰণৰ আগত ডাঙি ধৰা উচিত, লগতে তাক বিশ্লেষণ কৰি মতামত লোৱাও উচিত।

যদি কোনোবাই স্থায়ীফল আৰু প্ৰকৃতফল পাব বিচৰে তেন্তে নিৰ্ভীক হোৱাটো অপৰিহাৰ্য। ধৰ্মৰ চেতনা আৰু ঈশ্বৰৰ বিশ্বাস অবিহনে এই ভাৱ অসম্ভৱ। যিয়ে এই কথা ভালদৰে বুজিব পাৰে যে নিজৰ মাজত এক ঐশ্বৰিক শক্তি আছে - যি শক্তিয়ে সকলো ভাৱ কৰ্ম দেখি থাকে আৰু সততে ৰক্ষা কৰি থাকে, প্ৰকৃত বাটেদি বাট দেখুৱাই নি থাকে, তেওঁলোকৰ এই বিশ্ব ব্ৰহ্মাণ্ডত ভগৱানৰ বাহিৰে কালৈকো ভয় নাথাকিব আৰু সদায় সৎ কৰ্মৰ প্ৰতি অনুপ্ৰাণিত হ'ব।

গান্ধীজীয়ে একান্ত সাধনা আৰু অক্লান্ত পৰিশ্ৰমেৰে কৰা কাৰ্যৱলীৰ ভিতৰত ১৯১৫ চনত আহমেদাবাদৰ ওচৰত স্থাপন কৰা সত্যাগ্ৰহ আশ্ৰম স্থাপন। তেওঁ কৈছিল যে ছাত্ৰজীৱনৰ আনুষ্ঠানিক শিক্ষাৰ স'তে ধৰ্মক উপলব্ধি কৰা শিক্ষা দিব লাগে যাৰ দ্বাৰা জীৱনৰ স্বৰূপ প্ৰত্যেকৰে আগত মুকলি হৈ পৰে আৰু কলেজ বা শিক্ষানুষ্ঠান এৰি যোৱাৰ পিছতো প্ৰস্তুত মানুহৰ দৰে জীৱনযুঁজত নামিব পাৰে। তেওঁলোকে ওপৰত উল্লেখ কৰা একাদশ ব্ৰত সম্পূৰ্ণ কৰিব নোৱাৰিলেও ব্যৱহাৰিক জীৱনত যিমান পাৰি অভ্যাস কৰি যোৱাটো নিতান্তই মঙ্গলজনক। এই অনুশীলনে জীৱনক পোহৰৰ বাট দেখুৱাব পাৰে।

গুজৰাট বিদ্যাপীঠত এখন ছাত্ৰ সভাত দিয়া ভাষণত তেওঁ কৈছিল, "আমি আশাৰ পোহৰ বাহিৰাকাশত নিবিচাৰি আমাৰ অন্তৰাকাশতে বিচাৰিব লাগিব। যিজন ছাত্ৰৰ আত্ম বিশ্বাস আছে, যিজনে ভয়ৰ পৰা মুক্ত হৈছে, যিজনে নিজৰ কামত মনে প্ৰাণে লাগি আছে আৰু যিজনে কৰ্ত্তব্য পালনতে নিজৰ সত্ত্বা দেখিবলৈ পায় তেওঁ পৰিব্যাপ্ত অন্ধকাৰৰ অগত কাতৰ নহয়, তেওঁ জানে যে এই অন্ধকাৰ স্থায়ী নহয়।





# বিয়া নামৰ সাঙ্গীতিক মূল্যায়ন

অঞ্জলিকা ৰাজখোৱা
প্ৰবক্তা, অসমীয়া বিভাগ

অনুভূতিশীল মানুহৰ অন্তৰত বৰ্হি বিশ্বৰ ৰং ৰূপে যি এক আলোড়ণ তোলে সেইয়ে প্ৰকাশ পায় কবিতা বা গীত ৰূপে। আদিম মানৱ বেছি অনুভূতি প্ৰৱণ হোৱা হেতুকে গীতৰ মাজেৰে তেওঁলোকৰ বিভিন্ন ভাৱ অনুভূতিৰ প্ৰকাশ কৰিছিল। এই গীতসমূহ আছিল ছন্দযুক্ত। অনাখৰী জনসাধাৰণৰ মুখে মুখে এই গীতবোৰ প্ৰচলিত হৈ আহিছে। অ-লিখিত এই সাহিত্যৰাজিকে গীত সাহিত্যৰ আখ্যা দিয়া হৈছে। পুৰণি অসমীয়া সাহিত্যৰ ভড়াল এই গীত সাহিত্যৰে অতি চহকী। গীত সাহিত্যৰে এটি ঠেঙুলি বিয়া নামে অসমীয়া সাহিত্যত এটি বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

অসমীয়া সমাজত বিবাহ অনুষ্ঠানৰ লগত পৰম্পৰাগতভাৱে আনুসংগিক আচাৰ কেতবোৰ পালন কৰা হয়। তেকেলী দিয়া গাঠিয়ন খুন্দা, সুৱা গুৰি তোলা, খোবা-খুবুনি পতা আদি পালনীয় ৰীতি-নীতিসমূহ অসমৰ থলুৱা লোকৰ বিশ্বাসৰ ওপৰত ভিত্তি কৰি প্ৰচলিত হৈ আহিছে। সেইবোৰক কেন্দ্ৰ কৰিয়েই বিভিন্ন সুৰৰ আৰু ভাৱৰ অসংখ্য গীত মাতো প্ৰচলিত আছে। এই গীত সমূহক গীত নুবুলি নাম বুলিহে কোৱা হয়। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ যে এইবোৰৰ ওপৰত পৰিছিল সেই কথা ইয়াৰ পৰাই বুজিব পাৰি।

বিবাহ অনুষ্ঠানত মহিলা অৰ্থাৎ আয়তীসকলৰ ভূমিকাই প্ৰধান। প্ৰকৃততে এই বিষয়ত সকলো ক্ষেত্ৰতে মহিলাসকলে আগভাগ লয়। অনুষ্ঠানটোৰ আৰম্ভণিৰে পৰা শেষলৈকে বিভিন্ন উপলক্ষ্য আৰু পৰিৱেশৰ লগত খাপ খুৱাই বিবিধ গীত মাত গায়। লৌকিক শ্ৰেণীৰ এই বিধ গীতৰ আকৰ্ষণ ভাৱ বস্তু আৰু সুৰ মাধুৰ্যৰ কাৰণে যেনেকৈ সুকীয়া সেইদৰে অসমীয়া সাহিত্য আৰু সঙ্গীতৰ ক্ষেত্ৰতো বিবাহ অনুষ্ঠানৰ গীত মাত সমূহ অতি আৰ্কযণীয়। এই গীত মাত সমূহৰ ৰচয়িতা কোনোবা অখ্যাত অ-নামী মহিলা। নাৰীৰ অন্তৰত উদ্ভৱ হোৱা ভাৱ অনুভূতিয়ে তেওঁলোকৰ কণ্ঠেদি গীত ৰূপে নিঃসৃত হয়। স্বভাৱ, কাবিত্ব, প্ৰত্যুতপন্নমতি, বুদ্ধিদীপ্ততা আদিৰ

সংমিশ্ৰনত বিবিধ উপমা ৰূপক আদি অলংকাৰৰ মাজেৰে এনে গীত মাত নিগৰি ওলায়। অসমৰ অ-নামী কবি শিল্পীসকলৰ কণ্ঠত নিগৰি ওলোৱা বিয়া নামবোৰ সাহিত্যিক সৌন্দৰ্যৰে সমৃদ্ধশালী সাহিত্য সৌন্দৰ্যৰ লগতে সুৰৰ বৈশিষ্ট্যয়েও স্তৰ নিৰ্বিশেষে সকলোৰে অন্তৰ পৰশি যাব পৰা ক্ষমতা এই গীত মাতবোৰত বিদ্যমান।

লোক সংগীত হৈছে চহা সংগীত, নগৰৰ ৰূঢ় বাস্তৱ তথা যান্ত্ৰিক সভ্যতাৰ পৰা বহু দূৰৈৰ প্ৰকৃতিৰ অকৃপণ শ্যামলিমাৰ মাজত জীয়াই থকা সহজ সৰল অনাৰম্বৰ মানুহৰ অন্তৰৰ পৰা যি স্বতঃস্ফূৰ্ত বিৰহ, আনন্দ, সুখ আৰু দুখৰ সংগীত নিঃসৃত হয়। সিয়েই লোক সংগীত ৰূপে পৰিচিত। নগৰ সভ্যতাই গঢ় লোৱাৰ আগতেই গাঁৱৰ সভ্যতাই আছিল দেশৰ সংস্কৃতিৰ আধাৰ স্বৰূপ। সেই গাঁৱৰ সংস্কৃতিৰ অন্যতম বাহন আছিল এই লোক সংগীতসমূহ।



লোক গীত লোক মনৰ সৃষ্টি হোৱা হেতুকে সাধাৰণ লোকৰ সুখ-দুখ, আৱেগ-অনুভূতিয়ে কোনো ব্যক্তি বিশেষৰ কণ্ঠত সুৰৰ মাধ্যমেৰে প্ৰকাশ হৈ নৈব্যক্তিক ৰূপ পাই সৰ্ব্বজন সমাদৃত হৈ পৰে। ব্যক্তি বিশেষৰ সৃষ্টি যদিও এনে সুৰৰ জন্ম তথা সুৰৰ সৃষ্টিত সামাজিক অৱদানো যথেষ্ট। অসমীয়া লোক গীতৰ ভিতৰত সুৰৰ ক্ষেত্ৰত বিয়া নামৰ বিশেষ এক স্থান আছে। সামগ্ৰিকভাৱে লোক গীতৰ সুৰৰ যি বিশেষত্ব সিও অসমীয়া বিয়ানামত ৰক্ষিত হৈছে। এই গীত সমূহ মহিলাসকলৰ এক আছুতীয়া সম্পদ হোৱা হেতুকে ইয়াৰ কথা বস্তু যেনেকৈ তেওঁলোকৰ আশা আকাংক্ষা আৰু অভিজ্ঞতা লব্ধ মনৰ সৃষ্টি, সেইদৰে এইবোৰত সংযোজিত সুৰৰ ক্ষেত্ৰতো কিছুমান বৈশিষ্ট্য পৰিদৃষ্ট হয়। প্ৰায়বোৰ বিয়ানামৰ সুৰ মাথোন কেইটি মান সুৰৰ ভিতৰতে আৱদ্ধ বুলি কব পাৰি। অন্যান্য কিছুমান লোক গীতৰ দৰে কোমল গান্ধাৰৰ প্ৰাধান্য এইচাম গীতৰ আন এক বিশেষত্ব। স্বৰলিপি কৰিলে দেখা যায় যে অধিকাংশ বিয়ানাম পাঁচ ছয়টা সুৰৰ ভিতৰতে আৱদ্ধ।

সাধাৰণ ভাষাত ক'বলৈ গ'লে প্ৰায়বোৰ গীতেই লেনিয়াই গোৱা হয়। বিয়ানামত তালৰ ব্যৱহাৰ নহয়, বা চাপৰি বজোৱা নহয় যদিও একোটা লয় ৰাখি নামবোৰ গোৱা হয়। কথা, বস্তু, চন্দ অনুসৰি দ্ৰুত, মধ্য বা বিলম্বিত লয়ত গোৱা হয়। উদাহৰণস্বৰূপে কইনা বিদায়ৰ সময়ত গোৱা নাম বিলম্বিত লয়ত আৰু যোৰা নামসমূহ দ্ৰুত বা মধ্য লয়ত গোৱা হয়। বিয়ানামৰ সুৰৰ প্ৰাচীনতা সম্পৰ্কে খাটাংকৈ কোৱা টান। পৰম্পৰাগতভাৱে বিভিন্ন ঠাই আৰু সমাজত চলি আহি বৰ্তমান সময়ত যি ৰূপ পাইছে তাৰো আকৌ অত্যাধুনিক যুগৰ প্ৰভাৱত কথাংশৰ লগতে সুৰৰো পৰিবৰ্তন নঘটাকৈ থকা নাই। বিশেষকৈ যোৰা নামবোৰৰ ক্ষেত্ৰত এই কথা অধিকভাৱে প্ৰযোজ্য।

লৌকিক বা দেশী সংগীতৰ ক্ষেত্ৰত অসম বিশেষভাৱে চহকী। অসমীয়া জন জীৱনৰ লগত ওতঃপোতভাৱে জড়িত বিয়ানামসমূহো অসমীয়া দেশী সংগীতৰ এক বিশিষ্ট ঠেঙুলি। এইচাম গীতৰ প্ৰাণ পৰশা সুৰৰ প্ৰতি আকৃষ্ট হৈয়েই আধুনিক অসমীয়া গীতৰ নতুন ৰূপ দিওঁতা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই আধুনিক অসমীয়া গীতত বিয়ানামৰ সুৰৰ সমন্বয় ঘটাই বিয়ানামক এক বিশিষ্ট স্থান দি থৈ গৈছে।

অসমীয়া নামতীৰ আৱেগ অনুভূতিৰে সিক্ত আৰু প্ৰাণ পৰশা সুৰৰ মাধুৰ্যৰে ভৰপূৰ এই বিয়ানাম সমূহ অসমীয়া সংস্কৃতিৰ মেটমৰা ভড়ালৰ এক অপূৰ্ব সম্পদ।

# “সেউজীয়া পাহাৰৰ বৰ্ণাঢ্য উৎসৱ”

- পদ্মাৱতী গোহাঁই
মূৰব্বী অধ্যাপিকা , ৰাজনীতি বিজ্ঞান বিভাগ



২১তম কাৰ্বি যুৱ মহোৎসৱৰ অন্তিম তোৰণখন পাৰ হোৱাৰ লগে লগে এক অনামী বেদনাত বুকুৰ একাংশ বিষাই উঠিছিল। ৰূপহী তাৰালাংছৰ কোমল মৰমবিলাকে এতিয়াও দেহা মন আচন্ন কৰি ৰাখিছিল।

চন ১৯৯৯, সেই বছৰৰে অক্টোবৰ মাহত গুৱাহাটী ইউনিভাৰ্চিটিৰ “লোক সংস্কৃতি” বিভাগৰ এম.ফিল ক্লাছত ভৰ্তি হৈছিলো। বিভাগীয় নিয়ম মতে ডিজাৰটেচন চাবমিট কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলে ফিল্ড ৰিপৰ্ট চাবমিট কৰিব লাগে। অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰাঞ্চলৰ এখন ঠাই ফিল্ডষ্টাডিৰ কাৰণে নিৰ্বাচন কৰা হয়। আমাৰ শিক্ষা বছৰত ফিল্ডষ্টাডিৰ কাৰণে কাৰ্বি আলঙক নিবাচিত কৰা হৈছিল। কাৰ্বি আলঙৰ “ কাৰ্বি কালচাৰেল চচাইটিৰ” উদ্যোগ প্ৰতি বছৰে তাত যুৱ মহোৎসৱ উদ্‌যাপন কৰা হয়। ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহত এই অনুষ্ঠানটোৱে বিৰাট সাফল্যৰে ৰূপালী জয়ন্তী উৎসৱ পালন কৰাৰ কথা বিভিন্ন বাতৰি কাকতত পঢ়িবলৈ পাইছিলো। অসমকে ধৰি ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা, চিত্ৰ শিল্পী, চিত্ৰ পৰিচালক, কবি, নাট্যকাৰ আৰু সাহিত্যিকসকলৰ উপস্থিতিয়ে সেই মহোৎসৱক যে এক গণ মহোৎসৱলৈ পৰিণত কৰিছিল সেইকথা বিস্তৃতভাৱে প্ৰচাৰ কৰা হৈছিল। তেনে এটি উৎসৱৰ সামৰণি উৎসৱ উপভোগ কৰিবলৈ পোৱা সৌভাগ্যত, বিশেষকৈ সাধুকথা, মিথ, লিজেণ্ড আৰু প্ৰাকৃতিক সম্ভাৰেৰে থুপ খাই পাহাৰীয়া জিলাখন ওচৰৰ পৰা চাবলৈ পোৱাৰ আশাত পুলকিত হৈ পৰিছিলো।

২০০০ চন, ১৭ ফেব্ৰুৱাৰী। ত্ৰিশজন মান যাত্ৰীৰে কাৰ্বি আলং অভিমূখী বাছখন মাছখোৱা এৰোতে প্ৰায় এঘাৰটা বাজিছিল। আমাৰ গ্ৰুপটোত ডিপাৰ্টমেণ্টৰ হেডচাৰ ড° কিশোৰ ভট্টাচাৰ্য, ড° অনিল বড়ো, উত্তৰ-পূৰাঞ্চলৰ লোকসংস্কৃতি গৱেষণা কেন্দ্ৰৰ গৱেষক অৰূপ শইকীয়া, আমি সাতজন ছাত্ৰ-ছাত্ৰী, এজন লাইব্ৰেৰীয়ান আৰু এজন পিয়নৰ সৈতে মুঠ বাৰজন আছিলো। নগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথ এৰি বাছখনে পাহাৰীয়া পথ লওতে বেলি প্ৰায় পাট ত বহিছিল। মাজে মাজে মুকলি ঠাই পালেও বেছিভাগ দীঘলীয়া পথ সু-উচ্চ পাহাৰে আগুৰা পথৰ মাজেদি বাছখন আগবাঢ়িছিল। এক দীঘলীয়া ক্লান্তিকৰ যাত্ৰা পথৰ অন্ত পেলাই বাছখন চিফু নগৰত প্ৰৱেশ কৰোতে ঘড়ীৰ কাটাই দহটাৰ ঘৰত প্ৰৱেশ কৰিছিল।

ইতিমধ্যে সাজু কৰি ৰখা মহোৎসৱৰ গাড়ীয়ে আমাক এটা অতি সুন্দৰ ৰেষ্ট হাউচলৈ লৈ গৈছিল। আমাৰ থকা মেলাৰ লগতে খোৱাবোৱাৰ ব্যৱস্থাও ৰেষ্ট হাউচতে কৰা হৈছিল। গতিকে গা-পা ধুই আমি আটাইয়ে খোৱাৰ টেবুলত বহিছিলো। সেই সময়কণতে হেডচাৰে আমাক ফিল্ড ষ্টাডিৰ কাৰণে একোটাকৈ বিষয় বাছনি কৰি দিছিল। বিছনাত পৰোতে আধা নিশাৰ অন্ত পৰিছিল।

১৮ ফেব্ৰুৱাৰী। কাৰ্বি লোক সংস্কৃতিৰ আধাৰত সাজি উলিওৱা সাতখন তোৰণ পাৰ হৈ যুৱ মহোৎসৱ থলী পাওঁতে পুৱা ন বাজিছিল। আমাৰ কাৰণে যেন অপাৰ বিস্ময় অপেক্ষা কৰি আছিল। এহেজাৰ ৮০ বিঘা এলেকাৰে পাহাৰী নদীখন বুকুত সাৱটি তৰা গছৰ কোমল সেউজীয়া পাতেৰে সুশোভিতা কাৰ্বি লোক সংস্কৃতিৰ উদ্যোগ নগৰী তাৰালাংছৰ ৰূপত খন্তেকলৈ নিজৰ অস্তিত্ব পাহৰি গৈছিলো। ডিফুৰ পৰা ৮ কিলোমিটাৰ দূৰৈত অৱস্থিত তাৰালাংছৰ প্ৰাকৃতিক সৌন্দৰ্যক অকণো আঘাট নকৰাকৈ অতি আধুনিকতম পৰিকল্পনাৰে তাৰালাংছক কাৰ্বি জনজাতিৰ লোক সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ কৰি তোলা হৈছে। তাৰালাংছৰ সোঁ মাজত সম্পূৰ্ণ গ্ৰীক আৰ্হিৰে অতি বৃহৎ আকাৰৰ দুখন মুকলি মঞ্চ নিৰ্মাণ কৰা হৈছে যত দহ হেজাৰ দৰ্শকে একেলগে বহি উৎসৱ উপভোগ কৰিব পৰাকৈ চাৰিওফালে পকা গেলেৰী নিৰ্মাণ কৰা হৈছে। কাৰ্বি লোক সংস্কৃতিৰ পিতৃ পুৰুষ ৰাংচিনা চাৰ্পৰ দুই শিষ্য লংমিৰজেঙ আৰু সিংমেৰজেঙৰ নামনুসৰি মঞ্চ দুখনৰ নাম লংমিজেঙ আৰু সিংমিৰজেঙ নাম ৰখা হৈছে।

মহোৎসৱৰ প্ৰৱেশ পথত প্ৰতিষ্ঠা কৰা শিল্পী বীৰেণ সিঙৰ দ্বাৰা খোদিত কৰা লিজেঙাৰী নাৰী মূৰ্ত্তি "ৰংফাৰলী ৰংৰে" আৰু কাৰ্বি সঙ্গীতৰ পিতৃ পুৰুষ ৰংচিনা চাৰপৰ প্ৰতিমূৰ্ত্তিয়ে সমগ্ৰ কাৰ্বি জাতিৰ ভাস্কৰ্য প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিছে।

তাৰালাংছৰ পূৱ-পশ্চিম দিশত নিমাৰ্ণ কৰা এটা দৈত্যকায় প্ৰতিমূৰ্ত্তিয়ে আমাৰ ষষ্ঠ ইন্দ্ৰিয় খন্তেকলৈ স্তব্ধ কৰি দিছিল। প্ৰায় ১২ ফুট চাৰি ইঞ্চিৰ সাইলাখ মানুহৰ দৰে, হাত বিলাক আঠুলৈকে পৰা, সৰ্বশৰীৰ দীঘল দীঘল নোমেৰে আবৃত এটা বিশাল আকৃতিৰ প্ৰতিমূৰ্ত্তি। শুনামতে আজি দহ বছৰ মানৰ আগতে পাহাৰৰ লংলকেচু নামৰ ঠাইত সেই অদ্ভূত জীৱটো দেখিবলৈ পোৱা গৈছিল। জীৱটোৰ নাম কেংলংপ। এবাৰ পৰিলে বোলে উঠিব নোৱাৰে।

আমি তাৰালাংছ প্ৰৱেশ কৰোঁতে চতুৰ্থ দিনৰ কাৰ্যসূচী আৰম্ভ হৈছিল। লংমিৰজেং মঞ্চত এদল মেদহীন শৰীৰৰ ডেকা গাভৰুৱে উত্তাল ছন্দত ঢাল-তৰোৱালৰ নৃত্য প্ৰদৰ্শন কৰিছিল। আনফালে সিংমিৰজেং মঞ্চত সমান্তৰাল গতিত চেংবুৰুপৰ প্ৰতিযোগিতা চলিছিল। যুৱকবিলাকে ঘৰ্মাক্ত দেহাত লিপিট খাই পৰা জাতীয় সাজ-পোছাকেৰে খেল পথাৰ বিলাকত উদ্যম গতিৰে তেতিয়া যৌৱনৰ পছোৱা বতাহ বলিছিল। হাজাৰ হাজাৰ দৰ্শকে ইখন মঞ্চৰ পৰা সিখন মঞ্চলৈ গৈছিল। শৃংখলাবদ্ধতাৰ অভিনৱ নিদৰ্শন। তাৰালাংছৰ আকাশত প্ৰতিধ্বনিত হোৱা ছেঙৰ ডুমডুম শব্দহে কেৱল শুনিবলৈ পাইছিলো।

বিভিন্ন কাৰ্যসূচীবিলাক উপভোগ কৰি থকাৰ পৰাই চেগ বুজি চাংঘৰ বিলাকলৈ দৌৰিছিলো আমাৰ ৰিপৰ্টৰ সমল বিচাৰি। বৰ বৃহৎ আকাৰৰ সেই চাংঘৰ বিলাক বিভিন্ন জনগোষ্ঠীৰ ৰজাবিলাক থাকিবৰ বাবে সজা হৈছিল। মূৰত বগা চেলেং চাদৰৰ পাগুৰি মৰা, গাত ক'লা ৰঙা আৰু হালধীয়া ৰঙৰ সূতাৰে বোৱা জেকেট চোলা; মূগাৰ চুৰীয়া পিন্ধা সেই থুলন্তৰ ৰজাবিলাক একোটা লোক সাহিত্যৰ ভৰাল বুলিব পাৰি। তেওঁলোকৰ পৰা চাবিনা আলুন ( কাৰ্বি ৰামায়ণ) ৰংফাৰপী ৰংৰে, হাইমো, ৰংবিন ইত্যাদি লোক সাহিত্যৰ সমল যিমান পাৰো গোটাই লৈছিলো।

প্ৰায় দুটামান বজাত আমি মহোৎসৱৰ ভোজনালয়ত প্ৰৱেশ কৰিছিলো। ইয়াৰ আহাৰ গ্ৰহণ কৰা প্ৰণালীটো বৰ আকৰ্ষণীয় আছিল। বিশাল ভোজনালয়টোত এহেজাৰ মানুহে একেসময়তে মুখামুখিকৈ, থিয়ৈ থিয়ৈ আহাৰ গ্ৰহণ কৰাৰ কিযে এয়া সুন্দৰ অভিজ্ঞতা। বিষয়া, নেতা, অথিতি, প্ৰতিযোগী কাৰো কাৰণে বিশেষ শ্ৰেণীৰ বৰপীৰা বা বিশেষ উপকৰণৰ ব্যৱস্থা নাছিল। সকলো

শ্ৰেণীৰ ভোকাতুৰ গৈ নিৰ্দিষ্ট সময়ত আহাৰ গ্ৰহণ কৰিছিল।

ইতিমধ্যে সন্ধ্যাদেৱীয়ে পাতল ওৰণিৰে তাৰালাংছক আলফুলে সাৰটি লৈছিল। অৱশ্যে হাই ভল্টেজৰ বাল্ব বিলাক তেতিয়াও তাৰালাংছক দিন যেন কৰি ৰাখিছিল। মনৰ ক্লান্তিকৰ ভাৰটো আতৰাব কাৰণে ওচৰতে থকা কাৰ্যালয় এটালৈ সোমাই গলো। ছোফাখনত বহাৰ লগে লগে দুজনমান স্বেচ্ছাসেৱকে চাহ বিস্কুটৰ প্লেটখন মুখৰ আগত দাঙি ধৰিলে। যেন ঘৰলৈ অহা অতিথিকহে শুশ্ৰষা কৰিছে। প্ৰতিটো কাৰ্যালয়তে ইলেক্ট্ৰনিক মেডিয়াই প্ৰতিদিনৰ কাৰ্যসূচী বিলাক প্ৰচাৰ কৰাৰ সুন্দৰ ব্যৱস্থা কৰা হৈছিল। কাৰ্যসূচীবিলাক খন্তেক বহি উপভোগ কৰিলো।

খন্তেক পাছত কাৰ্বি পিপলছ হলত প্ৰৱেশ কৰিলো। কাৰ্বি কালচাৰেল চচাইটিৰ উদ্যোগত গঢ়ি তোলা কাৰ্বি পিপলছ হলক লোক সংস্কৃতিৰ সংৰক্ষণ, গৱেষণা আৰু বিকাশৰ কেন্দ্ৰ হিচাবে প্ৰতিষ্ঠা কৰা হৈছে। পুৰণি উৱলি যোৱা সাংস্কৃতিক উপাদান সমূহক পুনৰুদ্ধাৰ কৰাৰ পৰিবৰ্তে সিবিলাকক ন-গণতান্ত্ৰিক প্ৰগতিশীল চিন্তাৰে পৰিপুষ্ট কৰি নতুন ৰূপত প্ৰচাৰ কৰাই হব ইয়াৰ প্ৰধান কাম।



নিশা তাৰালাংছৰ তৰা বছা মুকলি আকাশৰ তলত লংমিৰজেং মঞ্চত মঞ্চস্থ কৰা হাইমো আৰু ৰংফাৰপীৰংৰেৰ নৃত্য গীতৰ আলেখ্যখন উপভোগ কৰিলো। কাৰ্বি জনজীৱনৰ প্ৰতিবাদী ধাৰাৰ স্বাক্ষৰ বহন কৰা সেই নৃত্য গীতৰ আলেখ্যখন- কাৰ্বি লোক নাট্যৰ অনন্য সৃষ্টি বুলিব পাৰি। খন্তেক পাছতে উদ্যোক্তাসকলৰ পৰা বিদায়লৈ আমি ৰেষ্ট হাউচ পালোহি।

ৰেষ্ট হাউচত উপস্থিত হোৱাৰ লগে লগে হেডচাৰে আমাক জানিবলৈ দিলে যে, পুৱাৰ জলপানৰ কাৰণে সাংসদ জয়ন্ত ৰংপীয়ে সকলোকে নিমন্ত্ৰণ জনাইছে। দিনটোৰ দুখ ভাগৰ পাহৰি হেডচাৰৰ উদ্‌গনিত অসমীয়া, বেঙ্গলী, নেপালী, বড়ো ইত্যাদিৰ লোক গীত আৰু নৃত্যৰে বৰ সুন্দৰকৈ কেম্প ফায়াৰ পাতিলো।

১৯ ফেব্ৰুৱাৰী, ২০০০ চন। পুৱা দহ বজাত যেতিয়া আমি সাংসদ জয়ন্ত ৰংপীৰ বাসভৱনত উপস্থিত হৈছিলো, তেতিয়া তাত মহোৎসৱৰ ভালেমান বিষয়া আৰু উদ্যোক্তা আমাৰ বাবে অপেক্ষা কৰি আছিল। তেওঁলোকে আমাৰ প্ৰত্যেককে দুখনকৈ তাঁতত বোৱা শ্বাল আৰু একোটাকৈ লোক গীতৰ কেছেট উপহাৰ দিছিল। সেইদিনটো মহোৎসৱৰ সামৰণিৰ দিন আছিল। গতিকে তেওঁলোকে আমাৰ পৰা পুনৰ তাৰালাংছলৈ যোৱাৰ প্ৰতিশ্ৰুতি আদায় কৰি লৰালৰিকৈ বিদায় লৈছিল। আমাৰ মনবোৰ গধুৰ হৈ পৰিছিল। জয়ন্ত ৰংপীৰ মাকৰ মাততহে আমাৰ সম্বিৎ ঘূৰি আহিছিল। সকলো একেলগে বহি লুছি মাংস আৰু বিভিন্ন ধৰণৰ পিঠাৰে পুৱাৰ জলপান গ্ৰহণ কৰিছিলো। বাছৰ সময় হৈ অহাত আমি তেওঁলোকৰ পৰা বিদায় লৈছিলো।

গুৱাহাটী অভিমুখী বাছত বহি যোৱা দিনটোৰ কৰ্ম ব্যস্ততাৰ কথাই ভাবিছিলো। মনেৰে ভৱাতকৈ আৰু আশা কৰাতকৈ বহুত বেছি ভাল লাগিছিল তাৰালাংছৰ যুৱ মহোৎসৱ উপভোগ কৰিবলৈ পায়। পুলিচ মিলিটাৰীৰ সহায় নোলোৱাকৈ উৎসৱৰ স্বেচ্ছাসেৱক আৰু উদ্যোক্তাসকলে কৰ্ম বিচক্ষণতা আৰু নিয়ম শৃংখলাৰ যি নিদৰ্শন দাঙি ধৰিলে সেয়া সমগ্ৰ ভাৰততে বিৰল। কাৰ্বি কালচাৰেল চচাইটিৰ উদ্যোগত তাৰালাংছত যি সাংস্কৃতিক প্ৰকল্পই গঢ় লৈ উঠিছে সেই প্ৰকল্প কেৱল কাৰ্বি আলঙতেই নহয় ই উত্তৰ-পূৱাঞ্চল অতিক্ৰমি সমগ্ৰ বিশ্বৰ অনুকৰণীয় হৈ ৰওঁক।

# সাম্প্ৰতিক পৰিস্থিতিত বৃত্তীয় শিক্ষাৰ গুৰুত্ব তথা কৰ্মনিযুক্তিৰ সম্ভাৱনীয়তা

সম্পূৰ্ণা চলিহা

মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ

মানুহৰ প্ৰাথমিক প্ৰয়োজন প্ৰধানকৈ তিনিটা অন্ন,বস্ত্ৰ আৰু সংস্থান। শিক্ষাই এই বিষয় আহৰণত যদি সক্ষম কৰি তুলিব নোৱাৰে তেনেহ'লে শিক্ষাৰ আদৰ্শৰ কোনো মূল্য নাই। আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক আৰু সেইবাবেই জীয়াই থাকিবৰ বাবে তেওঁ উপাৰ্জন কৰিবই লাগিব। তেওঁ কেতিয়াও সমাজৰ ৰঘুমলা বা বোজা স্বৰূপ হ'ব নালাগিব। প্ৰতিজন অভিভাৱকেই অনুভৱ কৰে যে তেওঁলোকৰ সন্তানে পঢ়া-শুনা কৰি জীৱন নিৰ্বাহৰ বা উপাৰ্জনৰ সন্মানীয় পথ বাছি ল'ব। কোনো মানুহেই জীৱনৰ অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ কথা নুই কৰিব নোৱাৰে। সেয়েহে এই ক্ষেত্ৰত কব পৰা যায় যে ই সম্ভৱ হব কেৱল মাথোন বৃত্তীয় শিক্ষাৰ যোগেদি।

বৰ্তমান সময়ৰ যি ভয়াবহ নিবনুৱা সমস্যা তথা যুৱ-উশৃংখলতাৰ সৃষ্টি হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাত বৃত্তীয় শিক্ষাৰ গুৰুত্ব বাৰুকৈয়ে অনুভৱ কৰা হৈছে। আমাৰ দেশ প্ৰাকৃতিক সম্পদসমূহক চহকী কিন্তু এই প্ৰাকৃতিক সম্পদ সমূহক যদি সৎ ব্যৱহাৰ কৰিব পৰা নাযায় তেনেহ'লে প্ৰাকৃতিক সম্পদত চহকী দেশ বুলি কোৱাৰো যুক্তি নাই। আনহাতে প্ৰাকৃতিক সম্পদত চহকী নোহোৱা দেশ এখনো চহকী হৈ উঠিব পাৰে মাথো মানৱ সম্পদৰ উচিত ব্যৱহাৰৰ যোগেদি। এই ক্ষেত্ৰত আমি যদি ভালদৰে লক্ষ্য কৰো তেতিয়া দেখিম যে জাপান, হলেণ্ড, চুইজাৰলেণ্ড আদি দেশসমূহ প্ৰাকৃতিক সম্পদত চহকী নহয় অথচ আজি এই দেশ সমূহ আৰ্থ-সামাজিক দিশত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে ইয়াৰ মূলতে হৈছে মানৱ সম্পদৰ উচিত ব্যৱহাৰ কিন্তু আমাৰ ক্ষেত্ৰত দেখা যায় যে মানৱ সম্পদৰ সৎ ব্যৱহাৰ হোৱা নাই। যাৰফলত প্ৰাকৃতিক সম্পদত সমান চহকী হৈয়ো পৃথিৱীৰ ভিতৰতে এক অনগ্ৰসৰ অঞ্চল হৈ পৰিছে। সেয়েহে মুচালিয়াৰ শিক্ষা আয়োগে মত প্ৰকাশ কৰি কয় যে "দেশৰ সৰ্বশ্ৰেষ্ঠ সম্পদ পৃথিৱীৰ প্ৰকৃতি ৰাজ্যত নহয়, মানুহৰ ক্ৰিয়া কৌশলৰ চাতুৰ্য্য আৰু উদ্ভাৱন ক্ষমতাহে নিহিত হৈ আছে।

ইতিহাসেও আমাক সোঁৱৰাই দিয়ে বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব, পুৰণি কালত বৈদিক যুগ আৰু মুছলমান সকলৰ শাসন কালত দেশৰ বৃত্তীয় শিক্ষা পৰিয়াল আৰু সাম্প্ৰদায়িক লোক সকলৰ মাজত পৰম্পৰাগত ভাৱে শিল্পী আৰু কাৰিকৰসকলৰ মাজত চলি আহিছিল। সেই সময়ত আনুষ্ঠানিক ভাৱে এনে শিক্ষা দিয়া হোৱা নাছিল। অথচ আজিও এই শিক্ষাৰ ঐতিহ্য বহন কৰি আহিছে বিভিন্ন মঠ, মন্দিৰ, অট্টালিকাই, ইংৰাজ শাসনকালতো এই শিক্ষাৰ কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। তথাপিও ১৮৮২ চনৰ হাণ্টাৰ আয়োগে পুন প্ৰথম বাৰৰ বাবে শিক্ষাৰ মাধ্যমিক পৰ্যায়ত বৃত্তীয় পাঠ্যক্ৰমৰ শিক্ষাদানৰ পৰামৰ্শ বাস্তৱ ৰূপদান কৰিব পৰা নহ'ল। কুৰি শতিকাৰ আৰম্ভণিতে লৰ্ড কাৰ্জনে কৃষি শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি কৃষি বিষয় স্কুলৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি তোলে, আৰু উচ্চ পৰ্যায়ৰ শিক্ষাৰ বাবে প্ৰতিখন ৰাজ্যতে একোখন কৃষি কলেজ হোৱাটো বিচাৰিছিল। ১৯৩৪ চনত যুক্ত প্ৰদেশ চৰকাৰে চাপ্ৰু কমিটি গঠন কৰে যাতে ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে কিছু পৰামৰ্শ আগবঢ়াব পাৰে। এই কমিটিয়ে পৰামৰ্শ দিয়ে যে মাধ্যমিক শিক্ষা ভিন্নমূখী কৰি তুলিব লাগে আৰু এই পৰ্যায়ত সাধাৰণ শিক্ষাৰ লগতে বৃত্তিমূলক বিষয় অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে। ১৯৩৭ চনৰ উড এ বট্‌ৰ প্ৰতিবেদনেও প্ৰণালীবদ্ধ বৃত্তিমূলক শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। মহাত্মা গান্ধীয়েও সেই সময়তে বুনিয়াদী শিক্ষাত 'বৃত্তি' ৰ মাধ্যমেৰে কাৰ্যকৰী শিক্ষা লাভৰ এখন আঁচনি প্ৰস্তুত কৰিছিল। আৰু ভাৰতত প্ৰথমিক স্তৰত বুনিয়াদী শিক্ষা প্ৰৱৰ্তনো কৰিছিল। ১৯৪৪ চনৰ চাৰ্জেণ্ট কমিটিয়েও বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰামৰ্শ আগবঢ়ায়।

# বিশ্বায়ন আৰু ভাৰতৰ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

ৰুমী দত্ত
অধ্যাপিকা, অৰ্থনীতি বিভাগ

প্ৰকৃততে আমেৰিকাৰ দৰে পুঁজিপতি দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত থকা প্ৰভাৱশালী হাঁতোৱাই বিশ্বায়নৰ পৰিসৰ ব্যাপক কৰি তুলিছে। অতি সামৰ্থতা আৰু অতুৎপাদনে পুঁজিপতি দেশবিলাকত উদ্যোগপতিসকলক লাভ আহৰণৰ পথত বাধাৰ সৃষ্টি কৰাৰ বাবে কৌশলেৰে বিশ্বায়নক পৃথিৱীৰ সকলো দেশলৈ বিয়পাই দিয়ে।

বৰ্তমান যুগ বিশ্বায়নৰ যুগ। পৃথিৱীৰ সৰু-বৰ উন্নত অনুন্নত কোনো দেশেই বিশ্বায়নৰ সোৱাদৰ পৰা বঞ্চিত নহয়। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে কুৰি শতিকাৰ মধ্য ভাগৰপৰা বিশ্বায়নৰ ৰ্তাহ বলিবলৈ ধৰে। প্ৰশ্ন হয় - বিশ্বায়ননো কি? বিশ্বায়ন হৈছে দেশৰ ৰাজনৈতিক পৰিক্ৰমা অতিক্ৰম কৰি বিশ্ব অৰ্থনীতিৰ অৰ্থনৈতিক প্ৰেক্ষাপটত বিশ্বৰ দেশবিলাকৰ মাজত সমন্বয়ৰ যোগেদি পৰস্পৰ নিৰ্ভৰশীলতা বৃদ্ধি কৰা আৰু অৰ্থনৈতিক কাৰ্যকলাপ অধিক মুক্ত কৰি তোলা। তাকে কৰিবলৈ গৈ উন্নত দেশৰ লগতে অনুন্নত দেশসমূহেও আৰ্ন্তজাতিক বাণিজ্যৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতাসমূহ উফৰাই নিজৰ অৰ্থনৈতিক ক্ষেত্ৰখন উন্মুক্ত কৰি তুলিলে - বহুজাতিক বনিক সংস্থাবিলাকৰ প্ৰৱেশৰ বাবে। প্ৰকৃততে আমেৰিকাৰ দৰে পুঁজিপতি দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত থকা প্ৰভাৱশালী হাঁতোৱাই বিশ্বায়নৰ পৰিসৰ ব্যাপক কৰি তুলিছে। অতি সামৰ্থতা আৰু অতুৎপাদনে পুঁজিপতি দেশবিলাকত উদ্যোগপতিসকলক লাভ আহৰণৰ পথত বাধাৰ সৃষ্টি কৰাৰ বাবে কৌশলেৰে বিশ্বায়নক পৃথিৱীৰ সকলো দেশলৈ বিয়পাই দিয়ে। ১৯৯১ চনৰ নতুন উদ্যোগিক নীতিৰ যোগেদি ভাৰতেও বিদেশী বিনিয়োগকাৰীক ভাৰতৰ অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত প্ৰৱেশৰ বাবে দুৱাৰ মুকলি কৰি দিয়ে। বৈদেশিক লেনদেন পৰিশোধত সন্মুখীন হোৱা তীব্ৰ ঘাটিৰ পৰা দেশক উদ্ধাৰ কৰাৰ উপায় হিচাবে বিশ্বায়নক আদৰণি জনাবলৈ ভাৰত বাধ্য হয়। কিন্তু ইয়াৰ পৰিনাম কিমান অনুকূল সি বিবেচনাৰ বিষয় হৈ পৰিছে। কিয়নো বিশ্বায়নৰ প্ৰভাৱত প্ৰতিযোগিতাৰ সন্মুখীন হৈ ভাৰতৰ আভ্যন্তৰীণ ক্ষেত্ৰখন কিছু পৰিমাণে হ'লেও থৰক-বৰক হোৱা দেখা গৈছে।

উদাহৰণ স্বৰূপে অসমৰ তামোলৰ বজাৰ দুই তিনি বছৰৰ পৰা থাইলেণ্ডৰ তামোলে দখল কৰাত অসমৰ তামোল ব্যৱসায়ীসকল বেয়াকৈ ক্ষতিগ্ৰস্থ হোৱা দেখা গৈছে। থলুৱাভাৱে উৎপাদন কৰা ফলমূল, সাজ-পাৰ আদি উদ্যোগেও বিদেশী ব্যৱসায়ীৰ লগত প্ৰতিযোগিতাত অৱৰ্ত্তীণ হব লগা হোৱাত যথেষ্ট প্ৰত্যাহবানৰ সন্মুখীন হব লগাত পৰিছে।

বৰ্তমান সময়ৰ প্ৰকট নিবনুৱা সমস্যা বিশ্বায়নৰে এক বিষম পৰিণতি বুলি কব পাৰি। ১৯৯১ চনৰ পৰা ২০০০ চনৰ ভিতৰত অকল সংগঠিত বৃহৎ উদ্যোগৰ ক্ষেত্ৰতে ১,০,০০,০০০(এক নিযুত) লোকৰ কৰ্মসংস্থান লোপ পাইছে বুলি এক চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ। চৰকাৰে খৰচ কমোৱাৰ উদ্দেশ্যেৰে অৱসৰপ্ৰাপ্ত তিনি শতাংশ চাকৰিৰ মাত্ৰ এক শতাংশ নিযুক্তি দি বাকী দুই শতাংশ পদ বিলুপ্তি ঘটাইছে। এনে কাৰ্যই নিবনুৱা সমস্যা দ্ৰুতগতিত বৃদ্ধি কৰাই স্বাভাৱিক। চৰকাৰৰ এনে কাৰ্যৰ লগত ব্যক্তিগতকৰণ ব্যৱস্থা সমানেই জগৰীয়া। যিহেতু ষ্টীল অৰ্থৰিটী অব ইণ্ডিয়া, ভাৰত হ্যাভি ইলেকট্ৰিকেলচ্ লিমিটেড, হিন্দুস্থান

*উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ মাৰাত্মক প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত উচ্চ শিক্ষা সুৰক্ষাৰ বাবে পৰামৰ্শ কমিটি বা 'ট্ৰাঙ্ক ফৰ্চ' গঠনৰ জৰিয়তে যিবিলাক পৰামৰ্শ ডাঙি ধৰিছে - তাৰ যোগেদি শিক্ষা ব্যৱস্থাক (বিশেষকৈ উচ্চ শিক্ষাক) বাণিজ্যিকীকৰণৰ কবলৰ পৰা মুক্ত কৰি 'সকলোৰে বাবে শিক্ষা' - (Education for all ) বাস্তৱত ৰূপায়িত কৰিব পৰা হবনে নহয় সময়েহে তাৰ উত্তৰ দিব।*

জিংক লিমিটেড আদি উদ্যোগৰ পৰা লাখৰ ঘৰত চৰকাৰে চাকৰি হ্ৰাস কৰিলে - যাৰ বাবে আজি বিভিন্ন উদ্যোগ, নিগম, নিকায় আদিত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলে চাকৰি হেৰুৱাৰ ভয়ত সদাত্ৰস্তমান হৈ থাকিব লগা হৈছে।

শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ উচ্চ শিক্ষাৰ ব্যক্তিকৰণ ব্যৱস্থাৰে কেন্দ্ৰীয় চৰকাৰে যি নীতি প্ৰস্তুত কৰিছে সেয়াও অতি আচৰ্যজনক। সকলোৰে বাবে শিক্ষা' শ্লোগানেৰে শিক্ষা সম্প্ৰসাৰন ব্যৱস্থাৰ পৰিবৰ্তে শিক্ষা সংকোচনৰ বাবেহে উঠি পৰি লগা দেখা গৈছে। কিছুমান সাংঘাটিক চৰ্ত আৰোপ কৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহক 'নাক' (NAAC) ৰ দ্বাৰা মূল্যায়ন কৰাৰ জৰিয়তে শিক্ষক সমাজক এক গভীৰ সংশয়ৰ মাজলৈ ঠেলি দিছে। মাচুল বৃদ্ধিৰ প্ৰস্তাৱেৰে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ দুৱাৰ চিৰকাললৈ বন্ধ কৰাৰ পৰিকল্পনা যুগুত কৰিছে। সেয়েহে কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে বিশ্ব বেংক আৰু বিশ্ব বাণিজ্য সংস্থাৰ নিৰ্দেশ অনুসৰি শিক্ষাক সেৱাৰ বিপৰীতে এক 'সেৱা বাণিজ্য' হিচাবে গ্ৰহণ কৰিছে।

এক সমীক্ষা মতে ১৯৯৯ ৰ শিক্ষাবৰ্ষত ভাৰতৰ পৰা প্ৰায় ২০ হাজাৰ ছাত্ৰ শিক্ষা গ্ৰহণৰ নামত আমেৰিকা, অষ্ট্ৰেলিয়া, ইংলেণ্ড, ফ্ৰান্স, কানাডা আদি দেশলৈ গুচি গৈছে। যাৰফলত মানৱসম্পদ বহিঃগৰ্মনৰ লগতে এক বৃহৎ অংকৰ পুঁজি ভাৰতীয় ছাত্ৰৰ শিক্ষাৰ নামত ওলাই গৈছে। কিন্তু অন্য দেশৰ পৰা ভাৰতলৈ শিক্ষা গ্ৰহণৰ বাবে অহা ছাত্ৰৰ সংখ্যা সীমিত হোৱাৰ বাবে পুঁজিৰ অন্তঃগমনো তেনেই নগন্য। উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ মাৰাত্মক প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত উচ্চ শিক্ষা সুৰক্ষাৰ বাবে পৰামৰ্শ কমিটি বা 'ট্ৰাঙ্ক ফৰ্চ' গঠনৰ জৰিয়তে যিবিলাক পৰামৰ্শ ডাঙি ধৰিছে - তাৰ যোগেদি শিক্ষা ব্যৱস্থাক ( বিশেষকৈ উচ্চ শিক্ষাক) বাণিজ্যিকীকৰণৰ কবলৰ পৰা মুক্ত কৰি 'সকলোৰে বাবে শিক্ষা' - ( Education for all ) বাস্তৱত ৰূপায়িত কৰিব পৰা হবনে নহয় সময়েহে তাৰ উত্তৰ দিব।

যি এক সংকটপূৰ্ণ অৱস্থাত ভাৰতে বিশ্বায়নৰ পথত ভৰি দিবলগীয়া হ'ল তাৰপৰা মুক্তি পোৱাৰ সম্ভাৱনা নাই। যিহেতু বিশ্বায়নৰ প্ৰভাৱ কম বেছি পৰিমাণে অতীততো আছিল, বৰ্তমানো আছে আৰু ভৱিষ্যতেও থাকিব। আনহাতে বিশ্বায়নৰ লগত সমানে খোজ মিলাই আগুৱাই যোৱাটোও ভাৰতৰ দৰে বিশ্বায়নৰ প্ৰতিকুল প্ৰভাৱ বেছিকৈ পৰিছে তেনে বিষয়সমূহৰ ক্ষেত্ৰত যিমান দূৰ সম্ভৱ সংৰক্ষণৰ ব্যৱস্থা কৰি ভাৰতকে ধৰি তৃতীয় বিশ্বৰ দেশসমূহ আগবাঢ়ি যাবলৈ যত্ন কৰাটোহে বেছি সমীচিন হব বুলি বিবেচনা কৰা ভাল।

## মহৎ লোকৰ বাণী

**যি মানুহে সদায় আনক নিন্দা কৰি ফুৰে, তেওঁ আচলতে নিজকহে নিন্দাৰ যোগ্য বুলি প্ৰমাণ কৰে।**

— জ'ন ছেলভেন

# আধুনিক সমাজৰ ব্যাধি ঃ অনুশাসনহীনতা

ৰাণুমনি নাথ
স্নাতক তৃতীয় বৰ্ষ

এখন সমাজ বা এটা অনুস্থান সুচাৰুৰূপে পৰিচালিত হোৱাটো নিৰ্ভৰ কৰে সেই সমাজ বা অনুষ্ঠানৰ প্ৰত্যেকজন সদস্যৰ দায়িত্ববোধ উপলব্ধি সহায়-সহযোগিতা ইত্যাদিৰ ওপৰত। ইয়াৰ অভাৱে সমাজত বিৰাজ কৰে বিশৃংখলতা আৰু অৰাজকতা। সমাজৰ শান্তিৰ বাবে সেয়েহে প্ৰয়োজন কিছুমান নীতি-নিয়ম বাধ্যবাধকতা। এই নীতি-নিয়ম বাধ্য-বাধকতাই এক অৰ্থত অনুশাসন।

অভিধানিক অৰ্থত অনুশাসন হ'ল "নিজৰ আশা আকাংক্ষা, চিন্তাধাৰা সংযত আৰু জ্ঞানৰ অধীনস্থ কৰা।" যিজন ছাত্ৰই শিক্ষকৰ নিৰ্দিষ্ট নীতি-নিয়ম অৱমাননা কৰে তেওঁ প্ৰকৃত ছাত্ৰ হ'বই নোৱাৰে।

ঘৰ, বিদ্যালয়, সমাজেই হ'ল এজন ব্যক্তিৰ সৰ্বাংগীন বিকাশৰ স্থল। ইয়াৰ বাবে প্ৰয়োজন অনুশাসন। অনুশাসনহীন পৰিৱেশেই সকলো অনিষ্টৰ মূল। সেইবাবে দ্ৰুত পৰিৰ্বতনশীল আধুনিক সমাজৰ ব্যাধি হিচাপে পৰিগণিত হৈছে এই অনুশাসনহীনতা। অনুশাসনহীনতাৰ বাবে আজিকালি সৃষ্টি হৈছে কিছুমান গুৰু-গোঁহাই নমনা, উদণ্ড যুৱক-যুৱতী। প্ৰতিদিনে সংগঠিত হ'বলৈ লৈছে ধৰ্ষণ, ৰাজনৈতিক দুৰ্নীতি, অপহৰণ সন্ত্ৰাস ইত্যাদিৰ দৰে অপৰাধ প্ৰৱন কাৰ্য। অসমৰ কেইবা ঠাইটো অনুষ্ঠিত হৈছে নৃশংস গণহত্যা। চৰম অনুশাসনহীনতাৰ আজিৰ সমাজত সৃষ্টি হৈছে অন্ধ আৰু অনিয়ন্ত্ৰিত ভোগবাদ, গুৰু-গোঁহাই নমনা উ-শৃংখল ব্যক্তিবাদ, ক্ৰমবৰ্দ্ধমান অপৰাধ প্ৰৱণতা, সন্ত্ৰসবাদ।

পাশ্চাত্যৰ অন্ধ অনুকৰণত নিজৰ প্ৰকৃত সত্তা হেৰুৱাই পেলোৱা যুৱক-যুৱতী নিজৰ পিতৃ-মাতৃৰ অবাধ্য হৈছে। শিক্ষানুষ্ঠানত নিয়ম নীতি নামানি শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছে। সামাজিক নীতি-নিয়ম ভংগ কৰি নিজৰ সংস্কৃতি কলুষিত কৰিছে। সামাজিক পৰিৱেশ বিনষ্ট কৰিছে। এনেচামে কোনোধৰণৰ নীতি-নিয়মৰ অধিনস্থ হব নোখোজে। বৰ্তমান সমাজৰ এনে অনুশাসনহীনতাৰ বাবে কেৱল এটা চামক দায়ী কৰিলেই নহয়। গৃহ পৰিৱেশত পিতৃ-মাতৃয়ে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন নকৰাৰ বাবেও এনে অনুশাসনহীনতা পৰিৱেশৰ সৃষ্টি হয়। সৰুৰে পৰা পিতৃ-মাতৃয়ে সন্তানৰ অপৰাধ প্ৰৱণতাৰ ক্ষেত্ৰত শৈক্ষিক বা নৰম মনোভাৱ পোষণৰ কথা ভাবিব নালাগে। কেতিয়াবা সন্তানৰ প্ৰতি কৰা চৰম কঠোৰতাইও অৱশ্যে এক বিপৰীত প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰে। এনে ধাৰণা যোৱাৰ আগতে পিতৃ-মাতৃয়ে সন্তানৰ ভৱিষ্যত সম্পৰ্কে এটা ধাৰণা দিব লাগে। যাৰ ফলত সন্তানৰ এটা বয়সত আত্মনিয়ন্ত্ৰণ কৰি স্বতঃস্ফুতভাৱে অনুশাসন মানি চলিবলৈ শিকিব। শিক্ষানুষ্ঠানটো অনুশাসনহীনতাৰ বাবে কেৱল এটা চামক দায়ী কৰিলেই নহব কতৃপক্ষৰ চৰম অৱহেলাৰ বাবেও কেতিয়াবা শৈক্ষিক পৰিৱেশ বিনষ্ট হয়। "আজিৰ ছাত্ৰ ভৱিষ্যতৰ দেশৰ ধৰণী।" সেই ছাত্ৰক কেৱল বাহ্যিকতাৰ প্ৰলেপ দি ঢাকি থলেই নহয়, সমাজৰ, দেশৰ, দায়িত্বসমূহৰ বিষয়ে এই সময়ৰ পৰাই যদি এজন ছাত্ৰ সচেতন হয় তেন্তে সেইজন ছাত্ৰই কেতিয়াও সমাজত এক অপ্ৰিয় পৰিস্থিতিৰ সৃষ্টি নকৰে।

একোটা ভাল ফলাফল দেখুৱাই অহা ছাত্ৰইও একোজন ঘোঁচ খোৱা উচ্চপদস্থ বিষয়া হয়গৈ। তেনেস্থলত ফলাফল এজন ছাত্ৰৰ যোগ্যতাৰ মাপকাঠী

অভিধানিক অৰ্থত অনুশাসন হ'ল "নিজৰ আশা আকাংক্ষা, চিন্তাধাৰা সংযত আৰু জ্ঞানৰ অধীনস্থ কৰা।" যিজন ছাত্ৰই শিক্ষকৰ নিৰ্দিষ্ট নীতি-নিয়ম অৱমাননা কৰে তেওঁ প্ৰকৃত ছাত্ৰ হ'বই নোৱাৰে।

নহয়। এজন যোগ্য ছাত্রই শিক্ষানুষ্ঠানৰ বাহ্যিক অনুশাসনৰ লগতে আভ্যন্তৰীণ অনুশাসনৰ দ্বাৰাও নিজকে পৰিচালিত কৰিবলৈ শিকে।

সামাজিক বিশৃংখলতা বা অনুশাসনহীনতাৰ বাবে চৰকাৰে যথেষ্ট দায়ী। কৰ্মমুখী অনুশাসনহীনতাৰ সু-প্ৰচলন কৰিব নোৱাৰাটোৱে সমাজত অনুশাসনহীনতাৰ সৃষ্টি হৈছে। জনকল্যাণমূলক কামৰ প্ৰতি চৰকাৰে আওকণীয়া দৃষ্টি লোৱাৰ বাবেই সৃষ্টি হৈছে এচাম সন্ত্ৰাসবাদীৰ। নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰাটোৱেই সমাজত অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। দেশৰ আইন উগ্ৰপন্থীয়ে নিজৰ হাতত তুলি লোৱাত সমাজত হত্যা, লুণ্ঠন আদি চৰম অৰাজকতাই বিৰাজ কৰিছে। সমাজৰপৰা শান্তি অন্তঃধ্যান হৈ পৰি ছ। সৃষ্টি হৈছে এচাম সুবিধাবাদীৰ।

অনুশাসনহীনতাৰ বাবে শাস্তি দিয়াৰ ব্যৱস্থা শিক্ষানুষ্ঠানত যেনেদৰে সমাজতো থকা চিত। প্ৰত্যেক ব্যক্তি সামাজিকভাবে সচেতন হোৱাটো বাঞ্চনীয়। কেইবছৰমান আগতে ব্ৰিটেইনৰ মানচেষ্টাৰৰ ওপৰত এখন সৰু চহৰত স্থানীয় অধিবাসীসকলে মিলি "ৰবাৰ্ট ছেটেলাৰ" কৰি তাৰ ফটোলৈ বিভিন্ন বাতৰি কাকতত প্ৰকাশ কৰে। এনেকুৱা ধৰণৰ অপৰাধৰ বিৰোধ আইন নিজৰ হাতত লোৱা এনে ঘটনা ব্ৰিটেইনত সংঘটিত হৈছে। আইন নিজৰ হাতত লোৱাৰ নিচিনা অপৰাধ সদৃশ কাৰ্য দায়িত্বহীন নাগৰিকৰ দ্বাৰা নিন্দীত হোৱাৰ পৰিবৰ্তে বিপুলভাৱে প্ৰসংশিতহে হব ধৰিছে।

ব্ৰিটেইনৰ এনে পৰিস্থিতিৰ বাবে দায়ী কৰিব পাৰি অপৰাধ দমনত পুলিচৰ ব্যৰ্থতা আৰু কিশোৰ অপৰাধীৰ দ্বাৰা সংঘটিত হোৱা বিভিন্ন কাৰ্য। চেমনীয়াৰ দ্বাৰা হত্যা গাড়ী চোৰ আদি কাৰ্য সংঘটিত হৈছে। চৰম অনুশাসনহীনতাৰ আজিৰ সমাজৰ ৰুগ্নতাৰ বাবে দায়ী। ইয়াৰ বাবে আমি সচেষ্ট হৈ মানৰ জীৱনৰ পৰা হেৰাই যোৱা মূল্যবোধ আৰু নৈতিক অনুশাসন ঘূৰাই আনিবৰ বাবে যত্ন কৰিব লাগিব। নহ'লে আমাৰ সমাজৰ অপমৃত্যু অনিবাৰ্য।

## মহৎ লোকৰ বাণী

সঁচা কথা সাহসেৰে সোৱাদ লগাকৈ লিখিব আৰু ক'ব পৰাটোৱেই আজিৰ যুগৰ শ্ৰেষ্ঠ সাহিত্য।

—— লক্ষধৰ চৌধুৰী

কোনো মানুহে সমালোচনাৰ প্ৰতিবাদ কৰিব নোৱাৰে বা সমালোচনাৰ বিৰুদ্ধে আত্মৰক্ষাও কৰিব নোৱাৰে। সমালোচনা হৈ থকা স্বত্বেও মানুহে নিজৰ কাম কৰি গৈ থাকিলে সমালোচনাই এদিন নিজে সেও মানিব।


—— গেটে

তুমি ক'ত বাগৰি পৰিছিলা তাক মনত নাৰাখিলেও কথা নাই, কিন্তু ক'ত পিছল খাইছিলা সেয়া মনত ৰাখিবা।

—— আফ্ৰিকান প্ৰবচন


# অসমৰ অৰ্থনীতিত বেংকৰ ভূমিকা

যুগ্মজ্যোতি দত্ত
স্নাতক তৃতীয় বৰ্ষ




ভাৰতৰ দৰে উন্নয়নশীল দেশত বেংক বা বিত্তীয় প্ৰতিষ্ঠানসমূহে অৰ্থনীতিত যথেষ্ট বৰঙণি যোগায়। এনে বিত্তীয় প্ৰতিষ্ঠানসমূহৰ ওপৰতে দেশ এখনৰ বৃহৎ উদ্যোগকে ধৰি কৃষিক্ষেত্ৰসমূহ প্ৰায় নিৰ্ভৰশীল। সেয়ে এনে প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ পুঁজি বিনিয়োগ কৰাৰ ক্ষেত্ৰত অত্যন্ত সৰ্তক হোৱা দৰকাৰ। তদুপৰি ভাৰতবৰ্ষ এখন যিহেতু কৃষি প্ৰধান দেশ সেয়ে বিত্তীয় প্ৰতিষ্ঠানসমূহে কৃষিখণ্ড বা কৃষিভিত্তিক উদ্যোগসমূহলৈ অগ্ৰাধিকাৰ ভিত্তিত বিত্তৰ যোগান ধৰাটো প্ৰয়োজন। অসমত এতিয়াও বৃহৎ উদ্যোগ গঢ়ি উঠিবলৈ বহু সময়ৰ প্ৰয়োজন, যি কেইটা গঢ়ি উঠিছে সেয়াও আঙুলিৰ মুৰত লিখিব পৰা। ফলত অসমৰ উদ্যোগ জগতখনত ক্ষুদ্ৰ উদ্যোগ আৰু কৃষি উদ্যোগৰ গুৰুত্ব অপৰিসীম। ক'ব গ'লে অসমৰ অৰ্থনীতি সম্পূৰ্ণ কৃষিভিত্তিক। কৃষি ক্ষেত্ৰত ওপৰত ভিত্তি কৰিয়েই ৰাজ্যখনৰ ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগসমূহ গঢ়ি উঠিছে। অসমৰ মেৰুদণ্ড স্বৰূপ কৃষিখণ্ডক কিন্তু আন্তঃৰাষ্ট্ৰীয় বেংক, ৰাষ্ট্ৰীয় স্তৰৰ বেংক বা বিত্তীয় প্ৰতিষ্ঠানসমূহে সততে অৱহেলা কৰা দেখা যায়। আন্তঃৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় স্তৰৰ এনে বিত্তীয় প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ পুঁজিৰ সিংহ ভাগ খৰচ কৰে বৃহৎ উদ্যোগ সমূহত। বৰ্তমান এই প্ৰতিষ্ঠানসমূহে আধুনিক লাহ-বিলাস যুক্ত সামগ্ৰী তথা মটৰ গাড়ীৰ বাবে ঋণ প্ৰদান কৰাত আগ্ৰহী হৈছে। বেংক সমূহৰ এনেধৰণৰ প্ৰৱণতাই যেনেদৰে এহাতে মটৰ গাড়ীৰ সংখ্যা বৃদ্ধি কৰি প্ৰদূষণৰ সৃষ্টি কৰাত অৰিহণা যোগাইছে আনহাতে কৃষি খণ্ডত মাধমাৰ শুধাইছে। ইয়াৰ লগে লগে নাটনি হৈছে ইন্ধনৰ আৰু ইয়াৰ ফলত ইন্ধনৰ যথেষ্ট মূল্যবৃদ্ধি হৈছে। আন্তঃৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় স্তৰৰ বেংকবোৰৰ এনে কাৰ্য অসমৰ আঞ্চলিক বা গ্ৰামীণ বেংকসমূহে কৃষিখণ্ডত ঋণ প্ৰদান কৰাতকৈ অন্যান্য ক্ষেত্ৰত ঋণ দিয়াত আগ্ৰহী হোৱা দেখা গৈছে। বেংক বা বিত্তীয় প্ৰতিষ্ঠান সমূহৰ এনে প্ৰৱণতাই অসমৰ কৃষিক্ষেত্ৰক পশ্চাতমুখী কৰিছে যাৰ বাবে ইচ্ছুক খেতিয়কে বেংকৰ পৰা ঋণ লৈ অত্যাধুনিক পৰিস্থিতিৰ সৃষ্টি হৈছে। সেয়ে ৰাজ্য চৰকাৰে অতি সোনকালে এক নীতি ঘোষ ণা কৰি বেংকসমূহৰ ওপৰত নিয়ন্ত্ৰণ আনিব লাগে আৰু বেংকে সংগ্ৰহ কৰা ধনৰ সিংহ ভাগ কৃষি ক্ষেত্ৰলৈ বিনিয়োগ কৰাৰ নিৰ্দেশ জাৰি কৰিব লাগে। সময় থাকোতে এনে ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাজ্যখনৰ কৃষিক্ষেত্ৰ বা কৃষিভিত্তিক উদ্যোগসমূহলৈ অচিৰেই অনিশ্চয়তা আহি পৰাৰ সময় সমাগত।

# নাৰী শিক্ষা আৰু সমাজ



সোণেশ্বৰী শইকীয়া

প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

"If you educate a man, you educate a person but if you educate a woman than you educate the whole family." -Ruby Monika.

এখন ঘৰৰ সুস্থ বাতাবৰণ নিৰ্ভৰ কৰে ঘৰখনৰ নেতৃত্ব বহনকাৰী নাৰী গৰাকীৰ ওপৰত। নাৰী সকলে মাতৃ, পত্নী, ভগ্নী, জী, বোৱাৰী আদি ভিন্ন সম্পৰ্কেৰে এখন ঘৰ পৰিচালনাৰ দায়িত্ব বহন কৰে। নাৰীক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব নোৱাৰিলে সেই নাৰীয়ে কেতিয়াও এগৰাকী দায়িত্বশীল মাতৃ, স্ত্ৰী, বা ভগ্নী হিচাপে এটা পৰিয়াল পৰিচালনা কৰিব নোৱাৰে।

শিক্ষা অবিহনে মানুহ কু-সংস্কাৰ, অন্ধ বিশ্বাস, পৰম্পৰাগতভাৱে চলি অহা এলান্ধুকলীয়া নীতি-নিয়ম আদিৰ পৰা কেতিয়াও মুক্ত হ'ব নোৱাৰে। নাৰীসকল এই বিষয় সমূহত অধিক অন্ধবিশ্বাসী হোৱাৰ ফলত এটি পৰিয়ালত অনায়াসে অঘটন ঘটাৰ সম্ভাৱনা নথকা নহয়। নাৰীক অবলা, সহজ সৰল, ধৰ্ম ভীৰু, অন্ধবিশ্বাসী আদি অনেক বিশেষণেৰে অলংকৃত কৰা হয়। বিজ্ঞান চৰম উন্নতিৰ সময়তো তন্ত্ৰ-মন্ত্ৰ, পূজা-পাতল আদিৰ প্ৰচলিত প্ৰভাৱত পৰি নাৰীয়ে দিক্-বিদিক্ হেৰুৱাৰ অনেক উদাহৰণ আছে। অৱশ্যে পুৰুষসকলৰ একাংশও এই ক্ষেত্ৰত পিচপৰি থকা নাই। এইবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে নাৰীক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিবই লাগিব।

প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থাতো নাৰী শিক্ষাৰ সমাদৰ আছিল। বেদ-উপনিষদত ইয়াৰ অনেক উদাহৰণ পোৱা যায়। আধুনিক ভাৰতবৰ্ষতো নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে চৰকাৰীভাৱে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে। এই সমূহৰ ভিতৰত মহিলাৰ বাবে আচুতীয়া বিদ্যালয়- মহাবিদ্যালয় স্থাপন, বিনামূলীয়া উচ্চ মাধ্যমিক শিক্ষা, শিক্ষানুষ্ঠানত আসন সংৰক্ষণ, ৰাজনীতিত আসন সংৰক্ষণ, আচুতীয়া বৃত্তিৰ ব্যৱস্থা, একমাত্ৰ কন্যা সন্তানৰ বিনামূলীয়া উচ্চ শিক্ষা আঁচনি আদি বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ পিছতো উচ্চশিক্ষাৰ ক্ষেত্ৰত নাৰীসকলৰ অধিকাংশই পিচপৰি থকাটো সঁচাই চিন্তনীয়। ভাৰতবৰ্ষৰ পুৰুষ প্ৰধান সমাজ ব্যৱস্থা আৰু ধৰ্মগুৰুৰ হাতত ( কোনো কোনো ধৰ্মৰ) নাৰীৰ বিচাৰ ব্যৱস্থা তথা সামাজিক আৰু বৈবাহিক সম্পৰ্কীয় কতৃত্বই নাৰীৰ

শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট বিৰূপ প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। কম বয়সত বিয়াত বহিবলৈ বাধ্য কৰোৱা, পণ্য সামগ্ৰীৰ দৰে নাৰীক ব্যৱহাৰ কৰা আদি অনেক কাৰক আছে। যিবোৰৰ পৰা মুক্ত কৰিব নোৱাৰিলে সকলো নাৰীয়ে সম শিক্ষা আৰু সম- অধিকাৰ পোৱাটো দেৰৰ দুৰ্লভ হৈয়ে থাকিব। চৰকাৰীভাৱে কঠোৰ আইন প্ৰস্তুত কৰি হ'লেও এই প্ৰতিবন্দকতাসমূহ দূৰ নকৰিলে নাৰীৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত ই বাধক হৈয়ে থাকিব। কোৱা হয় যে "Mother is equal to hundred teachers". এটি শিশু গৰ্ভ ধাৰণৰ পৰা ভূমিষ্ঠ হোৱালৈকে প্ৰায় দহমাহ সময় শিশুটিয়ে মাতৃৰ পৰাই আহৰণ কৰে বায়ু-পানী আদি। সেই সময়চোৱাত গৰ্ভৱতী নাৰীগৰাকীৰ খোৱা-বোৱা, চাল-চলন, আচাৰ-নীতি আদিৰ ওপৰত শিশুটিৰ ভৱিষ্যত বহুলাংশে নিৰ্ভৰ কৰে। মাক সুভদ্ৰাৰ নিদ্ৰামগ্নতাৰ বাবে অভিমন্যুই বেহুভেদ কৰাৰ পূৰ্ণাঙ্গ শিক্ষা আহৰণ কৰিব নোৱাৰাৰ বাবে মৃত্যু বৰণ কৰিব লগা হোৱাৰ কথা আলোচনা নকৰিলেও আধুনিক চিকিৎসা বিজ্ঞানে মাতৃৰ উল্লেখিত দায়িত্ব সম্পৰ্কে সজাগ কৰি দিছে। এই ক্ষেত্ৰত নাৰী গৰাকীৰ যদি উপযুক্ত শিক্ষা নাথাকে, তেতিয়াহ'লে শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশ সম্পন্ন এটি শিশুৰ কথা আমি কল্পনা কৰিব নোৱাৰো। জন্মৰ পিচত বিদ্যালয়লৈ নোযোৱা পৰ্যন্ত পৰিয়ালৰ সদস্যসকলৰ মাজতে পালিত হৈ ডাঙৰ দীঘল হোৱা শিশুটিয়ে বহু সময়ত মাকৰ ওপৰতেই প্ৰাধান্য দি ডাঙৰ দীঘল হয়। এই সময় চোৱাতে শিশুটিয়ে জীৱনৰ প্ৰাৰম্ভিক শিক্ষা সমূহ মাতৃ তথা পৰিয়ালৰ সদস্য সকলৰ পৰাই আহৰণ কৰে। গতিকে আমি কব পাৰো যে এটি শিশুৰ ভৱিষ্যত বহুলাংশে মাতৃ গৰাকীৰ ওপৰতেই নিৰ্ভৰশীল। এখন সুস্থ সমাজ, এটা সুস্থ পৰিৱেশ পাবলৈ হ'লে নাৰী শিক্ষাৰ ওপৰত পুৰুষ-মহিলা উভয়ে সহযোগিতা আগবঢ়াব লাগিব।

বৰ্তমান অৱস্থাত নাৰীসকলৰ একাংশৰ অত্যাধুনিকতাৰ নামত উশৃংখল জীৱন-যাপনে সমাজ ব্যৱস্থাত প্ৰদূষনৰ সৃষ্টি কৰা দেখা যায়। হিন্দু সমাজ ব্যৱস্থাত বিবাহিত মহিলাৰ সাজ-সজ্জা, চাল-চলন, প্ৰচলিত প্ৰয়োজনীয় নীতি-নিয়মক আওকাণ কৰা দেখা গৈছে। পিছে আধুনিকতাৰ গইনা লৈ পূৰ্বৰ আচাৰ নীতি, পৰম্পৰা আদিক এনেদৰে বিসৰ্জন দিছে যে অনেক নাৰীৰ অল্পবস্ত্ৰ পৰিধান, নাইট ক্লাৱৰ উপভোগ, উশৃংখল জীৱন-যাপনে সমাজ ব্যৱস্থাক উশৃংখল কৰাত সহযোগিতা আগবঢ়াইছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতিৰ সময়ত আমি এলান্ধুকলীয়া নিয়ম-নীতি বাদ দিও সুস্থ বাতাবৰণৰ বাবে কৰিবলগীয়া বহুতো আছে। তাৰোপৰি আকাংক্ষিত লক্ষ্যত উপনীত হ'বৰ বাবে নাৰীয়ে যথেষ্ট পৰিমাণে শিক্ষাৰ প্ৰতি ধাৱমান হৈ নিজৰ আচৰণ সলনি কৰিব লাগিব।

নাৰীৰ উত্তৰণৰ ক্ষেত্ৰত পৰ্যালোচনা কৰি চালে দেখা যায় যে নাৰীৰ উত্তৰণৰ ক্ষেত্ৰত পুৰুষডৰ লগতে একাঠশ নাৰীয়েও অধিক বাধাৰ সৃষ্টি কৰি সমাজখনকে বিষময় কৰি তুলিছে। একাংশ শাহু-বোৱাৰী, বৌ-ননদ, যৌথ পৰিয়ালৰ ছবি অধ্যয়নেই এই কথা স্পষ্ট কৰি দিয়ে।

শেষত কওঁ যে মহিলাসকল সচেতন হৈ নিজৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰি প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিব পাৰিলেহে সকলো মহিলাই নিজকে সমাজত প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হ'ব।


## মহৎ লোকৰ বাণী

**(১) শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱণলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।**
**—— এৰিষ্টটল**

**(২) খং নকৰিবা নিজৰে সৰ্বনাশ হ'ব, অহংকাৰ নকৰিবা পতন হ'ব, কাকো ঘিন নকৰিবা নিজেও ঘৃণিত হ'বা, ফাকি নিদিবা ফাকত পৰিবা।**
**—— স্বামী বিবেকানন্দ**

গল্প

# শান্তি বিছাৰি.......




সমীৰণ বৰুৱা

স্নাতক দ্বিতীয় বৰ্ষ


(এক)

এটা সুন্দৰ আবেলি। পশ্চিমৰ আকাশত বেলিটোৱে বিয়পাই দিছে ৰঙীন আভা। খিৰিকীখনৰে দেখি থকা কৃষ্ণচুড়া জোপাৰ গাটো বিয়পি পৰিছে এই ৰক্তাভ আভা। যেন এই কৃষ্ণচুড়া জোপাই এখন ৰঙা শাৰীহে পিন্ধি লৈছে। নীলাভ আকাশ খনত দুই- এটুকুৰা শুকুলা ডাৱৰো ৰঙাই ঢাকি পেলাইছে। ঘৰলৈ ওভতা বগলীৰ জাকবোৰ নীলা আৰু ৰঙা আকাশ খনত ইউনিফৰ্ম পিন্ধি যোৱা স্কুলৰ ছাত্ৰ-ছাত্ৰী বোৰৰ দৰে লাগিছে। পৰিবেশটো উপভোগ কৰি কৰি মোৰ বিষাদ ঘন মনটোও ৰঙা হৈ পৰিল। আনন্দতে বহিখন উলিয়াই লিখিবলৈ ল'লো এটা কবিতা -

“আঠুৱাখন তৰোতেই দেখাপালো ফুটাতো  
জানো ম'হ বোৰ সেই ফালেই সোমাব  
মোৰ এলেহুৱা স্বভাৱৰ বাবে  
ফুটাতো নামৰিলো।  
নিশা ম'হে কামোৰোতেহে মোৰ  
উপলব্ধি হ'ল  
ফুটাতো মাৰি লোৱা হ'লে  
সুখেৰে শুব পাৰিলো হেতেঁন।”

কবিতাটো লিখাৰ লগে লগেই মনটো আকৌ বিষাদঘন হৈ পৰিল। অশান্তিৰে ভৰি পৰিল মনটো। সুন্দৰ আবেলিৰ বেলিটো যেন এচপৰা কলীয়া ডাৱৰে ঢাকি ধৰিলে। মনটোক সান্তনা দিয়াৰ ভাষা বিছাৰি নাপালো। নাম নজনা এটা ভয়ে মোক সাৰটি ধৰিলে। চেষ্টা কৰিও মই ইয়াৰ পৰা মুক্ত হ'ব নোৱাৰা হ'লো।

কবিতাটো লিখিলে ভাবিছো মই, কিয় লিখিছো? মনটোক সান্ত্বনা দিবলৈ নে, দেখুৱাবৰ বাবে যে মই কবিতা লিখো? কবিতা লিখা বহী খন টেবুলৰ ওপৰতে থওঁ। যেন কোনোবা আহিলে সেইখন মেলি ল'বলৈয়ে মই টেবুলৰ ওপৰত থৈছো। এজনী সুন্দৰ গাভৰু ছোৱালীক ডেকাবোৰে ঘূৰি ঘূৰি চোৱাৰ দৰেই মোৰ কবিতাখিনিও কোনোবাই পঢ়াতোৱেই মই বিচাৰো। কবিতাখিনি পঢ়ি কোনোবাই ভাল হৈছে বুলি ক'লে মই বৰ সুখী হওঁ আৰু বেয়া হৈছে বুলি কলে খং উঠে। আচলতে মই প্ৰশংসা বিচাৰো। কোনোবাই প্ৰশংসা কৰিলে মোৰ বৰ ভাল লাগে।

প্ৰকৃততে মই বৰ স্বাৰ্থপৰ। কাকোৱেই মই এনেয়ে একো নিদিও। এনেয়েই সহানুভূতিৰ মাত এষাৰো নিদিওঁ। মই এতিয়া বহুৰূপী হৈ পৰিছো। এই ক্ষেত্ৰ ইমানেই পটু হৈ পৰিছো যে কোনেও ইয়াক ধৰিব নোৱাৰে। মঞ্চত একো একোজন অভিনেতাই যেনেদৰে মুহুৰ্ত্ততে কান্দে, মুহুৰ্ত্ততে হাঁহে, ঠিক তেনেদৰেই মই বাস্তৱত অভিনয় কৰি আছো। বাহ্যিক ৰূপটোৰে মই সকলোৰে লগত মিলিবলৈ চেষ্টা কৰো। কোনোবাই ক'ৰবালৈ লগ ধৰিলে না নকৰো। অসময়ত মোৰ ওচৰলৈ কোনোবা আহিলে বিৰক্তি অনুভৱ নকৰা যেন দেখুৱাও। যেন মই এজন বৰ দৰদী মানুহ! সকলোৰে সুখত সুখী আৰু দুখত দুখী হ'ব পৰা এজন সহানুভূতিশীল ব্যক্তি। কিন্তু প্ৰকৃততে মই নিসংগতা প্ৰিয়। নিসংগ হৈ থাকি মই বৰ ভাল পাওঁ। অসময়ত টো কথাই নাই, কোনোবা যিকোনো সময়ত মোৰ ওচৰলৈ আহিলেই ভীষণ বিৰক্তি অনুভৱ কৰো। এনেকুৱা লাগে যেন সি মোৰ মূল্যবান কিবা এটা হৰণ কৰিবলৈহে আহিছে।

মই যেন উদ্ভট চিন্তা, অপাৰ্থিৱ অনুভৱৰ এখন ভিন্ন জগতত বাস কৰো। উদ্ভট কল্পনাৰ সেই জগতত থাকিব পাৰিলে ভীষণ আনন্দ অনুভৱ কৰো। আত্মহাৰা হৈ পৰো। চিকাৰ দেখিলে চিকাৰীৰৰ দুচকুত ফুটি উঠা আশাৰ ৰেঙণিৰ দৰে উদ্ভট চিন্তাৰ সাগৰত সাঁতুৰিব পাৰিলে মোৰ দুচকুতো আশাৰ ৰেঙণি ফুটি উঠে।

মনটো খালি কৰি ৰখাতকৈ গেলা-পচা কিছুমান ভৰাই থৈয়ে মই শান্তি (?) অনুভৱ কৰো। এনে লাগে যেন সেই গেলা-পচাবোৰেই মনটোক সক্ৰিয় কৰি ৰাখিব পাৰিছে। সেইবোৰ উলিয়াই দিলেই যেন মনটো নিষ্ক্ৰিয় হৈ পৰিব। মনটোত কিবা এটা সুমুৱাই সেইটো মোৰ উদ্ভট কাল্পনিক জগতখনলৈ টানি নি এক তৃপ্তি অনুভৱ কৰো। পৃথিৱীখন জয় কৰাৰ দৰে ভাৱ হয়। মনে ভৱাৰ দৰে নহ'লৈই ভীষণ খং উঠে। তেতিয়া বিচনাখনত বাগৰি চিগাৰেট এটা জ্বলাই হুপিবলৈ আৰম্ভ কৰো। মনটোক শুৱাই থবলৈ যত্ন কৰো। কিন্তু অকলশৰীয়া মনটো আকৌ ব্যস্ত হৈ পৰে আন এটা অলাগতীয়াল চিন্তাত। ৰেডিঅ'ত ইটোৰ পিছত সিটো বাজি থকাৰ দৰে, মোৰ মগজুতো বিভিন্ন চিন্তাই ক্ৰিয়া কৰি থাকে।

মই পলৰীয়াও। এজন যেন ৰণক্ষেত্ৰত এৰি পলাবলৈ যত্ন কৰি থকা ভয়াতুৰ সৈনিক। কোনোবাই কিবা এটা কৰিবলৈ ক'লে সেয়েহে মই তৎক্ষণাত নোৱাৰো বুলি কওঁ। বাস্তৱৰ সকলো কঠিন মূহুৰ্ত্তত মই পলাওঁ। ৰুমৰ ভিতৰত সোমাই হাতত তুলি লওঁ মদিৰা, বাস্তৱৰ আচোঁৰৰ পৰা হাত সাৰিবলৈ। সেয়েহে ৰণে সদায় কোৱা স্বত্বেও মই মদ এৰিব পৰা নাই। আজিকালি সি ক'বলৈ এৰিছে, গালি পাৰিবলৈ আৰম্ভ কৰিছে। কিন্তু লাভ একো হোৱা নাই। গালি পাৰি পাৰি আমনি লাগিলে সি গুচি যায়গৈ আৰু মইও ঠিক টোকাৰী বজালে গৰুৱে কাণ জোকাৰি ঘাঁহ খোৱাৰ দৰে ইপেগৰ পিছত সিপেগ গলাধঃ কৰি গৈ থাকো। যেন একো শুনাই নাই।

ৰণ মোৰ বন্ধু। মোৰ আটাইতকৈ ওচৰৰ বন্ধু। মোৰ গোটেই অন্তৰখনিতে সি বিয়পি আছে ঠিক তেজৰ দৰে। মোৰ একমাত্ৰ শুভাকাংক্ষী সিয়েই। মোৰ কিবা এটা হ'লে পৃথিৱীৰ আন কোনোৱে নাকান্দিলেও ৰণে যে কান্দিব ই ধ্ৰুৱপ। মই মানুহটো হৈছো অত্যন্ত সন্দেহবাদী। এটা কথাতেহে মোৰ সন্দেহ নাই, সেইটো হৈছে "ৰণ", তাৰ বন্ধুত্ব, তাৰ অন্তৰিকতা।

(দুই)

চিনেমা হ'লৰ ভিতৰত সোমাই ছিট এটাত বহি লৈ চাৰিওফালে চাই পঠিয়ালো। নাই, কোনো চিনাকী নাই। মুখেদি আপোনা আপুনি স্বস্তিৰ নিশ্বাস ওলাই গ'ল। মই কোনো চিনাকীয়েই এই সময়ত বিচৰা নাই। আচলতে মই কথা পাতিবলৈ বিছৰা নাই । প্ৰায় পাঁচ ঘন্টামান সময় বলিয়াৰ দৰে ঘূৰি ঘূৰি

চিনেমা হ'লত এই তিনিঘন্টা শুবলৈহে আহিছো। যাতে কোনেও মোক আমনি কৰিব নোৱাৰে। চিটটোত আউজি বহি চিগাৰেট এটা জ্বলাই বৰ আৰামেৰে ধোঁৱাখিনি এৰি মই শুবলৈ যত্ন কৰিলো। (অত্যাধিক মদ খোৱাৰ বাবে ৰাতিপুৱাৰ পৰাই মাথাটো কামুৰি আছে। সেয়েহে আজি দোকান নুখুলি ফুৰিবলৈ ওলাই আহিলো মনটো ভাল লাগক বুলি।)

"হেৰি ডাঙৰীয়া......!" কোনোবাই জোৰেৰে চিঞৰি মতাত মই উচপ্ খাই উঠিলো। বিৰক্তিৰে কাষলৈ চাই দেখো মোৰ সমবয়সৰ এজন অচিনাকী লোকে মোৰ ফালে চাই হাঁহি আছে। বৰ বিৰক্তিৰে তেওঁক ক'লো, "কওঁক"। তেওঁ নম্ৰভাৱে ক'লে, "বেয়া নাপায় যদি লাইটাৰটো দিব নেকি বাৰু?" লাইটাৰটো মানুহজনক দিলো। তেওঁ চিগাৰেট এটা জ্বলাই লাইটাৰটো ঘূৰাই দিলে।

মোৰ মানুহজনৰ ওপৰত বৰ খং উঠিছিল। দুঘোচামান লগাই দিবৰ মন গৈছিল। ঘৰলৈ কোনোবা আহিব পাৰে বুলি এইদৰে হ'ললৈ শান্তি বিচাৰি আহিছো। কিন্তু ইয়াতো মানুহবোৰে শান্তিত থাকিব নিদিয়ে। খংটো উঠি আহিছিল। কিন্তু ভাগৰে খংটো দমন কৰি পেলালে। মই শুবলৈ যত্ন কৰিলো।

এটা অচিনাকী পথেৰে মই গৈ আছো। মোৰ লগত যোৱা সকলোবোৰ আগবাঢ়িল। সিহঁতৰ খোজৰ লগত মই তাল মিলাব নোৱাৰি পিছ পৰি গৈছো। মই যেন এটা শামুক হৈ পৰিছো। ধীৰ গতিৰে আগবাঢ়ি গৈ আছো। মই অকলশৰীয়া হৈ পৰিলো। লগৰবোৰক মাতিব খুজিও মাতিব পৰা নাই। কিহবাই মুখত সোপা মাৰি ধৰাৰ নিচিনা লাগিল। অৱশেষত সিহঁতক মতাৰ আশা বাদ দিলো। অনুভৱ কৰিবলৈ চেষ্টা কৰিলো মই এনেদৰেই সুখী বুলি।

এতিয়া পথটোৰে মই অকলে গৈ আছো। মোৰ কাষে কাষে মোৰ ছাঁটো গৈ আছে। এবাৰ তাক খেদি দিবলৈ মন গ'ল। খুউব গালি পাৰিলো তাক। সি কিন্তু আঁতৰি নগ'ল। খং উঠি জেওৰা খুটি এটাই তাক খুউব কোবালো। নাই সি এতিয়াও আঁতৰি নগ'ল। উহ'! মইএতিয়া পাগল হৈ যাম। তাক খেদিবলৈ চেষ্টা কৰি কৰি ভাগৰি পৰিলো। তাতেই বহি দিলো। আৰু আগলৈ যাবলৈ শক্তি নোহোৱা হ'ল। মই তাতেই শুই দিলো। সাৰ পাই দেখো গোটেইখন ধূসৰ হৈ পৰিছে। ইফালে সিফালে চালো। নাই, কোনো নাই, আনকি মোৰ ছাঁটোও নাই। সিওঁ নিশ্চয় আগবাঢ়ি গ'লগৈ। মই আকৌ যাবলৈ আৰম্ভ কৰিলো। এইবাৰ মই সম্পূৰ্ণ অকলে গৈ আছো। লাহে লাহে মই যেন অন্ধকাৰ এখন ৰাজ্যলৈ সোমাই গৈ আছো। ক'তো বিন্দুমাত্ৰও পোহৰ নাই। সকলোবোৰ পোহৰক যেন ক'লা অজগৰ এডালে গিলিহে পেলালে।

হঠাৎ এটা হুলস্থুল শুনি সাৰ পালো। চিনেমাখনত কাজিয়া লাগিছে। মানুহবোৰে তাকে চাই আনন্দত চিঞৰি উঠিছে। আজিকালিৰ এই মানুহবোৰ যেন হিংসাৰ পূজাৰীহে। ক্ৰুৰতা, নিষ্ঠুৰতা আদি বোৰ হে যেন সিহঁতৰ জীৱনৰ সমল। প্ৰেম, ভালপোৱা আদিৰ কোনো স্থানেই নাই। প্ৰত্যেকটো মানুহ যেন কেঁচা তেজৰ বলীয়া একো একোটা বাঘ। মোৰ বৰ অশান্তি লাগিল। পুনৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহিলো। হ'লৰ ওচৰতে থকা পান দোকানখনত চিগাৰেট এটা জ্বলাই ল'লো। শান্তিৰে মই হ'লৰ ভিতৰত থাকিব নোৱাৰিলো। নিজকে বৰ মূৰ্খ যেন লাগিল। ইমানবোৰ মানুহৰ মাজত মই শান্তিৰে থাকিব পাৰিম বুলি ভৱাটোৱেই ভুল। ক'ত শন্তি বিচাৰি পাম? এই কথাটোকেই ভাৱিবলৈ আৰম্ভ কৰিলো।

"ঐ অনুজ, কি কৰিছ?" হঠাৎ কোনোবাই নাম ধৰি মতাত চাই দেখিলো, ৰণে মুখত এমুকুৰা হাঁহি লৈ মোৰ ওচৰলৈ আহি আছে। মনটো ভাল লাগি গ'ল। এটা নিসংগ দ্বীপত এজন মানুহক দেখিলে মনত যেনেকুৱা লাগে, ৰণক দেখি ঠিক মোৰ তেনেকুৱাই অনুভৱ হ'ল। ভাৱিলো ৰণে নিশ্চয় ক'ব পাৰিব শান্তি ক'ত পাম। অৱশিষ্ট চিগাৰেটৰ টুকুৰাটো পেলাই তাক সুধিলো, "পৃথিৱীৰ ক'ত মানুহে শান্তি বিচাৰি পাব পাৰে বাৰু?" "পৃথিৱীৰ কোনো ঠাইৰ কথা মই নাজানো। কিন্তু মৃত্যুত যে মানুহে চিৰ শান্তি লাভ কৰে সেই কথা মই জানো। কিন্তু হঠাৎ এই প্ৰশ্ন কৰিলি যে?" সামান্য কৌতুহ'লেৰে সি প্ৰশ্নটো কৰি মোৰ মুখলৈ চাই কলে "তই ইয়াত যে! কলৈ আহিছিলি?" প্ৰসংগটো এৰাবৰ বাবেই মই তাক সুধিলো। "চিনেমাখন চাবলৈ আহিলো, ব'ল চাওঁগৈ।" "তয়েই চা-গৈ যা, মই এইমাত্ৰ চাইছোহে।" "তেতিয়াহ'লে তই যাগৈ, মই চিনেমাখন চাই তোৰ ওচৰলৈ গৈ আছো।"

এইবুলি কৈ সি হলৰ ভিতৰলৈ সোমাই গ'ল। মইও স্বস্তিৰ নিশ্বাস পেলালো। কাৰণ সি "চিনেমাখন কেনেকুৱা......?" বুলি সোধা হ'লে মই একো ক'ব নোৱাৰিলোহেতেঁন।

ঘৰলৈ আহি বিচনাখনত বাগৰ দিয়াৰ লগে লগে ভাগৰে হেঁচা মাৰি ধৰিলে। ভোকত পেটে মাতোতেহে মনত পৰিল, দিনটো আজি একোৱেই খোৱা নহ'ল। চৰুতো ভাত নাই, এলাহতে বনোৱাই নহ'ল। ফ্ৰীজটোৰ পৰা বীয়েৰৰ বটল দুটাৰ লগতে যোৱা ৰাতিয়েই বনাই থোৱা আমলেটটো উলিয়াই খাবলৈ আৰম্ভ কৰিলো।

(তিনি)

শুই উঠাৰ পৰাই মনটো ভাল নহয়। বিষণ্ণতাই আৱৰি আছে। যোৱাৰাতি অত্যাধিক মদ খোৱা বাবে মূৰটো ৰাতিপুৱাৰ পৰাই টিঙটিঙাই আছে। তথাপিও অভ্যাসবশতঃ হকাৰটোৱে বাৰাণ্ডাতে থৈ যোৱা পেপাৰখন বাৰাণ্ডাৰ চকীখনতে বহি পঢ়িবলৈ ধৰিলো। সদায় পঢ়ি থকা বাতৰিবোৰকে পঢ়ি পঢ়ি আমনি লগাত পেপাৰখন আঁতৰাই থলো। চাহ একাপ বনাই লৈ খিৰিকীখনেৰে শাওণৰ সেউজীয়া পথাৰখনলৈ চাই চাই তৃপ্তিৰে চাহত সোহা মাৰিবলৈ আৰম্ভ কৰিলো। মই এই সময়খিনিত প্ৰায়েই এনেদৰে বহি ৰওঁ। ভাল লাগে মোৰ শাওণৰ এই পথাৰখন। যেন পথাৰখনত এখন সেউজীয়া দলিচাহে পাৰি থোৱা আছে। উমলিবলৈ মন যায় মোৰ সেউজীয়া দলিচাখনৰ ওপৰত। তাতেই যেন মই ধেমালি কৰি বিলীন হৈ যাম। তালৈ চালে মনৰ সকলো কলুষতা আতঁৰি পৰে। মনটো ফৰকাল হৈ পৰে। আজিও একেই হ'ল। বিষণ্ণতাই গ্ৰাস কৰি থকা মোৰ মন ফৰকাল হৈ পৰিল। যেন কলীয়া ডাৱৰে আৱৰি থকা আকাশখনহে মুকলি হ'ল। মনটো উৰা মাৰিলে শৈশৱলৈ। হঠাৎ কবিতা এটা লিখিবলৈ বৰ মন গ'ল। লগে লগে লিখিবলৈ ল'লো এটা কবিতা -

নিসংগ ৰাতিপুৱা এটাত মনটো উৰা মাৰিছিল
অতীতৰ গাওঁ খনলৈ
চহৰৰ যান্ত্ৰিকতাৰ পৰা আতঁৰি থকা গাওঁ খনৰ
কেঁচা মাটিৰ গোন্ধই মোক আনমনা কৰি তুলিছিল।
এটা বোকাময় শৰীৰ আৰু এখন ফৰকাল অন্তৰৰ
এটা প্ৰতিমূৰ্ত্তি ভাঁহি উঠিছিল দুচকুত।
এক অবুজ আনন্দই হেঁচা মাৰি ধৰিছিল।
বোকাৰ অৰণ্যত বাগৰি থকা সি মোক মাতিছিল
বোকাৰ গোন্ধই মোক আনমনা কৰি তুলিছিল
মই ক্ষুধাতুৰ হৈ পৰিছিলো
এই ক্ষুধা আছিল অতীতৰ সেই দিনবোৰৰ
যিবোৰ দিনত মই প্ৰেমত পৰিছিলো।

হয়, সচাঁকৈয়ে মই প্ৰেমত পৰিছিলো। মোৰ কাল্পনা প্ৰিয় মন প্ৰেমীকো হৈ পৰিছিল। সপোনৰ মালা গাঁঠিছিলো। তেতিয়াই লিখিবলৈ আৰম্ভ কৰিছিলো কবিতা। যি আজি মোৰ অন্যতম সঙ্গী।

মনটো আকৌ গধুৰ হৈ পৰিল। ডেকটোত কেছেট এটা লগাই দিলো মনটো পাতল হওঁক বুলি। শান্তি পাম বুলি। নাই নাপালো। মনটো ভীষণভাৱে অসুখী হৈ পৰিল। তিনিআলিলৈ ওলাই গৈ চিনাকী পান দোকাখনত চিগাৰেট এটা জ্বলালো আৰু বিচাৰিবলৈ আৰম্ভ কৰিলো শান্তিক। প্ৰথমতে গ'লো শিৱ মন্দিৰলৈ। পাৰ্কত বহি বিভিন্ন চৰাই চিৰিকটিৰ মাতৰ উপৰিও ৰিব্ ৰিব্ বৈ থকা বতাহে শান্তি দিব বুলিয়েই ভাৱিলো। কিন্তু তাত গৈ মোৰ অশান্তি বাঢ়িলহে। প্ৰেমিক-প্ৰেমিকাৰ ফুচ্‌ফুচীয়া মেল আৰু বনুৱাবোৰৰ কাম কৰা শব্দৰ মাজত অশান্তি বাঢ়িলহে। লগে লগেই তাৰ পৰা ওলাই আহিলো। ভোক লগাত হোটেল এখনত সোমাই পৰঠা আৰু চাহ আনিবলৈ বয়টোক কৈ ভবিলো শান্তি ক'ত পাম। সচাঁকৈয়ে বৰ নিৰৰ্থক হৈ পৰিছে জীৱনটো। বিচৰা সকলোখিনি পায়ো এতিয়া জীৱনত একো নোপোৱা যেন লাগে দেখোন। সকলোখিনি যেন অদৃষ্টই কাঢ়ি লৈ গ'ল। সকলোবোৰ সপোন ঠুনুকা কাঁচৰ দৰে ভাগি পৰা যেন লাগিছিল। ভৱিষ্যত নিশাৰ আন্ধাৰে গ্ৰাস কৰি দিয়াৰ দৰে অনুভৱ হৈছিল। তথাপিও অন্ধকাৰ ভৱিষ্যত এটা আগতলৈ জীৱন যুদ্ধত নামি পৰিছিলো এজন সাহসী সৈনিকৰ দৰে।

ঃ "দাদা, চাহ খাওক থাণ্ডা হ'ব"।

বয়টোৰ মাততহে মোৰ সম্বিত ঘূৰি আহিল। লৰালৰিকৈ চাহ-পৰঠা খাই ওলাই আহিলো শান্তি বিচাৰি। এৰা মোক শান্তি লাগে, মানসিক শান্তি। মোৰ মানসিক শান্তি একেবাৰেই নোহোৱা হৈছে। কিবা এটা ভয়ে মোক খুলি খুলি খাইছে। বহু চেষ্টা কৰিও ভয়টো দূৰ কৰিব পৰা নাই। যেন কিহবাই মোৰ ডিঙিটো চেপি ধৰিছে, মই উশাহ ল'ব নোৱাৰা হৈছো। মুখখন নীলা হৈ পৰিছে। আপ্ৰাণ চেষ্টা কৰিও মই চেপাটো ঢিলা কৰিব পৰা নাই। অতি সোনকালেই ইয়াৰ পৰা মোক পৰিত্ৰাণ লাগে। সেয়েহে বিচাৰি ফুৰিছো শান্তি। যি মোক নাৰকীয় যন্ত্ৰণাৰ পৰা মুক্তি দিব পাৰে।

(চাৰি)

মই মেট্ৰিক দিয়াৰ আগতেই আমি গাঁৱৰ পৰা ঘূৰি আহিছিলো। ৰাস্তাটোৰ এই তিনিআলিটোৰ কাষতে দেউতাই মাটি কিনি ঘৰ বনাইছিল। গাঁৱৰ পৰা একমাত্ৰ আমাৰ কাৰণেই গুচি আহিছিল। আমাৰ মানে মোৰ আৰু ভন্টি ৰাখীৰ কাৰণে। গাঁৱৰ পৰিবেশত আমি ভালদৰে পঢ়া শুনা কৰিব নোৱাৰিম বুলি ভাবিছিল। যথা সময়ত মই মেট্ৰিক দিলো। পৰীক্ষা সিমান ভাল নহ'ল। চহৰীয়া পৰিবেশৰ লগত মই সিমান ভালদৰে মিলি যাব নোৱাৰিছিলো। প্ৰতিটো পলতেই গাঁওখনলৈ মনত পৰে। গাঁৱৰ প্ৰাকৃতিক পৰিবেশ তথা তাৰ লগৰীয়াবোৰৰ স্মৃতিয়ে মন সদায় ভাৱাক্ৰান্ত কৰি ৰাখিছিল। প্ৰেমিকা নিয়ৰকণাৰ পৰা মই আঁতৰি আহি ভীষণ ভাৱে অসুখী হৈ পৰিলো।

মেট্ৰিকত মই যেনেতেনে পাছ কৰিলো। মা-দেউতাই বহুত গালি পাৰিছিল সেইদিনা। দেউতাই দুখেৰে কৈছিল ঃ "তহঁতৰ কাৰণেই মই গাঁও এৰি চহৰলৈ আহিলো আৰু ইয়ালৈ আহি তহঁত বেয়া হৈহে পৰিলি।"

লাহে লাহে সময়বোৰ পাৰহৈ যাবলৈ ধৰিলে। সময়মতেই ভণ্টিৰ বিয়া হ'ল। মই কিছুদিন কাম বিচাৰি চালো, নাপালো। মেট্ৰিক পাছ কৰাৰ পাছত মোৰ আৰু পঢ়া নহ'ল। মা-দেউতাৰ সপোনবোৰ মই পূৰণ কৰিব নোৱাৰিলো। দেউতাৰ পেঞ্চনৰ টকা কেইটাৰে ঘৰখন যেনেতেনে চলি আছিল। মই নিৰনুৱা হৈ বহি আছিলো যদিও মা-দেউতাই একো কোৱা নাছিল। তথাপিও মা-দেউতাৰ চকুলৈ চাবলৈ মোৰ বৰ ভয় লাগিছিল। মা-দেউতাৰ চকুলৈ চালেই দেখা পাইছিলো মোৰ প্ৰতি থকা আক্ষেপ খিনি। যাৰ বিষয়ে তেওঁলোকে মোক মুখেৰে কোৱা নাছিল। এদিন হঠাৎ দেউতা ঢুকাল। তেতিয়াতো মোৰ জীৱনত এনেকুৱা ভয় নাছিল। আত্মগ্লানিত ভূগিছিলো যদিও শান্তি আছিল। লাহে লাহে মই ব্যৱসায় কৰিবলৈ আৰম্ভ কৰিলো। দেউতাই বেংকত থৈ যোৱা টকা কেইটাৰে গেলা মালৰ দোকান এখন দিলো। দোকানখন ভালদৰেই চলিবলৈ ধৰিলে। ভালেৰে দিনবোৰ পাৰ হ'বলৈ ধৰিলে।

অতীতৰ সপোনবোৰ বিচাৰি এদিন গাঁৱলৈ গ'লো। গাওঁখনৰো যথেষ্ট পৰিবৰ্তন হ'ল। আগৰ গাওঁখন মই বিচাৰি নাপালো। মানুহবোৰ যান্ত্ৰিক হৈ পৰিল। গাঁৱৰেই এজন মোৰ বন্ধু অৰ্ণবৰ মুখত শুনিলো নিয়ৰকণাৰ বিয়াৰ কথা। স্তব্ধ হৈ পৰিছিলো সেই দিনা। মোৰ প্ৰেয়সী নিয়ৰকণা যাক মই হৃদয়তকৈও বেছি ভাল পাইছিলো। তায়ো মোৰ পৰা আঁতৰি গ'লগৈ। সেইদিনাই মুখত দিছিলো মদ, যি মোৰ বৰ্তমান অন্যতম সংগী। ঘৰলৈ আহি তাইক লৈ লিখা কবিতা বোৰ জ্বলাই দিছিলো। মায়ে সুধিছিল -

ঃ বোপাই কি জ্বলাইছ...... ?

ঃ একো নহয় মা। ৰুমটোত অদৰকাৰী জাৱৰ কিছুমান আছিল, সেইবোৰহে পুৰিছো।

বৰ সহজ ভাৱেই মই কৈছিলো। মা আঁতৰি গৈছিল মুখত এটা কৌতুহল লৈ। নিয়ৰকণা এনেদৰেই মোৰ জীৱনৰ পৰা আঁতৰি গৈছিল। তেতিয়াও মোৰ এই ভয় নাছিল। যদিও ইমান বছৰে বনাই থোৱা সপোনৰ হীৰাবুলীয়া দাপোনখন ভাগি পৰিছিল তথাপিও মই সুখী আছিলো। জীৱনত বিয়া নকৰাও বুলি ভাৱিও প্ৰিয়াক বিয়া কৰাইছিলো মাৰ একান্ত অনুৰোধত। বিয়াৰ প্ৰথম নিশাই প্ৰিয়াক কৈছিলো মোৰ হৃদয়খনৰ কথা। য'ত সবত্ৰ শিপাই আছিল কেৱল নিয়ৰকণা। প্ৰিয়াই কান্দিছিল। কান্দি কান্দি শুই পৰিছিল। পিছদিনা তাই কৈছিল -

ঃ "আপোনাৰ অন্তৰত বিয়পি থকা নিয়ৰকণাৰ স্থান লবলৈ মই চেষ্টা কৰিম। যদি সফল হওঁ মই ধন্য হ'ম আৰু বিফল হ'লে আপোনাৰ ওচৰৰ পৰা চিৰদিনলৈ আঁতৰি যাম। কাৰণ আপোনক সুখ দিব নোৱাৰিলে মোৰ দুখ দিয়াৰ অধিকাৰো নাই। আপুনি বাৰু মোক এই সুযোগ দিবনে?"

মোৰ দুচকুৰেদি চকুলো বৈ আহিছিল প্ৰিয়াৰ কথা শুনি। মই তাইৰ হাতত হাত থৈ কৈছিলো -

ঃ"মই এই ক্ষেত্ৰত যিমান পাৰো সহায় কৰিম, সহযোগ কৰিম।"

প্ৰিয়াৰ দুচকুত তেতিয়া আশাৰ ৰেঙনি ফুটি উঠিছিল। সেই দিনাই, হয় সেইদিনাই প্ৰিয়াই অন্তৰৰ এচুকত স্থান বনাই লৈছিল। যিটো বিয়পি এতিয়া গোটেই অন্তৰখনেই আৱৰি আছে। মই সুখী হৈছিলো, হয় মই ভীষণভাৱে সুখী হৈ পৰিছিলো প্ৰিয়াক লাভ কৰি। মই নিজকে ভাগ্যবান বুলি ভাবিছিলো প্ৰিয়াৰ সংগ লাভ কৰি।

টকা-পইচা, পত্নীৰ মৰম মই সকলো পাইছিলো। লাহে লাহে আমাৰ সংসাৰখন ডাঙৰহৈ আহিল। ৰাজ আৰু স্পন্দন আমাৰ জীৱনলৈ আহিল। মা সুখী হ'ল দুটাকৈ নাতি পাই। ৰাজ আৰু স্পন্দন ডাঙৰ হৈ আহিল। মোৰ ব্যৱসায়ো ডাঙৰ হৈ গৈ থাকিল। গাড়ী এখন ল'লো, টকা-পইচা সাঁচিব পাৰিলো। ৰাজ আৰু স্পন্দনে কিবা লাগে বুলিলেই আনি দিবও পৰা হ'লো। বৰ সুখত আছিলো সেই সময়ত। ফূৰ্ত্তিতেই দিনবোৰ পাৰ হৈ গৈছিল। এদিন হঠাৎ মা ঢুকাল। বৰ দুখ লাগিছিল তেতিয়া। কিন্তু তেতিয়াটো জীৱনত ইমান ভয় নালাগিছিল। শোকত ভাগি পৰিছিলো যদিও শ্বাসৰুদ্ধ হৈ যোৱাৰ নিচিনা লগা নাছিল।

ৰাজ আৰু স্পন্দন মেট্ৰিক পাছ কৰি কলেজ পালেগৈ। পঢ়া শুনাত সিহঁত বেয়া নাছিল। ময়ো সুখী হৈছিলো সিহঁত কলেজলৈ যোৱা দেখি। নিজেইতো কলেজত নপঢ়িলোৱেই। এতিয়া সিহঁতক চায়েই মোৰ মনক সান্ত্বনা দিছিলো। এদিন প্ৰিয়াই ক'লে -

ঃ "আপুনি বাৰু দেখিছেনে? ৰাজ আৰু স্পন্দনে আজিকালি ফুচ্‌ফুচকৈ কিবা পাতি থাকে। আমি গলেই মনে মনে থাকে সিহঁতে।"

ঃ"মই কথাটো লক্ষ্য কৰিছো, কিন্তু এই বয়সত তেনেকুৱা হয়েই। সিহঁত চাগে প্ৰেমত পৰিছে।"

মই প্ৰিয়াৰ কথাটো পাতলাই দিলো। অৱশেষত মোৰ অনুমান ভুল হ'ল। সিহঁত প্ৰেমত পৰা নাছিল। এদিন সিহঁত ঘৰৰ পৰা নোহোৱা হ'ল। বহুত বিচাৰিও সিহঁতক বিচাৰি নাপালো। প্ৰিয়া কান্দি কাটি বাউলা হৈ পৰিল। মোৰ অন্তৰখনেও উচুপি

উঠিছিল। কেইমাহ মানৰ সিহঁতৰ পৰা এখন চিঠিপালো। সিহঁত সংগঠনত সোমাইছে। প্ৰিয়াই চিঠিখন পঢ়ি দুখত ভাগি পৰিল। ইমান সুখেৰে থকা ল'ৰা দুটাই হাবিয়ে-বনে, লঘোনে-ভোকে কেনেদৰে থাকিব। এই কথা ভাবিয়েই প্ৰিয়াই কান্দি কান্দি বেহুচ হৈ পৰিল। মোৰ বৰ দুখ লাগিছিল। অন্ততঃ এটাতো থাকিব লাগিব লাগিছিল আমাৰ বৃদ্ধাৱস্থাৰ সাৰথি হ'বলৈ। এইবোৰ ভাবি মোৰ বৰ দুঃচিন্তা হৈছিল। কিন্তু তেতিয়াতো ইমান ভয় নাছিল। শান্তি বিছাৰি হাবাথুৰি খোৱা নাছিলো। ঘৰখনতেই শান্তি পাইছিলো।

পুত্ৰ শোকত প্ৰিয়া লাহে লাহে ভাগি পৰিছিল। পঞ্চাশ বছৰ নৌহওঁতেই প্ৰায় চাৰিকুৰি বছৰীয়া বুঢ়ীৰ দৰে হৈছিল। আমাৰ মাজত কথা বতৰা প্ৰায় নোহোৱাই হৈছিল। যেন কোনো বিষয়েই নাছিল কথা পাতিবলৈ। অভ্যাসবশতঃ প্ৰিয়াই ঘৰখনৰ সকলো কাম কৰি গৈছিল। নিশা বিচনাত বাগৰি প্ৰিয়াই কান্দি থকা মই প্ৰায়েই শুনিবলৈ পাইছিলো। স্বাৰ্থপৰৰ দৰে মইও সান্তনা দিবলৈ চেষ্টা কৰা নাছিলো। নীৰৱে শুনি গৈছিলো তাইৰ প্ৰতিটো উচুপনি। সেই সময়ত মই যেন বোবা হৈ গৈছিলো। একো ক'ব পৰা নাছিলো প্ৰিয়াক। বুকুৰ মাজত সাৱতি শুৱাই থ'বলৈ চেষ্টা কৰিছিলো যাতে সোনকালে টোপনি ধৰে। প্ৰিয়াইও খাবলৈ লৈছিল টোপনি অহা পিল। এনেদৰেই সংসাৰখন চলি আছিল। হঠাৎ এদিন প্ৰিয়াও গুচি গ'ল মা-দেউতাৰ ওচৰলৈ। বিশাল ঘৰটোত মই অকলশৰীয়া হৈ পৰিলো। প্ৰিয়াৰ মৃত্যুৱে মোক নিমাত কৰি তুলিছিল। খাদন-শোৱনৰ কোনো সহায় নোহোৱা হ'ল। কিন্তু তেতিয়াওটো মোৰ জীৱনত ইমান ভয় লগা নাছিল। বিশাল ঘৰটোত অকলে অকলে আছিলো যদিও সুখতেই আছিলো।

লাহে লাহে মই ঘৰলৈ নহাই হ'লো। দোকানতেই থাকো। শোৱনী কোঠাটোৰ বাহিৰে বাকী কোঠালৈ মই নোযোৱা হ'লো। মই ব্যৱসায়ী আছিলো যদিও ৰণৰ বাহিৰে আন কোনো অন্তৰংগ বন্ধু নাছিল। তাকো সদায় লগ পোৱা সম্ভৱ নহয়। সেয়েহে নিজৰ লগতেই কথা পাতিছিলো। এদিন পেপাৰ পঢ়োতে গম পালো ৰাজ আৰু স্পন্দন পুলিচৰ লগত হোৱা গুলীয়াগুলীত নিহত হ'ল। চকুৰ চুককেইটা তিতি উঠিছিল। সিহঁতৰ মৃত্যুৰ পিছত মোৰ নিজকে আৰু অকলশৰীয়া যেন লাগিছিল। এদিন ঘৰটো বেছি দিলো। টকাখিনি এখন অনাথ আশ্ৰমলৈ দান কৰি দিলো। আচলতে টকা পইচাৰ প্ৰতি মোৰ মোহ একেবাৰে নাইকীয়া হৈ পৰিছল। সেয়েহে সকলোবোৰ দান দি বোজা এটাৰ পৰা মুক্ত হোৱাৰ দৰে লাগিছিল।

(পাঁচ)

নাই, আৰু নোৱাৰি। মই আৰু সহ্য কৰিব নোৱাৰা হৈছো এই অশান্তি। ইমানবোৰ দুৰ্যোগৰ পাছতো শান্তি নোপোৱা মোৰ মনে আজি শান্তি বিচাৰি চিঞৰি উঠে। বাটৰ ফপৰা কুকুৰবোৰে এটুকুৰা ৰুটি বিচাৰি টলৌ টলৌকৈ ঘূৰি ফুৰাৰ দৰে মোৰ মনেও শান্তি বিচাৰি টলৌ টলৌকৈ ঘূৰি ফুৰিছো। বহুত বিচাৰিও নাপালো। মই এতিয়া ভোকাতুৰ হৈ পৰিছো। ভীষণভাৱে ভোকাতুৰ হৈ পৰিছো!! এই ভোক শান্তিৰ মই শান্তি বিচাৰি বলীয়াৰ দৰে হৈ পৰিছো। এই কেইদিন অলপ বেছি হৈছে।

এতিয়া বাৰু মই কি কৰোঁ? শান্তি বাৰু মই ক'ত পাম?? লখিমপুৰ জিলাৰ প্ৰতিটো চুকতেই মই শান্তিক বিছাৰিলো!! নাই, নাপালো!! শান্তি বিচাৰি নাপালো!!

এইমাত্ৰ মোৰ থকাৰ একমাত্ৰ সম্বল দোকানখনো বেচি আহিছো। যথেষ্ট টকা মোৰ ওচৰত আছে। কোনোবাই যদি পাৰা মোক শান্তি দিয়া। বিনিময়ত গোটেই টকা খিনি লৈ যোৱা।

হঠাৎ মনত পৰিল ৰণে কোৱা কথাষাৰ -

"পৃথিৱীৰ কোন ঠাইৰ নাজানো। কিন্তু মৃত্যুতহে মানুহে চিৰশান্তি লাভ কৰে সেই কথা মই জানো।" ৰণৰ এই কথাষাৰ মোৰ কাণত অহৰহ বাজিবলৈ ধৰিলে। মোৰ দুচকুত আশাৰ ৰেঙণি ফুটি উঠিল।

মই এতিয়া ৰেল লাইনৰ ফালে গৈ আছো। ৰেল লাইনত পথালিকৈ পৰি আছো শান্তিৰ অপেক্ষাত। সেইয়া শান্তি অহাৰ শব্দ মই শুনা পাইছো। শব্দটো আহি মোৰ ওচৰ পাইছেহি। মই গভীৰ প্ৰশান্তিত চকু দুটা মুদি দিলো। শান্তি আহিব!! মোক চিৰ শান্তি দিব!!!!



# অন্তৰ্দ্বন্দ্ব



ৰমেশ কাকতি
প্ৰবক্তা, অৰ্থনীতি বিভাগ

ঘৰৰ মালিকৰ সৰু ল'ৰাটোৱে এক প্ৰকাৰ চিঞৰি মোক মাতিলে......... খুড়া আপোনাৰ ফোন।

চাহকাপ আধা পিয়াকৈ টেবুলখনৰ ওপৰতে থৈ ঢপলিয়াই আহিলো, টেলিফোনটোৰ কাষলৈ- ভণ্টিজনীৰ আজি চিৰদিন ধৰি অসুখ- দিনক দিনে বেছি হৈছে অলপো ভাল পোৱা নাই। ঘৰলৈ মাতিছে। আজিয়েই ডাক্তৰক দেখুৱাব লাগিব।

মই ঘৰত নাথাকো। চাকৰি সূত্ৰে ঘৰৰ পৰা প্ৰায় আশী কিলোমিটাৰ মান নিলগত সৰু চহৰখনত এইটো ঘৰতে আজি সাত বছৰমানেই আছো। প্ৰথ মতে মই আজি অ'ত কালি ত'ত তেনেকৈয়ে দুদিনমান পাৰ কৰিলো। সহকৰ্মী যতীনে মোক এই ঘৰটোত থকাৰ ব্যৱস্থা কৰি দিলে। যতীন আৰু আদিত্যও তেতিয়াৰে পৰা এই ঘৰটোতে থাকে। আমি থকা কোঠাবোৰ সৰু। তিনিগজমান বহল পাঁচ গজমান দীঘল বাঁহনিশালৰ বাৰান্দা। একোখনৰ সৈতে পাঁচ গজমান বহল পাঁচগজমান দীঘল একোটা কোঠা। মজিয়াখন পকা কিন্তু বেৰ বোৰ কেঁচা। চূণ তেল লগোৱা। সম্পত্তি বুলিবলৈ কোঠাটোৰ ভিতৰত যি কেইবিধ বস্তু নহ'লে এজন মানুহে খাব আৰু শুব নোৱাৰে সিমান কেইপদহে আছে। ঘৰৰ মালিকৰ মতে গেছ সংযোগ এটা আৰু আলনা এডাল লোৱাতো বৰ দৰকাৰী।

গোটাম গোটাম বুলিও গোটাবলৈ সাহস কৰিব পৰা নাই বস্তু কেইপদ। সৰু চাকৰি মাহেকৰ মূৰত দৰমহা কেতিয়া হয় কেতিয়া হয় লাগে। দৰমহা কেইটালৈ মনলৈ আনন্দৰ ভাব এটা আহিব লাগে। নাহে। চকুৰে সঁৰিয়হৰ ফুলহে দেখো। মা আৰু ভণ্টিলৈ টকা কেইটামান কেনেকৈ বচাব পাৰি তাৰ চিন্তাত নিজৰ কথা ভাবিবলৈ আহৰিয়েই নাপাওঁ।

অফিচৰ টেবুলবিলাকৰ কিছুমান বৰ সৌভাগ্যশালী। তেনেবোৰ টেবুলত বহিবলৈ পালে লক্ষ্মী দেৱীয়ে দুয়ো হাতে ধন বাকে। কোৱোণাবে ধন চপাব পাৰি। লাগে মাথো অফিচাৰসকলৰ লগত হিয়া দিয়া নিয়া সম্পৰ্ক। মোক বৰবৰুৱা চাহাবে এবাৰ তেনে এটা ইংগিত দিছিল। মইহে পিছ হোহোকা দিলো। বৰবৰুৱা চাহাবৰ মতে বৰ্তমানতো ভোগবাদী। এতিয়া ভোগেই মানুহৰ একমাত্ৰ লক্ষ্য। এনে এটি প্ৰমোদৰ জীৱন উপভোগ কৰিবলৈকে লাগে প্ৰচুৰ অৰ্থৰ। বৰবৰুৱা চাহাবক মই বেয়া পোৱা নাছিলো। মোকতো বৰবৰুৱা চাহাবে অপকাৰ কৰা নাছিল। মই নিজেই সেইটো পথেৰে সৌভাগ্যশালী হব খোজা নাই। আচলতে বিবেক নামৰ সত্তাটোৱে বাধা দিয়ে। মাৰ মতে কৰ্মক শ্ৰদ্ধা কৰিব লাগে। আনৰ ওচৰত বিক্ৰী যাব নালাগে। কোনে জানে? কাৰ হাড় মঙহবোৰ চেপি চেপি এনে ধনৰ বসবোৰ সৃষ্টি হয়।

লোভ মোহ নামৰ ৰিপু বোৰে মাজে মাজে বিবেকক দংশন কৰে। আত্মমৰ্যদা আৰু মূল্যবোধৰ ভাবুকিয়ে তেনে কৰাত বাধা দিয়ে। নিজৰ অভাববোৰকে সীমাবদ্ধতাৰ মাজত ৰাখি পাছবুকটো দুটকামান জমা কৰিবলৈ যত্ন কৰো। কোনোবা মাহত পাৰো কোনোবা মাহত নোৱাৰো। দেউতাৰ আকস্মিক মৃত্যুৰ পিছত এই চাকৰিটো মই পালো। দেউতাৰ সততাখিনিক দলিয়াই দিয়াৰ সাহস মোৰ নাই। ফোনটো থৈ লাহে লাহে কোঠা পালোহি। আদিত্য, যতীন আৰু ঘৰৰ মালিকক কথাটো কলো। সকলোৱে আজিয়েই যোৱা ভাল বুলি মতামত দিলে।

যতীনে বৰবাবুক কথাটো জনাই দিবলৈ গাত ললে। বৰবাবু মানুহজন ভাল। নিজৰ বুলিবলৈ তেওঁৰ কোনো নাই। বিয়া বাৰুও নহল। আনৰ সুখ-দুখৰ সমভাগী হৈ ভাল পায়। অফিচাৰক আনৰ হৈ কৈফিয়ৎ দিব লগা হলে বৰ সৰল ব্যাখ্যাৰে বিষয়টোৰ গুৰুত্ব উপস্থাপন কৰে।

কোনোবাই দুই এটকা দিলে লয়, নিদিলেও আপত্তি নকৰে। আদিত্যই তাৰ মটৰ চাইকেলখনেৰে মোক বাছ ষ্টেচনত থৈ আহিল। বাছ এখন ষ্টাৰ্ট হৈয়েই আছিল। মইও জাপ মাৰি বাছখনত উঠিছোহে, তেনেতে শব্দ এটা শুনিলো...., দাদা, অ' দাদা, আহক ইয়াতে চিট আছে। মুখখনলৈ চালো আমাৰ গাঁৱৰে অজিত নামৰ ল'ৰা এটা। মোলৈ চাই মিচিকিয়াই হাঁহি আছে। গাড়ীখনৰ পিছৰ ফালেও খালি চিট আছিল, তথাপি অজিতৰ কাষতে বহি পৰিলো। হাতৰ ঘড়ীটোলৈ চালো আঠ বাজি বাৰ মিনিট গৈছে। তোমাৰ ভালনে? ঘৰৰ পৰা কেতিয়া আহিলা ইত্যাদি জাতীয় কথা বাৰ্তা বিনিময় হ'ল। নগৰখনৰ এই এলেকাটো বৰ ব্যস্ত কাৰো সময় নাই। মানুহবিলাক আহিছে, গৈছে। কোনো ৰৈ থকা নাই।

বাছখন চাওঁতে চাওঁতে মানুহেৰে ভৰি পৰিল। দুই এজন চিনাকী মানুহো উঠিল। আঠ বাজি পচপন্ন মিনিট যাওঁতে বাছখন চলিল। অলপ দূৰ যোৱাৰ পাছত বাছখন ভূমিকম্পত কপাঁৰ দৰে থৰ্ থৰ্কৈ কপিবলৈ ধৰিল। কৰবাত যেন উজুতি মাৰি কৰ্ফাল খাই পৰিব। আজিকালি চৰকাৰী ৰাস্তাবোৰ খালত থাকে নে খালবোৰহে ৰাস্তাত থাকে ধৰিবই নোৱাৰি। এটা এলেকাত দেখিলো, বাঁহৰ খুতি এটাত ডাঠ কাগজ এখনত ৰঙা ৰঙা আখৰেৰে লিখা আছে–" চৰকাৰী মীন পালন ক্ষেত্ৰ"।

বাছখন কাষেৰে তেৰাবেকাকৈ পাৰ হৈ গ'ল। অজিতে গাঁৱৰ কথাবোৰ ক'লে। যোৱা দুদিনৰ আগতেই টাউনলৈ আহিছিল পুলিচৰ ইন্টাৰভিউ দিবলৈ। পদৰ সংখ্যা সীমিত। প্ৰাৰ্থী হেজাৰ হেজাৰ। প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰিলে। এতিয়া বাছৰ ভাড়া দিবলৈও পইচা নাই। চিনাকি কনডাক্তৰজনক কৈহে বাছত উঠিছে। চাৰি বাজি বিশ মিনিট গৈছে। ডাক্তৰৰ ঘৰত সোমাই গম পালো ডাক্তৰ ঘৰতে আছে।

- সৰু ল'ৰা এটাই ডাক্তৰ বহি ৰোগী চোৱা কোঠালিটোতে বহিবলৈ দিলে।

-কোঠাটো আহল-বহল। ডাক্তৰৰ চকী টেবুলৰ লগতে সন্মুখত চাৰিখনমান চকী, এখন বেঞ্চ। পৰ্দাৰ আঁৰত এখন ৰোগী চোৱা বিচনা। টেবুলখনৰ পৰা বাতৰি কাকত এখন টানি পঢ়ো বুলি ভাবোতেই ডাক্তৰ সোমাই আহিল।

- অসুখ কাৰ? আপোনাৰ ? মালৈ চাই ডাক্তৰে সুধিলে। ডাক্তৰ নিজৰ চকীখনত বহাৰ পিছতেই মায়ে কৈ গ'ল। কিছু সময় নিৰৱে থাকি ডাক্তৰ বহাৰ পৰা উঠিল। ঘৰৰ ভিতৰলৈ গ'ল। ঘূৰি আহি ভন্টিলৈ নোচোৱাকৈ ক'লে - ছোৱালী কচোন প্ৰকৃততে তোৰ কি হৈছে? ডাক্তৰে তেওঁৰ চেম্প'লৰ ঔষধবোৰ লিৰিকি এটা এটাকৈ পৰীক্ষা কৰিলে। ভন্টিয়ে মাথোন হাঁহি এটাৰে সম্ভাষণ জনালেও ডাক্তৰৰ চকুত নপৰিল। মায়ে পুনৰ অসুখৰ বিৱৰণ আৰম্ভ কৰিলে।

- বেমাৰীয়ে নিজে নকয় কিয়? তাই উচ্‌পিচ্ কৰা ডাক্তৰৰ চকুত পৰিল।

- হ'ব হ'ব। ইতিমধ্যে দুবিধ পিলৰ পাকেট ডাক্তৰে হাতত তুলি লৈ চকুৰ আগত নাম ধাম পৰীক্ষা কৰি মোক ক'লে

- সিমান চিন্তা কৰিব লগীয়া একো নাই, ছোৱালী মানুহৰ এনেকুৱা অসুবিধা থাকেই। এই টেবলেট দহটা দিনে এটাকৈ খালী পেটত ৰাতিপুৱা গৰম পানী এগিলাচৰ লগত খাব। বমি ভাব নাইকিয়া কৰিবলৈ এই টেবলেত কেইটা দিলো। দৰকাৰ হলেহে খাব। খোৱাবোৱাত একো নিয়ম নাই। সব্ খাব পাৰি। নোখোৱাকৈহে নাথাকিব। দহ দিনৰ পিছত পুনৰ এপাক আহিলে ভাল হ'ব, হয় পুৱা ৭/৮ বজাৰ ভিতৰত নহয় ইমান সময়ত। এতিয়াযাওকগৈ। ডাক্তৰৰ ফিজ হিচাবে টকা এশ ওলিয়াই দিলো কিন্তু তেওঁ গ্ৰহণ নকৰিলে। অতি কোমল মাতেৰে কলে - নালাগে, কাম এটা কৰিব, ছোৱালী জনী দুৰ্বল হৰলিক্স এটাকে কিনি দিব। তিনিও আহি ভাড়াঘৰ পালোহি। আদিত্য আৰু যতীন আমাৰ কাৰণেই বাট চাই আছিল। মা হঁতক আগতে দেখা নাই সেইবাবে।

ভন্টী নাচোৰ বান্দা। ঔষধ নাখায়। সেইটো ডাক্তৰ হ'ল নিকি। গাটোত কিমান জ্বৰ আছে জুখি চালেনে? থেচ্‌চিস্কোপডাল দি বুকু পিঠিৰ ধপ-ধপনি পৰীক্ষা কৰিলেনে? গাত প্ৰেচাৰ আছে নে নাই চালেনে? চকু কেইটা, জিভাখন, নাকৰ ফুটা কেইটা পৰীক্ষা

কৰিলেনে? হেৰৌ নামটোকে সুধি চা চোন। প্ৰেচক্ৰিপচন এখনো নিলিখিলে। মায়ে বেমাৰৰ কথা কলে, তেওঁ টেবলেত দিলে। ফিজ নলয় হৰলিক্স খাবি। সেইটো পাগল নহয়। বাটৰ ৰিক্সাৱালাটোৱেও কৈছে ডাক্তৰটো পাগল বুলি। লিৰিকি লিৰিকি তাই টেবলেত কেইটা বেগত ভৰাই থলে।

যতীনে কলে- হেমধৰ বৰা ডাক্তৰজন চোকা মানুহ। বহুতে তেওঁৰ বাদে আন ডাক্তৰৰ চিকিৎসা নলয়। অৱশ্যে বহুতে তেওঁক মানসিক ৰোগী বুলিও কয়। মই যতীনৰ কোঠাতে শুইছিলো। মাৰ মাততহে সাৰ পালো। ভন্টিয়ে বমি কৰিছে। জ্বৰটোও আগতকৈ বেছি হৈছে। মুৰৰ বিষটোও বাঢ়িছে। আদিত্যৰ মতে সূৰ্য্য নাৰ্চিং হোমৰ নামজ্বলা স্ত্ৰী-ৰোগ বিশেষজ্ঞ ডাক্তৰ পদ্মনাথনক এপাক দেখুৱাই অহা ভাল। ময়ো তেওঁ ভাল ডাক্তৰ বুলি শুনিছো। ঘৰৰ মালিকেও কথাটোত হয়ভৰ দিলে। আদিত্যই ৰাতিপুৱাই নামটো ভৰাই থৈ আহিবগৈ। কিমাননো হ'ব। খুউব বেছি হলে ডেৰ কিলোমিটাৰ। ডাক্তৰজনৰ ওচৰত ভিৰ বেছি। ফিজ আগতিয়াকৈ দি নাম ভৰাব লাগে। সকলোৱে কথাটো খাটাং কৰি পেলালে। গাঁৱৰ কম্পাউন্দাৰ জনে দি পঠোৱা টেবলেট দুবিধকে খুৱাই দিয়া হ'ল। পুৱালৈ অলপ আৰাম পোৱা যেন লাগিল।

আদিত্যই খবৰ দিলেহি যে পুৱা ন-বজাতে সেইখিনি পাবগৈ লাগিব। এক নম্বৰতে নাম লিখোৱা আছে। সময় মতেই লাইনত থিয় দিলো। ন-বাজি পঁচিশ মিনিটত ডাক পৰিল। মা আৰু ভন্টি সোমাই গ'ল। ভিতৰলৈ গৈ মায়ে ডাক্তৰক সকলো বিৰৰি কলে। নকলে মাথো কালি হেমধৰ ডাক্তৰক দেখুওৱাৰ কথা।


ডাক্তৰে জ্বৰ পৰীক্ষা কৰিলে, বুকু পিঠিত থেচিচ্‌স্কোপডাল দি চালে। মুখৰ ভিতৰখনো চালে। প্ৰেচাৰটোও পৰীক্ষা কৰিলে। এইখিনি কাৰ্য্য সমাপণ কৰি কাগজ এটুকুৰাত কি কি পৰীক্ষা কৰিব লাগিব লিখি দিলে। লগতে কেনেদৰে ক'ত যোগাযোগ কৰিব লাগিব তাকো কৈ দিলে।

যতীনৰ মতে ডাক্তৰে দুটা কাৰণত পৰীক্ষা-নিৰীক্ষাবোৰ কৰিবলৈ দিয়ে - এক) ৰোগীৰ প্ৰকৃততে বেমাৰটো কি তাক নিশ্চিত কৰা আৰু দুই) ৰোগীজনৰ পৰা ফিজ লোৱাৰ লগতে লেবৰেটৰীৰ পৰা শতকৰা হাৰত কমিচন আদায় কৰা। বৰ্ত্তমানৰ ভোগবাদী ধাৰণাই ডাক্তৰ সকলক এনে কৰাত অৰিহণা যোগাইছে। হলেও পৰীক্ষা-নিৰীক্ষাবোৰ সোনকালে শেষ হোৱাত যতীনেই বেছি আগ ভাগ ললে। ভাগে ভাগে পৰীক্ষা কাউন্টাৰত আগতিয়াকৈ পইচা জমা দি ৰচিদ কাটি তাৰ পাছত এটাৰ পিছত এটাকৈ পৰীক্ষাবোৰ চলিল। শৌচ, প্ৰেস্ৰাৱ, তেজ পৰীক্ষাৰ লগতে তিনিখন পৃথক এক্স ৰে আৰু আলট্ৰা চাউণ্ড। এক বজাত পৰীক্ষা শেষ কৰি ভাড়া ঘৰ পালোগৈ। চাৰি বজাত আদিত্যৰ স'তে মটৰচাইকেলেৰে পুনৰ নাচিং হোম পালোগৈ। ভাগে ভাগে ৰিপৰ্টবোৰ সংগ্ৰহ কৰি ডাক্তৰে কোৱা মতে মই অকলে ডাক্তৰৰ দুৱাৰমুখত থিয় দিলো। প্ৰায় এক ঘন্টা লাইনত থিয় দি ডাক্তৰক লগ পোৱাৰ সুবিধাকণ পালো। ডাক্তৰে সকলো ৰিপৰ্ট পৰীক্ষা কৰিলে। এক্সৰে আৰু আলট্ৰা চাউণ্ডৰ ফটো কেইখনো পৰীক্ষা কৰিলে। তাৰ পিচতেই প্ৰেচ্‌ক্ৰিপশ্বন এখনত চিনিব নোৱাৰা আখৰেৰে ঔষধৰ নাম লিখি মোক কলে- এক নম্বৰবিধ দিনে এটাকৈ খালি পেটত গৰম পানী এগিলাচৰ স'তে খাবলৈ দিব। বমি হলে দুই নম্বৰটো দিনে দুটা পৰ্য্যন্ত খোৱাব পাৰিব। বমিৰ ভাৱ নাথাকিলে খাবলৈ নিদিব। ঔষধ কেইটা সন্মুখৰ ফাৰ্মাচীখনতে পাব।

ময়ো লৰালৰিকৈ ওলাই আহি সত্তৰ টকা খৰছ কৰি ঔষধ কেইটা কিনি ললো। ভন্টিৰ হাতত ঔষধ কেইটা দি ডাক্তৰে কোৱাৰ দৰে কেনেদৰে খাব লাগিব বুজাই দিলো। ভন্টি অবাক। মুখৰ মাত নাই। টেবলেট কেইটা ঘুৰাই পকাই চাইছে। হঠাৎ বহাৰ পৰা উঠি বেগ টো আনিলে। বেগৰ পৰা টেবলেট দুবিধ উলিয়াই আনি চিঞৰি উঠিল। দাদা চাচোন চা, টেবলেট দুটা কালি ডাক্তৰ হেমধৰ বৰাই দিয়া টেবলেট দুবিধৰ সৈতে একেই। খোৱাৰো নিয়মো একেই।

ফুট কড়ি এটাও নোলোৱাকৈ সঠিক চিকিৎসা আগবঢ়োৱা ডাক্তৰ বৰাৰ প্ৰতি কৃতজ্ঞতাৰে মোৰ অন্তৰখন উথলি উঠিল। চকুৰ আগত ভাঁহি থকা ডাক্তৰ বৰাৰ বহল মুখখনৰ ওচৰত মই বৰ অসহায় অনুভৱ কৰিলো।

দহ দিনৰ পিচত মায়ে সম্পূৰ্ণ সুস্থ হৈ উঠা মোৰ ভন্টিজনীক বৰা ডাক্তৰৰ ওচৰতে এপাক দেখাও বুলি ফুলাম গামোচা এখন লৈ মোৰ ভাৰাঘৰত উপস্থিত হ'লহি।



এক মিনিটৰ গল্প ঃ

# ভূত



ৰূপামনি বুঢ়াগোঁহাই গগৈ

প্ৰবক্তা, শিক্ষা বিভাগ

চকু কেইটা যেন পকা অওঠা, টেলেকা টেলেকা। ওপৰৰ পাৰিৰ দাঁত কেইটা প্ৰায় এক ইঞ্চিমান দীঘল। হাতৰ আঙুলিৰ নখবোৰ উদ্‌ৰ হাতোৰাৰ দৰে জোঙা জোঙা। উহ! কি যে ভীষণ ৰূপ ভূতটোৰ। একেবাৰে কুৰূপ। কেতিয়াবা কেতিয়াবা ডেকা ল'ৰা বিলাকৰ তেজ পিবলৈ ছোৱালীৰ ৰূপো লয় সিহঁতে। মুঠতে ... নামৰ! ভূতৰ ফিল্ম খনত বৰ আচৰিত কাণ্ড ।

তেতিয়া ডিচেম্বৰ মাহ আছিল। কুঁৱলী সনা ঠাণ্ডা। তেতিয়া মই দশম মান শ্ৰেণীত পঢ়িছিলো। এদিন লগৰ ল'ৰা এজনে ... নামৰ ভূতৰ ফিল্ম খনৰ .......... টো দি পঠালে। মা-দেউতাইটো মোক টি.ভি. ৰ নামকে ল'ব নিদিছিল। তেনে স্থলত ফিল্ম খন কেনেকৈ চাওঁ। কাৰণ তেতিয়া মোৰ মেট্ৰিক পৰীক্ষা ওচৰ চাপিছিল। মা-দেউতাই কেনেকৈ মই ভালকৈ পঢ়ি সুখ্যাতিৰে উত্তীৰ্ণ হ'ব পাৰো, তাক লৈ হে খুউব চিন্তিত আছিলো। সেইবাবে বাহিৰা কিবা মানসিক চাপ পৰিব পাৰে বুলি মোক টি.ভি. চাবলৈ দিয়া নাছিল। এদিন সুযোগ মিলিল। ঘৰত মা-দেউতা কোনো নথকাত দিনতে ফিল্মখন চালো। ফিল্মখন চাই মোৰ যি অৱস্থা, ৰাতিটো বাদেই দিনতে বাহিৰ ওলাবলৈ ভয় লাগিছিল। ভূতৰ যি কাণ্ড, মোকো যদি এতিয়া........! হাই ৰাম, ৰাম.......!!

সেইদিনা সন্ধিয়াৰ সাজ লগাৰ আগে আগে মা দেউতা আহি ঘৰ সোমাল। মইও মোৰ পঢ়াৰ টেবুলৰ ওচৰত বহিলোগৈ। মোৰ আৰু সেইদিনা পঢ়া নহ'ল। কিতাপ খন চকুৰ আগত লৈ অকল ভূতৰ ফিল্ম খনৰ ভূত বিলাকৰ কাণ্ডকে চকুত ভাঁহি থাকিল। ন মান বজাত ভাত খাই বিচনাত পৰিলো। বিচনাতো চকু মুদিলেই অকল ভূতকে দেখো। অৱশেষত যেনিবা নিদ্ৰা দেৱীয়ে মোক চকুহাল কেতিয়ানো জপাই দিলে গমকে নাপালো।

বাবা, ঐ বাবা। দেউতাৰ মাতত মই সাৰ পাই গলো। উঠ উঠ তিনি বাজিলে, ৰাতিটো সোনকালে শুৱেই থাকিলি, এতিয়া উঠ অলপ কিতাপ হাতত ল। মই বিচনাৰ পৰা উঠি হাতত লোটাতো লৈ বাহিৰ পালোগৈ। বাহিৰত তেতিয়াও মিটি মিটিয়া আন্ধাৰ। লুটাটোৰ পৰা হাতত পানী এচলু লৈ চকুত মাৰিছোহে মাত্ৰ, অলপ দূৰৈত সেইটো ক'লাকৈ কি? আকৌ হাতত পানী এচলু লৈ চকুত মাৰিলো। আৰে বস্তুটোচোন এইবাৰ মোৰ ফালে ক্ৰমান্বয়ে ডাঙৰ হৈ আহি আছে। সৰ্বনাশ এইবাৰ ভূতটোচোন একেবাৰে মোৰ ওচৰ পালেহি। চাই থাকিবলৈ আৰু সময় নাই। মই লুটাতো মাতিত পেলাই, এই.......বুলি চিঞৰি ভূতক মাৰিবলৈ যিটো কাৰাটে প'জ ললো, ভূতে কি হ'ল ঐ এইটোৰ বুলি চিঞৰি দিলে। আৰে এইয়াচোন দেউতা। সেইদিনা আৰু মোৰ পঢ়া শুনা একো নহ'ল। কথাটো মনত পৰিলেই হাঁহি উঠা হ'ল।

মানে দেউতাই মোক জগাই পাছফালৰ পুখুৰীটোৰ ফালে ওলাই গৈছিল। আৰু মই মুখ ধুই থাকোতে সেই ফালৰ পৰা ঘূৰি আহিছিল।

# এনেকৈয়ে ... নভবাকৈয়ে......



বলীন কুমাৰ দাস

স্নাতক দ্বিতীয় বৰ্ষ

*“পাৰে পৰি হৰি কৰোহো কাতৰি*
*প্ৰাণ ৰাখবি মোৰ।”*

কাষৰ ৰবীন কেৰাণীৰ ঘৰৰ ৰেডিঅ'টোত পূৱাৰ ভক্তিগীত শুনি বাপুৰাম গিৰিপকৈ উঠি আহিল। “ ধেৎ ইমান বেলিলৈকে শুব পাৰোনে?” বুলি মুখৰ ভিতৰতে ভোৰ-ভোৰাই বাহিৰলৈ আহি চকু মুখ কেইটা ধুই চাইকেলখন মোহাৰিবলৈ উলিয়াই ললে। চাইকেল মানে সেইখন বাপুৰামেহে জীৱনৰ তাগিদাত চলাই আছে। বেল আজি দুবছৰৰ পৰাই নাই। মামৰে ধৰা ৰিং, স্পাৰ্ক দুডাল চিগা। ছিট ক'ভাৰ নলগোৱা গাড়ীৰ টায়াৰৰ ছিট টোত ঘহঁনি খাই খাই পেণ্টৰ টিকা দুটা ফিচিকি যোৱাৰ উপক্ৰম হৈছে। তথাপিও চলাবই লাগিব। আজি মদাৰ গুৰি হৈ ন-পমুৱা গাওঁ আৰু ৰংপুৰীয়া গাঁৱত বিচাৰিব লাগিব। ভোলা বৰুৱাৰ ঘৰত জাহাজী এথোঁক আছিল পাৰিছেনে নাই খবৰো লব লাগে। উত্তম গগৈৰ ঘৰৰ ধনীয়া ডৰাৰ পৰা এশ মুঠিমান ধনীয়া আনিব লাগিব। চাইকেলখন মোহাৰি থাকোতেই দিনটোত কৰিবলগীয়া খিনি ভাবি ললে।

বাপুৰাম পেছাত পাচলি বেপাৰী। দিনৰ দিনটো পাচলি বিচাৰি আবেলিৰ পৰা সন্ধিয়া লৈ আজাদ তিনিআলিত ছিট পাৰি বিক্ৰী কৰে। “মৰমী কন ঐ ভাত কেইটা বাঢ়ি দে গাটো টিয়াই আহিছো।” বাপুৰামে ঘৈণীয়েকক ক'লে। আজি বাপুৰামৰ বহুখিনি পইচাৰ প্ৰয়োজন। কালিলৈ সোমবাৰে ৰতন কলেজলৈ যাব। কলেজীয়া পোছাক এযোৰ সত্য দৰ্জীৰ তাতে চিলাবলৈ দিয়া আছে। সেইযোৰো আনিবলৈ আছে। কিতাপ-বহী আৰু বহুতো .......... । এৰা তাক আনি দিবই লাগিব। সি যে বাপুৰাম আৰু মৰমীকনৰ বুকুৰ ৰতন। অমূল্য ৰতন। আগলৈও নাই পিছলৈও নথকা এটাই মাথোন ল'ৰা। তাকটো পঢ়োৱাবই লাগিব। বাপুৰামে পাচলি বেচি নোৱাৰিলেও তেজ বিক্ৰী কৰি হ'লেও পঢ়োৱাবই বুলি দুবছৰৰ আগতে স্বৰ্গগামী হোৱা বাপেক ইন্দ্ৰেশ্বৰক কথা দি থৈছে। কিয়নো নহব “ এনেয়ে বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া” ৰ দৰে একমাত্ৰ নাতি ৰতনক লৈয়ো বুঢ়াই বহুত সপোন দেখিছিল। কাৰণ ৰতন যে “ইচকুল”ৰ ভিতৰতে চোকা।

এইবাৰ ৰতনে মেট্ৰিকত অঞ্চলটোৰ ভিতৰতেনাম কৰি পাছ কৰিছে। দুটাত লেটাৰ লৈ "ইচটাৰ" নে কি সেইটোও পাইছে। সেইকাৰণে বাপেক বাপুৰামে গপত ফুলি আছে। ৰিজাল্ট দিবৰ দিনটোত গোটেই ঘৰখন উদুলি-মুদুলি। বাপুৰামৰ ঘৰখনত জিলাখনৰ কেইবাজনো নামজ্বলা মানুহে আহি চাহ-তামোল খালেহি। কেইজনমানে দুই-এশকৈ টকাও দিলে। গাঁৱৰ যুৱক সংঘই সিদিনা মাইক বজাই ডাঙৰকৈ মিটিং পাতি ৰতনক গামোচা পিন্ধালে আৰু নাম লিখাবলে পাঁচশ টকাৰ এটা মাননি দিলে। এইদৰে ৰাইজে মৰমতে দিয়া পইচা কেইটাৰে নামটো লিখাই চাইকেল এখন কিনিবলৈও অলপমান সাঁচি থলে। আৰু কেইটামান পইচা গোটাই বাপেকে অহামাহতে চাইকেল এখন কিনি দিব। কথাবোৰ ভাবি ভাবি বাপুৰাম মদাৰগুৰি মঠাউৰিৰ ৰত্নেশ্বৰ বায়নৰ ঘৰৰ কাষৰ গলিটোত সোমাওতেহে মনত পৰিল কৰবীহঁতৰ ঘৰত বেঙেনা আৰু বন্ধাকবি কেইটামান আছিল। ঘূৰি যাওঁতে সোমাই নিম বুলি আগবাঢ়িল বাপুৰাম। তিনিআলি ওচৰত থকা আঁহত গছ জোপাৰ কাষেদি মেচ্ মেচ্‌কৈ ক'লা সাপ এডাল পাৰ হৈ যোৱা দেখি সি থমকি ৰ'ল। ৰ'দটোও যেনেকৈহে দিছে পৃথিৱীখনকে যেন পুৰি পেলাব এতিয়া। টলকা মাৰি অলপ পৰ বৈ বাপুৰামে গছজোপাৰ ওপৰলৈ চকু দিলে। বুকুখন তাৰ চিৰিংকৈ গ'ল ফেচাঁ এটাই বাপুৰামলৈ একেথৰে চাই থকা দেখিলে। তাৰ মনত পৰিল এই জোপা গছৰ তলতে বলো মাষ্টৰৰ পুতেকৰ কি হৈছিল। সি জৰীটুপৰ পৰা ৰাতি ভাওনা চাই ওভতি আহোতে এই ডোখৰতে পৰি মৰি আছিল। সি চলাই অহা মটৰ চাইকেলখনো তাৰ ভৰি কেইটাৰ ওপৰতে পৰি আছিল। বাপুৰামে কোবা-কোবিকৈ পাৰ হৈ গ'ল।

" জাহাজী কল থোক আজিয়ে নিবনে।" ৰংপুৰীয়া গাঁৱৰ ভোলা বৰুৱাৰ ঘৈণীয়েকে বাপুৰাম গৈ পোৱাৰ লগে লগে সুধিলে। সি কলৰ ৰঙটো দেখি নিবলৈ ঠিক কৰিলে। বাপুৰামৰ বহুপৰৰ পৰা পানী পিয়াহ লাগি আছিল। পানী খাবলৈ বিচৰাত ভোলা বৰুৱাৰ জীয়েক আৰতীয়ে এমগ পানী আৰু গিলাচ এটা দিলেহি। বাপুৰামে দুই তিনিঘৰ মানত সোমাই কল, ৰঙালাউ, শাক, জলকীয়া আদি এক চাইকেল কৰি বান্ধি চলাই আহি থাকোতে দলংখনৰ গোটা বাঁহ এডালত লাগি চাইকেল সহ মানুহটো ঘেৰেমকৈ পৰি গ'ল। গাওঁখনৰ উদীয়মান যুৱক বিকাশ গোঁহাই আৰু দিগন্তই দৌৰা-দৌৰিকৈ গৈ চাইকেলখন আৰু বাপুৰামক উঠাই দিলে। বাপুৰামৰ আঠুটোত পাতলীয়া ঘাঁ অকণমান লাগি তেজ ওলোৱা দেখি বিকাশে নাৰ্জী ফুলৰ পাত কেইটামান মোহাৰি ঘাঁ ডোখৰত লগাই দিলে। "কেনেকুৱা চৰকাৰ অ এইখন শাল কাঠৰ সলনি ভলুকা বাঁহ লগাই দলংখন নষ্ট কৰি পেলাইছে।" বিকাশে হাঁহিলে। " ঠিকাদাৰে শাল কাঠ কিনিলে লাভ খাব নোৱাৰিব নহয় দদাই। সেইকাৰণে শাল কাঠৰ সলনি ভলুকা বাঁহ দি মেৰামতি কৰিছে।" দিগন্তই কথাটো কোৱাত বাপুৰামে কিবা এটা বুদ্ধি পোৱাৰ নিচিনা কৰি মুৰটো দুপিয়ালে। " এৰা অ অইনকালে ভঙা দলংখনত নামি নামিয়ে পাৰ হওঁ আজিহে কি চুটখৰে খাইছিল জানো চলাই আহিবলৈ।" বুলি চাইকেলত উঠি হৰি নামৰ পংকি এটা গুণ গুণাই গুচি আহিল।

ৰতনৰ মনটো আজি ফৰকাল ফৰকাল লাগি আছে। কালিলৈ কলেজলৈ যাব লাগিব। কলেজখনৰ ভাইচ প্ৰিঞ্চিপাল ড° ৰহমান ছাৰেও আজি খবৰ এটা লৈ গৈছেহি। মাক মৰমীকনে আনৰ পথাৰত ৰুই মেলি সাঁচি থৈ পুতেকৰ কাৰণে এটা নতুন ঘড়ী আনি দিছে। যি খন স্কুলৰ পৰা পাছ কৰিছিল সেইখন স্কুলৰ হেডমাষ্টৰ আহি হিয়া উবুৰিয়াই উবুৰিয়াই মৰম আৰু আৰ্শীবাদ যাঁচিছেহি। ৰতনৰ মনত আজিৰ দিনটো কেনেকৈ পাৰ হয় কেনেকৈ পাৰ হয় লাগিছে। চাইকেলৰ ঘেৰ ঘেৰ মাত শুনি ৰতন ওলাই আহি চাইকেলখন ধৰিলেহি। " পিতাই ইউনিৰ্ফম যোৰ আজি আনিবলে ময়ে যাম নে?" — "যাবি। আৰু কি কি আনিব লাগে আনিবি। সোনকালে যাবি কিন্তু।" বাপুৰামে বস্তুবোৰ নমাই গাটো ভালকৈ ধুই এমুঠি খাই বজাৰলে নিব লগীয়া পাচলি কল আদি ভালকৈ বান্ধি যাবলৈ ওলাল। " বতৰটো বেয়া কৰা যেন লাগিছে দেখোন। মোৰ ছাতিটোও লৈ যাবি।"

বাপুৰাম আহি বজাৰত পাওতে কোনো এজন পাচলি বেপাৰী পোৱাহি নাই। ছহিদ বেদীটোৰ কাষতে বাপুৰামৰ ছিটটো। তাৰ কাষতে ঘনকান্তৰ ছিট। সি আগতে বাপুৰামতকৈও সোনকালে আহে। আজিহে তাৰ পলম হৈছে। " আও এইটো আকৌ কাৰ বস্তা।" বাপুৰামৰ ছিটৰ কাষতে তামোলৰ বস্তা এটা দেখি আচৰিত হ'ল। সম্ভৱ ঘনকান্তৰে হ'ব। সি আটোম-টোকাৰিকৈ বজাৰখন




খুলি ল'লে। এল.পি. স্কুল পঢ়ি শেষ কৰিব নোৱাৰিলে যদিও অসমীয়া আখৰ কেইটা সল-সলীয়াকৈ পঢ়িব পৰা বাপুৰামে আগৰ দৰে মেডিকেল ফাৰ্মাচীখনৰ ফাৰ্মাচিষ্টজনৰ পৰা বাতৰি কাকত খন আনি চাবলৈ বুলি মেলি ল'লে। " নাহৰ জানত আৰক্ষীৰ গুলীত চাৰিজন উগ্ৰপন্থী নিহত।" " যোৰহাটত অভিযন্তাৰ দ্বাৰা বন কৰা ছোৱালী ধৰ্ষণ।" " ধেমাজীত মঠাউৰি ভাঙি বৃহৎ অঞ্চল প্লাবিত।" " ডিগবৈত বিদ্যুৎ স্পৃষ্ট হৈ দুজনৰ করুণ মৃত্যু।" "ব্ৰহ্মপুত্ৰত উটি আহিল অচিনাক্ত মৃতদেহ।" " মহানগৰীৰ বিখ্যাত ব্যৱসায়ীৰ একমাত্ৰ জীয়েকক অপহৰণ।" বাপুৰামে বাতৰি কাকতখন পুণৰ ফাৰ্মাচিষ্টজনক ঘূৰাই দিলে। বাতৰিখন চোৱাৰ বিনিময়ত বাপুৰামে এটকাৰ কনজলকীয়া ফাৰ্মাচিষ্টজনক দিব লাগে। কেতিয়াবা ফাৰ্মাচিষ্টজনে নিবিচাৰেই। মানুহবোৰ যে ইমান স্বাৰ্থপৰ।

কেৰ মেৰ কেৰ মেৰ চাইকেলৰ শব্দই ঘনকান্ত অহাৰ জাননী দিলে। ঘনকান্তই চাইকেলৰ পৰা মাল-বস্তুবোৰ নমাই থাকোতেই বাপুৰামে তামোলৰ বস্তাটো কাৰ জানিব বিচাৰে। ঘনকান্তই বেচিবলে অনা বুলি ভাবি ল'লে। পশ্চিম আকাশত বেলিটো ডুবু ডুবু অৱস্থাত ৰতন আহি বজাৰত উপস্থিত হ'লহি। বাপেকৰ পৰা পইচা-পাতি লৈ সি কলম, বহী আদি দুই এপদ বস্তু কিনিলে। ৰতনক ছিটতে অলপ বহিবলৈ দি পেণ্ট-ছাৰ্ট যোৰ আনিবলৈ বাপুৰাম সত্য দৰ্জীৰ ওচৰলৈ গ'ল। ওচৰৰে নাথ গাঁৱৰ ধনীৰাম মহৰীয়ে সৰু দহ-বাৰ বছৰীয়া ল'ৰা ছোৱালী হালক লগত লৈ বজাৰ কৰিবলৈ লৈ অহাটো মহৰীৰ চখ। ধনীৰাম মহৰীয়ে বাপুৰামৰ ছিটৰ পৰাই আগৰে পৰাই পাচলি আদি কিনে। আঠিয়া কলৰ ডিল এটা আৰু জিকা এক কিলো লৈ বেগত ভৰাওতেই গৰাকীবিহীন তামোলৰ বস্তাটোৰ পৰা এটা প্ৰচণ্ড কান তাল মৰা শব্দই চৌপাশ ধুৱলী কুঁৱলী কৰি পেলালে।

বাপুৰামে হাতত কাপোৰ যোৰ লৈ দৌৰি আহি ৰতনৰ ছিন্ন ভিন্ন শৰীৰটো দেখি একো বুজিব নোৱাৰা মানুহৰ নিচিনাকৈ শিলৰ মূৰ্ত্তি এটাৰ দৰে ঠিয় হৈ থাকিল। ঘনকান্ত ৰ মৃতদেহটোৰ কাষতে মহৰীৰ সোঁ নে বাওঁ হাত এখন। ল'ৰা-ছোৱালী হালৰ মূৰ কেইটা ক'ৰবাত ওফৰি পৰিছে। বহু সময় পুলিচ এটাৰ ধমকি খাইহে সম্বিত ঘূৰাই পালে। হেণ্ডকাৰ্ফ লগাই পুলিচ কেইটামানে বাপুৰামক গাড়ীলৈ বুলি টানি টানি লৈ যাওঁতে সি দেখিলে পুলিচে ঘনকান্ত, মহৰীহঁতক ডেডবডি কঢ়িওৱা গাড়ী এখনলৈ দলিয়াই দিছে, লগতে ৰতনকো..........।।

# পৰাজিত নায়ক



-ৰিজু মণি বৰা

স্নাতক তৃতীয় বৰ্ষ

ৰাজদ্বীপে কথাষাৰ আকৌ এবাৰ ভাবি চালে। সি এটা ভুল সিদ্ধান্ত লৈ পেলোৱা নাইতো ? নাই সি ঠিক সিদ্ধান্তই লৈছে। বৰ্তমান সময়ত তাৰ বাবে আন বিকল্প একোৱেই নাই। টেবুলত পৰি থকা বাতৰি কাকতখন হাতত লৈ আকৌ এবাৰ পঢ়ি চালে বিজ্ঞাপনটো। কাষৰ ৰুমটোলৈ চালে, ভনীয়েক প্ৰেৰণাই চিঞৰি চিঞৰি আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সূত্ৰটো মুখস্থ মাতি আছে। তাইৰ হায়াৰচেকেণ্ডাৰী পৰীক্ষা সমাগত। অন্য দিনা হোৱা হ'লে সি ভনীয়েকক ক'লে হেঁতেন, ঐ..., বাদ দে পঢ়া শুনা কৰিবলৈ। পঢ়া শুনা কৰি কি লাভ ? শুই থাক। কিন্তু আজি তাৰ একোকে ক'বৰ মন নগ'ল।

পাকঘৰত বেমাৰী মাকে কাহি থকাৰ শব্দ হৈছে। নিশ্চয় মানুহজনীয়ে কাহি কাহি ভাত ৰন্ধাত ব্যস্ত। মানুহজনী বৰ কম বয়সতে বেমাৰী হ'ল। ৰাজদ্বীপে কাকতখনৰ দ্বিতীয় পৃষ্ঠাতো মেলি ধৰিলে। চাকৰি খালী। যোগ্যতা চিভিল ইঞ্জিনিয়াৰিঙত স্নাতক। অন্যদিনা হোৱা হ'লে ইমান সময়ে সি তাৰ বায়' ডাটাৰ সৈতে এপ্লিকেচন ফৰ্মখন পূৰাই পেলালেহেঁতেন। কিন্তু আজি তাৰ মন একেবাৰে অস্থিৰ। একোতে তাৰ মন বহা নাই। আচলতে যোৱা এমাহমানৰ পৰাই সি মানুহটো যথেষ্ট পৰিবৰ্তন হৈছে। কাকো ভালদৰে নামাতে। দিনটো ঘৰতে সোমাই থাকে। কোনোবাই কিবা এটা সুধিলে মাথো উত্তৰটো দিয়ে। বচ্ সিমানেই। বন্ধুবৰ্গৰ লগতো তাৰ সম্পৰ্ক প্ৰায় নোহোৱাৰ দৰেই। মাকেতো তাক কেইবাদিনো সুধিছে, "হেৰ' তোৰ হৈছে কি ? কাৰো লগত কথা এষাৰো নপতা হলি, খোৱা-বোৱাতো মন নিদিয়, মাত্ৰ দিনৰ দিনটো ঘৰৰ ভিতৰতে সোমাই থাক কিয় ?" প্ৰেৰণাই আগতে পঢ়াৰ কিবা বুজি নাপালে তাক সুধিছিল বা অন্য ধেমালি কৰিছিল। কিন্তু আজি অলপ দিনৰ পৰা তাই কিবা ক'লে তাৰ পৰা গালিহে খাব লগা হৈছে। সেইকাৰণে তাইও একো নোসোধে বা নকয়। আচলতে প্ৰেৰণাক ধমকি দি ৰাজদ্বীপে অকণো শান্তি নাপায়। কিন্তু সি ভাবি নাপায়, কিয় তাই পঢ়ি থকা দেখিলেই তাৰ টিঙিচ্‌কৈ খংটো উঠি যায়। প্ৰকৃততে তাৰ বৰ্তমানৰ অৱস্থাই ভনীয়েকক কিবা ক'বলৈ বাধ্য কৰায়। কিন্তু সিওতো এটা সময়ত সুন্দৰপুৰ অঞ্চলটোৰেই এটা ভাল ল'ৰা আছিল।



ৰাজদ্বীপ চৌধুৰী। সুন্দৰ পুৰ অঞ্চলটিৰে নম্র, বিনয়ী, আদৰ্শ শিক্ষক প্ৰশান্ত চৌধুৰীৰ একমাত্র পুত্ৰ। কেৱল পঢ়া শুনাতে নহয় খেলা-ধুলা, নাচ-গান সকলো দিশতে সমানে পাৰদৰ্শিতা দেখুৱাই সৰুৰে পৰাই সকলোৰে মৰম আদায় কৰিবলৈ সক্ষম হৈছিল। দেউতাক প্ৰশান্ত চৌধুৰী মানুহজনে কাকত-আলোচনীত অলপ-চলপ লেখা মেলাও কৰিছিল। সেই সময়ৰ নিষিদ্ধ ঘোষিত সংগঠনৰ নেতৃবৰ্গক হিংসাৰ পথ ত্যাগ কৰি অহিংসাৰ পথলৈ আহিবলৈ কৰা আহ্বান কেইবাখনো মূখ্য কাকতত প্ৰকাশ পাইছিল আৰু সিয়েই তেওঁৰ কাল হৈছিল। এদিন সন্ধিয়া কেইজনমান অচিনাক্ত বন্দুকধাৰীৰ গুলীত থকা-সৰকা হৈছিল। দেউতাকৰ মৃত্যুৰ পিছতহে ৰাজদ্বীপহঁতে আচল পৃথিৱীখনৰ সৈতে পৰিচিত হৈছিল। অভাৱ কি বস্তু বুজিবলৈ শিকিছিল। প্ৰায় এবছৰমান সি আৰু মাক বিভিন্ন অফিচলৈ তাঁত- বাতি কৰি কৰি দেউতাকৰ পেঞ্চনৰ টকাখিনি পাইছিল আৰু তেনেকৈয়ে এদিন সি সুখ্যাতিৰে তিনিটা বিষয়ত লেটাৰ মাৰ্ক সহ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু ইয়াৰ দুবছৰৰ পাচতেই উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰাজদ্বীপ ভৰ্ত্তি হৈছিল যোৰহাট ইঞ্জিনিয়াৰিং কলেজত। বহু কষ্টেৰে পঢ়া শুনা কৰি এদিন সি চিভিল ইঞ্জিনিয়াৰিঙত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰি ওলাই আহিছিল। কিন্তু নাই আজিলৈকে তাৰ ভাগ্যত এটাও চাকৰি নহ'ল। চাকৰি পাবৰ বাবে কাৰোবাক দিবলগীয়া টকা অথবা ডাঙৰ মানুহৰ লগত থাকিবলগীয়া সম্পৰ্ক তাৰ নাই। কিন্তু তাৰ চাকৰি এটাৰ ভীষণ প্ৰয়োজন। আচলতে ইন্টাৰভিউ তাৰ সদায়ে ভাল হয় শেষত সি কিন্তু চাকৰি কেতিয়াও নাপায়।

মাথো ইন্টাৰভিউ, পেপাৰত চিটুৱেশ্যন ভেকেন্ট চাই আবেদন কৰা আদি কামৰ মাজেৰে ৰাজদ্বীপৰ দিনবোৰ পাৰ হৈছিল। যোৱা সপ্তাহ সি এটা চাকৰিৰ ইন্টাৰভিউ দিছিল। লিখিত পৰীক্ষাত ভাল মাৰ্ক পোৱাৰ উপৰিও মৌখিক পৰীক্ষাত আটাইকেইটা প্ৰশ্নৰ শুদ্ধ উত্তৰ দিয়া স্বত্বেও তাক বৰ্ডৰ চেয়াৰমেনজনে কৈছিল, "যদি চাকৰিটো তোমাক লাগে, তেন্তে এসপ্তাহৰ ভিতৰত দুই লাখ টকা মোক দিব লাগিব।" সি তেতিয়া মানুহজনক একো উত্তৰ নিদি নিৰ্বিকাৰ ভাৱে ওলাই আহিছিল।

সেইদৰে চাৰিটা দিন পাৰ হৈছিল। কিন্তু কালিৰ কাকতখনত প্ৰকাশিত এটা বিজ্ঞাপন দেখি সি আচৰিত হৈছিল। বিজ্ঞাপনটি আছিল "হৰিচৰণ আগৰৱালাৰ কণিষ্ঠ পুত্ৰৰ বাবে এটা কিড়নীৰ আৱশ্যক। কিড়নীৰ বাবদ দুই লাখ টকা দিয়া হ'ব।" সি কেইবাবাৰো বিজ্ঞাপনটো পঢ়িছিল। অৱশেষত সি সিদ্ধান্ত লৈছিল যে সি কিড়নীটো বিক্ৰী কৰিব আৰু সেই টকাৰে তাৰ অতিশয় প্ৰয়োজনীয় চাকৰিটো কিনিব, কাৰণ এটা কিড়নীৰেও সি চলি থাকিব পাৰিব কিন্তু চাকৰিটোৰ অবিহনে তাৰ চলা অসম্ভৱ। চাকৰিটো পালেহেমোক-ভনীয়েকৰ মুখত হাঁহি বিৰিঙিব। গতিকে সি কালি লগে লগে ফোন কৰি আগৰৱালাক তাৰ সিদ্ধান্তৰ বিষয়ে জনাইছিল। আজি ৰাতিপুৱা লিখা মেলা কৰি সমস্ত ধন আনি সি চেয়াৰমেনজনৰ হাতত দিছিলহি। টকা খিনি ভালদৰে গনি মুখত এটা হাঁহি লৈ চেয়াৰমেনজনে তাক কৈছিল, "যোৱা তোমাৰ চাকৰি হৈ গ'ল।"

তাৰ চকুত ভাঁহি উঠিল ষ্ট্ৰেচাৰত শুৱাই তাক অপাৰেচন থিয়েটাৰত সুমুৱাই দিছে। এনাচ্থেচিয়া দি তাক অজ্ঞান কৰিছে। তাৰ এটা কিড়নী কাটি উলিয়াই সেই ল'ৰাটোৰ শৰীৰত সংস্থাপিত কৰিছে। "এচিচ্‌টেন্ট ইঞ্জিনিয়াৰ ৰাজদ্বীপ চৌধুৰী" লিখা থকা ৰুমটোৰ চকীত বহি থকা ল'ৰাজনৰ ওচৰলৈ হাতত এটা চুটকেচ লৈ এজন ঠিকাদাৰ সোমাই আহিছে।

এক মিনিটৰ গল্প

# সন্ত্রাস



দিগন্ত বৰা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

*(আজি যে অসমত সন্ত্রাসৰ সৃষ্টি হ'ল ইয়াৰ মূল কাৰণটো অসমৰ সামাজিক ব্যৱস্থা। অসমত প্ৰচলিত ৰাজনীতিৰ নামত ভ্ৰষ্টাচাৰ, অসমৰ নিবনুৱাৰ অতিপাত বৃদ্ধি। আজি এটা চাকৰিৰ বাবে পঢ়া-শুনা থাকিলেও টকাৰ প্ৰয়োজন। ইয়াৰ উপৰিও কোনো ৰাজনৈতি দলৰ সপেক্ষে কাম কৰিব লাগিব।)*

ভোগদৈ নামৰ এখন গাঁৱত ৰতৰ নামৰ এজন ল'ৰা আছিল। তাৰ দেউতাক আছিল এজন ৰাজনৈতিক দলৰ সক্ৰিয় কৰ্মী তাৰ দেউতাকে দলৰ উচ্চস্থান পোৱা হেতুকে কিছুমান তলখুচৰীয়া মানুহে তেওঁক নিৰীহ ভাবে হত্যা কৰিলে।কিন্তু হত্যাকাৰীক কোনেও কৰায়ত্ব কৰিব নোৱাৰিলে। ৰতনৰ দেউতাকক যেতিয়া হত্যা কৰা হৈছিল ৰতন তেতিয়া গৰ্ভজাত শিশু আছিল। এই ঘটনাৰ অলপ দিনৰ পিছতেই ৰতনক জন্ম দিয়েই ৰতনৰ মাকো প্ৰসুতি ৰোগত মৃত্যুক সাৱতি ল'ব লগা হয়।

কিন্তু বিধিৰ লিখন নহয় খণ্ডন, ৰতনৰ মাকৰ এজনী ভনীয়েক আছিল। ৰতনৰ মাক মৰাৰ অলপ সময়ৰ আগতেই ৰতনৰ ভনীয়েকৰ হাতত চমজাই থৈ গৈছিল। তেতিয়াৰে পৰা ৰতনক মাহীয়েকে প্ৰতি পালন কৰিছিল। লাহে লাহে ৰতন ডাঙৰ হৈ আহিছিল আৰু ৰতনক মাহীয়েকে গাৱঁৰে এখন প্ৰাথমিক স্কুলত নাম ভৰ্ত্তি কৰি দিছিল। ৰতন সৰুৰে পৰাই বৰ মেধা সম্পন্ন ছাত্ৰ আছিল। সি অকল পঢ়াই শুনাই নহয় পঢ়াৰ উপৰিও খেলা-ধূলাতো তাৰ বহুতো খ্যাতি আছিল। অকল সেইয়াই নহয় ৰতনে গাৱঁৰ মানুহবোৰকো কিছুমান কামত সহায় কৰিছিল। সেই কাৰণেই ৰতনক সকলোৱে বৰ মৰম আৰু সমাদৰ কৰে। সোমবাৰ ৰতন স্কুলৰ পৰা আহি থাকোতে সি শুনিবলৈ পালে যে বাটৰ কাষৰ মানুহ ঘৰত কোনোবাই কান্দি আছে। ৰতন তৎক্ষনাত ঘৰতোলৈ সোমাই গ'ল আৰু তাত কি পৰিস্থিতি হৈছে তাৰ বুজলৈ দেখিলে যে তাত এগৰাকী বুঢ়িয়ে হিয়াধুনি কান্দি আছে! ৰতনে বুঢ়িগৰাকীক সুদো নুসোধোকৈ সুধিলে আইতা, কি হ'ল আপোনাৰ? বুঢ়ী গৰাকীয়ে কান্দি কান্দিয়েই কলে কি কবি বোপাই আজি কেইবাদিনো ধৰি একো এটা খোৱা নাই আৰু ল'ৰা-ছোৱালী কেইটাইও মোক এৰি থৈ গুছি গ'ল...।

সিনো কি কৰিব পাৰে তাকে ভাবি ভাবি সি ঘৰ পালেগৈ। সি গৈ নোপোৱা দেখি মাহিয়েকে তাক হাত ভৰি কেইটা ধুই অহিবলৈ ক'লে। আৰু সিও ধুই আহিলগৈ। আহি মজিয়াত ভাতকেইটা দেখিয়েই তাৰ বুঢ়ীলৈ মনত পৰিল। ৰতনে ভাত কেইটালৈ বুঢ়িৰ ঘৰৰ ওচৰ পালেগৈ। সি শুনিবলৈ পালে যে বুঢ়ীগৰাকীৰ কন্দা বন্ধ হ'ল। তথাপিও সি বুঢ়ীৰ ঘৰলৈ গৈ আইতা বুলি মাতি দুৱাৰখন খুলি দিয়াৰ লগে লগে দেখে যে বুঢ়ি আৰু এই সংসাৰত নাই। বুঢ়িয়ে মাটিৰ পৰা প্ৰায় দুই ফুট মান ওপৰত এডাল ৰছীত ডিঙিটো লগাই ওলমি আছে। ৰতনে বুঢ়ীক এনে পৰিৱেশত দেখি ভয়তে কান্দিব আৰু চিঞৰিবলৈ ধৰিলে। তাৰ চিঞৰত গোটেই গাৱঁৰ মানুহ গোট খালে আৰু বুঢ়ীৰ অন্তিম ক্ৰিয়া সমাপন কৰিলে।

কি যে হৈছে এই সমাজত ল'ৰা-ছোৱালীয়ে নিজৰ মাক বাপেকক চিনি নাপায়, আজি যদি কোনোবাই এমুঠি ভাতৰ বাবে নিজৰ জীৱন ত্যাগ কৰিব লগা হৈছে, আনহাতে কোনোবাই বেষ্টুৰাত ডিনাৰ কৰে দিবানৈশ্য। মাহটোত দুটাকৈ পিকনিক...।

এইয়াই নেকি গান্ধীজীৰ হিন্দুস্থান...?

এনেকৈয়ে মাহ দিন বছৰ বাগৰি গ'ল। ৰতন তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ, ৰতন ক্ৰিকেট খেলত আগবঢ়া আছিল বাবে সি আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত ভাল performence দেখুৱাইছিল। সেইকাৰণে তাক অসমৰ হৈ ৰঞ্জীট্ৰফিৰ বাবে বাছনি কৰা হৈছিল। যদিও তাৰ সহ পাঠীজন আছিল সৰগপুৰ জিলাৰ এজন নাম জ্বলা ঠিকাদাৰৰ পুতেক। ঠিকাদাৰৰ পুতেকে ৰতনৰ লগত বৰ জেদ কৰিছিল। সি দেউতাক ঠিকাদাৰক বৰকৈ খাতনি ধৰিলে যে ৰতনৰ ঠাইত সি খেলিবলৈ পাব লাগিব নহ'লে, সি ঘৰৰ পৰা গুচি যাব। ঠিকাদাৰেও পুতেকৰ কথা শুনি ভয়তে টকা-পইচা দি ৰতনৰ ঠাইত পুতেকক স্থান দখল কৰালে। ৰতনে যেতিয়া খবৰটো পালে সি বৰকৈ বেদনাত ভাগি পৰিছিল। আৰু কোনো দিন ক্ৰিকেট নেখেলো বুলি স্বমনে পণ কৰিছিল।


ৰতনৰ ক্ষেত্ৰত কিয় এনে হ'ল মাত্ৰ কেইটামান টকাৰ বাবে, মানুহ যদিও জ্ঞানী জীৱ শ্ৰেষ্ঠ তথাপি মানুহে কিছুমান এনেকুৱা কাম কৰে যি কাম হয়টো পশু-পক্ষীৰ ক্ষেত্ৰটো নহয়। কেইটামান টকাৰ বাবে মানুহে নিজকে বজাৰৰ গেলা আলু পিয়াজৰ সমপৰ্যায়ৰ কৰি পেলাই। আজিৰ সমাজত মানুহে টকাকে সৰ্বে-সৰ্বা বুলি ভাবি লৈছে যদি এইটোৱেই প্ৰতিজন মানুহৰ লক্ষ্য তেনেহ'লে সত্য আৰু অহিংসাৰ প্ৰতীক স্বৰূপ গান্ধীক কমল বুলি জীয়াই ৰাখিছে কিয়? মাত্ৰ নিজকে ভদ্ৰ লোক বুলিবলৈ। যদি এইটোৱেই সত্য তেনেহ'লে মই মানুহ হোৱাতকৈ পশু-পক্ষী হোৱাটোহে চেষ্ট বুলি ভাবো।

বহুদিন ধৰি ৰতন নিৰুদ্দেশ হৈ আছিল। এদিন হঠাৎ খবৰ কাগজৰ প্ৰথম পৃষ্ঠাত স্থান পালে ৰতনে, অসম ক্ৰিকেট দলৰ হৈ নহয় The great killer Raton...বুলিহে!

আজি ৰত নৰ অৱস্থা কিয় এনে হ'ল সিটো কেতিয়াও এনে হোৱাটো বিছৰা নাছিল। কিন্তু তাৰ এতিয়া লক্ষ্য সন্ত্ৰাস, স্বাৰ্থ সন্ত্ৰাস আৰু ভাষা সন্ত্ৰাস মাথো সন্ত্ৰাস, সন্ত্ৰাস, সন্ত্ৰাস...!!

বহুদিন ধৰি ৰতন নিৰুদ্দেশ হৈ আছিল। এদিন হঠাৎ খবৰ কাগজৰ প্ৰথম পৃষ্ঠাত স্থান পালে ৰতনে, অসম ক্ৰিকেট দলৰ হৈ নহয় The great killer Raton...বুলিহে!

# সেই দেওবাৰটো



ৰাজু শইকীয়া
স্নাতক প্ৰথম বৰ্ষ

সেইদিনা আছিল দেওবাৰ। দেউতাৰ অফিচ বন্ধ। দেওবাৰটো মোৰ বাবে বৰ অসহ্যকৰ আৰু অসহনীয় কাৰণ দেউতাই মোৰ পঢ়া-শুনাবোৰ চোৰাচিতা কৰে। সপ্তাহটোৰ বাকী কেইদিন মাক ফাঁকি দি বাচি যাও। কিন্তু এই দেওবাৰতোত সেইবোৰ সম্ভৱ নহয়। আৰু দেউতাই হাতত এচাৰি এডাল লৈ পঢ়াবলে আহে। দেউতাই এইবোৰ ক্ষেত্ৰত বহুত পৰিপাটি আৰু আমি অলপ নোৱাৰিলেই এচাৰিয়ে কোব দিয়ে। হয়তো সেইবাবেই মোৰ দাদা আৰু বাইদেউয়ে দেউতাই নুশুনাকৈ দৈত্য বা দানৱ বুলি কৈছিল। কেতিয়াবা হিটলাৰ বুলি কৈছিল আৰু বকিছিল আমাৰ সৰু অন্তৰখনৰ কথা একো বুজি নাপায়। অন্তৰৰ ভাষা বুজি নোপোৱা দেউতাটো বুলি। মই সেইদিনা ৰাতিপুৱাৰে পৰা বৰ চিন্তিত আছিলো যদি আকৌ আগৰ গতে আজিও পিঠি ৰঙা কৰি কোব দিয়ে। এই সপ্তাহটোত মই টিউচন বহুত খতি কৰিছিলো আৰু পঢ়াবোৰ একো হিচাপত নাছিল। মই ঘড়ীত চালো ৰাতিপুৱাৰ ৬ টা বাজিছে আৰু আহি টেবুলত বহিলো। দেউতাই কলে " মই চাহ কাপ খাই তোৰ পঢ়া লবলে গৈ আছো।" মই বৰ দুখ মনেৰে হব বুলি কলো। মই ভয়ে ভয়ে আহি বহী কিতাপবোৰ এফালৰ পৰা মেলাত লাগি গলো। দেউতা আহি চকীত বহি মোক বহী কিতাপ দেখুৱাবলে কলে। সেই মূহুৰ্ততে কোনোবাই মাত দিয়া শুনিবলে পালো। দেউতাই মোক অলপ ৰবলে কৈ আগফালে ওলাই গল। ময়ো কোন আহিছে বুলি মনত বিস্ময় ভাব লৈ দেউতাই গম পাই বুলি লাহে লাহে মনে মনে দেউতাৰ পিছতে খোজ দিলো। আৰু দেখিলো এগৰাকী বৃদ্ধা মহিলা। হয়তো তেওঁ ৮০ বছৰমান বয়স। তেওঁৰ পিন্ধনত আছিল চাদৰ আৰু মেখেলা আৰু গাত এখন ছল। হয়তো তেওঁৰ বয়সৰ বাবেই গৰমতো ঠাণ্ডা লাগিছিল। কাপোৰ খিনি কৰবাত অলপ ফটা আন কৰবাত টাপলি মৰা। গাল মুখ হুটুৰা-হুটুৰ পৰা মাত্ৰ হাড়কেইডালত ছালখন লাগি আছে। চকুদুটা ধলধলীয়া যেন তেওঁৰ সংসাৰখনৰ গোটেই দুখখিনি তেওঁৰ

সেই চকুকেইটাত দেখা যায়। সেই বয়সীয়াল তিৰোতা গৰাকীয়ে থুকাথুকি মাতেৰে কলে " বোপাই তুমি মোক চিনি পাইছানে? মই দূৰৈৰ পৰা তোমাৰ ওচৰলে বুকুত বহুত আশা ৰাখি আহিছো। নহ'লে এই বুঢ়ী বয়সত............ মই খোজেৰে........।" মই মনতে ভাবি ললো, মোৰ দেউতা যিহে হিটলাৰ তেওঁ নিশ্চয় এই বুঢ়ী মানুহজনীৰ অন্তৰৰ এই ভাববোৰ বুজি নাপাব। হ'লেও মই ভাবিলো দেউতাই নো কি বুলি উত্তৰ দিয়ে আৰু কি হয় চোৱা যাঁওক। দেউতাই লাহেকৈ কৈছিল " আই হয়তো আপুনি মোক চিনি পাই কিন্তু মই আপোনাক মনত পেলাব পৰা নাই।"

তিৰোতা গৰাকীয়ে আকৌ আৰম্ভ কৰিলে হাজিৰা কৰিবলে আহিছিলো মোৰ ডাঙৰ ল'ৰাটোৰ চাকৰিৰ ইণ্টাৰভিউ দিবলে দূৰৈত যাব লাগে বুলি। তেতিয়া যে তুমি মোক চল্লিছ টকাৰ সলনি এশ টকা দিছিলা।" মোৰ মনত আকৌ ভাব হ'ল। সচাঁই নে দেউতাই মোক স্কুললে যোৱাৰ আগত পইচা খুজিলে মাত্ৰ পাঁচ টকা দিয়ে। আৰু বেছিকৈ খুজিলে গালিৰ বাদে অন্য একো নিদিয়ে। মই সদায় ভাবো দেউতা ইমান চিকতা ...কিন্তু আজি এই বুঢ়ী মানুহজনীৰ মুখত শুনা কথাটো সচ্চাঁনে?

হয়তো সেই সময়তে দেউতাৰ মানুহজনীৰ কথা মনত পৰিল। দেউতাই মনত পৰিল বুলি ক'লে আৰু চাকৰিটো হ'ল নাই বুলি সুধিলে। বুঢ়ীজনীয়ে ক'লে " চাকৰিটো হওতে হ'ল কিন্তু ...... এতিয়া সি মোৰ পৰা বহুত দূৰৈত। সি চাকৰি পাই বিয়া পাতি মোক এৰি থৈ পাহৰি পেলালে। মই এতিয়া বহুত বিপদত পৰিছো। মোৰ ঘৰত পানীত হাঁহ নচৰা অৱস্থা হৈছে। সৰু ল'ৰাটো ব্যৱসায় কৰে। সেইবাবে সি বাহানা কৰি গুৱাহাটীলৈ গ'ল। আৰু মোক মাক বুলি এবাৰো মনত নেপেলায়। এই বুঢ়ী বয়সত মই বৰ দুখ কষ্টত দিন পাৰ কৰিছো। অকলেই এই দিন ৰাতিবোৰ পাৰ কৰিছো। মাথো নিঃসংগ। দুয়োটাই নিজ মাতৃ তথা মাতৃভূমি দুয়োকে পাহৰি পেলাইছে। সিহঁতে নিজৰ সকলোবোৰ হেৰুৱালে। নিজ জনমভূমিক পাহৰি হয়তো কোনেও নাযায়। মই বহুত মানুহকে চিনি পাওঁ। কিন্তু মই কেৱল তোমাক বিচাৰি আহিছো, মই জানো দেওবাৰে তুমি ঘৰতে থাকিবা। মোৰ তোমাৰ ওপৰত বহুত বিশ্বাস আছে যে তুমি অসহায় এই বুঢ়ীজনীক সহায় কৰিবা। বোপাই মই এই বঢ়ী বয়সত মিছা কথা নকওঁ যদি কওঁ ভগবানে ধৰিব মোক। তুমি বহুত দয়ালু। তোমাৰ অন্তৰখন বিশাল আকাশৰ সমান। মই বুজি পাইছো তোমাৰ এই বগা অন্তৰখন। তুমি মোক সহায় কৰা। এই বুলি কৈ বুঢ়ীজনীয়ে উচুপি উচুপি কান্দিবলে ধৰিলে। সেই সময়ত মোৰ হিটলাৰ দেউতাৰ চকু চলচলীয়া হোৱা দেখিলো। মই যদিও বুঢ়ী মানুহজনী অহাত ভাল পাইছিলো যে সময়টো পাৰ হৈ যাব পঢ়াৰ পৰা বাছি যাম। যেতিয়া কথাখিনি শুনিলো মোৰো অন্তৰখন পমি গ'ল। মই বুঢ়ীজনীৰ ফালে চালো আৰু দেউতাৰ ফালে চালো। মোৰ মনত আৰু কাণত কেইটামান কথাই গুণগুণাই থাকিল যে সচাঁকৈয়ে নে মোৰ দেউতা বৰ দয়ালু, সচাঁকৈয়ে নে তেওঁ লোকৰ দুখত দুখী হয়, সচাঁনে এই বুঢ়ীজনীৰ অন্তৰৰ ভাব যি বোৰ দেউতাৰ প্ৰতি আছে। দেউতাই সহায় কৰিবনে? মই, দাদা, বাইদেউয়ে বুজি নোপোৱা এই দেউতাৰ হৃদয়খন সচাঁকৈ কোমলনে???

কিতাপৰ প্ৰতি আগ্ৰহ নথকা এজন ৰজা হৈ থকাতকৈ মই চিৰজীৱন এই কিতাপ কেইখন লৈ দুখীয়া হৈ থাকিম। কিতাপ হ'ল যৌৱনৰ খাদ্য, বাৰ্ধক্যৰ আনন্দ।

—— চিগমণ্ড ফ্ৰয়েড

টোপনি ভাল, মৃত্যু তাতোতকৈ ভাল। কিন্তু আটাইতকৈ বেছি ভাল হ'লহেতেন যদি মোৰ জন্মই নহ'লহেতেন।

——হাইনৰিখ হাইনে

# "এখন নিলিখা চিঠি"



বসন্ত কুমাৰ নাথ
প্ৰাক্তন ছাত্ৰ

কিম্বা এটা ক'ব খুজিও ৰৈ গৈছিলো মই তাইৰ আৰক্ত মুখমণ্ডললৈ চাই। অসম্ভৱ ৰঙা পৰি গৈছিল তাই। কিবা এটাযে ঘটিছে সেয়া মই তাইৰ মুখমণ্ডল চায়ে পঢ়িব পাৰিছিলো। তথাপি একো নুসুধিলো। মই একো নুবুজিলেও এটা কথা হয়তো বুজিছিলো বাৰিষাৰ আকাশৰ দৰে ঘনে ঘনে বৰণ সলোৱা তাইৰ মুখমণ্ডলৰ যি অভিব্যক্তি সেয়াযে লাজৰেই অন্য নাম। মনতে ভাবিলো লাজৰ ওৰণি গুচাই কোনে উলিয়াব পাৰে, কাৰ মনৰ বতৰা! যদি কিবা ক'বলগা আছে তেন্তে তায়ে কওক। এনে ভাবিয়েই নীৰৱে তাইৰ কাষে কাষে খোজকাঢ়ি গৈ থকাটোৱে উচিত বুলি ভাবিলো।

এনেদৰে কিমান সময় পাৰহৈ গৈছিল মই ক'ব নোৱাৰো। এক অস্বাভাৱিক নীৰৱতাই আগুৰি ধৰিছিল আমাৰ দুয়োকে। মই তাইলৈ চালো। এনে কি কথা থাকিব পাৰে যাৰ বাবে তাই ভীষণ লাজ অনুভৱ কৰিছে। কাণৰ কাষেদি বৈ যোৱা ঘামৰ টোপালটোলৈ চাই চাই মই কিন্তু এটা কথা আৱিষ্কাৰ কৰিছিলো লাজ কৰিলে 'নাৰী জাতিটোক সঁচাকৈয়ে বৰ ভাল লাগে।'

আমাৰ মাজৰ এই নীৰৱতাখিনি ক্ৰমাৎ অসহ্যকৰ হৈ আহিছিল মোৰ বাবে। মোৰ অনুভৱ হ'ল তাই হয়তো মোৰ উপস্থিতিৰ কথা একেবাৰে পাহৰি গৈছে। বৰ অচিনাকি অচিনাকি লাগিছিল সেইদিনা তাইক।


ঃ প্ৰীতি কিবা ক'বা?— নীৰৱতাখিনি দূৰ কৰিবলৈ সহজভাবে কথাযাৰ ক'লো মই।

ঃ নাই নাই একো নকওঁ। - অপ্ৰস্তুতভাৱে কথাযাৰ ক'লে তাই। আচলতে মই জানো এই মুহূৰ্ত্তত তাতকৈ আৰু বেলেগ উত্তৰ তাই মোক দিব নোৱাৰে। হাঁহি উঠি গৈছিল মোৰ। তথাপি নিজকে সহজ কৰি ক'লো "ঠিক আছে"।

ঃ ঋতুদা, তুমি যোৱাগৈ। আজি আকৌ মাৰ বান্ধৱী এগৰাকী অহাৰ কথা আছে।— সুদূৰৰ নীলা পাহাৰটোলৈ চাই চাই কৈছিল । যেন পাহাৰৰ নীলিমাত বহু কথাই লিখা আছে তাইৰ বাবে।

ঃ ফাঁকি দিবলৈ আৰু মানুহ নাপালা।— অকস্মাৎ ওলাই আহিব ধৰা কথাষাৰ কোনোমতে সংযত কৰিলো। কাৰোবাক বাক্যবাণে ধাৰাশাৰী কৰি তেওঁৰ মনৰ বাতৰি লোৱাৰ মানসিকতা মোৰ নাই। সেয়ে মুৰ দুপিয়াই বিদায় ল'লো।

শাৰী শাৰী কাঞ্চন গছৰ ঠেক আলিটোৱেদি কিছুদূৰ আগুৱাই গৈ মই থমকি ৰ'লো। ৰিব্ ৰিব্ কৈ বৈ যোৱা নদীকাষৰীয়া সেমেকা বতাহ চাটিয়ে মোকনিৰবে চুই গ'ল । পশ্চিম আকাশত তেতিয়া দিবাকৰে লুকাভাকু খেলাৰ সময়। মন আকাশটো মাথো এটা কথাই বাৰে বাৰে লুকাভাকু খেলিবলৈ আৰম্ভ কৰি দিছে। ঠিক বেলিটোৰ দৰেই। 'নাৰী জাতিটো সঁচাকৈয়ে বৰ ৰহস্যময়ী'। সন্ধ্যাৰ এই নিবিৰিলি পৰিৱেশত মুগ্ধ হৈ পৰা মোৰ মনটো সেইদিনা কিন্তু এজাক অচিনাকি বতাহে বাৰে বাৰে উৰুৱাই নিছিল। তথাপি কিবা এটায়ে বেয়া লগা নাছিল সেয়া মই অনুভৱ কৰিছিলো।



কেতিয়াবা এনেকুৱা কিছুমান মুহূৰ্ত্ত আহে য'ত অকলশৰে নিৰ্জনতাৰ স'তে কথা পাতি ভাল লাগে। ভাল লাগে সপোন সপোন যেন লগা এৰি অহা অতীতক ৰোমন্থন কৰি। প্ৰীতিৰপৰা অহা চিঠিখন হাতত লৈ মোৰ মন গ'ল মনৰ দাপোনত এৰি অহা দিনবোৰক আকৌ এবাৰ সযতনে জুমি চাবলৈ। মোৰ অকণমান হাঁহি, এটুপি চকুলোৰ মাজতে লুকাই থকা সেই স্মৃতি বোৰ আজি যেন প্ৰাণৱন্ত হৈ উঠিছে মোৰ মানসপটত।কি নাম তাইৰ নাজানো অথবা ঘৰ ক'ত সেয়াও নাজানো। তথাপি প্ৰথম দেখাৰ পৰাই অনুভৱ কৰিছিলো তাইৰ প্ৰতি এক সীমাহীন দুৰ্বলতা। হয়তো সেই বাবেই নিতৌ দোকমোকালি পৰত উদ্দেশ্যবিহীন ভাৱে বৈ আছিলো গেটৰ সন্মুখত হাতত পলিথিনৰ মোনা লৈ ফুল বিচাৰি ঘূৰি ফুৰা অনামিকাক লগ পোৱাৰ মানসেৰে। কেৱল চকুৰ চিনাকিতেই সেই মানসপ্ৰতিমাই মোৰ হৃদয়ত এনেভাৱে দখল কৰিলে যে, মহানগৰীৰ বিৰাট জন সমাগমৰ মাজতো তাইক পিট্ পিট্কৈ বিচাৰি ফুৰিছিল মোৰ দৃষ্টিয়ে। মোৰ এনে লাগিছিল যেন মোৰ প্ৰতিটো পুৱাই মধুময় হৈ ৰয় অনামিকাৰ মাথো এটি দৰ্শনত! জীৱনত প্ৰথম বাৰৰ বাবে অনুভৱ কৰিছিলো এক বিৰাট শূন্যতা। অনামিকাৰ সঁহাৰি অবিহনে যেন অপূৰ্ণ হৈ ৰ'ব সেই শূন্যতা...।

সময়ৰ স্বাচ্ছন্দ্য গতিত অসহজ মুহূৰ্ত্তবোৰ লাহে লাহে সহজ হৈ আহে, অচিনাকি মুখবোৰ আপোন হৈ পৰে। এদিন একো নভবাকৈ ঘপহ্কৈ সুধি পেলালো তাইৰ নাম-ঠিকনা। ভৰিৰ নখেৰে মাটি লেখি লেখি এক অনামি লাজত তলমূৰকৈ উত্তৰ দিছিল তাই। সমাধানহীন অলেখ প্ৰশ্ন বুকুত লৈ উজাগৰে পাৰ কৰিছিলো ৰাতি মাজনিশালৈ। অথচ কিয় জানো এটা কথাই বাৰে বাৰে মোক আমনি কৰে। মই যেন এজাক ধুমুহাৰ পিছেপিছে নিৰৰ্থক দৌৰি ফুৰিছো।

সঁচাকৈয়ে এদিন সংগোপনে তাইকলৈ সজা মোৰ স্বপ্নৰ সোণালী কাৰেং ভাঙি এপাহ ফুলৰ দৰেই মৰহি পৰিছিল তাই মোৰ মানসপটৰ পৰা। যিদিনা মনালিছা ৰেষ্টোৰাঁত ক্ষীণ পোহৰৰ অস্পষ্টতাত এজন অচিনাকি যুৱকৰ বাহু বেষ্টনিত অলসভাৱে সোমাই পৰা অৱস্থাত আৱিস্কাৰ কৰিছিলো তাইক। সেইদিনাৰ পৰা মোৰ অন্তৰত এক তীব্ৰ ঘৃণাত পৰিণত হৈছিল উপাসনা চৌধুৰী নামটো। মোৰ জীৱনলৈ অহা এটি দুঃস্বপ্ন বুলিয়েই পাহৰিবলৈ চেষ্টা কৰিছিলো তাইক। কোনে জানে সেয়া হয়তো তাইৰ ব্যৱসায়ো হ'ব পাৰে।

প্ৰীতি..., এজনী গাঁৱলীয়া সৰল ছোৱালী। প্ৰেম, ভালপোৱা সিহঁতৰ মানত সদায় পৱিত্ৰ বস্তু। ভালপোৱাৰ নামত মিছা প্ৰতিশ্ৰুতি, প্ৰেমৰ নামত সস্তীয়া দেহৰ ব্যৱসায় সিহঁতে নাজানে। অন্তৰেৰে যাক ভালপাব খোজে, তাৰ আশ্ৰয়তেই জীৱনটো সুখে-দুখে অতিবাহিত হোৱাটো বিচাৰে। লাগিলে সি ভিক্ষাৰীৰ পুত্ৰই হওক বা ধনীৰ দুলালেই হওক। কিন্তু মোৰ এটি লিখনিত যদি মহানগৰীৰ বতাহ লাগি তাইৰ পৱিত্ৰ ভালপোৱাক কলুষিত ক ৰে ; তেন্তে তাই জানো মোক ক্ষমা কৰিব পাৰিব!!

এটি অস্থিৰ মনলৈ কলমটোৰ সাঁফৰখন খুলি টেবুলখনৰ কাষত বহি পৰিলো মই।



# গোপন অশ্ৰু



ৰঞ্জু দাস

স্নাতক তৃতীয় বৰ্ষ

শ্ৰেয়া; শুনিলেই ভাল লগা নাম। খুউৱ সহজ সৰল ছোৱালী। কম সময়তে মানুহৰ লগত এটা মধুৰ সম্পৰ্ক গঢ়ি তুলিব পাৰে। হৃদয়ত তাইৰ যিমানেই দুখৰ বোজা লৈ থাকক কিয় তাই তাক আনৰ আগত প্ৰকাশ নকৰে। আনক তাই দুখৰ কথা কৈ সহানুভূতিৰ পাত্ৰ হব নোখোজে। তাইক বাহ্যিক দৃষ্টিভংগীৰপৰা চালে এনে অনুভৱ হয় যেন তাইৰ সমান সুখী জীৱন-যাপন আন কোনোৱে কৰা নাই। তাই ঘৰুৱা সকলো কাম-কাজৰ উপৰিও পঢ়া-শুনাটো বেচ পাৰ্গত আছিল। প্ৰত্যেক ল'ৰা-ছোৱালীৰে কলেজত পঢ়াৰ বাবে এক প্ৰৱল হেপাহ থাকে। বহুদিনৰ পৰা সাজি-পাৰি থোৱা কল্পনাবোৰ বাস্তৱত ৰূপায়িত কৰাৰ সময়ো তেতিয়াই পায়।

প্ৰথম কলেজলৈ আহিয়েই শ্ৰেয়াই কলেজখনৰ এক বিশৃংখল পৰিৱেশ দেখা পাইছিল। কোনো কোনো ল'ৰা-ছোৱালীয়ে কলেজৰ পাৰ্কত কোনোৱে আকৌ বাৰান্দাৰ এচুকত কোনোৱে আকৌ বেঞ্চত বহি প্ৰেমৰ বিনিময় কৰে। এনেবোৰ দৃশ্য শ্ৰেয়াৰ অকণো ভাল নালাগিল। তাই তেতিয়া উচ্চ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। কলেজৰ অন্যান্য ল'ৰা-ছোৱালীৰ ভিতৰত মুনমুনৰ লগত শ্ৰেয়াৰ খুউৱ এটা ভাল বন্ধুত্ব গঢ়ি উঠিল। শ্ৰেয়া আৰু মুনমুনৰ মাজত বন্ধুত্ব গঢ়ি উঠাৰ মূল কাৰণ হ'ল দুয়োৰে মাজত থকা ৰুচিবোধ। ইয়াৰ উপৰিও পঢ়া-শুনাৰ পৰা ধৰি একেবাৰে ব্যৱহাৰ পাতি আচাৰ-আচৰণ ভাৱ ভংগী একে আছিল। কিন্তু এটাই মাত্ৰ অমিল মুনমুনৰ দৰে শ্ৰেয়াৰ ঘৰখন ধনী নহয়। সেইবাবে



তাই মুনমুনৰ দৰে দামী দামী সাজ-পাৰ পিন্ধিব নোৱাৰে। আৰু নোৱাৰে তাই মনে বিচৰাৰ দৰে কিবা এটা কৰিবলৈ। শ্ৰেয়াই তাৰবাবে অকণো আক্ষেপ নকৰে যিহেতু তাই জানে তাইৰ ঘৰখনৰ পৰিস্থিতিৰ কথা। তাইৰ মনত মাক দেউতাকে অকণো দুখ দিব নিবিচাৰে। মাক-দেউতাকে তাইক বহুত কষ্ট কৰি যে পঢ়াইছে সেইতো তাই বুজে। তাই একেযোৰ সাজ পৰিধান কৰিয়েই তাই কলেজলৈ আহিছিল। অৱশ্যে ইয়াৰ বাবে মুনমুনে কোনোদিনে শ্ৰেয়াক অৱহেলা কৰা নাই। সদায় তাইক অন্তৰঙ্গ বান্ধৱী বুলিয়েই ভাবে। এদিন দুদিন কৈ কেতিয়ানো দিনবোৰ পাৰ হৈ গ'ল তাই কবই নোৱাৰিলে। শ্ৰেয়া আৰু মুনমুন আহি আহি মহাবিদ্যালয়ৰ শেষ দুৱাৰদলিত অথাৎ স্নাতক তৃতীয় বৰ্ষত ভৰি দিলে। আৰু কেইমাহমানৰ পিছতেই এইখন মহাৱিদ্যালয়ৰ পৰা বিদায় লব লাগিব। মহাবিদ্যালয় এৰাৰ পাছতো সিহঁত দুয়োজনীৰ মাজৰ সম্বন্ধ শেষ হৈ যাব। শ্ৰেয়াই সকলো ভাবি ভাবি অস্থিৰ হৈ পৰিছে। আজি কেইদিনমানৰ পৰা মুনমুনৰ আচৰণে তাইক উদ্বিগ্ন কৰি তুলিছে। মুনমুনে কলেজৰ ক্লাছ নকৰি কোনো ল'ৰাৰ লগত চিনেমা হ'লত, পাৰ্কত বহি সময় পাৰ কৰি দিয়ে। মুনমুনৰ এনে আচৰণে শ্ৰেয়াক কবলৈ বাধ্য কৰালে। কিন্তু শ্ৰেয়াই এবাৰ নিজক ভাবি তাই বুজাবলৈ বাধ্য হ'ল। কাৰণ মুনমুনৰ মানত শ্ৰেয়া এজনী সাধাৰণ দুখীয়া ঘৰৰ ছোৱালী। তাই মুনমুনক বুজাবলৈ ধৰিলে, - চোৱা মুনমুন তুমি এনেকৈ ক্লাছ নকৰি ঘূৰি ফুৰিলে জানো হব। তুমি ঘৰৰ পৰা কলেজলৈ বুলি আহি কৰবাত ক্লাছ নকৰি আড্ডা মাৰি ঘূৰি ফুৰিছা। আগন্তুক পৰীক্ষাত তুমি কি লিখিবা। এয়া পঢ়াৰ সময়, পঢ়াৰ কথা, বাজে কথা বাদ দিয়া। শ্ৰেয়াই ভাবিলে সকলো ছোৱালী মুনমুনৰ দৰেই। কিন্তু তাই জানো এনে কৰিব পাৰিছে। যৌৱনৰ দুৱাৰদলিত ভৰি দিওঁতে প্ৰতিজনীৰ ছোৱালীৰে জীৱনলৈ হয়তু এনে ৰমনীয় অনুভূতি আহে। তাকে কিছুমানে গোলাপ ফুলবোৰৰ উজ্বলতা দেখি যি দৰে মোহনীয় হৈ পৰে ঠিক তেনেদৰে ইয়াক ৰংচঙীয়া বুলি ভাবি গ্ৰহণ কৰে আৰু কিছুমানে নকৰে।

পৰীক্ষাৰ ৰিজাল্টৰ পিছত শ্ৰেয়াই মুনমুনক একেবাৰে নেদেখা হ'ল। তাই আগতে ভবাৰ দৰেই হ'ল। কিন্তু শ্ৰেয়াই মুনমুনৰ বিষয়ে জানিবলৈ খুৱেই আগ্ৰহী আছিল। কিন্তু মুনমুন ৰিজাল্টৰ পাছতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উচ্চ শিক্ষাৰ বাবে পঢ়িবলৈ গ'ল। মুনমুনে কম নম্বৰ পাই পাছ কৰিছিল যদিও টকাৰ বলত তাই পঢ়িবলৈ গ'ল। কিন্তু শ্ৰেয়াই ফাৰ্ষ্ট ক্লাছ পাইও টকাৰ অভাৱত উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ ঘৰতে বহি থাকিব লগা হৈছে। কিন্তু তাই উচ্চ শিক্ষা লবৰ বাবে খুৱেই ইচ্ছা আছিল। মাক দেউতাকে তাইক আৰু পঢ়াব নোৱাৰিলে।

এদিন শ্ৰেয়া গৈছিল টাউন ফুৰিবলৈ, এনেতে গৈ থাকোতে এখন মাৰুতি গাড়ী আহি তাইৰ সন্মুখত ৰৈ গ'ল। হঠাৎ গাড়ীখন তাইৰ সন্মুখত ৰোৱাত শ্ৰেয়াৰ আতংকত বুকুখন থক্থক্কৈ কপিবলৈ ধৰিলে। তাই দেখিলে গাড়ীখনৰ দুৱাৰ খুলি এজনী শকত বগা শাৰী পৰিহিতা ছোৱালী নামি শ্ৰেয়াৰ ফালে আহিলে। ছোৱালীজনীয়ে শ্ৰেয়াক একো নোমাতি হাতত ধৰি নি গাড়ীত বহুৱাই লৈ গ'ল। শ্ৰেয়াৰ ভয়ত নাভীৰ স্পন্দন ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। তেতিয়ালৈকে সিঁহতৰ মাজত কোনো কথা বতৰা হোৱা নাছিল। গাড়ীখন এখন ৰেষ্টুৰেণ্টৰ পাৰ্কত ৰখাই দুয়ো ৰেষ্টুৰেণ্টত বহিল। তেতিয়া ছোৱালীজনীয়ে শ্ৰেয়াক অতীতৰ কলেজীয়া বান্ধৱী মুনমুন বুলি চিনাকী দিয়াত শ্ৰেয়াই তাইক ডিঙিত সাৱতি ধৰিলে আৰু শ্ৰেয়াৰ অশ্ৰু নিগৰিবলৈ ধৰিলে। দুয়ো দুয়োৰে বিষয়ে সুধিলে। মুনমুন এখন কলেজৰ অধ্যাপিকা বুলি জানি শ্ৰেয়াই আনন্দ পালে। আৰু সহজ সৰল শ্ৰেয়াৰ অৱস্থা দেখি মুনমুনৰ চকুৰে দুধাৰি অশ্ৰু বাগৰি আহিল। শেয়াই মুনমুনৰ দুচকুৰ অশ্ৰু মোহাৰি পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় দিলে।

# সম্পাদনা সমিতি



ড° লাবণ্য বুঢ়াগোঁহাই
অধ্যক্ষা



ড° হামিদুৰ ৰহমান
উপাধ্যক্ষ



ৰমেশ কাকতি
উপদেষ্টা



উপেন ডেকা
সম্পাদক



বাহাৰুল ইচলাম
উপদেষ্টা



লীলা বৰা
উপদেষ্টা



চালেমা বেগম
উপদেষ্টা



পদ্মাৱতী গোঁহাই
উপদেষ্টা



বিজু সোণোৱাল
উপদেষ্টা



যুগ্মজ্যোতি দত্ত
সদস্য



ৰিতুমনি গগৈ
সদস্যা



দীপজ্যোতি চাংমাই
সদস্য



মামু বৰা
সদস্যা



বিনী মহন্ত
সদস্যা



দিপাঞ্জলী গগৈ
সদস্যা



মিতালী বৰা
সদস্যা

## মহাবিদ্যালয়ৰ গৌৰৱ



শ্ৰীমতী ৰঞ্জনা দেৱী
উঃ মাঃ শিক্ষান্ত পৰীক্ষাত গৃহ বিজ্ঞান বিষয়ত
অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত



শ্ৰীমতী চুমী দত্ত
উঃ মাঃ শিক্ষান্ত পৰীক্ষাত সমাজ শাস্ত্ৰ বিষয়ত
অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত


## আলোক চিত্ৰত মহাবিদ্যালয়ৰ.......



শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰাৰ এটি বিশেষ মুহূৰ্ত্তত
মহাবিদ্যালয়ৰ অধ্যক্ষা
ডঃ লাৱণ্য বুঢ়াবুগোঁহাই



মহাবিদ্যালয়ত উদ্‌যাপন কৰা সৰস্বতী পূজাৰ
বাগ্‌দেৱীৰ প্ৰতিমা....



মহাবিদ্যালয়ৰ নৱ নিৰ্মিত গ্ৰন্থাগাৰ



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সমাজ সেৱা দলৰ সদস্যবৃন্দ



মহাবিদ্যালয়ৰ ৰ'ভাৰ এণ্ড ৰেঞ্জাৰ ইউনিটৰ সদস্য বৃন্দ




মহাবিদ্যালয়লৈ নাকৰ পৰ্যবেক্ষণ দলৰ আগমণৰ এক বিশেষ মুহূৰ্তত

# আলোক চিত্ৰত মহাবিদ্যালয় সপ্তাহ


মৌচুমী চাংমাই
১০০ মিঃ দৌৰত প্ৰথম


জয়ন্ত বৰা
১০০ মিঃ দৌৰত প্ৰথম


শিল্পী বৰা
২০০ মিঃ দৌৰত প্ৰথম


মৃদুল নাথ
৮০০ মিঃ দৌৰত প্ৰথম


স্বৰ্ণালী শইকীয়া
চৰ্তপুটত প্ৰথম স্থান


কানাই মুচাহাৰী
লং জাম্পত প্ৰথম স্থান


ৰণ্টু কোঁৱৰ
ডিচকাচ থ্ৰত প্ৰথম স্থান


জয়ন্ত কোঁৱৰ
চৰ্তপুট আৰু জেবলিং থ্ৰত
প্ৰথম স্থান


ৰশ্মিতা বৰা
জেবলিং থ্ৰত প্ৰথম স্থান


আৰতি বৰা
লং জাম্পত প্ৰথম স্থান


মামু বৰা
শ্ৰেষ্ঠ তাৰ্কিক


ৰাজু শইকীয়া
শ্ৰেষ্ঠ সমাজ সেৱক


মুনিন্দ্ৰ শইকীয়া
বৰ্ষ শ্ৰেষ্ঠ খেলুৱৈ


সমীৰণ বৰুৱা
ডবাত প্ৰথম স্থান


জিন্টু দাস
কেৰেমত প্ৰথম স্থান


জিণ্টু দাস
আৰ.চি. চেভেনৰ আন্তঃ
মহাবিদ্যালয় কেৰেম
প্ৰতিযোগিতাৰ চেম্পিয়ন


সমীৰণ বৰুৱা আৰু দীপজ্যোতি চাংমাই
কেৰেম প্ৰতিযোগিতাৰ ডাবলছ শাখাত চেম্পিয়ন


ৰুমী দত্ত
৪০০ আৰু ৮০০ মিঃ
দৌৰত প্ৰথম স্থান



লীলা বৰা
সদ্য অঃ প্ৰাপ্ত অধ্যাপক, অসমীয়া বিভাগ



ড° এলিচ বেগ
সদ্য অঃ প্ৰাপ্ত অধ্যাপিকা, বুৰঞ্জী বিভাগ

## আলোক চিত্ৰত মহাবিদ্যালয় সপ্তাহ (সাংস্কৃতিক বিভাগ)



তপন খাটনিয়াৰ
বছৰৰ শ্ৰেষ্ঠ বাদক (পেঁপা, খোল)



পৰিস্মিতা শৰ্মা
বছৰৰ শ্ৰেষ্ঠা গায়িকা



দিগন্ত দত্ত
বছৰৰ শ্ৰেষ্ঠ বিহুৱা ও ঢুলীয়া



ৰাজু শইকীয়া
ভেশচন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ



ৰাজীৱ কলিতা
বছৰৰ শ্ৰেষ্ঠ মুকাভিনেতা



প্ৰণৱ গোস্বামী
পাৰ্বতী প্ৰসাদৰ গীতত প্ৰথম



জিন্টু দাস
বিহু গীতত শ্ৰেষ্ঠ প্ৰতিযোগী



# কবিতা

# কবিতাৰ কথাৰে

- কৈলাশ ন
স্নাতক তৃতীয়

তুমি বাৰু জানানে
প্ৰেমৰো আছে এটা দুৰ্বল দিশ
কলিজাত সাৰে থাকে সদায়
অকণমান বিষ
যেন........
মৃত্যু সদৃশ।
নুসুধিবা মোক মই কেনেদৰে জীয়াই আছো ?
মাথো জানি থোৱা মই জীয়াই আছো।
কেতিয়াবা হিচাপ কৰো তোমাৰ আৰু
মোৰ মাজৰ দূৰত্ব কিমান........?
তুমি সংগোপনে আঁতৰি গ'লা মোৰ
ওচৰৰ পৰা দূৰলৈ...........
বহু দূৰলৈ ,আৰু মই পৰি ৰ'লো
শামুকৰ খোলাৰ দৰে।
তোমাৰ স্মৃতিয়ে মোক
আজিও আমনি কৰে
ভূল হলেও সুধিছো
তুমি কেনে আছা?
ভালে আছা? ভালে থাকা
এয়ে মোৰ হৃদয়ৰ প্ৰাৰ্থনা।
তোমাৰ বাতৰি লওঁ
কিজানিবা ময়ো সোমাই আঁছো।
তাৰেই মাজত
তোমাৰ প্ৰতিটো সুখৰ মুহূৰ্ত্ত
মোৰ সুখৰ লগৰী হয়।
তোমাৰ দুখৰ খবৰে
হৃদয় আঁজুৰি ভাঙে।
বুজিবানে তুমি?
বুজা বা নুবুজা তোমাৰ
বুকুৰ কোণত
মোলৈ ঠাই একন থ'বা।







# দুখ

দিপালী ৰাজকোঁৱৰ
প্ৰাক্তন ছাত্ৰী



দুখ, তুমি যে মহান
বহু শক্তিমান, বহু বলবান
লগাব পাৰা মানুহৰ হাহাকাৰ
কৰিব পাৰা মানুহক বলিয়া।
তোমাৰ জ্বলা সহিব নোৱাৰি
কোনোৱে কৰে প্ৰাণত্যাগ।
দুখ তুমি দুখিয়াৰ পৰম শত্ৰু
দুখিয়াৰ কাষ তুমি
এৰিব নোখোজা কোনোকালে
তোমাৰ প্ৰৱল হেঁচা সহিব নোৱাৰি
কোনোৱে কৰিব পাৰে বিশাল সৃষ্টি
সেয়ে তেতিয়া তুমি হৈ পৰা মহিয়ান
সঁচাই তুমি মহিয়ান
তুমি কৰিব নোৱাৰানো কি কাম ?
তুমি কাৰোবাৰৰ বুকুত জ্বলোৱা জুই
আৰু কাৰোবাৰ চকুত সিঁচা ফুল
দুখ তুমি কাৰোবাৰ চকুলৈ
কঢ়িয়াই আনা হাজাৰ তৰাৰ চিকমিকনি
আৰু কাৰোবাৰ চকুলৈ বোৱাই আনা বাৰিষাৰ
বানৰ প্ৰৱল ঢল।
দুখ তুমি যে মহান,
তুমি বহু শক্তিমান বহু বলবান...... ।

# চুইংগাম

- সমীৰণ বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

দোকানৰ পৰা তোমাক কিনি
আমি নিৰ্লজতাৰে নাঙঠ কৰি
মুখত ভঁৰাও,
অবাধ্য দাঁত কেইটাই
তোমাক ধৰ্ষণ কৰে নিসংকোচে
ইয়াক দেখি জিভাখন হৈ পৰে
চঞ্চল।
তুমি পলাব খুজিলেও তোমাক ধৰি আনি
জিভাই আকৌ এৰি দিয়ে
দাঁতবোৰৰ মাজত।
নিঃসহায়, অসহায় তুমি অৱশেষত পৰি ৰোৱা
নিস্তেজ হৈ।
সকলো ৰস আস্বাদনৰ পাছত
তোমাৰ শৰীৰ পেলাই দিও ডাষ্টবিনলৈ
য'ত তোমাৰ অৱশিষ্ট শক্তিকণৰো
অন্ত হয়।







# স-হৃদয়তাৰ ঠিকনা বিচাৰি

- মানস প্ৰতীম দাস
স্নাতক দ্বিতীয় বৰ্ষ

হৃদয়, অশান্ত বতাহজাক
উমি উমি জ্বলিছে,
বাৰুদৰ নিচানৰ দৰে
শব্দ কৰি হাঁহিছে..........
মোৰ পৰাজয়ত
নিশ্চিত নিৰাপত্তাৰ অৰ্থত
স্বাৰ্থৰ বোকাৰ তুমুৰলিত
জিকাৰি জিকাৰি কঁপি উঠিছে বুকুখন......
মোৰ পৰাজয়ৰ আঁৰত
কাৰোবাৰ অট্টহাস্য.....?
চাবুকৰ আঘাত
বাৰে বাৰে উচুপি উঠিছো
ভাৱনাৰ জ্ঞাত মনত
নিসংগ মাথোন মই সঁচাকৈয়ে বৰ নিসংগ.....
তোমালোকে কিয় হাঁহিছা?
মোক কিছু স-হৃদয়তাৰ প্ৰয়োজন
নহলে যে তেজেৰে তুমুৰালি হোৱা
হৃদয়ৰ স্কেচ্খন
পৰি ৰ'ব এচুকত
আশ্ৰয়বিহীন হৈ......
স্বাধীনতাৰ বিনিময়ত????
সঁচাকৈয়ে এজাক বন্ধ বতাহৰ মাজত
আৱদ্ধ মোৰ সত্বা আৰু
মুক্তি বৰ প্ৰয়োজন মোৰ
অ' বৰ প্ৰয়োজন।





# স্বাধীনতা

মৌচুমী শইকী
উঃ মাঃ দ্বিতীয় ব

মৰিলেও মৰিম, তৰিলেও তৰিম
লাগে মাথো স্বাধীনতা।
সোণালী অসম লাগে, লাগে স্বাধীনতা
স্বাধীনতাৰ মৃত্যু হ'ল
নিৰপৰাধী শাৰীৰ আঁচলেৰে মচে
সহস্ৰ জনৰ অশ্ৰুৰ বন্যা
হিংসা, হত্যা, ধৰ্ষণেৰে
স্বাধীনতাৰ সপোন ৰচনা কৰে
লাগে মাথো স্বাধীনতা।
ভয় আৰু ত্ৰাসত পৃথিৱী কম্পমান
চাৰিওফালে ত্ৰাসৰ জুই
তই প্ৰকৃত স্বাধীনতাৰ মন্ত্ৰেৰে
নুমুৱাব লাগিব এই জুই
তাৰ বাবেই লাগিব স্বাধীনতা
মানৱতা প্ৰকৃত স্বাধীনতা।

# কৰ্ত্তব্য

প্ৰফুল্ল চন্দ্ৰ হাজৰিকা
চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী

দীপ্তিৰ পাৰিজাত নুফুলে সদায়
কৰণীয় নিতে ৰাখিবা ৰজায়।
সময় বোৱতি নৈ উটি ভাঁহি যায়
অমূল্য ৰতন ইটো নাহিব দুনাই।

নিজৰ নৈতিক কৰ্ম যি নকৰে সদায়,
তাৰ সৌভাগ্য অস্নিলৈ মাগিব বিদায়।

তাকে জানি প্ৰাণ টাকি
জ্যোতিষ্মান হোৱা;
তৰুণ বিদ্যাৰ্থী তুমি
অৰুণজ্যোতি হোৱা।





# স্মৃতি

কল্পনা গগৈ
মূৰবী প্ৰবক্তা সমাজশাস্ত্ৰ বিভাগ



নামেই যাৰ কল্পনা
হাঁহি থকা মিঠা কল্পনাবোৰে
দিলেহি মাথো বেদনা
ক'ত হেপাহৰে ক'ত আশাৰে
তুলিলো যতন কৰি
মৰমতে নাম দিলো সোণকন বুলি।
জীৱনৰ ওঠৰটা বসন্তত ভৰি দিওঁতেই
নিষ্ঠুৰ ধুমুহাই নিলেহি সকলো উভতাই
মনৰ আশা মনত বান্ধি
আধৰুৱাতে কলৈ গ'লা
তোমাৰ শোকতে দেউতাৰাইও ঠাই
ল'লে তোমাৰ কাষতে;
যাদৱ, যদু, নন্দন এৰি থৈ গ'লা!
ক'ত আছা তোমালোক
কলৈ গ'লা?
দুয়ো যেন সুখী হৈ থাকা
আকাশে বতাহে বিছাৰি
আজি মই বৰ ব্যাকুল
কি কৰো, কলৈ যাওঁ
ক'ত পাম তোমালোকক
চাৰিওফালে উচ্ছন্ন জীৱন
হৃদয়ত উচুপনি
উজাগৰে কটাও বহু ৰাতি,
জয়াল ৰাতি ভয়াল দিনবোৰ
নেযায় নুপুৰাই।
আহিবানে ঘূৰি পিতাপুত্ৰ দুয়ো
এয়া মোৰ হৃদয়ৰ আকুল আহ্বান

গ'লানে পাহৰি মোৰ
অতীতৰ বহু মধুৰ স্মৃতি
থাকা য'তে সুখ পোৱা
দিবা মাথো আশীৰ্বাদ দূৰৰ পৰা
নপৰে কাণত, নালাগে শুনিব
হৃদয়ৰ অব্যক্ত বেদনা
এয়া যেন প্ৰভুৰেই লীলা
নাকান্দো হিয়া ধুনি ধুনি
নোদেখো তোমালোকক
নকৰো আমনি, নালাগে আহিব।
হৃদয় ৰাজ্যত মোৰ নোৱাৰা হেৰাব।
বেদনাত নিৰ্যাতিত অস্থিৰ মনে
আজি সুখী হ'ব মৃত্যুৰ প্ৰতীক্ষাত।



# অব্যক্ত বেদনা

- মিতালী বৰা
স্নাতক তৃতীয় বৰ্ষ

তোমাৰ দুচকুত আছে অজস্ৰ ভাষা,
তোমাৰ হৃদয়ত আছে সহস্ৰ আশা।
নীলাভ আকাশ চাগে অন্ধকাৰ ডাৱৰে
উক্-মুকনি লাগিছে মনত।
সূৰ্যৰ কিৰণ চাটি আহিব খুজিছে ফালি
অমানিশা অন্ধকাৰ ৰাতি,
বিপ্লৱ কৰিব খোজে দিবাকৰ কিৰণে
বিদ্ৰূপ কৰি হাঁহে অন্ধকাৰ ডাৱৰে
ইতিকিং কৰিব খোজে কাক?
কি আচৰিত................
মোকেই বিদ্ৰূপ কৰি হাঁহি
মোকেই ইতিকিং কৰি -
ঢাকি ৰাখিব খোজে মোৰ অন্তৰৰ দুৱাৰ।
অন্ধকাৰ অমানিশা গভীৰ নিদ্ৰাত মগ্ন
জননীৰ অব্যক্ত বেদনা
অশ্ৰুহে ব্যক্ত কৰে শয়ন দলিচাত।

# অতীতৰ স্মৃতি

- মধুস্মিতা দাস
উঃ মাঃ প্ৰথম বৰ্ষ

জীৱনৰ একা বেঁকা
কাঁইটীয়া বাটত,
তোমাক লগ পাইছিলো
এটি মধুৰ ক্ষণত।
বহু আশা বুকুত বান্ধি
হৃদয়ৰ পৰশ সানি,
তোমাকেই ভাবিছিলো এটি
সুন্দৰ ফুলৰ পুলি বুলি।
মই ভাবিছিলো,
সেই ফুলৰ পুলিটো এৰি,
এদিনো মই জীয়াই
থাকিবই নোৱাৰিম।
কিন্তু ক'তা মই
পাৰিছো দেখোন
সেই ফুলৰ পুলিটোৰ
কাষত নথকাকৈ।
আৰু তুমিও পাৰিছা
মোৰ কাষত নথকাকৈ।
মাথো মই জানো,
স্মৃতি মানেই অতীত।
আৰু জানো অতীতৰ
স্মৃতি জীয়াই ৰখাটো।





# অপেক্ষা

পল্লৱী দত্ত
স্নাতক দ্বিতীয় বৰ্ষ



অপেক্ষাৰ ৰাতিবোৰ বৰ বিশাল
কিন্তু তোমাৰ ভাষাৰ দৰে নহয়।
অপেক্ষাৰ ৰাতিবোৰে কেতিয়াবা হুহুঁৱাই
কেতিয়াবা কন্দুৱাই
আকৌ কেতিয়াবা সাঁকিয়াই দিয়ে
আহি থকা দিন বোৰলৈ।
মই বহি থাকো
নিৰৱে, নিৰৱে মোৰ শোৱনী কোঠাৰ
কোনোবা এটা চিনাকী কোণত,
মাথো অপেক্ষা কৰো
তোমাৰ বাবে।
মোৰ কোঠাৰ মমৰ পোহৰে
অস্থিৰ কৰি তোলে মোক, শৰীৰৰ
প্ৰতিটো ভাজতে ভাগৰে বাহ সাজে,
টোপনিয়ে বিচনাখন বিচাৰি হাহাকাৰ লগায়,
টেবুলৰ কিতাপ কলমবোৰে মোক ৰিঙিয়াই মাতে
এক সুন্দৰ ভৱিষ্যত গঢ়াৰ লক্ষ্যৰে
ঘড়ীটোৰ কাঁটাডালৰ টিক টিক
শব্দটোৱে মোৰ শৰীৰৰ প্ৰতিটো কোণতে
জগাই তোলে এক শিহৰণ
তেতিয়া মই উল্লাসেৰে অপেক্ষা কৰো
মিলনৰ সেই মধুৰ ক্ষণটিলৈ।

# স্বাধীন ভাৰতত আজি

-ভাৰতী ব
প্ৰাক্তন ছা

একবিংশ শতিকাৰ আৰম্ভণিৰ লগে লগে
সপোন দেখিছিলো মই
ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলি',
ডান্টেৰ 'ডিভাইন কমেডি' ৰচাৰ
নাইবা সাহিত্যত নোবেল বঁটা পোৱাৰ
মোৰ মা-দেউতাই তেতিয়া
প্ৰলয়ংকাৰী বানৰ লগত
জীয়াই থকাৰ অংগীকাৰ কৰাৰ উপৰিও
ধেমাজীৰ বিস্ফোৰণ স্থলীত
যোৱাবছৰৰ স্বাধীনতা দিৱসত বৰ্বৰতাৰ বলি হোৱা
মোৰ ভাই ভনীৰ -
অৱশিষ্ট হাড়-মূৰ বিচাৰি চলাথ কৰিছিল।
ধ্বংস যজ্ঞৰ সৃষ্টিকৰ্তা পশুহঁতে
মৃত্যুক টকাৰে জুখিব খোজা
চৰকাৰৰ প্ৰভুহঁতে তেতিয়া
নিৰীক্ষণ কৰিছিল দূৰে দূৰে
তেজৰ বন্যাৰ গভীৰতা।
যি সময়ত বানত গৃহহাৰা মোৰ ভায়ে
মুক্ত আকাশ আৰু ব্যস্ত পথত
ছালৰ মাজত হাড় লৈ
চহৰৰ দামী কুকুৰৰ লগত
ডাষ্টবিনৰ এমুঠি ভাত আৰু এটুকুৰা ৰুটিৰ বাবে
যুঁজ কৰিছিল
দেশপ্ৰেমী প্ৰভুহঁতে তেতিয়া -
বিদেশী মদ আৰু মাংসৰ ৰাগিৰে
চহৰৰ দামী বেশ্যালয়ত
দৰিদ্ৰ সাহাৰ্যৰ শৰাধ পাতিছিল।
নিৰাপত্তাৰ নামত সেনাৰ হাততে
সতীত্ব হেৰুৱাই মোৰ বায়ে
গণিকালয়তে টোপনি যায়
কিন্তু
সপোন নেদেখে বন্দীত্ব চিঙি
হাতত অস্ত্ৰ তুলি লোৱাৰ।
এমুঠি অন্ন এডুখৰি কাপোৰ, এখনি আশ্ৰ
আৰু অলপ নিৰাপত্তাৰ নামত
কাহানিও সিহঁতে আন্দোলন কৰা নাই
হয়তো সিহঁতে পাহৰিলে
সিহঁতৰ মৌলিক অধিকাৰ
গান্ধী, নেহৰুৰ গণতান্ত্ৰিক সমাজৰ
সভ্য নাগৰিক বাবেই
স্বাধীনতাৰ সাতৱন্নটা বছৰেও তলাব পৰা না
সিহঁতৰ জীয়াই থকাৰ স্বাধীনতাক,
কালিলৈ আঠাৱন্নতম পোন্ধৰ আগষ্ট
সিহঁতেই চিঞৰিব
স্বাধীন ভাৰত দীৰ্ঘজীৱী হওঁক
দীৰ্ঘজীৱী হওঁক।





# অপেক্ষা

- ৰিঞ্জুমনী দত্ত
স্নাতক দ্বিতীয় বৰ্ষ

বহু উন্মুক্ত নিশা
পাৰ হৈ গ'ল
তোমাৰ অপেক্ষাত।
প্ৰতিটো নিশাতে
কোনোবাই কৈ যায়
তুমি হেৰুৱাৰ বাতৰি
দুখন হিয়াৰ অবুজ ভাষাবোৰ
মিলি গ'ল ধূলিৰ লগত
যেতিয়াই তোমালৈ
বাট চাওঁ উজাগৰী নিশা
তেতিয়াই কোনোবাই স্বপ্নত
মাথো কৈ যায়
দূৰৈৰ বনত হেৰাল
স্বপ্নৰ মুকুতা।
অসহ্য হৈ যায় হৃদয়ৰ ভাষাবোৰ
তথাপি বহু আশাৰেই
মই জীয়াই আছো
তুমি অহাৰ অপেক্ষাত
তুমি আকৌ আহিবানে?
মোৰ কাষত বহি
আমাৰ অম্লান হৃদয়ৰ
কথা পাতিবলৈ
আজি তোমাৰ বাবেই, তোমাৰ অপেক্ষাত
মোৰ হৃদয়ত তোমাৰ প্ৰতিচ্ছবি লৈ
বাৰে বাৰে তুমি অহালৈ
অপেক্ষা কৰিছো।
মৃত্যুত যদি সঁচাই মিলন আছে
তেন্তে মোৰ বাবে তুমি
অপেক্ষা কৰিবা
নীলিমৰ অদূৰ স্থানত।




# নিয়ৰ সিক্ত শেৱালী পাহ

বাবৰি মহন্ত
স্নাতক প্ৰথম বৰ্ষ

পোহৰে যেতিয়া মোক
হাত বাউল দি
ৰিঙিয়াই মাতে
তলসৰা শেৱালীৰ সৈতে
নিসংগতাৰ সেউজীয়া
পোচাক পিন্ধি মই
তোমাৰ অপেক্ষাত থাকো।
তুমি উলটি অহাৰ বাতৰি পালে
মোৰ বিষন্ন আবেলিবোৰ
সপ্তৰঙী ৰামধেনুৰ ৰঙীন স্বপ্নৰে
উপচি পৰে।
আত্ম অহংকাৰতে হয়তো এদিন মই
নিজক পাহৰি পেলাইছিলো,
ময়ো যে তেজ মঙহেৰে গঢ়া
ষোড়শী গাভৰু।
কিন্তু ... কিয় জানো অতীতৰ
সেই ৰঙীন মূহুৰ্ত্তবোৰ
আজি যেন মোৰ বুকুৰ কুটুম।
ই যেন মোৰ বৰ আপোন।
কুলিৰ মাত শুনিবলৈ নাপালে
মই যেন উন্মাদিনী হৈ পৰো
তুমি জানো জানা
কিমান দিন পাৰ কৰিছো
উজাগৰী নিশা???
ক'ত পাম তোমাৰ সঠিক ঠিকনা
আঁত হেৰাই যোৱা
তুমি বিহীন জীৱনটোৰ
চাৰিওফালে এতিয়া মাথো
শূণ্যতাই বিৰাজমান,
মাথো....শূণ্যতা।।।।

# প্ৰতীক্ষা

দিপাঞ্জলী গ
স্নাতক তৃতীয় ব



ফাগুণৰ পচোৱাৰ মৃদু লহৰত,
মই ৰৈ আছো তোমাৰ বাবে,
তুমি আহিবা, মই আগুৱাই যাম
আনিম তোমাক আগুৱাই।
ফাগুণৰ বতাহত সৰি যোৱা পাতবোৰ
মই সাৰিছো, পুনৰ সাৰিছো, সাৰিছো বাৰে বাৰে
মানুহৰ মাতত মুৰ তুলি চাইছো পদূলিলৈ
কিজানি তুমি আহিছা।
নাই তুমি নাহিলা!
বেলি মাৰ গ'ল,
ক'তা তুমি দেখোন নাপালাহি!
তথাপি মই আশা এৰা নাই,
মই ৰৈ আছো তোমাৰ প্ৰতীক্ষাত
প্ৰতীক্ষাৰ মাদকতাই হয়তো সুকীয়া
কিয়নো প্ৰতীক্ষাৰ আঁৰত লুকাই আছে
তোমাক পোৱাৰ আকুল হেপাঁহ
তুমিতো নাজানা এই প্ৰতীক্ষাৰ মাদকতা কিমান মধুৰ



# শ্বাসৰুদ্ধ

শ্ৰী ৰাজীৱ কলিতা
উঃ মাঃ দ্বিতীয় বৰ্ষ

ভাৰতবৰ্ষৰ ৫৮তম
স্বাধীনতা দিৱসত....
নিষ্পাপ শিশুৰ তেজেৰে
ৰাঙলি হ'ল অসম।
মহিলাৰ ৰক্তৰেও ৰঞ্জিত
কৰিলে এই অসমৰ
গৌৰৱমণ্ডিত ইতিহাস।
স্বাভাৱিকতেই সৃষ্টি হৈছে
প্ৰচণ্ড ক্ষোভ অসন্তুষ্টিৰ।
অসমৰ সকলো লোকেই
হৈ পৰিছে ব্যাপ্ত
বেদনা দগ্ধ হৃদয়ৰ
কৰুণ চিএৰ, ক্ৰন্দন
এই পৈশাচিক কাণ্ডত
সহৃদয় ব্যক্তিয়ে কান্দিছে
মাথো চিএৰি চিএৰি
জৰ্জৰিত কৰি তুলিছে
অসমৰ কেউদিশ
হঠাৎ স্মৃতি হৈ ৰ'ল
এই পৰিবেশ

# স্বাধীনতা

- উপেন ডেকা



বেলিটো ঢাকি দিওঁ নেকি?
মোৰ স্বাধীন অস্ত্ৰেৰে
আন্ধাৰৰ হাড়ত গজা দুবৰি বন
আখলৰ আৰৈ চাউলৰ লগত
তুলসীৰ আগ এটা দি
উমানতে ধুব পাবোঁ
তেজৰ ডোঙাত স্বাধীনতাৰ তাবিজ।

মানৱতাৰ হাড় চোবাই
কুৰুক কুৰুক শব্দ কৰি
গুৰি দাঁতত পেলাই চোবোৱা
স্বাধীনতাৰ সোৱাদেই বেলেগ।

জোনাকী পোহৰত জুম বান্ধি বান্ধি
কাৰ সীমাত কি আছে
কাৰ গাত কিমান তেজ
কাৰ গাত কিমান হাড়
তাৰেই তালিকা বনোৱা
মই স্বাধীনতাৰ পোক।

কেঁহাই কুমলিয়াই
মহতিয়াই নি
সন্ত্ৰাসৰ গড় বান্ধি
উগাৰ মাৰো তৃপ্তিৰ চৰম স্বাধীনতা।

মাছৰ তেলেৰে মাছ ভজা
মই স্বাধীনতাৰ পোক।
মৰাৰ আগতে মাৰিব লাগিব
স্বাধীনতাৰ অগ্ৰিম সংকল্প!
নহ'লে নো স্বাধীনতাৰ
প্ৰয়োজন ক'ত??

ভিন্ন চৰা

# মামনি ৰয়চম গোস্বামীৰ সৈতে এপলক



*১/ আপুনি সাহিত্য চৰ্চা কেতিয়াৰ পৰা আৰম্ভ কৰিছিল?*

- এনেই মই কিন্তু ইংৰাজী স্কুলতে সৰহভাগ সময় পাৰ কৰিছিলো। লটাশিলটো এদিন দুদিনমান পঢ়িছিলো। মই কিন্তু সেইসময়ত অসমীয়া একেবাৰে নাজানিছিলো। শিক্ষক সকলো ইউৰোপীয়ান আছিল। গতিকে অসমীয়া ভাষাৰ লগত সুদীৰ্ঘ কাল কোনো সম্বন্ধ নাছিল। ঘৰত কিন্তু অসমীয়াৰ যিটো পৰিৱেশ আছিল সেইটো খুউব একাডেমিক আছিল। দেউতাৰ মতে টেবুলত বহিব লাগিব আৰু পঢ়িব লাগিব। সময় পালেই কিন্তু শংকৰদেৱৰ কথা, বাহিৰা কথা দেউতাই কৈছিল। আনকি তাত ইংৰাজী পঢ়ি থাকোতে এটা বাইবেলৰ ক্লাচ আছিল। সেইসময়ৰ ক্লাচটোৰ পৰা হিন্দু আৰু মুছলমান সকলৰ মাজত পৰীক্ষা লোৱা হৈছিল। দেউতাই মোক কৈছিল তুমি বাইবেলৰ ক্লাচটো কৰা আৰু মই যেতিয়া ক্লাচটো কৰিছিলো আৰু পৰীক্ষাত বহুত নম্বৰো পাইছিলো। সেই সময়ত মই বাইবেলৰ প্ৰতি ইমানেই আকৃষ্ট হৈছিলো যে, মই ভাবিছিলো আৰু এনে লাগিছিল যে মই এতিয়া খ্ৰীষ্টিয়ানেই হৈ যাম। সেই সময়ত বলি বিধান দিয়া দেখিছিলো। যদিও আমি দামোদৰিয়া পণ্ডিত বুলি কয় যদিও আমি তিনিসত্ৰীয়া গোঁসাইৰ শিষ্যহে। দামোদৰীয়া বুলি কলেও কামাখ্যা আমাৰ দেৱী ; তাতো পুজা হয়। দামোদৰ দেৱে কৈছিল, "যদি বলি দিয়া হয়, তেতিয়া মোৰ ডিঙিটোহে আগত পৰিব।" বলি বিধানৰ মই যি পয়োভৰ দেখিলো তেতিয়া ইয়াতকৈ Chirstৰ প্ৰতিহে বেছি আকৃষ্ট হৈছিলো। তেতিয়া দেউতাই মোক কৈছিল যে, এতিয়াই তুমি খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰিব নোৱাৰা। তোমাৰ একো জ্ঞান নাইকিয়া তুমি সৰু ছোৱালী এঘাৰ বছৰ পাৰ হৈ বাৰ বছৰত সোমাইছেহে। তাৰ পিছত যি নহওঁক মেট্ৰিক দিব লাগিব। ১৯৫৭-৫৮ত মেট্ৰিক দিছিলো। মোৰ দেউতা আছিলDirector of the Public Instruction তেওঁৰ দৰে চোকা মানুহ কোনোৱেই নাছিল। তেওঁ জীৱন কালতে ১৭ টা Gold Medal পাইছিল। তেওঁ কলকতা ইউনিভাৰ্চিটিৰ সকলো ৰেকৰ্ড ভংগ কৰিছিল। দেউতাৰ নাম উমাকান্ত গোস্বামী। ইয়াৰ উপৰিও চাইমন কমিচন অসমৰ কাৰনেও ৰিপ্ৰেজেন্ট কৰিছিল। গতিকে তেনেকুৱা পৰিৱেশৰ বাবে আমাৰ পৰিয়ালটো সাহিত্যৰ প্ৰতি যথেষ্ট আকৃষ্ট আছিল। আমাৰ গাঁওৰ ঘৰ য'ত সত্ৰ আছিল। দক্ষিণ কামৰূপ। সেইখন সত্ৰতে মই সৰুতে বৰ মচগোল আছিলো। তাতকৈ ভাল আৰু মোক জীৱনত একো নালাগে। যিয়েই নহওঁক কিতাপবোৰ ঠাহ খাই আছিল। শৰৎচন্দ্ৰ, বংকিমচন্দ্ৰ আদিৰ। আৰু সেই কিতাপবোৰৰ প্ৰতিপাল খুড়াই কৰিছিল। খুড়াই মোক বৰ জোৰ দিলে যে স্কুলত পঢ়িবই লাগিব। শৰৎচন্দ্ৰৰ বিৰাজবোৰ পঢ়িবই লাগিব। মোৰ এতিয়াও মনত পৰে খুড়াই শৰৎচন্দ্ৰৰ বিৰাজবোৰ

পঢ়ি বৰ চকুপানী টুকিছিল। সেই সময়ত মই অসমীয়াটো দূৰৰে কথা বঙালীয়েই নাজানিছিলো। গুৱাহাটীলৈ অহাৰ পাছত কীৰ্তিনাথ হাজৰিকাই মোক অসমীয়া শিকালে। তেখেত আমাৰ ঘৰৰ সন্মুখতে আছিল। তেখেতক দেউতাই কলে যে, মোৰ ছোৱালীজনীয়ে অসমীয়া একেবাৰে নাজানে, অলপ শিকাই দিয়কচোন। তেতিয়া তেখেতে মোক অসমীয়া শিকালে। তেখেতে পঢ়োৱাৰ আগতে মই লটাশিলতে পঢ়ি অ, আ, ক, খ কেইটা জানিছিলো। তেখেতে মোক এনেদৰে শিকালে যে, তেখেতৰ তত্বাৱধানত মই লাহে লাহে অসমীয়া বৰ ধুনীয়াকৈ আয়ত্ব কৰিব পৰা হলো। ক্লাচ চেভেনৰ পৰাই মই লিখা আৰম্ভ কৰিলো। এদিন তেখেতে মোক ক'লে যে, তুমি গল্প এটা লিখাচোন । তেতিয়া মই এটা গল্প লিখিলো মোৰ সম্ভৱ মই লিখা প্ৰথম গল্পটো আছিল মই সৰুতে খেলা হাতীটোৰ কথা। আমাৰ এটা হাতী আছিল। সৰুতে মই সিঁহতৰ লগতে খেলাধূলা কৰিছিলো। কিন্তু আমাৰ আৰু বহুতো হাতী আছিল। সেই সময়ত কিন্তু মই এই হাতীটোকহে বৰ বেছি Importance দিছিলো। সেইসময়ত ৰাস্তা পধূলি ইমান ভাল নাছিল। যিকোনো বস্তু হাতীয়েই টানি নিছিল। পিছত হাতীটোৰ বিষয়ে মই লিখিছিলো ; হাতীটোৰ প্ৰতি মোৰ কি টান। হাতীটোৱে মানুহ মাৰিলে তেতিয়া গৰমেন্টৰ গোচৰ অনুসৰি তাক গুলিয়াই মাৰিব লগা হ'ল। সেইদিনটোৰ কথা মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰো। তাৰ প্ৰতি মোৰ অন্তৰত এটা বুজাব নোৱাৰা মৰম সোমাই আছিল। মই মানে I am a great animal lover আপুনি জানে "চিন্তা মস্তত" লিখিছো মই গোটেই কদুৰ বাহত সুমাই পৰিছিলো। সেই গল্পটো মোৰ প্ৰথম আছিল সম্ভৱ I am sure তাৰ আগতে মোক তেওঁ অনুবাদ কৰিবলৈ শিকাইছিল। তেখেত নহলে মোৰ হয়তু অসমীয়া শিকাই নহ'লহেতেঁন। তেখেতৰ প্ৰতি মোৰ অত্যন্ত শ্ৰদ্ধা উপজে, কাৰণ তেখেতেই মোৰ জীৱন গঢ়াত আগভাগ লৈছিল। ইয়াৰ পিছতে মই সুঁৱৰিব লাগিব বসন্ত বৰুৱা চাৰক। চাৰ আমাৰ ওচৰ চুবুৰীয়া আছিল আৰু তেওঁ এজন প্ৰফেচাৰো আছিল। তাৰ পিছতে মই মোৰ খুড়া এজনৰ কথাও ক'ব লাগিব। মই অংকত বৰ বেয়া আছিলো যদিও খুড়াই অংক শিকোৱাৰ পিছত অংক ভালদৰে পৰা হ'লো। তেওঁলোকে এনেদৰে তৈয়াৰ কৰিছিল যে ইয়াৰ পাছত মই খুউব ভালদৰেই পাছ কৰিলো। এই কেইজন মানুহৰ সান্নিধ্য মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰো। ইয়াৰ পিছত মই পি.এইছ.ডি লৈকে উভতি চাব লগীয়া হোৱা নাই। মই সপ্তমমানত পঢ়ি থকা অৱস্থাতে মোৰ গল্প কাকতত প্ৰকাশ পাইছিল। ইয়াৰ পৰা মই যথেষ্ট উৎসাহিত হৈছিলো। সেইকাৰণে মই কওঁ যে, মানুহক উৎসাহিত কৰিব। এই কথাটো প্ৰত্যেকজন শিক্ষকেও জানিব লাগিব। অসমবাণীত মোৰ বহুতো গল্প প্ৰকাশ পাইছে। মোৰ আজিলৈকে লিখা উপন্যাস বোৰৰ ক'তো আপুনি এনে নেদেখিব য'ত মই বাস কৰা আৰবান সমাজখনৰ কথা উল্লেখ কৰিছো। কাৰ মোৰ এইবোৰ পছন্দই নহয়। বহুতো গল্প ওলাই গ'ল, কিতাপ ওলা গ'ল, ছাত্ৰী অৱস্থাতে "কন্যা" নামৰ ওলায় গ'ল। যেতিয়া মো বিয়া হ'ল আৰু মই কাশ্মীৰলৈ গ'লো তেতিয়া তাৰ প্ৰথম উপন্যা খন হ'ল "My Dear Great Labourer" এই লেবাৰ বোৰ জীৱন বৰ যন্ত্ৰনাময় আছিল। মোৰ হাজবেণ্ডয়ে কৈছিল তুমি এইবোৰৰ কথা লিখিলে বৰ নতুন কথা হ'ব। মানৱতাবাদী সাহিত্যিক হিচাবে You have to write তেখেতে অনুপ্ৰেৰণা যোগাইছিল। তেখেতে মোক এটা Duplicator ৰো আনি দিছিল। এই বিষয় কিতাপ লিখিবলৈ আৰ্হি হিচাবে। মই য'লৈকে যাব খুজিছিলো তেখেতে মোক লৈ গৈছিল। তাত লিখা মোৰ উপন্যাস খনত সেই লেবাৰ সকলৰ ইউনিয়ন নোহোৱাৰ ফলত কেনে ব্যৱহাৰ কৰা হৈছিল আৰু তেওঁলোকৰ সামাজিক আৰু আৰ্থসামজিক দিশটোৰ এখ স্পষ্ট ছবি ফুটাই তুলিবলৈ সক্ষম হৈছিলো। য'ত এদিন কা নকৰিলেই লেবাৰ সকলক চাকৰিৰ পৰা খেদি দিয়াৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। মই কাশ্মীৰত থকাৰ সময়ত এওঁলোকৰ ওপৰত আৰু দুখন কিতাপ লিখিছিলো। তাত আটাইতকৈ ডাঙৰ কথাটো হ'ল - ছজন মানুহক ক্ৰিম্ৰিয়েচন কৰি আছে। সেই সময়ৰ দুখম পৰিস্থিতিৰ কথা মই মোৰ এই দুখন কিতাপত বৰ্ণনা কৰিছো। সেইসময়ত পাকিস্থানৰ লগত ভাৰতৰ যুদ্ধ চলি আছিল। এই যুদ্ধ সময়ত চিন্নাৰ ব্ৰীজৰ দ্বায়িত্বত মোৰ হাজবেণ্ড আছিল। এই ব্ৰীজ এয়াৰ লকত পৰি (শত্ৰু সেনা আহিলে ব্ৰীজখন তৎক্ষণাত উৰোৱা দিয়াৰ ব্যৱস্থা) কেইবাজনো শ্ৰমিকৰ মৃত্যু হয়। সেই সময়ত মই ২৩ কি ২৪ বছৰ বয়সৰ আছিলো। মই তেতিয়া মোৰ হাজবেণ্ডক সুধিছিলো ছজনকৈ মানুহ মৰি গৈছে কিন্তু তাত কোনো হাই-উৰুমি নাই কিয়, ছটা মানুহক দুটা মানুহে জ্বলাই আছে, কতো যেন একো হোৱাই নাই। এই শ্ৰমিক কেইজনৰ মৃত্যুত কোনো ধৰণৰ ক্ষতি পুৰণ দিয়া হোৱা নাছিল। মোৰ হাজবেণ্ডৰো এনেদৰে কাম কৰি থাকোটেই মৃত্যু ঘটিছিল। তেখেতক কম্পেনশ্বেচন হিচাবে দহ হাজাৰ টকা আৰু ইন্সুউৰেঞ্চ আদি মিলি মুঠ ৬০/৭০ হাজাৰ মান টকা পাইছিল। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ২৬ বছৰ। তেওঁ পঢ়া শুনা বাহিৰতেই কৰিছিল। চিন্নাৰ ব্ৰীজৰ উপৰিও ব্ৰহ্মপুত্ৰ ব্ৰীজৰ কামো তেওঁৰেই কৰিছিল। বাৰু যি কি নহওক মই অদ্ভুত অদ্ভুত কথা বোৰক সাৰমৰ্ম্ম হিচাবে লৈ তিনিখন উপন্যাস লিখিছো। এখন হ'ল "অভিজ্ঞতা মধ্যপ্ৰদেশৰ" আনএখন হ'ল "মামৰে ধৰা তৰোৱাল" আৰু আন এখন শ্ৰমিক সকলৰ ওপৰত।

*প্ৰশ্ন ঃ জ্ঞান পীঠ বঁটা পোৱাৰ সময়ত আপোনাৰ কেনে অনুভৱ হৈছিল?*

- আচলতে কি হয়, লিখাটো আমাৰ জীৱন, পুৰস্কাৰ পাওঁ বা নাপাওঁ সেইটো আমাৰ বিষয় নহয়। তথাপিও কোনো এজন লিখকক সন্মান জনালে তেওঁ নিশ্চয় ভালেই পায়। জ্ঞানপীঠৰ বাবে মোৰ নামটো হেনো কেইবাবাৰো গৈছে। বহুতে কয় মোৰ সীমা হোনো অসমৰ ভিতৰতেই, কিন্তু মই এইটো কথাত কেতিয়াও একমত হ'ব পৰা নাই। মোৰ সীমা আজি অসমৰ বাহিৰলৈও গৈছে। মই লিখা উৰিষ্যা, কালাহান্দ, চত্তিশগড় আদিৰ লেবাৰক লৈ লিখা উপন্যাস বোৰ পিছলৈ বেষ্ট ন'ভেল হৈছেগৈ। "দতাল হাতীৰ উয়ে খোৱা হাওঁদা"ই মোৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস বুলি কয়। যিখন পাকিস্থানতো বেষ্ট ন'ভেল হৈছে।



*প্ৰশ্ন ঃ আপোনাৰ প্ৰচেষ্টাৰ বাবেই অসমত আলফা আৰু চৰকাৰৰ মাজত শান্তি আলোচনা ইতিমধ্যে আৰম্ভ হৈছে। এই ক্ষেত্ৰত পি.চি.জিৰ ভূমিকাই অসমত স্থায়ী শান্তি আনিব পাৰিবনে?*

- পি.চি.জিৰ কিন্তু নিজস্ব মতামত কেন্দ্ৰীয় চৰকাৰৰ আগত আগবঢ়াব নোৱাৰিম। তেওঁলোকৰ কাম হ'ল - মাত্ৰ শান্তি আলোচনাৰ পথ সূচল কৰি দিয়া। এইটো কিন্তু বৰ টান কাম। তেওঁলোকে দুয়োফালে থিক কৰিব লাগিব। তেতিয়াহে আলফাক আলোচনালৈ মাতিব। মই জনাত এতিয়ালৈকে তেওঁলোক থিকেই আছে। তেওঁলোকে মোৰ লগত যোগাযোগ কৰি আছে, তেওঁলোকৰ ভুমিকা মই এতিয়ালৈকে থিকেই পাই আছো। আলোচনাৰ ক্ষেত্ৰত বিষয় কি কি হ'ব সেইটো আলফা সকলে আলোচনালৈ আহিহে ক'ব। সেইটো এতিয়াই স্থিৰ কৰিব পৰা বিষয় নহয়। পি.চি.জিৰ ভূমিকা কেৱল শান্তি আলোচনাৰ পথ মুকলি কৰি দিয়া।

*প্ৰশ্ন ঃ বন্ধ সংস্কৃতিয়ে বৰ্তমানৰ দৰে ধাৰাবাহিকতা ৰক্ষা কৰিলে অসমৰ প্ৰগতিত কেনে প্ৰভাৱ পেলাব?*

- এটা বছৰত ৬২ টাৰ পৰা ৬৭ টা বন্ধ। অসমত এবাৰ শান্তি স্থাপন হ'লেহে প্ৰগতিৰ পথ আহিব। তেতিয়া বন্ধ কালচাৰ সম্পূৰ্ণ শেষ কৰিব লাগিব। এনেকোৱা কিছুমান নীতি নিৰ্দ্দেশনা প্ৰস্তুত কৰিব লাগিব যে, কিছুমান বিশেষ কাৰণতহে বন্ধ ঘোষণা কৰিব পাৰিব, এই বুলি এখন নটিচ জাৰি কৰিব লাগিব। বন্ধ হৈছে সাধাৰণ মানুহৰ মত প্ৰকাশ কৰাৰ এক অস্ত্ৰ। নহ'লে তেওঁলোকে মত প্ৰকাশ কৰাৰ অধিকাৰ নাপায়। বন্ধ কালচাৰটো সম্পূৰ্ণ শেষ কৰিবলৈ হ'লে গোটেই অসমবাসীয়েই একত্ৰিত হ'ব লাগিব। তেতিয়াহে আমি এইক্ষেত্ৰত সফল হ'ম।

*প্ৰশ্ন ঃ বৰ্তমান পশ্চিমীয়া সংস্কৃতিয়ে অসমীয়া সংস্কৃতি গ্ৰাস কৰা দেখা গৈছে। ইয়াক ৰক্ষা কৰাৰ বাবে কিছু পৰামৰ্শ দিবনে?*

- পাঞ্জাৱৰ 'ভাঙ্গৰা' এতিয়া পৃথিৱী বিখ্যাত। কাৰণ তেওঁলোকে ভাঙ্গৰাক মৰ্ডানাইজ কৰি তুলিছে। তেওঁলোকৰ কৰিঅ'গ্ৰাফ অতি উন্নত। ঠিক তেনেদৰে বিহুকো উন্নত কৰিঅ'গ্ৰাফৰ দ্বাৰা কৰি বিশ্ব দৰবাৰত চিনাকি কৰাই দিব লাগিব। এনে কৰিলে নিজৰ সংস্কৃতিও থাকিব আৰু যুগৰ লগত খোজ মিলোৱাও হ'ব। কিন্তু এই ক্ষেত্ৰত অসমীয়া সাজ-পোচাক অটুত থাকিব লাগিব। আচলতে কোনো এটা নৃত্য বা সংস্কৃতিক জনপ্ৰিয় কৰোৱাৰ মূলতঃ ইয়াৰ কৰিঅ'গ্ৰাফ। উদাহৰণ স্বৰূপে অসমৰ সত্ৰীয়া নৃত্য বা মনিপুৰী ডেন্সৰ কথাকে ক'ব পাৰি। আজি ভাৰতনাট্যম যেনেদৰে জনপ্ৰিয় তাৰ তুলনাত সত্ৰীয়া নৃত্য বা মনিপুৰী ডেন্স কোনোগুণে কম নহয় কিন্তু ভাৰতনাট্যমৰ কৰিঅ'গ্ৰাফ এইবোৰতকৈ বহু ওপৰত। ভাৰতনাট্যম হৈছে দেৱদাসীৰ নৃত্য কিন্তু কৰিঅ'গ্ৰাফে ইয়াক নতুন ৰূপ দি পৃথিৱী বিখ্যাত কৰি তুলিলে। গতিকে আমিও আমাৰ সংস্কৃতিত কিছু নতুনত্ব সংযোগ কৰিলে আমিও নিশ্চয় সফল হ'ব পাৰিম।

*প্ৰশ্ন ঃ অসমীয়া জাতিৰ প্ৰতি আপোনাৰ ভৱিষ্যত কাৰ্য পন্থা কি?*

- অসমীয়া জাতি নিজেই ৰক্ষা হ'ব কাৰণ অসমীয়াই নিজৰ ভাষাটোক ভাল পায়। অসমৰ বৰ্তমানৰ মূল সমস্যা 'আলফা সমস্যা'টোক সমাধান কৰাটোৱেই বৰ্তমান মোৰ একামাত্ৰ লক্ষ্য। কাৰণ এই সমস্যাটো থকালৈকে অসমত কেতিয়াও স্থায়ী শান্তি আহিব নোৱাৰে আৰু শান্তি অবিহনে উন্নতি কেতিয়াও সম্ভৱ নহয়।

সদৌ শেষত বাইদেৱে আমাৰ সৈতে ইমানখিনি মূল্যবান সময় খৰচ কৰাৰ বাবে আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপণ কৰাৰ লগতে দীৰ্ঘায়ু কামনা কৰিলো।

*সাক্ষাত গ্ৰহণ কৰিলে ঃ ড° হামিদুৰ ৰহমান আৰু যুগ্মজ্যোতি দত্তই*

# “মোৰ মানসপটত ভাঁহি ৰোৱা এই মহাবিদ্যালয়ৰ কিছুমান ডুখৰীয়া স্মৃতি”



বিনীতা দত্ত

প্ৰাক্তন ছাত্ৰী

মহাবিদ্যালয়ৰ চুকে-কোণে বাগৰি ফুৰা টুকুৰা ছবিবোৰ গোটাই লৈছো এটা ক'লাজ বনোৱাৰ উদ্দেশ্যেৰে, এটা নষ্টালজিক ক'লাজ।

হে সময়, মোক অলপ সময়ৰ বাবে এৰি দিয়া। তুমি এৰি দিলেই মই গুচি যাম মহাবিদ্যালয়ৰ বুকুত উমলি ৰোৱা 'প্ৰেম', 'বন্ধুত্ব' আৰু আন্তৰিকতাৰ স্মৃতিৰ কুঁকিলৈ। গুচি যাম মই আকাশ নীলা পাড়ীৰ চাদৰেৰে কান্ধত বেগটি লৈ কলেজৰ চোতালত প্ৰথম খোজ দিয়া দিনটোলৈ। হে', মহাবিদ্যালয় তোমাক অনুভৱ কৰো....হৃদয়ত অথবা কলিজাৰ বহু গভীৰত। মোৰ দেহৰ প্ৰতিটো ৰক্ত কণাত অনুভৱ কৰো তোমাৰ মাদকতা........। তুমি মোক আলোড়িত কৰা......মোক বিমোহিত কৰা.........। মই হেৰাই যাওঁ তোমাৰ মাজত। মই......মই অৱশ হৈ পৰো স্মৃতিকাতৰতাত। তুমি অহৰহ বিচৰণ কৰা মোৰ স্বপ্নীল পৃথিৱীত। তুমিয়েতো শিকালা মোক বন্ধুত্ব..... প্ৰেম ......আন্তৰিকতাৰ নতুন পাঠ। মোৰ হৃদয়ৰ বিশাল কেনভাছত সযতনে ৰাখিছো অসমীত হেৰাই যাব খোজা অনুভৱৰ সুৱাগমণিবোৰক। স্মৃতিৰ বোকোচাত উঠি তুমি আকৌ এবাৰ ভুমুকি মাৰিছা মোৰ অনুভৱৰ সজাত.......।

মণত পৰিছে, ৰেগিঙৰ ভয়ত অফিচ কমণ ৰুমৰ কাষত ৰৈ থকা দিনবোৰলৈ........। হালধীয়া ৰ'দ জাকৰ ফাঁকে....ফাঁকে উফৰি অহা হাঁহিৰ টুকুৰাবোৰ স্তব্ধ হৈ ৰৈ যায়......অধ্যক্ষা বাইদেউৰ আগমণত হঠাৎ এটা চিঞৰৰ ভাঁহি আহে....... “ঐ পলা পলা বাপ্লেক্কে পাবি মজাটো ইউনিফৰ্ম পিন্ধি অহা নাই”..... একে ৰঙীৰ সাজৰ মাজত আকাশীলতাৰ দৰে বগাই ফুৰা বহুৰঙী সাজৰ মাজৰ পৰা ভাঁহি আহে এই চিঞৰ। উৰহী গছৰ ওৰটো পাওঁ যেতিয়া এলিচ বাইদেউ পাৰ হৈ যায়হি।

ঘন্টা পৰে, ৰুটিন মতেই আকৌ কলম, বহী আৰু চাৰৰ শিকনীৰ মাজত বুজা-নুবুজাৰ আখৰা চলে।

কাণি-মুণি গধুলি....ধুলিৰে উদুলি মুদুলি পদূলিত ভৰি থৈ ঘৰলৈ উভতাৰ পথত শুনা পাও......."ক'ত পলাইছা, ক্লাছ এটা কৰি যাবা আঁহা....." হাতৰ ৰুমালখনকে টানি টানি বাট

লওঁ চাৰৰ পাছে পাছে।

ইয়াৰ ফাঁকে ফাঁকে আহিছিল বন্ধুত্বৰ আবাহণি....... হৃদয়ত বাজিছিল প্ৰেমৰ ৰাগিনি।

.......সেইদিনা যে আহিণৰ বৰষুণ জাকৰ ফাঁকে ফাঁকে আহোঁতে মোৰ ক্লাচলৈ দেৰি হৈছিল.....আৰু তুমি মিচিকিয়া হাঁহিৰে তোমাৰ কাষতে অকণমান ঠাই দিছিলা বহিবলৈ। তাৰ পৰাই নেকি বাৰু.......আৰম্ভ আমাৰ বন্ধুত্বৰ। মনত পৰেনে তোমাৰ কেণ্টিনৰ সেই জ্বলা চানা কেইটাৰ সোৱাদ......?

সন্মুখত আবেলিটো আঁৰি লৈ মুখৰোচক চুপতি মৰা সেই সময়বোৰক মনত পেলোৱানে বাৰু? বন্ধুত্বৰ আঘাতত আহত হোৱাৰ পাছত প্ৰতীক্ষাৰ কলমেৰে নিগৰা সেই কবিতাটো লৈ কেতিয়াবা বৰকৈ মনত পৰে......

"বন্ধুত্ব
এক আপেক্ষিক শব্দ...
হয়তু জীৱনৰ ৰ'দ-কাঁচলি
অথবা বিশ্বাসৰ বা মাৰলি"

পাহৰি গৈছো কবিতাৰ বাকী অংশ। পাৰিজাত হঁতৰ ঘৰত মায়ে বান্ধি দিয়া জনমতিৰ আঞ্জাখন, মূৰ্গী মাংসৰ ভজাখন আৰু ঔ টেঙা আঞ্জাখনৰ সোৱাদ ল'বলৈ কলেজৰ বন্ধুবাৰবোৰলৈ খাপ পিতি ৰওঁ....... তোমাৰ মনত পৰেনে বাৰু? সিদিনা কাকুমনিয়ে অ'টোগ্ৰাফখন আগবঢ়াই দি ক'লে.... "বেছিদিন নাগামটো, গতিকে তোমালোকৰ স্বাক্ষৰ বিচাৰিছো।" পোৱা-নোপোৱাৰ হিচাপত বুকখন মোচোৰ খাই গ'ল। অ'টোগ্ৰাফৰ শুকুলা পাটত হয়তো লিখি দিম ....... "পদুলিত কলপুলি ৰুলে মাতিবা,........ নাপাহৰো আৰু নাপাহৰিবা,...... আজীবন বন্ধুত্বৰ প্ৰতিশ্ৰুতিৰে...." এনেদৰেই বিনিময় কৰিম আমাৰ হৃদয়। প্ৰধানমান

বাছ আস্থানত কলেজ চুটিৰ পাছত বৈ থাকোতে গম পালো কাৰোবাৰ হৃদয়ৰ অভাৰব্ৰীজত পাহিয়ে হিয়াৰ ঠিকনাটো হেৰুৱাই পেলালে। কোনেও নাজানিলে,

"প্ৰেমৰ কথাটো আৰু আনক ক'ব নোৱাৰি
নিশ্বাসৰ দৰে শব্দই যেন বিচাৰি ফুৰে
শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস........"

(হীৰু দা)

এনেদৰেই প্ৰেম আহে জোনাকৰ মিঠা শিহৰণ খিনিৰ দৰে.... আনকি অন্তৰংগ জনেও গম নাপায়।

প্ৰথম প্ৰেম লগতে নৱবৰ্ষ....। প্ৰিয়জনক দিব লাগিব এক অনন্য উপহাৰ। কি দিব বাৰু পাহিয়ে ......? পইচাওটো লাগিব......! হঠাৎ পাহিৰ মনত পৰে কলেজৰ ফৰ্ম ফিলআপৰ কথা। ফিজ ১১০০ টকা ঘৰত ১৪০০ বুলি ক'লে দেখোন হৈয়ে যাব আৰু ৰাহি থকা তিনিশ টকাৰে পাহিয়ে কিনি আনিছিল প্ৰিয়জনলৈ বুলি এটি মিঠা উপহাৰ।

বৰ্ষাক দেখিলেই অভিলাষে যে চিঞৰি চিঞৰি গাইছিল..... " কেহ দো না.. কেহ দো না... ইউ আৰ মাই চোনিয়া"

ঘৰত প্ৰেমৰ কথা গম পোৱা জোনালীক সান্তনা দিবলৈ গৈ কলেজৰ বাংগালী সহপাঠী সুৰভীয়ে যে গাইছিল "মোগল-ঈ-আজম"ৰ সেই বিখ্যাত গীতটি...

"প্যাৰ কিয়া তু দৰনা কিয়া"

ছাত্ৰী জিৰণী কোঠাত ৰুমীয়ে যে পাঠ কৰিছিল সেই কবিতাটো....

"পাহৰিব পৰা হ'লেই ভাল আছিল নেকি?
ভালপোৱাৰ চুপতি মৰা সেই চকুযুৰিক
ন'হলেযে হৃদয়ত কণ-ফুটি প্ৰেমৰ গঁজালি মেলিব।"

অঞ্জনাৰ কপালত জিলিকিব হেনো আবেলি বেলিটো। তাকে শুনি সুৰভীয়ে চিঞৰ ধৰিছিল......"ঐ তই গ'লেগৈ কলেজৰ সোণাই বৰলা হ'ব।".... হাঁহিৰ ৰোল উঠিছিল তেতিয়া।

হঠাৎ আস্ফালিত মূহুৰ্ততো কৰফাল খাই পৰিছিল..... ৰুমৰ কাযেৰে পাৰ হৈ গৈছিল অৰ্থনীতি বিভাগৰ কাকতি চাৰ। প্ৰতিবাৰেই দুষ্টামী কৰি ধৰা পৰি গৈছিলো.....ৰুমি বাইদেউৰ চকুত......ফলাফলত দুটামান মিঠা গালি।

আৰু আজি এই সকলোবোৰ আমাৰ বাবে এক নষ্টালজিক অনুভূতি হৈ পৰিল। সময়বোৰ আমাৰ বাবে সাঁথৰৰ দৰে.....।

হে মহাবিদ্যালয়, তোমাৰ উষ্ণ নিশ্বাসত মোৰ শ্বাস মিলি গৈছে..... মোৰ কণ্ঠত এতিয়া তোমাৰেই জয় গান। তোমাৰ বাবেই এৰাল ছিগা সেই সময়বোৰত মই আকৌ ভূমুকি মাৰিম প্ৰগলভা স্মৃতিৰ স্ৰোতাস্বিনীৰ ধাৰাত।

**(মৰমৰ ভণ্টি মামুৰ হাতত - মৰমেৰে তোমাৰ বিনীতা বা)**


# মোৰ কথাৰে, তোমালৈ একাজলি স্মৃতিৰ বাক্যাঞ্জলি

- অমৃত শইকীয়া
প্ৰাক্তন ছাত্ৰ

তোমাৰ বুকুত ভৰি দিয়াৰ অলেখ স্মৃতি মোৰ
মানসপটত এতিয়াও জিলিকি আছে। এইবোৰ
হয়তো কেইদিনমানৰ পাছত পাহৰণিৰ
শীতল গৰ্ভত সপোন হৈ হেৰাই যাব।
তথাপি সেই মধুৰ স্মৃতিবোৰ কেইষাৰমান
কথাৰে সজীৱ কৰি ৰাখিবলৈ এক
বৃথা চেষ্টা চলালো।

২০০১ চন। কলেজত মোৰ এড্‌মিশ্যন মই নিজে লোৱা নাছিলো, লৈছিল দাদাই।

এদিন সেই বহু অপেক্ষিত দিনটো আহিছিল মোৰ জীৱনলৈ। সম্পূৰ্ণ কলেজীয়া সাজেৰে মই কলেজলৈ বুলি চাইকেলখনত উঠিছিলোহে মাত্ৰ ; ভিতৰৰ পৰা 'মা'ৰ মাত ভাহি আহিছিল - "কলেজত সকলোৰে লগত মিলিজুলি থাকিবি। কাৰো লগত অযথা তৰ্ক নকৰিবি।" হয়তো মাই শুনিছিল কলেজত নতুন ছাত্ৰ-ছাত্ৰী সকলে কিছুমান অবান্তৰ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ কথা। তাৰেই সঁকিয়নী আছিল সি। ময়ো তেনে পৰিস্থিতিৰ সন্মুখীন নোহোৱাকৈ থকা নাছিলো। সকলোবোৰ সাধাৰণভাৱেই গ্ৰহণ কৰিছিলো। গোটেই দিনটো উৎসাহ উত্তেজনাৰ মাজেৰেই পাৰ হৈছিল।



কলেজখন আছিল লক্ষীমপুৰ তেলাহী কমলাবৰীয়া কলেজ। বহুতো জ্ঞানী-গুণী, সৎ আৰু পৰিশ্ৰমী ব্যক্তিৰ কঠোৰ পৰিশ্ৰম আৰু আপ্ৰাণ চেষ্টাৰ ফলত জন্ম লৈছিল আমাৰ সকলোৰে আদৰৰ এই নৈ পৰীয়া কলেজখন। নগৰৰ দক্ষিণাঞ্চলৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় খনিয়ে জন্ম ললে, অঞ্চলটোৰ মধ্যমণি স্বৰূপ 'আজাদ'ৰ উৰ্বৰা মাটিত ১৯৭৭ চনত। এই ব্যক্তিসকলৰ ত্ৰুটিহীন চেষ্টাৰ ফলতে ক্ৰমে ক্ৰমে সজাল হৈ উঠিছিল কলেজৰ চৌহদ আৰু যাৱতীয় সকলো কাম-কাজ। জন্ম দিছিল বহুতো মেধা ব্যক্তি, যি সকল এতিয়াও সমাজত উচ্চ মৰ্যদাপ্ৰাপ্ত। এইখন কলেজৰে অমৃত সুধা পাণ কৰি আমাৰ অগ্ৰজ সকলে সভ্যতাৰ পোহৰ পাইছিল। তেনেদৰে ময়ো এদিন ভৰি দিছিলো, মোৰ স্বপ্নৰ সেই কলেজখনত। উদ্দেশ্য আছিল, উচ্চ শিক্ষাৰে জীৱনটো পুষ্ট কৰা।

ৰোমাঞ্চিত হৈ পৰিছিলো আমি, কলেজৰ বহুতো নতুন ছাত্ৰ-ছাত্ৰী আৰু ছাৰ বাইদেউসকলৰ সান্নিধ্যত পৰি। সকলোৰে লগত মিলি থাকিবলৈ বহুতো ছাত্ৰ-ছাত্ৰীয়ে বাদ দিব লগা হৈছিল নিজৰ ৰুচি অভিৰুচি। ছাৰ বাইদেউ সকলৰ সৰল বক্তৃতা আৰু উপদেশবোৰে মোৰ দৰে সকলোকে আকৰ্ষণ কৰিছিল। মিলি গৈছিলো আমি কলেজৰ শৈক্ষিক পৰিবেশৰ স'তে। বুজা নুবুজাৰ সেই বয়সত আমি সকলোৱে ছাৰ সকলৰ পাঠদান গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছিলো অতি আগ্ৰহেৰে। তেওঁলোকৰ মৰম চেনেহৰ মাজেৰে মা-দেউতাৰ অভাৱ পুৰণ কৰিছিলো। তেওঁলোকৰ বিনয়ী ব্যক্তিত্বৰ প্ৰভাৱ আমাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত বিদ্যমান।


এদিন সেই আকাংক্ষিত দিনটো আহিছিল, যিটো দিনৰ বাবে আমাৰ মহাবিদ্যালয়ৰ সকলো শিক্ষক কৰ্মচাৰীৰ লগতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলেও আগ্ৰহেৰে বাট চাই আছিলো। সেইয়া আমাৰ মহাবিদ্যালয়ৰ "ৰূপালী জয়ন্তী সামৰণি অনুষ্ঠান"। আমাৰ মহাবিদ্যালয় খনে ২০০৩ চনত ২৫ বছৰত ভৰি দিছিল। ছাৰ-বাইদেউ সকলৰ অক্লান্ত পৰিশ্ৰমৰ জৰিয়তে সেইবাৰ আমাৰ কলেজখনে সাজ সলাইছিল। কিশোৰী সকলে যৌৱনত ভৰি দিয়াৰ দৰেই যেন আমাৰ কলেজখনেও ভৰ যৌৱনত ভৰি দিছিল। চৌপাশৰ হাবি বন কাটি ৰোৱা হৈছিল বিভিন্ন ধৰণৰ সুগন্ধি ফুল। কলেজৰ বেৰবোৰেও ৰৰণ সলাইছিল। ভৰ যৌৱনপ্ৰাপ্ত আমাৰ কলেজখনে সকলোকে আকৰ্ষিত কৰিছিল, আৰু আশাৰে বাট চাই ৰৈছিল এটা নতুন যৌৱনৰ বসন্ত আদৰিবলৈ। ছাৰ-বাইদেউসকলৰ ব্যস্ততাৰ সীমা নাছিল। সকলোৰে ইচ্ছা আছিল বাহিৰে ভিতৰে সকলোতে কলেজখনৰ সদনাম অক্ষুণ্ণ ৰখাৰ। ছাত্ৰ-ছাত্ৰীসকলৰো চেষ্টাত কোনো খুঁত নাছিল। সকলোৱে নিজৰ নিজৰ সাধ্যানুসৰি কলেজখনৰ সেৱাত ব্ৰতী হৈছিল। সেই ক্ষেত্ৰত মই আছিলো সম্পূৰ্ণ সুকীয়া। কাৰণ ৰাজহুৱা অনুষ্ঠানত সেৱা আগবঢ়োৱাৰ মোৰ কোনো অভিজ্ঞতা নাছিল। প্ৰতিভাৰো অভাৱ আছিল। বহুতো নামজ্বলা গণ্যমান্য ব্যক্তিক আমন্ত্ৰণ কৰা হৈছিল অনুষ্ঠানটোৰ গাম্ভীৰ্য্য বঢ়াবলৈ। তেওঁলোকৰ চিন্তা গধুৰ আৰু গঠনমূলক ভাষণে সকলোৰে মনত গভীৰভাবে সাঁচ বহুৱাইছিল। তেওঁলোকৰ সকলোবোৰ বক্তৃতাই আছিল হয় গঠনমূলক, নহয় আধুনিকতাৰ ঔৰসপ্ৰাপ্ত সৃষ্টিমূলক কল্পনাৰে সমৃদ্ধ। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নিস্বাৰ্থ-সান্নিধ্য আৰু অতিথি পৰায়ণতাৰ চিৰসেউজ মনোভা ৱৰ বাবে আমাৰ ছাৰ-বাইদেউসকলে নিজৰ নিজৰ দায়িত্ব পালনত যেন দুগুণ উৎসাহ পাইছিল।

শেষত সেই শোভাযাত্ৰাৰ দিনটোত যেন আমাৰ শিক্ষা গুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলে অন্তৰত পুহি ৰখা অজস্ৰ আৱেগ-অনুভূতি, আনন্দ প্ৰকাশ কৰিবলৈ সুবিধা পাইছিল। তেওঁলোকে সবস্ব উজাৰি নাচ-গানত মগ্ন হৈ বিগত পঁচিশ বছৰৰ কাৰ্য্যাৱলীৰ আনন্দেৰে সোঁৱৰিছিল। প্ৰায় পাঁচশ মিটাৰ জোৰা শোভাযাত্ৰাৰ সমদলটোৰ বৈশিষ্ট আছিল বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত সংস্কৃতি, নৃত্য-গীত, সামাজিক কাৰুকাৰ্যৰ প্ৰদৰ্শন। এই শোভাযাত্ৰাৰ জৰিয়তে অসমত অনৈক্যৰ মাজত ঐক্যৰ, এক বিৰল "আদৰ্শৰ অনুভৱ", আমাৰ সকলোৰে মাজত জাগি উঠিছিল। এই সৰ্বমনোগ্ৰাহী অনুষ্ঠানটিৰ সামৰণি মাৰিছিল নব্য চাঞ্চল্যকৰ কণ্ঠ শিল্পী মৌচম গগৈৰ গীতৰ শৰাইৰে।

শেষত এই চিৰ নমস্য, উচ্চ শিক্ষাৰ ভঁৰালস্বৰূপ "লক্ষীমপুৰ তেলাহী কমলাবৰীয়ামহাবিদ্যালয়"খনে সময়ৰ লগত খোজ মিলাই দোপতদোপে উন্নতিৰ পথত যেন আগবাঢ়ি যায় তাৰ কামনা কৰিলো। নাজানো, এই কলেজখনৰ বুকুতে কতজনে জীৱনজোৰা খ্যাতি, পৰিশ্ৰম আৰু স্মৃতিৰ মুহূৰ্ত এৰি থৈ গ'ল। তেওঁলোকৰ সেই মহান ত্যাগে কলেজখনিৰ সাফল্যত নিসন্দেহে দুগুণ উৎসাহ যোগাব। তাৰোপৰিও ইয়াৰ বাবে লাগিব সকলোৰে নিস্বাৰ্থ সহযোগিতা আৰু সমূহীয়া প্ৰচেষ্টা। সঁচাকৈয়ে মোৰ দৰে হয়তো সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে কলেজখন এৰি যোৱাৰ পাচত, যেতিয়া পুনৰ এই কলেজৰ চৌহদত প্ৰৱেশ কৰে, তেওঁ অজানিতে অনুভৱ কৰিব এক অনামী শিহৰণৰ— এই শিহৰণ হয়তো কিবা এটা পোৱাৰ বা হেৰুৱাৰ................।।

# সঠিক কল্পনাই সাফল্য আনে





- বর্ণালী মহন্ত

উঃ মাঃ দ্বিতীয় বৰ্ষ

কল্পনা হ'ল মানুহৰ এনে এক শক্তি যাৰ সহায়ত মানুহে মনতে নান সাফল্য অৰ্জন কৰে।

কল্পনাই মানুহক কামত প্ৰবৃত্ত কৰে। মানুহৰ আবেগ, ইচ্ছা, উদ্দীপনা এই কল্পনাৰ পৰাই সৃষ্টি হয়। সেয়ে কোৱা হয়, আমাৰ
সাফল্যৰ গুৰিত থাকে আমাৰ কল্পনা শক্তি।

এই কথা নিঃসন্দেহে প্ৰমাণিত হৈছে যে, মানুহে যি কল্পনা কৰে, পৰৱৰ্ত্তী সময়ত তেওঁ তাকেই ফলৱৰ্ত্তী কৰিবলৈ চেষ্টা কৰে।
এই ক্ষেত্ৰত যাৰ মনোবল, ইচ্ছাশক্তি যিমান বেছি, তেওঁ সিমান বেছি সফল।

এই কল্পনাৰ ক্ষমতাক কামত লগাই মানুহে বিগত পঞ্চাশ বছৰত প্ৰকৃতিৰ সকলো শক্তিকে ব্যৱহাৰ কৰি নানা ক্ষেত্ৰত নানা
আৱিষ্কাৰ কৰিছে। আজিৰে পৰা পঞ্চাশ বছৰৰ ভিতৰত মানুহে যিমান আবিস্কাৰ কৰিছে, তাৰ আগৰ হেজাৰ হেজাৰ বছৰতো
সিমানখিনি কৰিব পৰা নাই।


আজিৰ যুগত মানুহে মহাকাশৰ বহু কিবা কিবি আৱিষ্কাৰ কৰিছে আৰু প্ৰমাণ কৰিছে যে, চৰাইৰ উৰণ ক্ষমতা মানুহৰ
আৱিস্কাৰৰ ওচৰত তেনেই তুচ্চ ঘটনা।

আজিৰ মানুহে নিজৰ কল্পনাতে সূৰ্যৰ ওজনো নিৰ্ধাৰণ কৰিবলৈ সক্ষম হৈছে আৰু আৱিস্কাৰ কৰিছে কি কি পদাৰ্থ মিলি
সূৰ্যৰ সৃষ্টি হৈছে।

আজিৰ মানুহৰ জ্ঞানে ৰেলৰ গতি বৃদ্ধি কৰিছে - যাৰ গতিবেগ ঘন্টাত ছশ মাইলৰো অধিক। মানুহৰ একমাত্ৰ সীমাবদ্ধতা হ'ল
নিজৰ কল্পনা শক্তিক কামত লগোৱাৰ ক্ষেত্ৰত ত্ৰুটি। এতিয়ালৈকে এই সীমাবদ্ধতা লংঘন কৰাৰ ক্ষমতা আয়ত্ত কৰিব পৰা নাই।
মানুহে কেৱল আৱিস্কাৰ কৰিছে যে তেওঁৰ কল্পনা শক্তি আছে আৰু তেওঁ তাক প্ৰাথমিক ভাৱে কামত লগোৱাৰ উপায় উলিয়াইছে।

# ফাষ্টফুড ঃ মৃত্যু আহে নীৰৱে





- জগদীশ বৰা
উঃ মাঃ দ্বিতীয় বৰ্ষ

আমাৰ দেশৰ চুকে-কোণে গড় লৈ উঠা অপ-তৃণ জাতীয় "ফাষ্টফুড"ৰ দোকানসমূহৰ বিষয়ে সকলোৱে জ্ঞাত। বৰ্তমান আমাৰ সমাজ
ব্যৱস্থাত অনুপ্ৰৱেশ কৰা তথাকথিত আধুনিক মানসিকতাৰ বাবে বজাৰসমূহত এই খাদ্য সামগ্ৰীৰ চাহিদা বৃদ্ধি পাই আহিছে। কিন্তু ইয়াৰ ফলশ্ৰুতিত
আমাৰ সমাজখনৰ জনস্বাস্থ্যত কি বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সেই বিষয় কোনোবাই ভাবি চাইছেনে? ক্ৰমবৰ্দ্ধমান শৰীৰৰ মেদবাহুলতা, উচ্চ
ৰক্তচাপ, বৰ্ধিত কলেষ্টৰল, মধুমেহ জাতীয় বিভিন্ন ৰোগে আমাৰ সমগ্ৰ সমাজ ব্যৱস্থাটোকে কোঙা কৰি পেলোৱাৰ উপক্ৰম হৈছে। পাৰিসাংখ্যিক
দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে ৮০ শতাংশ লোকৰ হৃদৰোগ আৰু ৯০ শতাংশ লোকৰ মধুমেহ ৰোগৰ প্ৰতিকাৰ হিচাপে আমাৰ বৰ্তমান খাদ্যাভ্যাসৰ
পৰিবৰ্তন হোৱাটো অতি প্ৰয়োজন।

মানৱ জাতি উদ্যোগিক সোপানখনত দোপতদোপে আৰোহণ কৰাৰ ফলত তেওঁলোকৰ হাতত সময়ৰ মূল্য বাঢ়ি আহিছে। গতিকে
উদ্যোগ প্ৰধান চহৰ সমূহত ৰন্ধন প্ৰকৰণত অত্যধিক সময় ব্যয় নকৰি বজাৰত কিনিবলৈ পোৱা ফাষ্টফুডৰ জৰিয়তে তেওঁলোকৰ সাময়িক ব্যস্ততা বজাই
ৰাখিছে। তদুপৰি এনেধৰণৰ বহুতো খাদ্য সামগ্ৰীৰ মূল্য অন্যান্য শাক-পাচলিৰ তুলনাত কম। সেইবাবে বিশেষকৈ পশ্চিমীয়া দেশসমূহত নিম্নবিত্তীয়
লোকে মাংসৰ প্ৰয়োজনীয়তা পূৰাবৰ বাবে ফাষ্টফুডৰ সামগ্ৰীক অগ্ৰাধিকাৰ প্ৰদান কৰে। অৱশ্যে আমাৰ দেশত এইক্ষেত্ৰত এখন বিপৰীত ছবিহে দেখা
যায়।

বৰ্তমান সমীক্ষা মতে দেহৰ চৰ্বি বৃদ্ধিৰ ক্ষেত্ৰত অথবা কিছুমান মানসিক ৰোগৰ কাৰক হিচাপে ফাষ্টফুডক গণ্য কৰা হৈছে। ১৯৯০ চনত
ভাৰতবৰ্ষত প্ৰায় ২.৫ নিযুত হৃদৰোগী মৃত্যুমুখত পৰে। চিকিৎসকৰ মতে বৰ্ধিত হৃদৰোগৰ প্ৰধান কাৰণ হ'ল দেহত বৃদ্ধি পোৱা অত্যধিক চৰ্বিৰ
পৰিমাণ। ইয়াৰ কাৰণ ফঁহিয়াই চালে দেখা যায় যে, মানুহৰ নগৰমুখী মনোভাৱ, খাদ্যাভ্যাসৰ তাৎক্ষণিক পৰিবৰ্তন, তুলনামূলকভাৱে নগণ্য শাৰীৰিক
পৰিশ্ৰম ইত্যাদিৰ বাবে হৃদৰোগ, মেদবহুলতা, মধুমেহ জাতীয় ৰোগে দেখা দিয়ে।

ভাৰতবৰ্ষত প্ৰায় ২০ নিযুত মধুমেহত আক্ৰান্ত ৰোগী আছে আৰু ইয়াৰ ভিতৰত ৫০ শতাংশৰ এই ৰোগ তেওঁলোকৰ খাদ্যাভাসৰ তথা
জীৱনধাৰণ প্ৰণালীৰ আমূল পৰিবৰ্তন ফলস্বৰূপে হোৱা বুলি ঠাৱৰ কৰা হৈছে। উল্লেখিত হাৰৰ ব্যাপকতা ভৱিষ্যতে বৰ্তি থাকিলে ২০২০ চনত
ভাৰতবৰ্ষত মধুমেহ ৰোগীৰ পৰিসংখ্যা প্ৰায় ৫৮ নিযুত চুবগৈ আৰু হৃদৰোগীৰ মৃত্যুৰ পৰিমাণ হ'বগৈ আনুমানিক ১০ নিযুত।

চিকিৎসা বিজ্ঞানীসকলে কৰা অনুসন্ধানৰ তথ্য অনুসৰি জন্মতে শিশুটিৰ ওজন যদি ২.৫ কিলোগ্ৰামতকৈ কম হয় তেনে শিশু যৌৱনাৱস্থাত
হৃদৰোগৰ চিকাৰ হয়। তদুপৰি গৰ্ভৱতী মাতৃগৰাকীৰ পুষ্টিকৰ খাদ্যত প্ৰয়োজনীয়তাৰ নাটনিয়েও এই সমস্যাৰ সৃষ্টি কৰে। তেনে মাকে জন্ম দিয়া
সন্তানৰ মূৰৰ আকাৰ অসমানুপাতিকভাৱে ডাঙৰ হোৱাৰ লগতে কঁকালৰ অংশটো চিয়াঁ হয়। বিশেষজ্ঞৰ মতে এই সন্তানৰ শৰীৰে অদূৰ ভৱিষ্যতে
কলেষ্টৰল উৎপাদন আৰু তেজ গোট মৰা প্ৰক্ৰিয়া সম্পাদন কৰিব নোৱাৰে।

এছিয়াৰ প্ৰায়বোৰ উন্নয়ণশীল দেশত গৰ্ভৱস্থাত হোৱা পুষ্টিহীনতাৰ বাবে বহু লোক মেদবহুলতাৰ ভুক্তভোগী হোৱা দেখা যায়। তদুপৰি
কিছুমান পাৰিপাৰ্শ্বিক কাৰম; যেনে ; অত্যাধিক পৰিমাণে গ্ৰহণ কৰা চৰ্বীযুক্ত খাদ্য আদিয়ে উদৰ অযশত মেদৰ সৃষ্টি হোৱাত বিশেষ বৰঙণি যোগায়। কম
শাৰীৰিক পৰিশ্ৰমৰ ফলত এই চৰ্বীসমূহ দেহত গোট খাবলৈ সুবিধা পায়। 'নেচনেল ফাউণ্ডেচন অৱ ইণ্ডিয়া'ৰ সমীক্ষা মতে মেদবহুলতাৰ প্ৰাদুৰ্ভাৱ বৰ্তমান
সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত অধিক। এই শ্ৰেণীৰ লোকৰ শতকৰা ৩২.২ জন পুৰুষ আৰু ৫০ গৰাকী মহিলা মেদ বহুলতাৰ চিকাৰ হব পাৰে।

উল্লিখিত পৰিসংখ্যাৰ পৰা অনুমান কৰিব পাৰি যে বৰ্তমান আমাৰ সমাজৰ স্বাস্থ্য কি দিশত গতি কৰি আছে। ব্যৱসায়িক লাভালাভৰ স্বাৰ্থত
কিছুমান সুবিধাভোগী লোকে অমৃতৰ নামত খুৱাইছে গৰল। বিশ্বস্বাস্থ্য সংস্থাৰ সমীক্ষা মৰ্মে বৰ্তমানে গড় লৈ উঠা ফাষ্টফুড জাতীয় খাদ্যই আমাৰ স্বাস্থ্যক
দ্ৰুতগতিত অৱনমিত কৰিছে। বিশেষকৈ ভাৰতীয় সমাজত সৰ্বজনবিদিত এনে খাদ্য সামগ্ৰীত থকা অত্যধিক পৰিমাণৰ চৰ্বীয়ে দেহত নানান সমস্যাৰ সৃষ্টি
কৰিছে। তদুপৰি ফাষ্টফুড ৰেষ্টুৰেণ্টৰ নামত ৰাস্তাৰ ধূলি-ধোঁৱাৰ মাজত গড় লৈ উঠা দোকান বোৰ বেমাৰৰ বীজাণুবাহক হিচাপে পৰিগণিত হৈছে স্বাস্থ্য
ৰক্ষাৰ স্বাৰ্থত নাগৰিকসকল এইক্ষেত্ৰত সচেতন নহ'লে অদূৰ ভৱিষ্যতে আমাৰ নতুন প্ৰজন্মই আজীৱন পংগুত্বক আঁকোৱালি ল'ব লাগিব।

# আন এক অনুভৱ ঃ কলেজ কেণ্টিনৰ

- অৰুন গগৈ
স্নাতক দ্বিতীয়বৰ্ষ

ইংৰাজী CANTEEN শব্দটো অভিধানিক অৰ্থৰ ফালৰ পৰা চাবলৈ হ'লে কাৰখানা বা শিক্ষানুষ্ঠান আদিত খাদ্য সামগ্ৰী পোৱা স্থানকেবুজাই যদিও বহুতো চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠান সমূহতো আমি 'কেণ্টিন' শব্দটোৰ ব্যৱহাৰ হোৱা দেখিবলৈ পাওঁ।

কলেজ আৰম্ভ হোৱা ঠিক পাছৰ পৰাই 'কলেজ কেণ্টিন'ৰো আৰম্ভ হৈছিল যদিও তেতিয়াৰ কেণ্টিন আৰু বৰ্তমানৰ কেণ্টিনৰ মাজত বহুতো পাৰ্থক্য দেখা যায়। অৱশ্যে দিনক-দিনে নতুন ৰীতি-নীতি, অভিনৱ খোৱাবস্তু আৰু দ্ৰুত পৰিবৰ্তন হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ ৰুচিৰ লগত খোজ মিলোৱা প্ৰয়াসেৰে কলেজ কেণ্টিনবোৰে নৱৰূপ গ্ৰহন কৰিছে। কলেজ এখনৰ কেণ্টিনখনে ছাত্ৰ-ছাত্ৰী সকলৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলৰ যি উপকাৰ সাধন কৰে তাক কোৱা বাহুল্য মাথোন। সময়ত প্ৰয়োজন অনুভৱ কৰি ছাত্ৰ-ছাত্ৰী সকলে যেতিয়া একাপ চাহৰ সন্ধানত কেণ্টিনত সোমাই, আৰু চাহ খাই ক্লান্ত মনটোক সতেজ কৰি তোলাৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলৰ ৰসপূৰ্ণ আড্ডাৰ স্থলিৰূপেও কেণ্টিনখন আমাৰ মাজত চিৰপৰিচিত, বিভিন্ন লেখক লেখিকাৰ লেখনিতো আমি 'কলেজ কেণ্টিনত' হোৱা আড্ডাৰ বৰ্ণনা পাওঁ। কাৰণ কেণ্টিনত হোৱা এই আড্ডাৰ সোৱাদ যি পাইছে তেওঁ আজীৱন ইয়াৰ মধুৰ স্মৃতি কঢ়িয়াই লৈ ফুৰে।

কলেজখনৰ কেণ্টিনখন ছাত্ৰী-ছাত্ৰী সকলৰ মাজত কিমান জনপ্ৰিয় ই বেছি নিৰ্ভৰ কৰে ইয়াৰ ব্যৱহাৰিক দিশটোৰ উপৰতহে, অৰ্থাৎ কলেজ খনৰ ছাত্ৰ-ছাত্ৰী সকলে কেণ্টিন খনক কেনেদৰে ব্যৱহাৰ কৰিছে, কেণ্টিনখনত ছাত্ৰ-ছাত্ৰী সকলৰ আচৰণ কেনেকুৱা ইত্যাদি বিষয়েহে 'কেণ্টিন' খনৰ জনপ্ৰিয়তা জুখি চাব পাৰি। ইয়াৰ ওপৰত যুক্তিসন্মত তৰ্কৰো প্ৰয়োজন কিন্তু এই প্ৰয়োজন খিনি সমস্যা সমাধানৰ সহায়ক হোৱাকৈ প্ৰয়োগ কৰা উচিত। আমি এই ক্ষেত্ৰত সকলো একমত যে আমাৰ কলেজ কেণ্টিনৰ ক্ষেত্ৰতো আমি বহুতো বিশৃংখলতা দেখিবলৈ পাওঁ। কলেজ কেণ্টিনৰ এনে বিশৃংখলতাৰ ওপৰত আলোচনা-বিলোচনা কৰি এটা শেষ সিদ্ধান্তত উপনীত হোৱাৰ সময় তথা প্ৰয়োজনীয়তা আহি পৰিছে। স্বাভাৱিকতে কলেজখনৰ প্ৰতি থকা ভালপোৱাৰ আবেগে আমাৰ মনপ্ৰাণ পুলকিত কৰে, সেয়েহে ইয়াৰ লগত জড়িত কেণ্টিনখনৰ লগতো আত্মিক হ'বলৈ চেষ্টা কৰোঁ। কলেজ কেণ্টিনৰখনৰ আভ্যন্তৰীণ পৰিস্থিতিৰ লগতে বাহ্যিক ক্ষেত্ৰটো যদি ই মনোগ্ৰাহী নহয় তেন্তে এচাম ছাত্ৰ-ছাত্ৰীৰ মনত কেণ্টিনৰ প্ৰতি বিৰাগ ভাৱৰ বাঁহ বান্ধে।

এজন ছাত্ৰ বা ছাত্ৰীয়ে কি দৰে কথা কয় বা তেওঁৰ বিভিন্ন ব্যৱহাৰ পাতিয়েই হৈছে তেওঁৰ বন্ধু-বান্ধৱীৰ মাজত তেওঁৰ এক পৰিচয়। মানুহৰ ব্যক্তিত্ব এদিনতে গঢ়ি নুঠে। মানুহৰ নিজৰ ৰুচি, ইচ্ছা, ধাৰণা অনুসৰি নিজৰ নিজৰ চাৰিত্ৰিক বৈশিষ্ট্য আনৰ আগত প্ৰকাশ কৰে। সেয়েহে কলেজৰ উপৰিও কেণ্টিনত হোৱা বিভিন্ন ব্যৱহাৰে ছাত্ৰ-ছাত্ৰী সকলৰ চাৰিত্ৰিক দিশটোহে উদঙাই তোলে। কলেজৰ উপৰিও কেণ্টিনত হোৱা আচাৰ-ব্যৱহাৰ বোৰ ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষেত্ৰত নৈতিক আৰু মাৰ্জিত হোৱাতো খুবেই প্ৰয়োজনীয়। আমাৰ মাজৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে কেণ্টিনৰ বিশৃংখল পৰিবেশবোৰ দেখি কেণ্টিনখনৰ পৰা বহু আঁতৰি থাকিব লগাত পৰে । এনে হোৱাৰ ফলত এই সকল ছাত্ৰ-ছাত্ৰীৰ মনত কেণ্টিনখনৰ প্ৰতি বিৰাগ ভাৱো জন্মে আৰু এদিন দুদিনকৈ যাওঁতে যাওঁতে তেওঁলোকে কেণ্টিনৰ মোহ সমূলী ত্যাগ কৰে। কলেজখনৰ লগত যিহেতু সকলো ছাত্ৰ-ছাত্ৰীয়েই জড়িত হৈ থাকে গতিকে এই সকলো ছাত্ৰ-ছাত্ৰীয়েই কেণ্টিনখনৰ লগত জড়িত হৈ কলেজৰ লগতে কেণ্টিনখনৰো মিঠা অনুভূতি তাক আজীৱন কঢ়িয়াই লৈ ফুৰিবলৈ সকলোৰে সহায় সহযোগিতা কৰা উচিত।

# মহান বিজ্ঞানীৰ ৰসাল কাহিনী

সন্ধ্যাৰ সময়ত পেৰিচ চহৰ। এখন কফিৰ দোকানত বহি জধলা সাজ পোছাকৰ এজন আদবয়সীয়া মানুহে ইকাপৰ পিছত সিকাপকৈ কফি খাই গৈছে আৰু মাজে মাজে ব্যগ্ৰভাৱে তেওঁ বহি থকা ঠাইৰ পৰা বিপৰীত মুখে ৰাষ্টাটোৰ সিপাৰে থকা ঘৰ এটালৈ চাইছে। লাহে লাহে তেওঁৰ মুখত চিন্তাৰ ৰেখা ফুটি উঠিবলৈ ধৰিলে, কাৰণ ইতিমধ্যে যথেষ্ট সময় হৈছে। তেওঁ মাজে মাজে মূৰটো খজুৱাই কিবা এটা যেন মনত পেলাবলৈ চেষ্টা কৰিছে। এনেতে ইমান পৰে তেওঁক লক্ষ্য কৰি থকা মানুহ এজনে ওচৰ চাপি আহি মানুহ জনক চিন্তাৰ কাৰণটো সুধিলে।

ঃ এহ, নক'ব আৰু বুজিছেনে! মই বৰ চিন্তাত পৰিছো। এই চহৰলৈ মই আজিয়েই প্ৰথম আহিছো। ল'ৰা-ছোৱালী কেইটাক মাকৰ লগত হোটেল এখনত এৰি থৈ আহিছো। আৰু মই এখন হোটেলত কফি একাপ খাম বুলি ওলাই আহিছিলো, পিছে এতিয়া মই হোটেললৈ ঘূৰি যোৱাৰ কথা।

ঃ আপুনি থকা হোটেলখনৰ নাম কওঁকচোন। হোটেলখনৰ নামটো জানিলে আপোনাক সহায় কৰিব পাৰো।

এইবাৰ মানুহজন পুনৰ বিপদত পৰিল। তেওঁ মূৰটো খজুৱাই বৰ অষ্পষ্টভাৱে ক'লে -

ঃ হোটেলৰ নামটো মনত নাই।

ঃ মনত নাই?

এইবাৰ মানুহজনে লজ্জিত ভাৱে উত্তৰ দিলে - মহা মস্কিল, কি কৰা যায় এতিয়া, তেওঁক সহায় কৰিবলৈ অহা মানুহজনে ভাবিলে।

সেই দেশৰ নিয়ম অনুযায়ী যিকোনো বিদেশী লোক পেৰিচ চহৰত প্ৰৱেশ কৰিলে লগে লগে তেওঁৰ বিষয়ে সকলো তথ্যপাতি পুলিচ বিভাগত লিপিবদ্ধ কৰা হয়। লগতে তেওঁ কোন হোটেলত উঠিছে সেইটোও লিখা থাকে। শেষত, যেতিয়া পুলিচৰ সহায়ত হোটেলখন বিচাৰি উলিওৱা হ'ল তেতিয়া দেখা গ'ল যে মানুহজনে কফি খাই থকা অৱস্থাত ৰাষ্টাটোৰ বিপৰীতফালে থকা যিটো ঘৰলৈ ব্যগ্ৰভাৱে চাই আছিল সেইখনেই আচিও তেওঁ থকা হোটেলখন।

এই চিন্তাশীল আৰু অন্যমনস্ক মানুহজন হ'ল পৃথীবিৰ সৰ্বকালৰ শ্ৰেষ্ঠ মনিষী সকলৰ এজন এলবাৰ্ট আইনষ্টাইন।

- নিজুমনি বড়া
উঃ মাঃ প্ৰথম বৰ্ষ

# আপোনৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়

- লুকুমণি দত্ত বৰা
উঃ মাঃ প্ৰথম বৰ্ষ

ব্যৱহাৰ মানুহৰ চৰিত্ৰৰ দাপোন- প্ৰসিদ্ধ দাৰ্শনিকৰ এই মন্তব্য সত্য বুলি এতিয়া মনোবিজ্ঞানে স্বীকাৰ কৰিছে। কিন্তু এই কথা বহু
আগৰেপৰাই কৈ অহা হৈছে। ব্যৱহাৰৰ মাজেৰে মানুহৰ চৰিত্ৰ, তেওঁৰ মনোভাৱৰ প্ৰকাশ ঘটে। মানুহৰ চেহেৰা, হস্তৰেখা বা জন্মকুণ্ডলীৰ
দ্বাৰাও তেওঁৰ চৰিত্ৰ জনা নাযায়। কিন্তু ব্যৱহাৰৰ দ্বাৰা স্পষ্ট ৰূপত মানুহক চিনিব পাৰি। আচৰিত কথা যে মানুহৰ ব্যৱহাৰৰ পৰাই
মানুহজনৰ আচাৰ আচৰণ আৰু চৰিত্ৰৰ প্ৰকাশ সহজেই পায়। কোনোবা ধনী ঘৰৰ ল'ৰাক যদি ফটা ছিটা কাপোৰ পিন্ধাই ভিক্ষা মাগিবলৈ
দিয়া হয়; তেতিয়াও তেওঁৰ কথা কোৱাৰ সুৰ ধৰণ আনৰ লগত কথা পতা নমুনা এই কথাই প্ৰকাশ কৰিব যে তেওঁ কি স্বভাৱৰ, কেনেকুৱা
পৰিয়ালৰ সন্তান। আপোনাৰ ব্যৱহাৰেই বুজাই দিব আপুনি কেনে? চহকী হোটেলৰ কাম কৰা ল'ৰা জনেও তৎক্ষণাত জানে যে এইমাত্ৰ
অহা গ্ৰাহকজন কেনেকুৱা কেৱল টকা জেপত ভৰ্তি হৈ থকা মানেই যে উচ্চ পৰিয়ালৰ তেনে নহয়।

এবাৰ দুজন ল'ৰা এখন দামী হোটেলত সোমাল। ঠাণ্ডা দিন। যুৱক দুজনে বহি লৈ খোৱাৰ অৰ্ডাৰ দিলে। দুয়োৰে ব্যৱহাৰ পাতি
তথা ধৰণ কৰণ দেখি হোটেল বয়জনে অনুমান কৰিলে যে তেওঁলোক নিশ্চয় নতুন ধনী হ'ব। যুৱক দুজনে খাদ্য খাই আছে। হোটেলৰ
নিয়ম অনুসৰি ধুনীয়া চিক্‌চিকিয়া কাঁচৰ গিলাচত পানী লগতে নেমুটেঙা এটুকুৰা দিয়া হ'ল। দুয়ো বন্ধুৱে বুজি নাপালে, এগিলাচ
এগিলাচ গৰম পানীৰ লগত নেমুটেঙা কিয় দিয়া হ'ল। যুৱক দুজনে নেমুটেঙাখিনি পানীত চেপি তৎক্ষণাত পি দিলে। দুয়োৰে ভাৱ হ'ল,
খাদ্য হজম হোৱাৰ বাবে এইবোৰ দিছে। প্ৰত্যক্ষদৰ্শীয়ে তেওঁলোকৰ কাণ্ডকাৰখানা দেখি মুখ টিপি হাঁহিলে। বাস্তৱত কথাটো এনে
আছিল,- কুহুমীয়া গৰম পানী আৰু নেমুটেঙা টুকুৰাৰে খাদ্য খোৱাৰ পিছত হাতৰ আঙুলিৰ ফাঁকত থকা লেতেৰাবোৰ ধুই পেলোৱাৰ
কাৰণে গ্ৰাহকক হোটেলখনত এনেকুৱা বস্তু যোগান ধৰা হয়। নিজৰ ব্যৱহাৰৰ দ্বাৰা যুৱক দুজনে বুজাই গ'ল যে তেওঁলোকে জেপত সৰহ
টকা লৈ ঘূৰিলেও তেওঁলোকৰ পাৰিবাৰিক পৰিৱেশ কি ধৰণৰ। ব্যৱহাৰেই মানুহৰ দৰ্শন; ইয়েই দেখুৱাই আপুনি কি ধৰণৰ ব্যক্তিত্বৰ
অধিকাৰী?

মানুহৰ ব্যৱহাৰে সকলো কাম আৰু কথাতে প্ৰভাৱ পেলায়। প্ৰায়ে দেখা যায় যে আমি অভিবাদন আদিতো শালীনতা নাৰাখো।
কোনোবাই নমস্কাৰ জনালে আমি কেৱল মুৰটো লৰাই সামৰণি মাৰো। আমাৰ এই ব্যৱহাৰে তেওঁলোকৰ ওপৰত কি প্ৰভাৱ পেলায়
বাৰু। আমি সম্পূৰ্ণভাৱে তেওঁলোকৰ নমস্কাৰৰ প্ৰতি সঁহাৰি জনাই নমস্কাৰ জনাব লাগে এইটোৱেই আমাৰ প্ৰকৃত শিষ্টাচাৰ।

ব্যৱহাৰে মানুহক আদৰণীয়, আৰ্কষণীয় আৰু সন্মানীয় কৰি গঢ়ি তোলে। নিজৰ ব্যৱহাৰ আৰ্কষণীয় কৰি তুলিব লাগে। ব্যৱহাৰৰ
মহত্ব দীৰ্ঘস্থায়ী হয়। ডাঙৰৰ লগত নম্ৰতা আৰু সৰুৰ লগত মৰমেৰে কথা পাতি স্নেহপূৰ্ণ ব্যৱহাৰ কৰিব লাগে। মৰম চেনেহে মানুহক
মনুষ্যত্ব প্ৰদান কৰে। যদি মানুহৰ মৰম চেনেহৰ অভাৱ হয়, তেন্তে মনুষ্যত্ব হেৰুৱাই। ব্যৱহাৰে কাৰোবাক জীৱন দান কৰিবও পাৰে আৰু
কাৰোবাৰ জীৱন ধ্বংসও কৰিব পাৰে। এযাৰ কটু কথাই, কঠোৰ ব্যৱহাৰে কাৰোবাৰ জীৱনৰ বন্তি নিমিষতে নুমুৱাই পেলাব পাৰে।

সদায় শালীনতা ভৰা ভাষা ব্যৱহাৰ কৰিব লাগে। যাৰ লগত কথা পাতে, সদায় তেওঁৰ বয়স আৰু মৰ্যদাৰ প্ৰতি দৃষ্টি ৰাখিব
লাগে। এনেধৰণৰ ব্যৱহাৰে সকলোৰে ব্যক্তিত্ব আকৰ্ষণীয় কৰি তোলে।

এজন মনোবিজ্ঞানীয়ে কৈছিল যে,- ৰেল, বাছ নাইবা কোনো সমাৰোহ, সভাত আহি বহা লোকক দেখিয়েই কৈ দিব পাৰি কাৰ
ঘৰৰ পৰিৱেশ কেনে, কাৰ ব্যক্তিত্ব কেনে? একমাত্ৰ ব্যৱহাৰেই ইয়াৰ পৰিচয় বাহক।

# OPPORTUNITIES FOR SELF EMPLOYMENT AMONG THE YOUTH

**Dr.Hamidur Rahman.**

**Vice Principal,**

In the words of Mahatma Gandhi,"For the upliftment of our village, khadi and village industries are as vital as life is for the soul."Khadi industry is related with economic philosophy of Mahatma Gandhi.

The first Industrial Policy Resolution of the government of India had recognised the role of Rural Cottage Industries in 1948.The Khadi and Village Industries was set up in the First Five Year Plan.In India,"The All India Khadi and Village Industries Board (AIKVIB) was set up in January 1953. The AIKVIB was replaced by "The Khadi and Village Industries Commission"(KVIC) in April 1957 with the following objectives.'

1. The Social objective of providing employment.
2. The economic objective of providing saleable articles.
3. The wider objective of creating self-reliance amongst the poor and building up of a strong rural community spirit.

Khadi and Village Industries can create job opportunities for the rural people in their own place and at a very low cost. This can help in improving their economic condition and also check migration of people from rural to urban areas.

Providing more and more new avenues of employment for rural unemployed people in the countryside has all along been the prime concern of the government of India. Keeping in mind the expectations of various sections of rural area, the Ministry of Art, government of India has launched Regional Employment Generation Programme(REGP) through KVIC in bigway. The main objectives of KVIC are to generate employment in rural areas, to develop entrepreneurial skill among the rural unemployment youth to achieve the goal of rural industrialisation and to mobile the bank finance looking to the limited resources of KVIC.

The KVIC have many schemes and programmes for promotion of Khadi and Village Industries. They implement their programmes departmentally and also through Non-Government Organisations(NGOs) and other agencies. The NGOs have, in fact, been playing an important role in promotion of Khadi and Village Industries in the country. In the North Eastern Region, there are 78 directly aided institutions of NGOs including 43 in Assam. The directly aided institutions of NGOs are engaged in promotion of Khadi and Village Industries, with emphasis on Khadi industry. In respect to village industries, they are engaged in cane and bamboo work, bakery, oil ghani, bee keeping, agarbatti making, steel trunk and bucket making ect. In recent years spice grinding is also started by some NGOs. For Khadi, they ask the weavers and spinners to work in the campus of the NGOs or at their home and pay them the charges as per the rule of KVIC. These NGOs run units also act as demonstration units. Besides running their own units, the directly aided NGOs participate in fair and exhibitions organized by KVIC in the state and outside. Participation to such fair and exhibitions help them in getting exposure to above types of products made by different agencies. The NGOs also organize Entrepreneurial Awareness Programme(EAP) to promote new entrepreneurs in village industry sector.

The KVIC have also been taking help of other NGOs to organize EAP. Some of them have also been organizing People's Education Programme(PEP) to create awareness of entrepreneurial opportunities in the village industry sector, particularly in REGP. EAPs are meant to create awareness of entrepreneurial opportunities in the village industry sector among the prospective entrepreneurs from the rural area.

Khadi and Village Industries hold tremendous potential and can single-handedly bring about a turn around in Assam economy. The viability and scope of Khadi and Village Industries in Assam is infinite considering Assam's vast natural and material resources, which can be sources of raw materials for these industries. Moreover, Assam's un-tapped workforce of both skilled and unskilled unemployed can be put to good use by imparting them with necessary technical training and inducting them into various Khadi and Village Industries. The extensive and wide product portfo-lio of Khadi and Village Industries is also suited of Assam's economy.

In the North East, the directly aided institutions have set up the Uttar Purbanchal Khadi and Gramodyog Mahasangha at Guwahati to serve the course of Khadi and Village Industries. In recent years besides NGOs some of the Self Help Group (SHG) have started Khadi and Village Industries in rural areas and employed themselves by the unemployed youths in Assam. They engaged mainly in Khadi and agro-based industries in Assam. The SHGs also participated in fairs and exhibitions organized by KVIC from time to time.

So for the Khadi and Village Industries have given employment about 4.2 lakhs persons in 2002-2003 in Assam, with a constant increase in their numbers. The following statistics of the ever-increasing employment avenues of Khadi and Village Industries in the state has shown below:

**Employment**

(In Lakh Persons)

| Year | Khadi | Village Industries | Total |
|---|---|---|---|
| 1998-1999 | 0.85 | 0.90 | 1.75 |
| 1999-2000 | 1.35 | 1.20 | 2.55 |
| 2000-2001 | 1.56 | 1.50 | 3.06 |
| 2001-2002 | 1.67 | 1.80 | 3.47 |
| 2002-2003 | 1.95 | 2.25 | 4.20 |

Source: Employment generation of K&V industries in Assam.

But despite of these achievements there is still lot to be done in promoting Khadi and Village Industries. There is lack of proper awareness among people about different schemes that are available and lack of management skills. Moreover, lack of motivation among people is also acting as a threat. Moreover, globalization and opening up of market boundaries to international countries is also a great threat. In the present times, when Munti National Companies (MNCs) are taking over the market in India and Assam, government must try to regulate the economic activi-ties of MNCs so that the Khadi and Village Industries are not victimized.

# FAMINISM – A LIBERAL CRITIC

**MUKUL NATH**

LECTURER, Political Science

Feminism is a movement against men over women. It is concern with the social role of women in relation to men in societies of past and present, animated by the conviction that women suffer and have suffered injustice because of their gender. Feminism is an approach in social life which seeks to correct the biases that develop in society – subordination over women by men. The theory is against the oppression of patriarchy. In the patriarchy the father is all in all in the family. He deeds everything. Women mind is give no proper attitude. So it is an approach to correct the bias. Its disperency slandary of women feeling and suffering.

It is a group of diverse and multifesinated ideas which are also involve in action. We have varied type of feminism. Yet at least two common points are there –

1. It concern with the position of women in society – inferior position. They felt that women are subject to discrimination.

2. They want to bring about changes, in political, cultural, social and economic sphere to reduce the discrimination and ultimately to over come discrimination.

Feminist movement firstly developed in U.S.A Mary Wollstonecrafts was the first exponent of the feminist theory. She wrote a book named "A Vindication of Rights of Women's (1792) in which she emphasis the position of the women in her contemporary society. Women were treated inequaliy. Women pose inferior position due to lack of education. She demands for free education for women which is essential for independence. Women should be given full rights of social and political life. And she regards the women like bonded slave. According to Marry, The education system is responsible for these causes.

Rousseau , who was a nationalist considered that women were inferior being. But Mary fight against the argument. Edmond Burk also said that women could be beautiful feel but not sublime, only men could be sublime .Mary also stressed to the hold of property by women. So women could remain independent. A spinster has not any property and so she has always suffered there fore many advocated equal right to the women. She was the thinker of 18th century.

Social contract was the idea of some people whom we called contracualist feminist augured that they are patternist. They social contract was signed by the heads of the house holds. It was among the father . It was a contract to strengthen their position and property . In that time ,women were considered as the property of man Hobbes, Locke and Rousseau, who told that the people are equal. But it was not found in those days in the case of women.

Utilitarianism an another idea was developed in the subsequent period . Liberty and freedom that gives us pleasure, happiness etc .Greatest happiness to the greatest number . Bentham and Jemes ,Mill falkin these category who belived in the happiness for the owner of the property but not for the women and working class who were exploited had no property ,women were again exploited by the men .Bentham did not think about the women .But Mill was the pioneer of feminism .Because he could see that the society must be justiticed . To give the society legitimacy to the emerging order .

In the 19th century John Stuart Mill ,in his work the subjection of women (1869) agreed that women did not have equal, legal position with the men . so he demanded equal and legal position to the woman . the law should be change to give the equal right to the woman . he said these should be a prefect equality of woman and man . He also advocated economic independent of woman. Woman should be given the right of carrying for seal property. He did not want to abolished the family. He thought in a particular point of time. And he could not go out of the Victorian value. He said, women discrimination is a social phenomena and he want that socialization system should be changed.

Every human is being is a subject. They purchase their own interest. Individual autonomous subject and disembodied (not connected with the society) which is the ideal human being .It is considered as muscular characteristics. So rational human being posses only masculine characteristics .A human being is connected and constituted by necessary muscle characteristics. Now the feminist point out rational and the other concept is not for the women. The women is connected by other social relation.

In the 20th century the movement of emancipation took a form of movement. In 1848 the seneca. fall conference ( New York) was held . In this conference they issued a declaration sentiment and resolution in that declaration all type of deprivation and demand to give up the deprivation. As a result of that a demand was articulated. Demand of vote for women, an impression was created that to join in politics by the women.


In the second phase when the whole world was facing economic crisis – 1929 then the women condition is very measurable. In that period they went out for job. But a contradiction is going on. What short of job should be give to the women. Only the manual works were give to the women. The women have not given equal wages of labour. The high offices were band for them not legally but socially. In such a situation when the govt. passed to reduce the job. If in a family both were employed then the women had to lost their job.

Now they point out that women have been the domination of men and women. They also agreed that sex, gender also discriminate to the women. The gender difference is socially contracted. It is not located by nature. Education, socialization, culture these are the things that create the gender difference they are in placed of the Kitchen and bedroom.

The feminist talk about public private dichotomy. In the private sphere family and the public sphere is unisleading. Public sphere signifies liberty, equality, rights etc. In the private sphere particular person and the subjectivity, Inequality and emotion is there in family with this private sphere where the women are dominated to the man.

In the 20th century various special rape were occurred in the U.S.A.. But when women went to the court the court did not judge such type of case . The women went to interfere the private cases also to the court. And this is in full developed society. In this century another incident was- when an insurance company want to pregnancy insurance then the men was opposed it, only because it is profit for women. The women is only for making tea, decorated the bedroom. Women are mother and house wife. Now they want to participate in the outside.

In conclusion, we have seen some development basically in India. In the 93rd constitutional Amendment 33% reservation for the women. And now they demand 33% in the Legislative Assembly and the parliament. Private dichotomy also judge by the Indian court. The feminist always demand the rights of the women but it is not in full. If the society give them full rights, liberty and equality then women condition also developed.



# AIR POLLUTION AND ITS CONSEQUENCE

**Biju Kr. Sonowal**

**Lect. Dept. of English**

Environment is sum total of air, water and land having inter-relationships among themselves incorporating human being, other living organisms and even property. For normal and healthy living, a conducive environment is required by all living being including humans, livestock, plants, microorganisms and the wildlife as well. The favourable environment has a specific composition when addition of harmful substances changes this composition, the environment is called polluted environment.

Therefore, environment pollution can be defined as any undesirable change in the physical, chemical or biological characteristic of any component of the environment (air, water, soil), which can cause harmful effects on various forms of life and property.

Environmental pollution can be divided into various type-:

a) Air Pollution
b) Soil Pollution
c) Water Pollution
d) Sound or Noise Pollution
e) Thermal Pollution
f) Radial Pollution or Pollution due to radiation

## AIR POLLUTION-:

It is an atmospheric condition in which certain substances (including the normal constituents in excess) are presents in concentrations, which can cause undesirable effects on man and his environments and also the other form of life on earth. These substances include gases, particulate matter, radioactive substances etc.

It is a known fact that the atmosphere has a composition of various gases in normal percentage affecting none of the lives on the earth and it environment rather useful for maintain life on the earth.

**Normal percentage of gases in the atmosphere**

Nitrogen ($N_2$) – 78.084%
Oxygen ($O_2$) – 20.94%
Ozone ($O_3$) – 0.934%
Carbon dioxide (CO2) – 0.0314%
Methane ($CH_4$) - .0002%
Hydrogen - .00005%

The atmosphere is a dynamic system, which steadily absorbs various pollutants from natural as went as man-made sources, thus acting as a natural sink. But due to increasing anthropogenic actives excess air pollutants are released in the atmosphere. These pollutants travel through the air, disperse and many interact with other substances in the atmosphere before they reach the natural sink and accumulate in the air. Which consequently create a disturbance in the dynamic equilibrium in the atmosphere. So the normal percentage of gases present in the atmosphere keeps on increasing and decreasing which by turn affect the very life on the earth and its environment.

## SOURCES OF AIR POLLUTION-:

The sources of air pollution are of two types

a) **Natural sources**

b) **Man-made sources (anthropogenic).**

### Natural sources-:

The natural sources of air pollution are volcanic eruptions, forest fires, sea salt sprays, biological decay, photochemical oxidation of trepans, marshes, extra terrestrial bodies, pollen grains of flowers, spores etc. Radioactive minerals present in the earth crust are the sources of radioactivity in the atmosphere.

### Man-made sources-:

Man-made sources include thermal power plants, industrial units, vehicular emissions, fossil fuel burning, agricultural activities etc. All these sources release pollutants in the atmosphere and excessive release of air pollutants in the atmosphere disturb the dynamic equilibrium in the atmosphere and thereby affect all forms of life and its environment.

## POLLUTANTS-:

Any substance, which causes pollution, is called pollutant. Pollutants may thus include any chemical or geochemical (dust, sediments etc) substances; biotic components or their products; physical factors (such as heat) that are released from various sources into the atmosphere and in such a concentration that leads to adverse and harmful effects to all forms of life on earth. A pollutant has also been defined as any solid, liquid or gaseous substance present in such concentration as may be a tend to be injurious to the environment as well as lives.

## CLASSIFICATION OF AIR POLLUTANTS-:

The air pollutants may be classified in different ways as follows; -

**a) According to origin-:**

1) Primary pollutants are those, which are directly emitted into the atmosphere such as CO, NO2, SO2 and Hydrocarbon.

2) Secondary pollutants are those, which are derived from the primary pollutants due to chemical or photochemical reactions in the atmosphere such as Ozone, Peroxyacyl nitrate (PAN), Photo- chemical smog etc.

**b) According to chemical composition-:**

1) Organic pollutants
e.g.- Hydrocarbons, Aldehydes, Ketones, Amines and Alcohols.

2) Inorganic pollutants
Carbon compounds (e.g. CO and Carbonates)
Nitrogen compounds (e.g. NO2 and NH3).
Sulphur compounds (e.g. H2S, SO2, SO3 and H2SO4)
Halogen compounds (e.g. H2S, HCl and metallic fluorides)
Oxidizing agents (e.g. O3)

3) Inorganic particles (e.g. fly ash, silica, asbestos and dusts from transport, mining, metallurgical and their industrial activities.)

**a) According to state of matter-:**

1) Gaseous pollutants, which get mixed with the air and do not normally settle out eg-CO, NOx and $SO_2$.

2) Particulate pollutants that comprise of finely divided solids or liquids and often exist in colloidal state as aerosols, e.g.- smoke, fumes, dust, mist, fog, smog and sprays.

**SOURCES OF AIR POLLUTANTS-:**

The most common air pollutants are-:

1) Carbon monoxide
2) Oxides of nitrogen
3) Sulphur dioxide
4) Hydrocarbons and
5) Particulates.

**1) CARBON MONOXIDE (CO) -:**

The atmospheric air contains 0.1 to 0.12 ppm of carbon monoxide.

i) There are various natural processes which contribute to carbon monoxide in the atmosphere such as volcanic activity, natural gas and marsh gas emissions, electrical discharges in the atmosphere during storms, seed germination etc.

ii) Automobile exhausts, which accounts alone for 60% of CO in the atmosphere.

iii) Forest fires and agricultural burning which contributes to about 17% of the CO in the atmosphere.

iv) Industrial operation, which contributes about 9.6% of CO in the atmosphere.

**2) OXIDES OF NITROGEN (Nox)-:**

There are eight possible oxides of nitrogen, but $N_2O$, NO and $NO_2$ are the important constituents of the atmosphere. The atmospheric background concentrations are as follows-

$N_2O$ –0.5 ppm to 4ppm

NO –0.1 to 2ppm.

$NO_2$ – 0.25ppm.

It is evident that the concentration of $N_2O$ is more in the atmosphere, but NO and $NO_2$ is more significant from air pollution point of view and they are usually represented together as NOx.

The combustion of cool, air, natural gases and other organic matter produce oxides of nitrogen. Thus NOx is introduced into the atmosphere from automobile exhausts, incinerators, furnace stacks, coal-based power plants and other similar sources. When the fuels are burnt in air, some of the $N_2$ in the air is oxidized to NO.

**3) SULPHERE DIOXIDE ($SO_2$) -:**

Sulphur dioxide is produced when any kind of sulphur-bearing materials are combusted. In the process sulphur dioxide is accompanied by a small quantity of $SO_3$, which is denoted as SOx.

The main sources of SOx are volcanic activity and other natural sources. These sources contribute nearly 67% of the global SOx pollution. The remaining 33% of $SO_2$ is emitted from various human activities such as combustion of fuels, coal-fired power stations, transportation, refineries, metallurgical operations such as smelting of sulphide ores and chemical plants e.g.-manufacture of sulphuric acid. Most of the man-made SOx pollution is concentrated in urban and industrial area.

**4) HYDROCARBONS-:**

Hydrocarbons are emitted into the atmosphere by natural biological activity as well as anthropogenic sources such as automobile exhausts, burning of cool, oil, wood and refuge; and solvent evaporation. Anthropogenic sources account for about 15% of the total hydrocarbon emissions into the atmosphere.

The annual global hydrocarbon emission to the atmosphere by man-made sources is roughly estimated to be (57 x 10) 7 tones per year. Methane ($CH_4$) is the major hydrocarbon emitted into the atmosphere by natural activities such as anaerobic decomposition of organic matter in water, soil and sediments by microorganisms. It has been identified that twenty other hydrocarbons such as ethane, n- butane, n-pentane, isopentane, isobutene, m- xylene, propane, ethylene, acetylene and toluene are present in ambient atmosphere in areas of heavy vehicular traffic.

### 5) PARTICULATES -:

Particulates are important constituents of the atmosphere. Natural agencies such as volcanic eruptions, wind and dust storms, salt spray etc. release about 2000 million tones of particulates matter per year into the atmosphere.

Man-made activities such as burning of wood, coal and oil and gaseous fuels, industrial processes, smelting and mining operation, fly-ash emissions from power plants, forest fires, burning of coal refuge and agricultural refuge etc, release about 450 million tones of particulates per year. The diameter of particulates may range from (2 x 10)4u to (5 x 10)2u depending upon the size and density of the particles and turbulence of air which control their setting rate.

The particles are capable of scattering light and reducing visibility. Particulates includes $Fe_3O_4$, $V_2O_5$, CaO, $PbCl_2$, $PbBr_2$, fly ash, aerosols, soot etc. soot is a highly condensed product of PAH (Polycyclic Aromatic Hydrocarbons) compounds.

All these pollutants mentioned above are primary pollutants. Besides these pollutants there are some secondary pollutants also which are the products of reaction of two pollutants.

### SECONDARY POLLUTANTS-:

#### i) PHOTOCHEMICAL SMOG-:

When large quantities of automobile exhausts are loaded in atmosphere during warm sunny days with gentle wind and low-level inversion, then the exhaust gases are trapped by the inversion layers milk stagnant air masses and simultaneously exposed to intense sunlight. Then a number of photochemical reactions involving $NO_2$, hydrocarbons and other organic compounds and free radicals take place. This reaction gives rise to photochemical smog, secondary pollutants.

#### ii) OZONE ($O_3$) -:

When $O_2$ reacts with free oxygen atom presents in atmosphere produces $O_3$ (ozone) in presence of UV rays. It is also a product of photochemical reaction in atmosphere.

$$O_2 + O \xrightarrow{\text{UV Rays}} O_3$$

### EFFECTS OF AIR POLLUTANTS-:

#### 1. CARBON MONOXIDE (CO)-:

**Typical effects -:**

Toxicity, blood poisoning, increased proneness to accidents, CNS impairment. CO combines with hemoglobin, forming car boxy hemoglobin, which is useless for respiratory purposes and hence leads to death. As it reduces the $O_2$ carrying capacity of blood.

**Biochemical effects-:**

Absorbs quickly and irritates the upper respiratory tract. Reacts with cellular constituent chemicals e.g.-enzymes. The $H_2SO_4$ formed lowers pH, impairs enzymatic functions and destroys various functional molecules. Leads to bronchial spasms, breathlessness, impaired pulmonary function via airway resistance, impaired lung clearance and increased susceptibility for infections.

#### 2. OXIDES OF NITROGEN ($NO_x$)-:

**Typical effects**: -

Respiratory irritation, headache, bronchitis, pulmonary emphysema, impairment of lung defenses, edema of lungs, lachrymatory effect, loss of appetite, corrosion of teeth.

**Biochemical effects-:**

Oxidized cellular lipids, forms bonds with hemoglobin and reduces the efficiency of oxygen transport. Disrupts some cellular enzyme systems. Higher levels and prolonged exposures may cause pulmonary fibrosis, inflammation of lung tissues and may eventually lead to death.

#### 3.OXIDES OF SULPHUR ($SO_x$): -

**Typical effects**-:

($SO_2$) increases breathing rate and feeling of air-starvation, suffocation, aggravation of asthma and chronic bronchitis, impairment of pulmonary function, respiratory and sensory irritation, irritation of throat and eyes.

**Biochemical effects**-:

Absorbs quickly and irritates the upper respiratory tracts. React with cellular constituent chemical e.g. enzymes. The $H_2SO_4$ formed lowers pH, impairs enzymatic functions and destroys various functional molecules. Leads to bronchial spasms, breathlessness, impaired pulmonary functions via airway résistance, impaired lung clearance and increased susceptibility for infection.

**4. HYDROCARBON (HC)-:**

**Typical effects-:**

Some hydrocarbons have carcinogenic effects, lachrymatory effect.

**Biochemical effects-:**

Some of these compounds can react with the constituents of the cells. Carcinogenic hydrocarbons like benzopyrene can react with DNA causing mutations and cancer.

**5. PARTICULLATE MATTER-:**

**Biochemical effects-:**

It effects vary with the nature of the particles. Carbon particles and other particles cause scaring of lung via complex walling off and fibrogenic reactions leading to a disease condition known as "Pneumoconiosis". Particles carrying absorbed mutagens lead to damage of DNA in the lungs and else where.

**6. OZONE (O3)-:**

**Typical effects-:**

Irritation of lungs, eyes and respiratory tract. Accumulation of fluids in lungs and damages to lung capillaries. These biochemical effects of O3 mostly arise from generation of free radicals which attack the- SH groups present in the enzymes.

**Biochemical effects-:**

As it is generally produced by free radicals. So it may lead to the damage of DNA and thus may alter cellular genetic integrity.

**7. PHOTOCHEMICAL SMOG: -**

**Biochemical effects: -**

It causes irritation of the eyes and respiratory tract. Many other air pollutants like benzene (from unleaded petrol), formaldehyde and particulates like polychlorinated biphenyls (PCBS) toxic metals and dioxins (from burning of polythene) can cause mutation, reproductive problems or even cancer.

**EFFECTS ON PLANTS: -**

Air pollutants affects plants by entering through stomata (leaf pores through which gases diffuse), destroy chlorophyll and affect photosynthesis.

Air pollutants also erode waxy coating of the leaves called cuticle. Cuticle is important for plants as it prevents excessive water loss and damage from diseases, pests, drought and frost.

**DAMAGES OF PLANTS**

i) Necrosis (Dead areas of leaf). Damage to leaf structure.
ii) Chlorosis (Reduction of chlorophyll) causing yellowing of leaf.
iii) Epinasty (Downward curling of leaf) and
iv) Abscission (Dropping of leaves)

Death of plant is the result of particulates deposited on leaves. As it can form encrustations and plug the stomata.

**EFFECTS ON AQUATIC LIFE: -**

When air pollutant mixes up with rain and comes down as acid, which causes high acidity (lower pH) in fresh water lakes. Thus, this affects the aquatic life especially fish which by turn results to total fish death.

**EFFECT ON MATERIAL-:**

Air pollutants are by nature corrosiveness, which can cause damage to exposed surface. The intensity of damage depends upon various factors such as moisture, temperature, sunlight, and air movement and of course the nature and concentration of the pollutant.

i) Presence of SO2 and moisture can accelerate corrosion of metallic surfaces.

ii) SO2 can affect fabric, leather, paint, paper, marble and limestone.

iii) Ozone in atmosphere can cause cracking of rubber.

iv) Oxides of nitrogen can also cause fading of cotton and rayon fibers.

**EFFECTS ON ANIMALS: -**

Air pollutants also affect animals' specially pollutants like Arsenic, lead and fluorides. These pollutants accumulate in vegetation and forage and poison the animal when they eat the contaminated vegetation.

i) Arsenic, which occurs as on impurity in cool and many ores. It is also used in insecticides. Animals near smelting and other industrial operational areas suffer arsenic poisoning.

ii) Lead, which is emitted from metallurgical smellers coke-ovens and coal combustion operations, lead arsenate sprays and automobile exhausts. Thus, leads to lead poisoning, it generally occurs in horses and other animals.

iii) Cattle and sheep are particularly susceptible to fluorine toxicity, which may cause fluorosis of teeth and bones.

## CONSEQUENCES OF AIR POLLUTION: -

### 1. ACID RAIN: -

Rain is a natural phenomenon that has always valued by mankind. But in the last few decades it became a concern for all for its threatening complexity. Rain droplets have to pass through an atmosphere polluted with oxides of sulphur (SQx) and oxides of nitrogen (NOx) before reaching earth surface. In the process the falling rain droplets and snow reacts with these oxide pollutants and produce a mixture of sulphuric acid, nitric acid and water. Which has been termed as" Acid Rain" or Acid precipitation.

It is known to all that rain is acidic in nature milk a pH of 5.6 to 5.7 due to the reaction of atmosphere CO2 with water which produce carbonic acid which is not harmful for the life on earth. But due to series of photochemical reactions and chemical reactions, pollutants like oxides of nitrogen (NOx) and oxides of sulphur (SOx) eventually convert into H2SO4 and HNO3 droplets of rain. Which may damage buildings, materials, Terrestrial ecosystem, crops, forest, soil etc.

### 2.GREEN HOUSE EFFECT: -

**CARBON DIOXIDES** (CO2) is confined exclusively to the troposphere, which under normal concentration maintains the temperature at the surface of the earth by balancing the energy of the sunrays that planet, and heat that is radiated back into space. But due to increasing air pollution CO2 concentration is increasing to thick CO2 layers that in turn prevent the heat from being re-radiated out. The net result of this is the healing up of the earth's atmosphere and the air in the lower layers. On a global scale nearly 100 years ago the CO2 level was 275 ppm. Today it is 350 ppm and by the year 2035 and 2040 it is expected to reach 450 ppm. The increase of CO2 levels in atmosphere as well the level of SO2; NOx and CFCs discharged by industry and agriculture will increase the global mean temperature (15*C) by 2 degree C.

Even a change of two degrees may disrupt the earth's heat and may lead to dare consequences. The polar icecaps would melt and even the floating western Antarctica ice sheet could begin to melt. According to an estimate if all the ice on the earth should melt 200 feet of water would be added to surface of all oceans then low- lying coastal cities, as Bangkok and Venice would be inundated. A rise in sea level of 50-100 cm caused by ocean warming would flood low- lying lands in Bangladesh and west Bengal. In Bangladesh alone 15 million people live have to move or drown.

### 3. OZONE LAYAR DEPLECTION: -

Ozone layer, which lies in the stratosphere in a very small proportion (0.02-0.07 ppm) protects all from of life on the earth from the harmful UV radiations from sun. Ozone also health the stratosphere, causing temperature inversion by absorbing the UV radiation. The temperature inversion limits the vertical mixing of pollutants. The temperature slow vertical mixing of pollutants, some pollutants enter the stratosphere and remain there for years until they react with ozone and converted to other products or are transported back to the stratosphere. Thus, these pollutants deplete ozone in the stratosphere.

The reduction in ozone would lead to temperature changes and rainfall failure on earth. It's depletion would increase UV radiation on earth by 2% which will lead to cancer especially skin cancer (Melanoma). The other disorders are cataracts, destructions of aquatic life and vegetation and loss of immunity. Nearly, 6000 people die of such cancer in USA each year.

## CONCLUSION:-


It is evident that anthropogenic activities are main sources of air pollution, which is increasing at an alarming rate towards death end. It is a fact that air pollution cannot be stopped but it can be minimized. For the purpose of minimizing or controlling air pollution every human should be conscious of pollution and his environment. Pollution control measures should be started at individual level every individual should minimize the anthropogenic activities which in turn shall minimize the release of air pollutants in the environment.

In India, it seems that the root of every evils lie in the lack of proper education and awareness. Hence, we must pragmatically realize at this critical juncture that there are no technological alternatives for the human induced destruction of the ecological balance. After a prolonged survey and proper investigation might give a specific direction to have a better result and far reaching impact materializing Environmental awareness as a whole.

**"Lets make the world Pollution Free"**

# GLOBAL WARMING

**SHRI DIPJYOTI CHANGMAI**
T.D.C 2nd Yr., Dept. Of Pol.Sc.




Introduction : The most significant environmental problem faced by the world community is related to global environmental changes (G.E.C) consequent upon global warming resulting from a host of causal factors such as Ozone depletion, emission of green house gases at alarming increasing rate deforestation etc. the probable net result of global warming would be climatic changes at local regional and Levels. The international communities are scared of catastrophic adverse effects of future climatic change on different spheres of human life and nature that is deglaciation and sea level changes , submergence of island nations and major coastal low lands , atmospheric dynamics including evaporation and precipitation global radiation balance ,photosynthesis and ecological productivity of plant and animal community human health and wealth and many more. The major sources of global environmental problems have been identified e.g. rapid rate of industrialization and urbanization, population growth at alarming rate, advancement in productive technology, major land use change etc. and efforts and afoot for tackling this alarming problem of global warming leading to climatic change.

Global warming: Global warming refers to gradual rise in atmospheric and ground surface air temperature and consequent change in global radiation bal ance caused mainly by anthropogenic processes leading to climatic change at different level such as local , regional and global. It may be pointed out that the pattern of global rise in air temperature has been studied and reported by different scientists and agencies but their results are not uniform. Radioative forcing, as defined and U.S.A. by intergovernmental panel and climatic change (I.P.C.C-1990) refers to effects which green house gases have in alteringthe energy balance of the earth atmosphere system where as global warming effects of different gases.

It has been estimated that the over all increases in the surface air temperature over the past one hundred (100) years has been 0.5$^0$c to 0.7$^0$c. according to another win the average air temperature in northern hemisphere increased by 0.4$^0$c between 1880 and 1940 because of rapid rate of combustion of fossil fuels during this period but the temperature dropped after 1950 inspite of continued rapid rate of combustion of fossil fuel due to fast industrial growth but soon after 1940 the air temperature in the southern hemisphere showed rising trend which registered on overall increase of 0.6$^0$c between 1940 and 1960. another source has indicate an increase in air temperature by 1.5$^0$c up to 1995 while other sources have shown general air temperature wise ranging between 0.3$^0$c and 0.6$^0$c. It may be mentioned that a rise 2$^0$c temperature from the normal temperature was recorded catartrophic coral beaching leading to 70% death of corals in the Andaman Nicobar and Lakshwadeep islands.

The major sources and process of global warming. E.g Ozone layer depletion and green house gases.

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত বৰ্তমানৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনে লক্ষীমপুৰৰ ভিতৰতে এখনি আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে ; সেইসকল চিৰ পূজ্য ব্যক্তিৰ লগতে মাতৃভূমিৰ অস্তিত্ব আৰু গৌৰৱ ৰক্ষাৰ কাৰণে নিজৰ জীৱন উৰ্চগা কৰা বীৰ শ্বহীদসকললৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছো।

জীৱনত কোনো দিনেই ভবা নাছিলো যে, লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ নিচিনা এখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ পদবীত দ্বিতীয়টো ( পূৰ্বতে ২০০৩-২০০৪ বৰ্ষ) কাৰ্যকালৰ বাবে অধিষ্ঠিত হম। কিন্তু কেইজনমান অগ্ৰজ প্ৰতীম আৰু বন্ধুৰ উৎসাহত ২০০৫ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদবী (দ্বিতীয় বাৰ)ৰ বাবে মনোনয়ন দাখিল কৰোঁ। কিন্তু এইবাৰ মই বিনা প্ৰতিদ্বন্দিতাই নিৰ্বাচিত হওঁ। যিসকল বন্ধু-বান্ধৱীয়ে মোক এই গৌৰৱৰ অধিকাৰী কৰি তুলিলে সেইসকলক এই শুভক্ষণতে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সাধাৰণ সম্পাদক হিচাপে দ্বিতীয়টো কাৰ্যকালৰ বাবে নিৰ্বাচিত হোৱাৰ পিছতে নবেম্বৰ মাহৰ ১৬ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই মহোদয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন সভাত ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াই শপত বাক্য পাঠ কৰি কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

আমাৰ এই কাৰ্যকালত সকলোৱে প্ৰধানত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ উন্নতিৰ লগতে মহাবিদ্যালয়খনিৰ সৰ্বাংগ সুন্দৰ ভাৱে উন্নতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিলো।

সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথম কাৰ্যসূচী হিচাপে সৰস্বতী পূজা অতি জাকজমকতাৰে আয়োজন কৰা হয়। অতি সন্তোষৰ কথা যে; অন্য বাৰতকৈ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাৰ লগতে আমি নিমন্ত্ৰণ কৰা ভালে সংখ্যক অতিথিও আমাৰ মহাবিদ্যালয়ৰ পূজাত অংশ গ্ৰহণ কৰিছিল। পাৰ হৈ যোৱা বছৰবোৰতকৈ এইবাৰ মহাবিদ্যালয়ত শিক্ষা গুৰুসকলৰ উপস্থিতিও যথেষ্ট দেখা যায়।

জুন মাহৰ ৫ তাৰিখে মহাবিদ্যালয়ত "বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱসটি যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এইবছৰটোত উদ্‌যাপন কৰা বিভিন্ন কাৰ্যসূচী আৰু উৎসৱসমূহৰ এক সুকীয়া মৰ্যদা আছিল আৰু ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু আমন্ত্ৰিত অতিথিসকলৰ উপস্থিতিও যথেষ্ট বেছি আছিল বুলি আমি ন দি ক'ব পাৰো।

জীৱনৰ ৰঙীণ সপোনবোৰক বাস্তৱত ৰূপায়িত কৰাৰ মানসেৰে আমাৰ মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ মানসেৰে আগষ্ট মাহৰ ১০ তাৰিখে নৱাগত আদৰণি সভাখনি অনুষ্ঠিত কৰা হয়। সভাখনি উদ্বোধন কৰে উত্তৰ লক্ষীমপুৰ কৃষি গৱেষণা কেন্দ্ৰৰ মূখ্য বিজ্ঞানী ড° লাটু শইকীয়াদেৱে শুভ উদ্বোধন কৰে। সভাপতিৰ আসন গ্ৰহণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই বাইদেৱে। মূখ্য অতিথি হিচাপে যোগদান কৰে স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীযুতা ৰেখা ফুকন বাইদেৱে। তেওঁৰ ভাষণত ভৱিষ্যত জীৱনত ছাত্ৰ-ছাত্ৰীসকলে ল'বলগীয়া কাৰ্যপন্থা সম্পৰ্কে এক তত্ব গধুৰ বক্তৃতাই শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা আমি নিমন্ত্ৰণ জনাই অনা অতিথিবৃন্দ মুগ্ধ হৈছিল।

পুনৰ প্ৰথম বাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত ছেপ্তেম্বৰ মাহৰ ০৫ তাৰিখে শ্ৰী মন্ত শংকৰদেৱৰ তিথিৰ লগত সংগতি ৰাখি জিলা ভিত্তিক বৰগীত প্ৰতিযোগিতাৰ আয়োজন কৰোঁ। প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা সীমিত আছিল যদিও আমি প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰাত যথেষ্ট সফল হৈছিলো বুলি কোৱাৰ স্থল আছে। কাৰণ যথেষ্ট কম সময়ৰ ভিতৰত এখনি জিলা ভিত্তিক প্ৰতিযোগিতাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিব লগা হৈছিল। আমি এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষাগুৰু সকল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিক সফলভাৱে আয়োজন কৰাত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত এটা সুন্দৰ শৈক্ষিক পৰিৱেশ যাতে বিৰাজ কৰিব পাৰে, তাৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব দিছিলো। গঠনমূলক আলোচনাৰ মাজেৰে মহাবিদ্যালয়খনিৰ বিভিন্ন সমস্যাৱাজি যাতে সমাধান কৰিব পাৰি, তাৰবাবে আমি কৰ্তৃপক্ষৰ লগত আলোচনা কৰি কিছুমান পদক্ষেপ গ্ৰহণ কৰিছিলো আৰু কিছু ক্ষেত্ৰত সফল হৈছিলো। ইয়াৰ উপৰিও ১২ ছেপ্তেম্বৰ তাৰিখে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ সম্পৰ্কত, ছাত্ৰ উশৃংখতা দূৰ কৰা আৰু মাদক দ্ৰব্য বৰ্জিত মহাবিদ্যালয় হিচাপে আমাৰ মহাবিদ্যালয়খনিক গঢ় দিয়াৰ চেষ্টা কৰিছিলো।

আমাৰ কাৰ্যকালৰ উল্লেখযোগ্য খতিয়ান ঃ

ক) মহাবিদ্যালয়ৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে Rover & Ranger ( The Bharat Scouts & Guides)ৰ শাখা মুকলি কৰা। এই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগঠনটিৰ অন্তৰ্ভুক্তিয়ে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা জগত আৰু আইন-শৃংখলাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰে।

খ) অসম চৰকাৰৰ অধীনস্থ E&Dৰ চৰম হেমাহিৰ বাবে মহাবিদ্যালয়ৰ সংলগ্ন সোমদিৰি নদীৰ মথাউৰিটোৱে মহাবিদ্যালয়খনৰ ভৱিষ্যতৰ

প্ৰতি যথেষ্ট ভাবুকিৰ সৃষ্টি কৰাৰ পৰিপেক্ষিতত ছাত্ৰ একতা সভা, ছাত্ৰ-ছাত্ৰী, লক্ষীমপুৰ জিলা ছাত্ৰ সন্থা, মহকুমা ছাত্ৰ সন্থা, আঞ্চলিক ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজৰ আশা সূধীয়া প্ৰচেষ্টা তথা দান বৰঙণিয়ে আমাৰ মহাবিদ্যালয়খনি ৰক্ষা কৰাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়ালে। তেখেত সকললৈ সৰ্ব প্ৰথমে আমি স্থানীয় ৰাইজ, লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি/ সম্পাদক ক্ৰমে দেৱজিৎ দা, কৃষ্ণ দা বিষয়ববীয়াসকল, মহকুমা ছাত্ৰ সন্থাৰ সভাপতি বিকাশদা সম্পাদক ৰাতুলদা আৰু লক্ষীমপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলক আমাৰ তৰফৰ পৰা এই সুযোগতে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও জ্ঞাত-অজ্ঞাতভাৱে এই প্ৰতিবেদনত প্ৰকাশ কৰিবলৈ থাকি যোৱা সমূহ ব্যক্তিকে আমি ধন্যবাদ জনাইছো।

গ) অক্টোবৰ মাহৰ ৪ ৰ পৰা ৬ লৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আয়োজন কৰা যুৱ মহোৎসৱত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি যথেষ্ট অভিজ্ঞতা আহৰণ কৰে। মহোৎসৱটিত আমাৰ মহাবিদ্যালয়ে পুৰস্কাৰ পাবলৈ সক্ষম নহ'ল, যদিও বৰ্তমান প্ৰতিযোগিতামূলক এই ক্ষেত্ৰখনত নিজকে খাপ খুৱাই চলিবলৈ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট জ্ঞান আহৰণ কৰে।

ঘ) মহাবিদ্যালয়ৰ পৰা পোন প্ৰথম বাৰৰ বাবে আমাৰ ছাত্ৰ একতা সভাৰ দিনতেই "ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S) ৰ অধীনত এটি ৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল দক্ষিণ ভাৰতৰ ভ্ৰমণলৈ যাবলৈ সুবিধা পায়। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু এন. এচ.এচ. ইউনিটে তেলাহী মৌজাৰ বৰচৰীয়া গাওঁত থকা ভাস্কৰ উচ্চ ইং বিদ্যালয় নামৰ বিদ্যালয়খনিত শ্ৰমদানেৰে আটক ধুনীয়াকৈ মেৰামতি কৰে। আমি আশা কৰোঁ এনেধৰণৰ কাৰ্যসূচীয়ে আমাৰ মহাবিদ্যালয়খনিৰ লগত স্থানীয় ৰাইজৰ সম্পৰ্ক আৰু সুদৃঢ় কৰিব।

ঙ) আমাৰ কাৰ্যকালতেই মহাবিদ্যালয়ত এটি ৰক্ত চিনাক্তকৰণ শাখা স্থাপন কৰা হয়। এই শাখাটিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ও স্থানীয় ৰাইজৰ যথেষ্ট সহায়ক হ'ব বুলি ন দি কব পাৰোঁ।

চ) মহাবিদ্যালয়ৰ অধ্যযণ কক্ষৰ সংলগ্নকৈ দুটি বৃহৎ জিৰণী কোঠাৰ নিৰ্মাণৰ কাম আমাৰ কাৰ্যকালতেই সম্পূৰ্ণ হৈ উঠে আৰু ইয়াৰ লগে লগে মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰি অহা জিৰণি কোঠাৰ অভাৱ আমাৰ কাৰ্যকালতেই দূৰ হয়। আমাৰ কাৰ্যকালতেই ছাত্ৰ-ছাত্ৰীৰ বাবে জিৰণী কোঠাত খোৱা পানীৰ ব্যৱস্থা কৰা হয়।

বিগত বছৰবোৰৰ দৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ স্থল মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল ০৩/১২/০৫ তাৰিখৰ পৰা ০৭/১২/০৫ তাৰিখলৈ। মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই বাইদেৱে। শ্বহীদ তৰ্পন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ উপসভাপতি ড° হামিদুৰ ৰহমান চাৰে, বাৰ্ষিক ক্ৰীয়া সপ্তাহৰ উদ্বোধন কৰে গঁড়েহগা বাঁহপাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঃ উপাধ্যক্ষ শ্ৰীযুত যজ্ঞো নাৰায়ন সন্দিকৈ চাৰে। মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানৰ দিনা নৱ নিৰ্মিত গ্ৰন্থাগাৰৰ শুভ উদ্বোধন কৰে লক্ষীমপুৰ জিলাৰ উপায়ুক্ত শ্ৰীযুত মনিষ ঠাকুৰ মহোদয়ে। ৭/১২/০৫ তাৰিখে অনুষ্ঠিত কৰা মুকলি সভাত আমি নিমন্ত্ৰণ কৰি আনিছিলো শ্ৰীযুত মনিষ ঠাকুৰ ডাঙৰীয়া, শ্ৰীযুক্তা নিৰদা দলে পেগু বাইদেউ, শ্ৰীযুত অজয় কুমাৰ দাস চাৰক। তেখেতসকলে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণবোৰ আছিল তত্ব গধুৰ আৰু শ্ৰুতি মধুৰ। সভাৰ শেষত বঁটা বিতৰণী অনুষ্ঠানেৰে সভা ভংগ কৰা হয়।

মোৰ কাৰ্যকালত সহায়ৰ হাত আগবঢ়োৱা দিলীপদা, বিজুদা, পুলকদা, দিপাংকৰ চাংমাই, বিজু চাংমাই, হেমন্ত চেতিয়া, এনিবা, বুলুমনিবা, বিনীতাবা আৰু মোৰ বন্ধু ৰিতু, ৰবীন, চন্দন, দেৱজিৎ, পংকজ, দিপজ্যোতি (মেক্), উপেন, বলীন, মৃদুল, অৰূপ, বিনোদ, দ্ৰোন, গকুল, দিপাংকৰ, জয়ন্ত, গোপী, কৈলাশ, সত্যেন্দ্ৰ, হেমন্ত, জিন্তু, দিগন্ত, তপন, হৰেন্দ্ৰ আৰু বান্ধৱী বিনি, মামু, মিতালী, দিপাঞ্জলী., ৰিজু, অনামিকা, জুৰি, অনিতা, বানু, ভাইটি ৰাজু, দিগন্ত, জগদীশ, ৰাজীৱ, চন্দন, ৰূপম (ৰিণ্টু), গকুল, মনোৰঞ্জন, অনুপ, কুশল আৰু সমূহ ছাত্ৰ-ছাত্ৰীক জনাইছো– মোৰ আন্তৰিক কৃতজ্ঞতা। মই কৃতজ্ঞ দেৱজিৎ মজুমদাৰ, ৰাতুল চাবুকধৰা, বিকাশ লাহন, ৰাজু সিংহৰ ওচৰত। চিৰকৃতজ্ঞ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত।

মই কৃতজ্ঞ মোক সকলো ক্ষেত্ৰতে সু-দিহা পৰামৰ্শ দিয়া সকললৈ, বিশেষকৈ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই বাইদেউ, উপাধ্যক্ষ ড° হামিদুৰ ৰহমান চাৰ, ৰমেশ কাকতি চাৰ, বিজু সোনোৱাল চাৰ, লীলা বৰা চাৰ, বসন্ত দত্ত চাৰ, দিগন্ত শইকীয়া চাৰ, নাৰায়ন গগৈ চাৰ, বদন কলিতা চাৰ, বাহাৰুল ইছলাম চাৰ, সম্পূৰ্ণা চলিহা বাইদেউ, ৰুমী দত্ত বাইদেউ, পদ্মাৱতী গোঁহাই বাইদেউ, ড° এলিচ বেগ বাইদেউ, সোনেশ্বৰী শইকীয়া বাইদেউ আৰু চিৰ কৃতজ্ঞ জ্ঞাত-অজ্ঞাতভাৱে থাকি যোৱা সকলো শিক্ষা গুৰুৰ ওচৰত।

নল মৰে, গজালি গজে। আমাৰ পিছত আহিব লগা সকলে হয়তো আমাতকৈও আগ্ৰহ আৰু আন্তৰিকতাৰে এই মহাবিদ্যালয়ৰ বাবে কাম কৰিব। এনেকৈয়ে কান্ধ সলনি কৰি হয়তো মহাবিদ্যালয়ৰ প্ৰতি থকা তেওঁলোকৰ দায়িত্ব স্বীকাৰ কৰিব। আমি আশা ৰাখিছো এইদৰেই মহাবিদ্যালয় উন্নতিত ছাত্ৰ সমাজে আশাশুধীয়া প্ৰচেষ্টাৰে অৰিহণা যোগাব।

এই এবছৰীয়া কাৰ্যকালত ভুল-ক্ৰটিৰ অৱকাশ নথকা নহয়। যদি কিবা ভুল কৰিছো আৰু সেয়া যদি অক্ষমণীয় নহয়; তেন্তে মাৰ্জনা বিচাৰিছো আৰু ভৱিষ্যতে গঠনমূলক সমালোচনাৰে আৰু আত্মবিশ্লেষণৰ পথেৰে মহাবিদ্যালয়খনিক প্ৰকৃতাৰ্থত উৎকৰ্ষতাৰ কেন্দ্ৰ স্বৰূপে গঢ় দিবলৈ সংকল্প বদ্ধ হওঁ আহক। ইয়াকে কামনা কৰি ভৱিষ্যতৰ দিনত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম

শ্ৰী যুগ্মজ্যোতি দত্ত
সাধাৰণ সম্পাদক
লঃ তেঃ কঃ মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৩-২০০৪
২০০৪-২০০৫ বৰ্ষ

## সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় উজনি অসমৰ ভিতৰত এখন ঐতিহ্য মণ্ডিত মহাবিদ্যালয়। এই মহাবিদ্যালয়ত ২০০৪-০৫ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হোৱাত নিজকে ধন্য মানিছো আৰু তাৰ বাবে মোক যোগ্য বুলি নিৰ্বাচিত কৰা সকলোলৈকে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীত কেইশাৰী মান লিখিবলৈ পাই মই নিজকে সৌভাগ্যবান বুলি ভাবিছো। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ ছাত্ৰ-ছাত্ৰী সকলৰ হকে সেৱা আগবঢ়াবলৈ পাই মই অজান আনন্দত আত্মহাৰা হৈ পৰিছিলো, মই নিজকে গৌৰান্বিত অনুভৱ কৰিছিলো।

সহকাৰী সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হোৱাৰ পাছত মই মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিবেশ অক্ষুন্ন ৰাখি সৰ্বাংগীন উন্নতি সাধন কৰাত নিজকে নিয়োজিত কৰিছিলো। এই ক্ষেত্ৰত কিমান সফল হলো সেয়া বিচাৰ আপোনাসবৰ ওপৰত এৰিলো। তথাপি গভীৰ আন্তৰিকতা আৰু নিয়মানুৱৰ্ত্তিতাৰে সকলো কাৰ্যসূচীতে নিজকে নিয়োজিত কৰিবলৈ চেষ্টা কৰিছিলো। সাংবিধানিক ভাৱে এই পদটিৰ বিশেষ দায়িত্ব নাই যদিও সকলো সময়তে সাধাৰণ সম্পাদকৰ লগত ছাঁৰ দৰে লাগি থাকি পূৰ্ণ সহযোগিতা আগবঢ়াইছিলো।

কাৰ্যনিৰ্বাহৰ বছৰটিত পৰম্পৰাগত ভাৱে উদ্‌যাপন কৰা বিভিন্ন কাৰ্যসূচীবোৰ সুচাৰুৰূপে কৰিবলৈ আগবাঢ়ো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত আমাৰ প্ৰথম কাৰ্যসূচী আছিল সৰস্বতী পুজা। এই পুজা উদ্‌যাপনত মই সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিছিলো।

জীৱনৰ ৰঙীন সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিবৰ বাবে আমাৰ মহাবিদ্যালয়ত খোজপেলোৱা নৱাগত সকলক আদৰাৰ মানসেৰে ১০/৮/০৫ তাৰিখে আমাৰ মহাবিদ্যালয়ত নৱাগত আদৰণি সভাৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত সাধাৰণ সম্পাদকৰ ছাঁয়া হৈ মই সকলো কাৰ্য সম্পাদন কৰিছিলো।

৫/১/০৫ তাৰিখে ছাত্ৰ একতা সভাৰ সৌজন্যত পোন প্ৰথম বাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত লক্ষীমপুৰ জিলা ভিত্তিত দিন জোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰ দেৱৰ তিথি ভাগ আয়োজন কৰা হৈছিল। ইয়াৰ লগত সঙ্গতি ৰাখি জিলা ভিত্তিত ঠাইতে বহি লিখা ৰচনা প্ৰতিযোগিতা, বৰগীত প্ৰতিযোগিতা আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰিবলৈ লক্ষীমপুৰ জিলাৰ সকলো মহাবিদ্যালয়ৰ পৰা প্ৰতিযোগী তথা অধ্যক্ষ সকলক নিমন্ত্ৰণ জনাবলৈ আৰু সকলো বিলাক মহাবিদ্যালয় তথা ছাত্ৰ একতা সভা সমূহৰ লগত চিনাকী হোৱাৰ সুযোগ দিয়াৰ বাবে এই ক্ষণতে সাধাৰণ সম্পাদক আৰু কৃষ্টি বিভাগৰ সম্পাদকলৈ হিঁয়া ভৰা মৰম আৰু শ্ৰদ্ধা নিবেদন কৰিলো।

বিগত বছৰবোৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত অতি উলহ মালহেৰে মহাবিদ্যালয় সপ্তাহটি উদ্‌যাপিত কৰা হয়।

কৃতজ্ঞতা ঃ

লঃ তেঃ কঃ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সদস্য সকলে যথেষ্ট শৃংখলাবদ্ধ ভাৱে তেওঁলোকৰ দায়িত্ব পালন কৰা বাবে সকলো সদস্যলৈকে মোৰ তৰফৰ পৰা কৃতজ্ঞতা জনাইছো। মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষ মহোদয়, ছাত্ৰ একতা সভাৰ উপদেষ্টা মণ্ডলী, চিৰপূজ্য শিক্ষাগুৰু সকল। মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীলৈ তেখেত সকলৰ দিহা পৰামৰ্শ আৰু সহায় সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সহকাৰী সাধাৰণ সম্পাদক হিচাপে এটা গুৰুত্বপূৰ্ণ দায়িত্ব কাৰ্যসম্পাদন কৰোতেঅনেকখিনি ভূল ত্ৰুটি হোৱাটো স্বাভাৱিক। মানুহ মাত্ৰেই ভূল হয়। গতিকে মোৰ কাৰ্যকালৰ কোনো সময়ত অজানিতে কেতিয়াবা কাৰোবাৰ ওচৰত কৰা ভূলৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছো।

শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয ছাত্ৰ একতা সভা
জয় আই অসম

- মানস প্ৰতীম দাস
সহকাৰী সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা

## লঘূ ও গুৰু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদনৰ প্ৰাক্ মূহুৰ্ততে দেশৰ তথা জাতিৰ মঙ্গলৰ কাৰণে নিজৰ জীৱনক ধূলিৰ লগত একাকাৰ কৰোতাসকললৈ প্ৰণিপাত তথা আশ্ৰু-অঞ্জলি জ্ঞাপন কৰিছোঁ আৰু সেই মহান শ্বহীদসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

যিসকল মহান ব্যক্তিৰ অপৰিসীম আত্মবলিদান আৰু নিঃস্বাৰ্থ ত্যাগেৰে আজি আমাৰ এই মহাবিদ্যালয়খনিক এই স্থানত উপণীত কৰিছেহি তেওঁলোকলৈ আমাৰ ফালৰপৰা ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। লগতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ২০০৪-২০০৫ বৰ্ষৰ লঘু ও গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে অকণমান সেৱা আগবঢ়াবলৈ এই অভাজনক যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰি সুবিধা প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ ফালৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কেৱল পুথিগত অধ্যয়নৰ জৰিয়তেই এজন ব্যক্তিয়ে পৰিপূৰ্ণতা লাভ কৰিব নোৱাৰে। পুঁথিগত অধ্যয়নৰ লগতে এজন মানুহক খেল, ধেমালি, নাচ, গান আদিৰো প্ৰয়োজন। খেল-ধেমালিৰ জৰিয়তে মানুহৰ মাজত ঐক্য, সম্প্ৰীতি, আত্মীয়তা গঢ়ি উঠাৰ লগতে মানুহৰ শাৰিৰীক মানসিক আৰু বৌদ্ধিক বিকাশ সাধনত সহায় কৰে। শিক্ষাগত অৰ্হতাই এজন ব্যক্তিক যেনেদৰে সমাজৰ এজন উচ্চ প্ৰস্থিতি সম্পন্ন ব্যক্তি হিচাপে গণ্য কৰায়। তেনেদৰে খেল-ধেমালিৰ জৰিয়তেও সমাজ তথা দেশৰ গৌৰৱৰ প্ৰতীক হিচাপে গণ্য কৰাত সহায় কৰে।

এটা কথা মই দুখেৰে প্ৰকাশ কৰো যে আমাৰ মহাবিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই নগণ্য। তথাপিও যিসকল প্ৰতিভা সম্পন্ন প্ৰতিযোগীয়ে নিজৰ প্ৰতিভা বিকাশৰ বাবে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ থাকিল। অৱশ্যে আমাৰ মহাবিদ্যালয়ত কিছুমান খেলৰ অভাৱ পৰিলক্ষিত হয়। তথাপিও পৰাপক্ষত মই সকলো খেলেই খেলাইছিলো। উক্ত খেল সমূহত মই কেইবাজনো আগ্ৰহী আৰু প্ৰতিভাৱান খেলুৱৈ দেখিবলৈ পাইছিলো আমাৰ মহাবিদ্যালয়ত। খেলৰ সামগ্ৰী সীমিত হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত ব্যাঘাত জন্মিছে। গতিকে অধ্যক্ষা মহোদয়াই অভাৱনীয় সামগ্ৰী সমূহ যোগান ধৰি ছাত্ৰ-ছাত্ৰীক প্ৰতিভা বিকাশত সহায় কৰিব বুলি আশা ৰাখিলো।

বিগত বছৰত মোৰ কামকাজ আৰু বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰতিযোগিতা সমূহ আৰু মোৰ কাৰ্যকাল সুকলমে চলাই যোৱাত অধ্যাপক শ্ৰীযুত বিদ্যুত চুতীয়া চাৰ, অধ্যাপক শ্ৰীযুত বিজু সোণোৱাল চাৰে উপদেষ্টা হিচাপে থাকি সৎ দিহা পৰামৰ্শ আৰু উপদেশেৰে মোক যি সহায় কৰিলে সেইবাবে মই তেখেত সকলৰ ওচৰত চিৰঋণী হৈ ৰ'ম। আৰু লগতে অধ্যাপক শ্ৰী বসন্ত দত্ত আৰু শ্ৰীযুত বদন কলিতা চাৰৰ লগতে অজানিতে নাম প্ৰকাশ কৰিবলৈ থাকি যোৱা মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ ওচৰত মই সদায়েই চিৰঋণী হৈ ৰ'ম। ইয়াৰ উপৰিও বিশেষকৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতা মোৰ বাবে সদায়ে চিৰ স্মৰণীয় হৈ ৰ'ব।

মই বিশেষভাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো, মোৰ দাদা শ্ৰী যুগ্মজ্যোতি দত্ত, ৰিতু মনি গগৈ, দিপজ্যোতি চাংমাই (মেক্), সমীৰণ বৰুৱা মোৰ বন্ধু দিগন্ত বৰা, পাপু দাস, ৰাজীৱ কলিতা, বাবুল, অমূল্য, কুমুদ আদিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে অজানিতে বৈ যোৱা ছাত্ৰ-ছাত্ৰী তথা বন্ধুবৰ্গলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মানুহ মাত্ৰেই ভুল থাকেই , গতিকে মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো।

সদৌ শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনে সকলো দিশতে আমাৰ এই পিছপৰা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে শিক্ষা, খেল-ধেমালি আৰু আন আন দিশত এখন নামজ্বলা, জাকত জিলিকা মহাবিদ্যালয় হিচাপে গঢ় লোৱাৰ আশাৰে মোৰ এই চমু প্ৰতিবেদনখনি সামৰণি মাৰিছো।

শ্ৰী ৰাজু শইকীয়া

# কৃষ্টি শাখাৰ সম্পাদকৰ প্ৰতিবেদন



"সুৰৰ দেউলৰে  
ৰূপৰে শিকলি  
ভাঙি দিলি খুলি  
দুৱাৰ সোণোৱালী  
পূজাৰী অ'  
সুন্দৰ পূজাৰী।"

প্ৰতিবেদনৰ প্ৰাক্ মূহুৰ্ত্তত যি সকল ত্যাগী জ্ঞানী মহান ব্যক্তিৰ সীমাহীন কষ্ট, অক্লান্ত শ্ৰম আৰু নিজ স্বাৰ্থৰ বাবেই লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়খনি গঢ় লৈ উঠিল তেখেত সকললৈ মই মোৰ হিঁয়া ভৰা আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ কৃষ্টি সম্পাদক হিচাপে মই সন্মানীয় অধ্যক্ষা মহোদয়া, উপাধ্যক্ষ মহোদয় আৰু কৃষ্টি বিভাগৰ উপদেষ্টা মহোদয়া, শিক্ষাগুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী সকল আৰু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দৰ লগতে ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকললৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

"সুন্দৰ যে ফুলাৰ মন্ত্ৰ  
আহোৰাত্ৰি মাতে  
সেয়েহে আজি ইমান ফুল  
প্ৰভাতে প্ৰভাতে।"

২০০৪-০৫ বৰ্ষৰ লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন হয় আৰু মই কৃষ্টি সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। তাৰ পিছত আমি ছাত্ৰ একতা সভাই ১৬/১১/২০০৪ তাৰিখে শপত গ্ৰহণ কৰো।

২০০৫ চনত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা শ্ৰী শ্ৰী সৰস্বতী পূজাত সম্পুৰ্ণ দায়িত্ব সহকাৰে আৰু বহুতো সামাজিক কাম কৰাত সেৱা আগবঢ়াইছিলো।

২০০৫ চনৰ ২৪ আগষ্টৰ দিনা মাধৱদেৱৰ তিথি উপলক্ষে আয়োজন কৰা নাৰায়ণপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা "বৰগীত" প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়েও অংশ গ্ৰহণ কৰে। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী (কলা শাখা) শ্ৰীমতী পৰিস্মিতা শৰ্মাই দ্বিতীয় স্থান অধিকাৰ কৰি আমাৰ মহাবিদ্যালয় খনিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় আৰু আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক অধিবেশনতো তেওঁ শ্ৰেষ্ঠ গায়িকা ৰূপে নিৰ্বাচিত হয়। তাৰ বাবে পৰিস্মিতা শৰ্মালৈ মই মোৰ হিঁয়া ভৰা ওলগ যাঁচিছো।

২০০৫ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে আমাৰ কাৰ্যকালতে শ্ৰীমন্ত শংকৰদেৱৰ তিথি উপলক্ষে পোন প্ৰথম বাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত জিলা ভিত্তিত এভাগী বৰগীত আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

ইয়াৰ উপৰিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আয়োজন কৰা যুব মহোৎসৱতো (আন্তঃ মহাবিদ্যালয়) আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। নিৰ্বাচনৰ সময়ৰ পৰা প্ৰত্যেক মুহুৰ্ত্ততে মোক সু-দিহা পৰামৰ্শ আগবঢ়াই অহা বিভাগীয় উপদেষ্টা শ্ৰীমতী ৰুমী দত্ত, উপাধ্যক্ষ ড° হামিদুৰ ৰহমান চাৰ, বদন কলিতা চাৰ, দিগন্ত দত্ত, বিজু সোণোৱাল, বসন্ত দত্ত, অঞ্জলিকা ৰাজখোৱা, চালেমা বেগম আৰু লীলা বৰা চাৰৰ লগতে মহাবিদ্যালয়ৰ সকলো চাৰ-বাইদেউলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো। ইয়াৰোপৰি কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা মোক সহায় কৰি অহা দাদা যুগ্মজ্যোতি, উপেন, প্ৰণৱজ্যোতি, জিন্টু বন্ধু অনুজ, গৌৰী, নবীন, অৰূপ, বাবুল, ৰাজু, দিগন্ত, বাইদেউ মামু, বিনী, দীপাঞ্জলি, বিজু, মিতালী, ৰেখা আৰু অজানিতে ৰৈ যোৱা সকলোলেকে মোৰ আন্তৰিক ধন্যাবদ জ্ঞাপন কৰিছো।

ভুল-শুদ্ধৰেই মানুহৰ জীৱন। ভুলৰ অবিহনে মানুহে কোনো কামতেই আগবাঢ়ি যাব নোৱাৰে। গতিকে মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলক্ৰটিৰ বাবে সকলোৰে ওচৰত কৰযোৰে ক্ষমা ভিক্ষা মাঁগিছো।

শেষত লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ সকলো দিশতে উজ্বল ভৱিষ্যত কামনা কৰিছো আৰু লগতে মহাবিদ্যালয়ৰ সকলোলৈকে মোৰ হিঁয়া ভৰা শ্ৰদ্ধা তথা মৰম যাঁচিছো।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম

ৰাজীৱ কলিতা

কৃষ্টি শাখাৰ সম্পাদক

## তৰ্ক ও আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ব্যক্তিৰ অশেষ চেষ্টা, ত্যাগ আৰু কষ্টৰ ফলত এই মহাবিদ্যালয়খন গঢ় লৈ উঠিল সেইসকলক এই মূৰ্হুত্বত মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। ২০০৪-২০০৫ চনৰ ছাত্ৰ একতা সভাৰ তৰ্ক ও আলোচনা শাখাৰ সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে এই শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়াবলৈ অকণমান সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষ মহোদয়, চিৰপূজ্য শিক্ষাগুৰু সকল তথা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ কৃতজ্ঞতা আৰু হিয়াভৰা ওলগ জনাইছো।

নিৰ্বাচিত হোৱাৰ পাছতেই কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ সীমিত সুবিধাৰ মাজত নিজৰ কৰ্তব্য পালন কৰাৰ প্ৰতিশ্ৰুতিৰে তৰ্ক আৰু আলোচনা শাখাৰ দায়িত্ব গ্ৰহণ কৰিছিলো। তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদিকা হিচাবে মই কেৱল নিজৰ কামতে আৱদ্ধ নাছিলো। সৰস্বতী পূজা, নৱাগত আদৰণি সভা, শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি আদি মহাবিদ্যালয়ত অনুস্থিত হোৱা সকলো অনুষ্ঠানতে সক্ৰিয় সহযোগিতা আগবঢ়াইছিলো। শংকৰদেৱৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি আন্তঃজিলা ভিত্তিক এখন ঠাইতে বহি লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। সেই প্ৰতিযোগিতাখনিত লক্ষীমপুৰ জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ লগতে উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল।

১০/৯/০৫ তাৰিখে বিভাগীয় তত্বাৱধায়িকা পদ্মা গোঁহাই বাইদেউৰ নিৰ্দেশ মৰ্মে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি আন্তঃশ্ৰেণী কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাখনিত 'কুইজ মাষ্টৰ'ৰ দায়িত্ব বহন কৰি আমাক সহায় আগবঢ়োৱা অধ্যাপক শ্ৰীযুত মানস প্ৰতীম বৰা চাৰৰ লগতে অধ্যাপক শ্ৰীযুত বসন্ত দত্ত আৰু অধ্যাপক শ্ৰীযুত বিজু সোণোৱাল চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আৰ্থিক অসুবিধাৰ লগতে উপযুক্ত প্ৰতিযোগীৰ অভাৱৰ বাবে অসমৰ বিভিন্ন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা তৰ্ক কুইজ আদি প্ৰতিযোগিতা সমূহলৈ আমাৰ মহাবিদ্যালয়ৰ দল পঠিয়াব নোৱাৰাত আমি দুঃখিত। এটা কথা উল্লেখ কৰা উচিত হ'ব যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ অনুপযুক্ততাতকৈ তেওঁলোকৰ সাহস আৰু একাগ্ৰতাৰ অভাৱ দেখা গৈছে। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এটা পলায়নবাদী মনোভাৱ লৈ ফুৰা দেখা গৈছে। তেওঁলোকেও জনা উচিত যে চেষ্টাৰ অসাধ্য একো নাই। সেয়েহে মোৰ অনুৰোধ যে ছাত্ৰ-ছাত্ৰীসকলে যাতে সকলো প্ৰতিযোগিতাত অংশ লবৰ বাবে অৱহেলা নকৰি সাহসেৰে আগবাঢ়ি আহে।

০৩/১২/০৫ তাৰিখৰ পৰা মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত তৰ্ক প্ৰতিযোগিতাৰ লগতে কবিতা আবৃত্তি (ইংৰাজী/ অসমীয়া) প্ৰতিযোগিতাও অনুষ্ঠিত কৰিছিলো। সাহিত্য আৰু আলোচনী শাখাৰ সম্পাদক মহাবিদ্যালয়ৰ আলোচনীৰ কামত জড়িত থাকিব লগা হোৱাৰ কাৰণে কবিতা আবৃত্তি প্ৰতিযোগিতাও মই অনুষ্ঠিত কৰিছিলো। মহাবিদ্যালয় সপ্তাহত তৰ্ক শাখাৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমূহ প্ৰতিযোগীলৈ আমি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ সকলো কামতে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয়া অধ্যক্ষা ড° লাৱণ্য বুঢ়াগোঁহাই বাইদেউ, উপাধ্যক্ষ ড° হামিদুৰ ৰহমান চাৰ, তত্বাবধায়ক অধ্যাপিকা পদ্মাৱতী গোঁহাই বাইদেউ, অধ্যাপক লীলা বৰা চাৰ, নাৰায়ন চন্দ্ৰ গগৈ চাৰ, বিজু সোণোৱাল চাৰ,বসন্ত দত্ত চাৰ, মানস প্ৰতীম বৰা চাৰ, অধ্যাপিকা সম্পূৰ্ণা চলিহা বাইদেউ, ছালেমা বেগম বাইদেউৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। লগতে প্ৰতি মূহুৰ্ততে সহায়ৰ হাত আগবঢ়োৱা বান্ধৱী ৰিজুমনি, বিনি, মিতালী, দিপাঞ্জলী, ৰিঞ্জুমনি আৰু বন্ধু যুগ্ম, উপেন, ৰিতু, পংকজ ভাইটি মণ্টু, সমীৰণ, দিপজ্যোতি, বুল ভণ্টী জুৰিৰাণী, স্বপ্নালী, পৰিস্মিতা আৰু মনত নপৰা বহুজনলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্যকালত সেৱা আগবঢ়াওতে অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা মাগিলো লগতে লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ আৰু ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লঃ তেঃ কঃ মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদেৰে-

শ্ৰীমতী মামু বৰা

সম্পাদিকা তৰ্ক ও আলোচনা

## সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ মূহুৰ্ততে মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ জ্ঞাত অজ্ঞাত প্ৰয়াত লোকসকলক আৰু জাতীয় বীৰসকলৰ স্বৰ্গীয় আত্মাৰ চিৰশান্তি কামনা কৰিলো।

এই মহাবিদ্যালয়ৰ ২০০৪-২০০৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰাৰ বাবে মই সকলোৰে ওচৰত আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

মই সমাজ সেৱা পদত অধিস্থিত হোৱাৰে পৰা মহাবিদ্যালয়খন অতি সুন্দৰ আৰু লেখত লবলগীয়া ভাৱে পৰিস্কাৰ কৰাৰ সপোন দেখিছিলো। কিন্তু সপোন সপোন হৈয়ে ৰ'ল। মোৰ সপোন বাস্তৱত ৰূপায়ন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহৰ অভাৱ, ফলত মোৰ সপোন দিঠকত পৰিণত নহ'ল। তথাপি যিসকলে মোৰ কাৰ্যকালত মোক সক্ৰিয়ভাৱে সহায় সহযোগ কৰিছিল তেওঁলোকক মোৰ হিয়াভৰা অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা স্বীকাৰ কৰিলো।

ইংৰাজী ৩/১২/০৫ তাৰিখৰ পৰা ৭/১২/০৫ তাৰিখলৈকে মহাবিদ্যালয় সপ্তাহ অনুস্থিত কৰা হৈছিল। ৫/১২/০৫ তাৰিখে সমাজ সেৱা প্ৰতিযোগিতা অনুস্থিত কৰা হয়। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীসকলৰ পৰা শ্ৰেষ্ঠ সমাজ সেৱক আৰু শ্ৰেষ্ঠ সমাজ সেৱকৰ দল নিৰ্বাচন কৰি প্ৰত্যেককে পুৰস্কাৰ আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়।

শেষত মোৰ অতি কম সময়ৰ অভিজ্ঞতা আৰু সীমাবদ্ধ জ্ঞানেৰে কবলৈ গ'লে কম সময়ৰ কাৰ্যকালৰ ভিতৰতে সকলো কাৰ্য সম্পন্ন কৰাটো সম্ভৱপৰ নহয়। তথাপিও এইখিনি সময়ৰ ভিতৰতে মই যিমান পাৰিছিলো মহাবিদ্যালয়ৰ উন্নতি সম্পৰ্কে ভাবিছিলো।

মোৰ কাৰ্যকালত আগবঢ়োৱা সহায়-সহযোগ , দিহা-পৰামৰ্শৰ বাবে মই অধ্যাপক বদন কলিতা চাৰ, উপাধ্যক্ষ ৰহমান চাৰ, আৰু পদ্মাৱতী বাইদেউক শ্ৰদ্ধাৰ ধন্যবাদ জনালো, লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্য তথা সমূহ কৰ্মচাৰী বৃন্দ আৰু মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।। লগতে বিগত বছৰটোত অজানিতে হৈ যোৱা নানা ভুল-ক্ৰটিৰ মাৰ্জনাৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা বিছাৰিলো।

" Hard working is always success a man".

জয়তু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়

জয়তু লক্ষীমপুৰ তেঃ কগ্ন মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰী দিগন্ত বৰা

সম্পাদক, সমাজ সেৱা বিভাগ

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতেই মই সেইসকললৈ শ্ৰদ্ধা নিবেদিছো যিসকল মহান ব্যক্তিয়ে অসমীয়া ভাষা, অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে নিজৰ দূলৰ্ভ প্ৰাণকো বলি দিবলৈ কুণ্ঠাবোধ নকৰিলে, যিসকল মহান মনিষীৰ আপ্ৰাণ চেষ্টাত অসমীয়া সাহিত্যই নিজকে বিশ্ব দৰবাৰত চিনাকী দিবলৈ সক্ষম হৈছে।

লগতে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ যিসকল শিক্ষা গুৰু তথা ছাত্ৰ-ছাত্ৰীয়ে মোক অনুপ্ৰেৰণা যোগালে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

মোৰ কাৰ্যকালত মই যিমান দূৰ পাৰিছিলো মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাত কোনো ধৰণৰ ত্ৰুটি কৰা নাছিলো। ছাত্ৰ জিৰণী কোঠাৰ প্ৰয়োজনৰ জোখাৰে মই ছাত্ৰ জিৰণী কোঠাৰ সামগ্ৰী যোগান ধৰিছিলো। লুডু, ডবা, ছাইনিছ ছেকাৰৰ লগতে কেৰম আদি খেলৰ সামগ্ৰীসমূহ যোগান ধৰিছিলো। লগতে ছাত্ৰ জিৰণী কোঠাতো পৰিস্কাৰ-পৰিছন্নকৈ ৰখাৰ লগতে ছাত্ৰসকলৰ সুবিধাৰ্থে খোৱাপানীৰ ফিল্টাৰৰ ব্যৱস্থা কৰিছিলো।

ইয়াৰ উপৰিও পৰম্পৰাগত ভাৱে আয়োজন কৰি অহা সৰস্বতী পূজা, নৱাগত আদৰণি সভা, শংকৰদেৱৰ তিথি, ফাতেহা-ঈ-দোৱাজ-দহম, মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া সপ্তাহ আদিতো সক্ৰিয় অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াইছিলো।

সদৌ শেষত মোক সকলো সময়তে উৎসাহ আৰু সহায় সহযোগ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক আন্তৰিক ধন্যবাদ জনাই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু লক্ষীমপুৰ তেলাহী কমলাববীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেঃ কঃ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰী প্ৰফুল্ল দাস
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে লক্ষীমপুৰ তেলাহী কমলাববীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষ মহোদয় তথা শিক্ষাগুৰু সকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপণ কৰিলো। মোক বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ পদত অধিষ্ঠিত কৰোৱাৰ বাবে ছাত্ৰ-ছাত্ৰী সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰি সম্পূৰ্ণ এক নতুন পৰিৱেশত নিজকে খাপ খুৱাবলৈ যথেষ্ট চেষ্টা কৰিব লগীয়া হৈছিল। লক্ষীমপুৰৰ এক পিছপৰা অঞ্চলত অৱস্থিত আমাৰ মহাবিদ্যালয়খন বহুত সমস্যাৰে জৰ্জৰিত। কিন্তু সীমিত সুবিধাৰ মাজেৰে নিজৰ কৰ্ত্তব্য পালন কৰাৰ দৃঢ়বিশ্বাস আৰু প্ৰতিশ্ৰুতিৰে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰিছিলো।

এই প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়লৈকে মহাবিদ্যালয়ৰ হৈ কাম কৰাৰ বাবে মই খুউব কম সময়হে পাইছিলো। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ বিৰতিৰ সময়কণ অতিবাহিত কৰিবলৈ কিছু সা-সামগ্ৰী যোগান ধৰো। ইয়াৰ উপৰিও আমাৰ কাৰ্যকালতেই মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ অভাৱ দূৰ কৰিব পৰাকৈ এটা ছাত্ৰী জিৰণী কোঠা নিৰ্মাণ কৰা হয়।

নিচেই কম সময়ৰ এই কাৰ্যকালত মই কেৱল মোৰ বিভাগৰ কামত আৱদ্ধ নাছিলো। নৱাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহৰ উপৰিও মহাবিদ্যালয়ত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা কাৰ্যসূচী সমূহতো সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰাৰ লগতে পূৰ্ণ সহযোগিতা আগবঢ়াইছিলো।

নিজৰ অন্তনিৰ্হিত প্ৰতিভা বিকাশ কৰা হেঁপাহ মানুহ মাত্ৰেই বিদ্যমান। বৰ্তমান প্ৰতিযোগিতামূলক যুগত প্ৰতিভা সন্ধানী সকলে প্ৰতিভা বিকাশৰ এক সুবৰ্ণ সুযোগ লাভ কৰে। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত বিভিন্ন প্ৰতিযোগিতা সমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি মোৰ প্ৰয়াসক সাফল্যমণ্ডিত কৰি তুলিলে। তেখেত সকলক এই সুযোগতে মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপণ কৰাৰ লগতে ভৱিষ্যত উজ্জ্বল কামনা কৰিলো।

প্ৰতিবেদন লিখাৰ সময়েই হ'ল এজন সম্পাদক বা সম্পাদিকাৰ বাবে কাৰ্যকালৰ শেষ সময়। মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচীত মোক সু-দিহা পৰামৰ্শ প্ৰদান কৰি কাৰ্যকালটো সুচাৰুৰূপে চলাই নিয়াত সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষ মহোদয়, সন্মানীয় অধ্যাপক-অধ্যাপিকা সকল আৰু মোৰ বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপিকা শ্ৰীযুতা চম্পা তামুলী বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তাৰোপৰি বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু - বান্ধৱী তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয়-ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা দোষ ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাঁগিছো। লক্ষীমপুৰ তেলাহী কমলাববীয়া মহাবিদ্যালয় আৰু ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ এই চমু প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু লক্ষীমপুৰ তেলাহী কমলাববীয়া মহাবিদ্যালয়
জয়তু লক্ষীমপুৰ তেঃ কঃ মহাবিদ্যালয় ছাত্ৰ একতা সভা

শ্ৰীমতী পৰিস্মিতা শৰ্মা
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা।

# Lakhimpur Telahi Kamalabaria College
## LIST OF EX GENERAL SECRETARIES

| | NAME | | YEAR |
|---|---|---|---|
| 1. | Sri Pravat Dutta | --- | 1977-78 |
| 2. | Sri Gobin Borah | --- | 1978-79 |
| 3. | Sri Khagen Borah | --- | 1979-80 |
| 4. | Sri Ghana Dutta | --- | 1980-81 |
| 5. | Sri Debashankar Dutta | --- | 1981-82 |
| 6. | Sri Durna Dutta | --- | 1982-83 |
| 7. | Sri Kula Dutta | --- | 1983-84 |
| 8. | Sri Upen Dutta | --- | 1984-85 |
| 9. | Sri Amarendra Boruah | --- | 1985-86 |
| 10. | Sri Jugeswar Sonowal | --- | 1986-87 |
| 11. | Sri Budhin Das | --- | 1987-88 |
| 12. | Sri Krishna Saikia | --- | 1988-89 |
| 13. | Sri Atul Ch. Nath | --- | 1989-90 |
| 14. | Sri Munindra Barik | --- | 1990-91 |
| 15. | Sri Binandra Borah | --- | 1991-92 |
| 16. | Sri Bhaskar Chetia | --- | 1992-93 |
| 17. | Sri Pranab Saikia | --- | 1993-94 |
| 18. | Sri Probin Gogoi | --- | 1994-95 |
| 19. | Sri Dinanath Borah | --- | 1995-96 |
| 20. | Sri Javyanta Borah | --- | 1996-97 |
| 21. | Sri Bhadreswar Sonowal | --- | 1997-98 |
| 22. | Sri Raju Borah | --- | 1998-99 |
| 23. | Sri Raju Borah | --- | 1999-00 |
| 24. | Sri Rup Kr. Pegu | --- | 2000-01 |
| 25. | Sri Naren Hazarika | --- | 2001-02 |
| 26. | Sri Pabitra Nath | --- | 2002-03 |
| 27. | Sri Jugma Jyoti Dutta | --- | 2003-04 |
| 28. | Sri Jugma Jyoti Dutta | --- | 2004-05 |

# Students' Union
# Lakhimpur Telahi Kamalabaria College
## Session : 2004-2005

| | |
|---|---|
| **President** | : Dr. Labanya Buragohain |
| **Vice-President** | : Dr. Hamidur Rahman |
| **General Secretary** | : Shri Jugma Jyoti Dutta |
| **Asstt. General Secretary** | : Shri ManashPratimDas |
| **Major Games** | |
| Prof-In-Charge | : i) Prof. Bidyut Chutia<br>ii) Prof. Basanta Dutta |
| Secretary | : Shri Nilamoni Das |
| **Minor Games** | |
| Prof-In-Charge | : Prof. Biju Sonowal |
| Secretary | : Shri Raju Saikia |
| **Magazine & Literary** | |
| Prof-In-Charge | : Prof. Ramesh Kakoti |
| Secretary | :Shri Upen Deka |
| **Music & Cultural Section** | |
| Prof-In-Charge | : Prof. Rumi Dutta |
| Secretary | : Shri Rajib Kalita |
| **Debating & Symposium Section** | |
| Prof-In-Charge | : Prof. Padmawati Gohain |
| Secretary | : Ms. Mamu Bora |
| **Social Service Section** | |
| Prof-In-Charge | : Prof. Badan Kalita |
| Secretary | :Shri Diganta Borah |
| **Boys' Common Room Section** | |
| Prof-In-Charge | : Prof. Debojit Dutta |
| Secretary | : Shri Prafulla Das |
| **Girls' Common Room Section** | |
| Prof-In-Charge | : Prof. Champa Tamuli |
| Secretary | : Ms. Parishmita Sarmah |




PRINTED AT **EPITOME**, NORTH LAKJHIMPUR, PH- 94351-89393, 94352 74677